সোণপাহি

বিষ্ণুপ্ৰসাদ ৰাভা

TE OF LIBRARY SE

সমন্বয় গ্ৰন্থালয়
পি. এন. চি. ৰোড
নলবাৰী-৭৮১ ৩৩৫

প্ৰকাশক ॥
মিত্ৰে ডেকা
সমন্বয় গ্ৰন্থালয়

॥ ৰচনা ॥
বিষ্ণুপ্ৰসাদ ৰাভা

॥ প্ৰচ্ছদ ॥
জ্ঞানেন্দ্ৰ বৰকাকতি

॥ দ্বিতীয় প্ৰকাশ ॥
জানুৱাৰী—১৯৮৭

॥ মুদ্ৰক ॥
শ্ৰীহাৰাধন ঘোষ
বীণাপাণি প্ৰেছ
২ ঈশ্বৰ মিল বাই লেন
কলিকতা-৬

মূল্য : ১৮·০০ টকা।

সূচীপত্ৰ

পাতনি		১
সোণপাহি	...	১৮
হিয়াৰ পুং	..	৬৩
কুৰি বছৰ জেইল		৯১
মামীৰ হাৰ		১২৮

পাতনি

ঊনৈচ্ শ সাত্-চল্লিশ চন।...

·ছিঙা শিকলিৰ ঝন্‌ঝননি, পোতাশালৰ বেৰ-দুৱাৰ ভাঙি, ভাগি, চ'হি, হালি, বাগৰি পৰাৰ দপ্‌দপনি জীন্ পৰি যায়।

ন-মুকুতিৰ ৰং-উলাহৰ ৰজন্-জনা, খদম্-দমা উথল-মাথল, দোল্-দোপনি, হেন্দোলনি হেলেপ-লেপায়।

আই ভাৰতীৰ চুলিটাৰিত নতুন বেলিৰ জিলিক্ পৰে। অসমী আইৰ শুকান মুখত ন-ৰ'দালিৰ ৰহণ চৰে। ·

সেই মুকুতিৰ ৰঙালি বছৰ।··সেই বছৰৰ বিয়লি ছোৱা।

সিদিনা পুৱা। কলিকতা মহানগৰীত "ট্ৰেড ছোও" (Trade Show);—বৰ-নগৰৰ পৰ-বাসী—অসমীয়া ৰাইজৰ হিয়া-জুৰি ৰং-উলাহৰ খলকনি,—'হ্যাৰীচন্-ৰোড'ৰ 'চিনেমা-হল'ত উথল-মাথল, হেন্দোলনি,

ৰমক-জমক ৰঙচঙীয়া মীনা কৰা পাতনি,- চমক লাগে।

পৰে আশাভৰা সামৰণি। মনত খুহুৰনি জাগে।

চাই চাই চাওঁতাৰ মুখে মুখে,—লেখি লেখি লিখোঁতাৰ কাপে কাপে, শুনি শুনি শুনোঁতাৰ লিখনিয়ে লিখনিয়ে জলজল্ পট্‌পট্‌কৈ নিগৰি নিগৰি ওলায়,—'চিৰাজ' হেনো যুগান্তৰ-কাৰী অসমীয়া 'ফিল্ম'। জাউৰিয়ে জাউৰিয়ে শলাগনি।

খুহুৰনি গুচে। শুনি মনত ৰং ওপজে।

দিন যায়। 'চিৰাজ-ফিল্ম'ৰ লগা-লগা এনেকৰ পেলেক সকলোৱে অসম-মুৱা হয়।

অকল মই, - লগত শ্ৰীকালীপ্ৰসাদ বিহানী।

খুঁটি-নাটি খিৰিখিনি খুঁত,—তাৰে কিছু নিখুঁত কৰি সম্পাদনাৰ কাম সমাধা কৰা হয়।

উনৈচ্ শ আঠ্ চল্লিশ্ চন।...ভোগালি-বিহুৰ উকাণলৈ দিন চেৰেক্ বাকী।

খুঁতে-নিখুঁতে 'চিৰাজ-ফিল্ম্' অসমলৈ যতনেৰে লৈ অনা হয়।

অসমৰ উজনিত আৰু নামনিত একেৰাহে ন ভেশচন্ লৈ 'চিৰাজ' ওলায়। ন ৰেহ্ৰূপ। শলাগৰ ওলগ ডকা-চাকনৈয়া বুকুত লৈ ফেনে-ফোটোকাৰে বয়।

অসমীয়াৰ বুকু ওফন্দি উঠে। বিদেশীৰো বিকটা মুখ দাঁত নিকটাই শলাগনিৰে ফুচ্ফুচায়।

গুৱাহাটীলৈ আহি ৰাইজ বিশাল সাগৰত জাঁপ দি সাঁতুৰিবলৈ শিকে। কামৰূপ গুৱালপাৰাত ৰাইজৰে বুকুৰ একাল কলিজাৰ আমঠু হৈ সভা সমিতিত জুনা গাই গাই ৰাইজৰে চেনেহ-ভৰা হিয়া সাগৰত উমলি ফুৰোঁ।

দু-মাহ। এদিন উকলি দুদিন যায়, তিনি কুৰি দিন বাগৰি আগুৱায়। তিনি কুৰি গৈ সাত কুৰিত পৰে।

শোৱালকুচি হাইস্কুলত বঁটা-বিলনীয়া সভা। ৺গোপীনাথ বৰদলৈ মুখ্য-মন্ত্ৰী চিলঙত, ঘাই পুৰোহিত হৈ নামি আহিবলৈ অপাৰগ। সেই বাব্ লৈ মই নিজে তাত।

তাৰ পিছত নলবাৰী চহৰত।

সিদিনা আবেলি। ৰাজহুৱা সভা। বৰ ওজালি গোন্ধাৰ ভাও মোৰ।

জুমে জুমে ৰাইজ আহি জুলি পাতে। খদম্-দম্ লাগে। হেজাৰ-বিজাৰ।

বলিয়া হাতী!···এবা, নগৰত কোনোবা মহাজনৰ পগলা হাতী। পিয়লীয়ে ভাং খুৱাই 'বালক দাস' নামৰ হাতীটোক যেন বাইজৰ মাজত এৰিছে দিছে। উৱাদিহ নাই।

ভয়ত ভৱত বাইজৰ পীলাই কোঁচ খায়, বাইজে পিয়া-পি দিয়ে। ক'ৰ বাইজ যে ক'লৈ যায়, তাৰ ঠিকনা নাই। ৰাজহুৱা বাইজৰ জুলিত আউল লাগে।

সন্ধিয়া লাগে। ৰঙা চকা বুৰ মাৰে। নিশাৰ এন্ধাৰে ছাটি ধৰে।

সভা ভাঙে।

এসপ্তাহৰ পিছত। আকৌ নলবাৰীত ৰাজহুৱা সভা। পুনৰ্ সেই একেই ভাও—বৰ-ওজা।

ৰাজহুৱা সভা, অটোম্-টোকাৰিকৈ পতা, – পিছে, এই বেলি অলপ পাতল, সেৰেঙা, জিলুজিলীয়া।

সামৰিবৰ নৌহয় এথোন, শলাগৰ শৰাই বাকী। কলিজা কঁপোৱা মেঘৰ ঢেৰেকনি, গোঁজৰণি, চকুত ছাট মৰা বিজুলীৰ চিক্‌মিকনি, চক্‌মকানৰে ৰৰষুণ এজাক আহে জোলোকে জোলোকে। ঢাক্-ঢুক্ নাই, —বেৰ নাই, আঁৰ নাই টিং ছালিহে,—নতুন চৰকাৰী ডাক্তৰখানা। ঠেলা-হেঁচাকৈ সোমায় সকলোৱে,—ঠাচ্ লাগি যায়। ৰৰষুণৰ বৰ বৰ টোপাল,—বৰ কোবেৰে টিংপাতবোৰ ফুটাব খোজে,—মুৰ-গুঁজা ধাত-কপলীয়াসকলক তিয়াবলৈ ভিজাবলৈ। ধাৰাষাৰ ৰৰষুণ। শুপাত।···

পিছদিনা। দোক্‌মোকালি, ছঁয়ামুয়া, আঁকা-চকা। বিয়লি নিশাৰ যেঁহু জালিব চিন্-চকোৰ নাই।

কৃষক-বনুৱা-পঞ্চায়ত। তাৰেই অফিচ-ঘৰ।···

ঘুমটিত লাল-কাল,—কমৰেড্ লোকনাথ বকৰা আৰু মই।

টুক্-টুক্-টুক্।···দুৱাৰত টুকুৰিয়াই তোলা মাত।

"কোন্?"—সাৰ পাওঁ,—দুৱাৰ মেলোঁ।

"কম্‌ৰেড্‌! যেনে আছে, তেনেকৈয়ে ওলাওক। আপোনাৰ নামত 'ওৱাৰেণ্ট্‌'—'পৰ্‌ওৱানা'।"

"মোৰ নামত?" মোৰ মুখৰপৰা থক্‌বক্‌কৈ আথেবেথেকৈ মাত ওলায়। মই সোধোঁ।

"এৰা, আপোনাৰ।" এই বাতৰি জনাই ৰভিয়াৰ কম্‌ৰেড চক্ৰবৰ্ত্তীয়ে মোক সতৰ্ক কৰি দিয়ে,—"পলম নকৰিব।" সতৰ্ক বাণীৰ লগে লগে মিনতিও;—মাতত সাৱধান,—জোনাকত জিলিকা চকুত মিনতি। কেঠোৰ আৰু করুণ।...

ৰভিয়াত খবৰ পায়েই মোক জাননী দিবলৈ ৰভিযাৰপৰা খোজ কাটি আহে নলবাৰীলৈ কম্‌ৰেড চক্ৰবৰ্ত্তীয়ে। দোধোৰ মোধোৰ্‌ লাগে।.. আগ-ভৰিৰে যাওঁ পিছুৱাই আহোঁ। পিছভৰি হোঁহোকে—পিছলি আহে।

কম্‌ৰেড বৰুৱা আৰু মই সেইদৰেই ওলাওঁ। লগত চক্ৰবৰ্ত্তী নিজেই।

নিজম, নিমাত, নিশিৰ্‌শিৰ। জোনাক নিশা,—বাহিৰত জোনোৱালী এন্ধাৰ। আকাশত তাৰৰৰ চিন্‌-চাব্‌ নাই। ফট্‌ফটীয়া জোনাক,—তৰাবোৰেও তিৰবিৰাই জক্‌মকায়। জোন-তৰাৰ ৰূপোৱালী পোহৰত আমি তিনিও বিপ্লৱৰ প্ৰতিমূৰ্ত্তিৰ দৰে বাজ হৈ ওলাওঁ। উত্তৰমুৱা। তিনি মূৰতি আমি, চকামকা পোহৰ-এন্ধাৰত খেপিয়াই খেপিয়াই আগুৱাওঁ।..

পগলা-দিয়া,—কাৰণ নৈখন হেনো বলিয়া, পগলা। গতিৰ ঠিক নাই। একে নিশাই নৈখনে বলিয়া চল লৈ নলবাৰীৰ পৰা থম্‌থমালৈ যোৱা বাটটো খুন্দা মাৰি ছিঙে,—পগলা-দিয়াই খহায়। ..অথাই পানী।...

হতাশাই আগুৰি ধৰে।...

আজিৰ সমাজতো পগলা-দিয়া নৈখনৰ দৰে এজুমে বহুতৰ আশাৰ ঘৰ, আকাঙ্ক্ষাৰ কাৰেং-ঘৰ, বাসনাৰ তলা-তল-ঘৰ গুপুতে গোপনে

চলা আনি উটাই জহাই নিয়ে।...

পূব-আকাশত ৰেঙনি। পোহৰ জলমলায়।

আমাৰ দুৰ্গতি দেখি কমিউনিজম্ সমৰ্থক ৰাইজৰ এজন চিনি পাই নাও এখন আনি আমাক তুলি পাৰ কৰায়।

ৰাইজে মন কৰিলে হাতীকো ভুকুকাত সুমাই নোহোৱা কৰিব পাৰে। ৰাইজৰ শকতি অসীম, সেয়েহে ৰাইজৰ জোকৰা নখে নৈ বোৱায়।

ধমধমা। এই ধমধমাতে কেদিনমান আগতে কামৰূপ জিলা কছাৰী সন্মিলন মহা সমাৰোহেৰে হৈ যায়, তাৰে কৃষ্টি সন্মিলনৰ সভাপতি আছিলোঁ মই। তাতে এপৰ জিৰণি লৈ কমৰেড. চক্ৰবৰ্ত্তীৰপৰা বিপ্লবী অভিনন্দনেৰে মেলানি মাগি তাৰপৰা আৰু উত্তৰে গৈ গৈ আমি দুয়ো ফেঙুৱা-গড়ৰ এখন গাৱঁৰ এজনৰ ঘৰত মূৰ গুজোঁ।...

দুপৰীয়া, ভৰ দুপৰীয়া। সেই ঘৰৰ গিৰিয়ে আলো-আথৌকৈ খুৱায়, বুৱায়। মনত বৰ চাব্ লগা যতন।

সন্ধিয়া। টুপুলিয়া, ধমধমাৰ উত্তৰে। নিশা পহিলা পৰত বাগান-পাৰা। নিশাৰ জিৰণি এই গাঁৱতে।

বাগান্-পাৰা,—কোনোৰা বগা বঙাল চাহাবে হেনো তাত চেনিৰ কাৰখানা পাতিবলৈ যো-জা কৰিছিল, আৰু সেই চেপা, হেঁচা, পেৰা যন্ত্ৰেৰে ঘৰ্ঘৰাই থকা কাৰখানাত বলি দিবলৈ কুঁহিয়াৰৰ প্ৰয়োজন। তেনে বলিৰ খেতিৰ আৱশ্যক। এই গাঁওখনেই আছিল কুঁহিয়াৰৰ বাগান। সেয়েহে এই বাগান-পাৰা।

গোটেই ৰাজ্যখনেই আজি কুঁহিয়াৰৰ বাগান যেন লাগে, হয় নে নহয় কোনে জানে? ক'ৰবাৰ চেপা, হেঁচা, পেৰা যন্ত্ৰত বলি খাবলৈ যেন এই খেতি, এই কাৰবাৰ—এনে হেন মনত ধৰে।

কিবা কাৰণত সেই বগা বঙাল ৰঙ-টুনি চাহাবৰ হাবিলাষ অপূৰণ থাকে। 'চেনি কোম্পানী জাহ যায়। চেপা, হেঁচা, পেৰা-যন্ত্ৰ কুঁহিয়াৰ-শালৰ যাতনাৰপৰা সেই ৰাউসীৰ ৰাইজ ৰাইখ. পায়। তপত কেৰাহীৰ

হিয়াৰপৰা অলা জুইৰ বুকুত হাকুডাকুকৈ জঁপিয়াই পৰাৰ নিচিনাকৈ ৰাইজৰ এটাৰ পিছত এটা দুখ লাগিয়েই থাকে—দুখ নুগুচে। সেই দুখৰ শেহ নাই, সীমাও নাই। এই সমাজৰ দুখৰ অালা কব কোনে ?

পূৰ্ণিমাৰ পুৰঠী জোনবাই,—জলমলায়।

ঘাই ঘাই গাঁৱৰ মুখিয়াল লোকসকল আমি থকা ঘৰখনত আল্-পৈচান্ ধৰে। খাই বৈ চোতালত আমি দুয়ো জিৰণি লওঁ,—জোনোৱালী পোহৰ পিওঁ।

জুমে জুমে ৰাইজ আহি গোট খায়। চিফুং-বাঁহী ইনাই বিনাই চিঞৰি উঠে,—খাম্-মাদল্ গুম্গুমায়। গাঁৱৰ গঞাই চাবে চাবে, ছেৱে ছেৱে, তালে তালে হালি জালি নাচে। ৰূপোৱালী জোনোৱালী ৰহণ সানি যেন একোটা একোটা ৰূপোৱালী মূৰতিহে,—জাৰন্ত। উলাহৰ মূৰতি বিলাহৰ মৌ বোৱায়। সেই বিলাহ ওপৰ-চকুৱাৰ নিজৰি নহয়, —অন্তৰৰ ফল্গু।

ভাগৰত জিৰণি। কোনোবা দিগ্বিজয়ীৰ দুৰ্দান্ত দিগ্বিজয়ৰ পিছত যেন বিশ্ৰম বিলাস।

পিছদিনা খাই বৈ দুয়ো ওলাওঁ,—সৰ্ব্বহাৰৰ মুক্তিকামী, বিপ্লৱ-পথৰ যাত্ৰী। বিদায়-পৰত ৰাইজৰ তেজী ঘেঁপাহ শেঁতা পৰে।

এয়েই ৰাইজৰ মৰম চেনেহৰ পহিলা চিনাকি। একালে ৰাইজ আনফালে চৰকাৰ। চৰকাৰে স্তুতি স্তুতি মোক বিচাৰি ফুৰে চৰকাৰৰ বিৰোধী বুলি ;—ৰাইজৰ বুকুৰ এফালে হিয়াৰ ৰঙা আমঠু বুলি ৰাইজে বিচাৰে মোক ৰইথা কৰিবলৈ। আজিৰ সমাজত কিবা যেন কেৰোণ কেৰোণ লাগে। ৰাইজৰ চৰকাৰৰ লগত ৰাইজৰ অমিল কিয় ? ..

চৰকাৰে ভাবে,—মই হেনো চৰকাৰৰ 'শত্ৰুৰ,' , ৰাইজে ভাবে,—মই হেনো ৰাইজৰ 'মিত্ৰুৰ '। ৰাইজৰ লগত চৰকাৰৰ মিল নাই ,—তেনেই অমিল। এইবোৰ গুণি, গুঁথি, পিটিকি-পিটিকি ফঁহিয়াই ফঁহিয়াই চাওঁ,···দেখোঁ আৰু চিন্তোঁ,—চৰকাৰ ৰাইজৰ মিতা নে চকুৰ

ফুটা ?...

হুয়ো গৈ থাকোঁ। গাৱেঁ গাৱেঁ, ভূঁয়ে ভূঁয়ে, আলিয়ে আলিয়ে, পথাৰে পথাৰে গৈ গৈ শেহত গোঁহাই-কমল-আলি। তাৰ পিছত ৰঙা-ফালি,—আবেলি ৰৰমা, সন্ধিয়া মহখুলি, শেহত নিশা দীঘেলী।

দীঘেলী। ওখ মনৰ দীঘল মন্থৰা এই দীঘেলীৰ ৰাইজ। ভাবে ভঙ্গীয়ে এওঁলোক এটা গোট। দুৰ্গম দুৰ্গ'ত এয়ে মোৰ কঠোৰ সাধনাৰ কঠিন থল। মনে মনে এই থলকে বাছি লওঁ।

চাৰি মাহ। নিবিড় সম্বন্ধ হয় ৰাইজৰ লগত।

সাধনাৰ পুতল আগুৱায়।

মুক্তি যজ্ঞৰ সাগ্নিক যাজ্ঞিক,—বিপ্লৱ-পথৰ নিৰ্ভীক সৈনিক,—সেয়ে হবৰ সাধনা।

চকুৰ আগত সিদ্ধিদাতা গণ-পতি গণেশৰ মূৰতি জাগি উঠে, জিলিকি উঠে।

গণপতি গণেশ। মানৱ-সমাজত গণ-পতি আন একোৱেই নহয়,—স্বয়ং জন গন আৰু সেই জনগণে গণপতি। গতিকে গণেশ,—কাৰণ স্বয়ং জনগণেই ঈশ বা ঈশ্বৰ,—গণেশ, গণেশ্বৰ। তেওঁৰ অথবা একতাবদ্ধ জনতাৰ সিদ্ধি সৰ্ব্বত্ৰ। সেই কাৰণে তেওঁ সিদ্ধিদাতা সিদ্ধেশ্বৰ। এই সিদ্ধিদাতা এগুটীয়া ৰাইজেই সমাজৰ মহাৰ্ঘ প্ৰগতিৰ অব্যৰ্থ বাহন। এই গণেশ যেই সেই গণেশ নহয়, এদঁতীয়া গণেশ,—একতা ডোলেৰে গুঁথা এগুটীয়া গণেশ, —গণ-দেৱতা।

এগুটীয়া ৰাইজৰ শকতি অলৌকিক। ৰুচিয়া চীনৰ ঐতিহাসিক বিপ্লৱেই ইয়াৰ সাক্ষী। অমানুষিক প্ৰতিক্ৰিয়াশীল নিষ্পেষণতো ইয়াৰ মৰণ নাই।

সমাজ-তান্ত্ৰিক বিপ্লৱৰ ঘোষণা ভাৰতৰ চাৰিওফালে বিয়পি পৰে। 'বিপ্লৱী কমিউনিষ্ট পাৰ্টি'ৰ নেতৃত্বত সমাজ-তান্ত্ৰিক-বিপ্লৱৰ জঙ্গী-আন্দোলন চলে। কলিকতাত দমদম্ বসিৰহাটৰপৰা আৰম্ভ কৰি অসমতো এটা বিৰাট আন্দোলন ৰূপ লয়। শিৱসাগৰ, কামৰূপ এই দুখন

জিলাত এই ৰূপ চূড়ান্ত হয়। মঙ্গলদৈৰ বন্নাখাট আৰু ভকতপাৰাতো।

প্ৰতিক্ৰিয়াশীল চৰকাৰী পুলিচী জুলুম অবাধে চলে। তাৰ বাবে ৰাইজ আতঙ্কিত নহয়, শঙ্কিত বৈপ্লৱিক নিস্ফলতাৰ আশঙ্কাতআৰু কমৰেড সকলৰ ধৰা পৰাৰ ভয়ত।

ৰাইজৰ বিশাল সাগৰ অসীম,—অপাৰ।

ৰাইজৰ চেনেহৰ মৰমৰ অসীম অপাৰ বিশাল সাগৰত আমি মাছ হৈ ঢেল ওপঙাদি সাঁতুৰি সাঁতুৰি খেলোঁ, মেলোঁ, ওমলোঁ। সাগৰত কিবা মলিৰে মলিনতা দেখিলে তাক মাছৰ দৰে চিকুণাই নিকা কৰোঁ। অথবা তাকে কৰিবলৈ যতন লওঁ।

ওপৰত মাছলুকা উৰে জাকে জাকে, ঠাপ মাৰি নিব খোজে। দেখা পাওঁ। আমি হেন মাছৰ দলে ৰাইজৰ মৰম-চেনেহ ভৰা হিয়া-সাগৰৰ গভীৰ তলত ডুব দিওঁ। মাছলুকাৰ জাকে আমাক নাপাই ভাগৰি পৰে। উৰি গুচি যায়। আকৌ আমি হেলাৰঙে পানীত খেল মেলি ওমলোঁ ৰঙেৰে উলাহেৰে। মাছলুকাৰ জাক যেন পুলিচ-মিলিটাৰী-চোৰাংচোৱাৰ দল।

ৰাইজৰ মৰম-চেনেহেই আমাৰ ৰক্ষা-কবচ, ৰাইজৰ আশীসেই আমাৰ পাশুপাত-অস্ত্ৰ। এই ৰক্ষা-কবচ আৰু পাশুপাত-অস্ত্ৰৰ বলতেই আমি সুস্থ, বলিষ্ঠ, নিৰ্ভীক সৈনিক।

প্ৰগতিৰ শত্ৰু প্ৰতিক্ৰিয়া। প্ৰতিক্ৰিয়াই সৃষ্টিৰ অগ্ৰসৰণত বাধা;—সৃজনৰ আগ-বুলনিত বিঘিনি। সৃষ্টিৰ প্ৰগতিৰ সোঁতক বান্ধ দিবৰ শকতি কাৰো নাই;—স্বয়ং বিধাতাৰো।

কালৰ ৰথৰ চকা সদায় আগুৱাই যায়, পিছুৱাই নাহে। কোনোবাই হেঙাৰ দিবলৈ আহিলে, কালৰ ৰথৰ চকাই তাক চেপি, হেঁচি, পিহি সমান কৰি যায়।

মাকৰ গৰ্ভত কেঁচুৱা থাকে, দহ-মাহ-দহ দিনৰ পিছত কেঁচুৱাৰ জনম হয়। কাৰো সাধ্য নাই সেই জনম ৰখিবলৈ,—স্বয়ং বিধাতাৰো

শকতি নাই। বাধা দিবলৈ গলে, হয় কেঁচুৱা মৰিব নাইবা মাক মৰিব অথবা দুয়ো মৰণৰ গৰ্ব্বাহত পৰিব।...

কালৰ ৰথৰ চকাৰ আগুৱান্ গতিৰ লগে লগে প্ৰগতিৰ বাহন সমজুৱা বাজহুৱা জনতাইও লৰে, ধাপৰে, আগবাঢ়ে। সেই প্ৰগতিক বাধা দিবলৈ কোনোবা প্ৰতিক্ৰিয়াশীল শকতি হেণ্ডাৰ হৈ আগুৱালে কালৰ ৰথৰ চকাইও তাক চেপিবলৈ, হেঁচিবলৈ, পিহিবলৈ আগবাঢ়ে। ইতিহাসত ইয়াৰ বহুতো উদাহৰণ আছে। ই দ্বন্দ্ববাদৰ বৈজ্ঞানিক তত্বৰ কথা।... ক'লৈ গ'ল জাপান, ইটালী আৰু জাৰ্ম্মানৰ উদ্ধত দুৰ্দ্দান্ত শক্তি; আৰু কেনেকৈ জনম লভিলে চীন, কছী, ভিয়েট্‌মিন্, উত্তৰ কোৰিয়া আৰু ইউৰোপৰ নয়া-গণ-তান্ত্ৰিক দেশবোৰৰ প্ৰগতিশীল ক্লিষ্ট, পিষ্ট জনতাৰ জয়-জয়কাৰ অগ্ৰগতি আৰু বিজয়-গৌৰৱত গৰীয়ান্ দুৰ্ব্বাৰ অফুৰন্ত বীৰ্য্য-শৌৰ্য্য। বুৰঞ্জী-ইতিহাসত এনে উদাহৰণ আজিও জল্‌জল্- পট্‌পট্। ই যে সৃষ্টিৰ বিধান,—কালৰ সংবিধান, ইতিহাসৰ ধাৰা।..

এন্ধাৰ, ঘোৰ এন্ধাৰ। আঁউসীৰ এন্ধাৰে ছাটি ধৰে। সেই এন্ধাৰ- অজ্ঞানতাৰ তিমিৰ-অন্ধকাৰ।

"ক'ত মুকুতি ?—ক'ত মুকুতি !?—মুকুতিৰ বাট ক'তা ??? মুকুতিৰ বাট ক'তা ????" চিঞৰি চিঞৰি ৰাইজে হাবাথুৰি খাই মুকুতিৰ বাট বিচাৰি বিচাৰি সেই এন্ধাৰত খেপিয়াই ফুৰে। বাট নাপায়। সেই চিঞৰ মুখৰ নহয়,—অন্তৰৰ। শুনোতাই বুজে, বুজোঁতাই শুনে।

মুকুতিৰ হেঁপাহত কোনোবাই বেলেগ ধৰ্ম্ম লয় কোনোবাই ভিন্ ৰাজনৈতিক দলত সোমায়, কোনোবাই সেই হাবিলাষত উধাই মুধাই ঘূৰে, ঠেলা-হেঁচাত উশাহ নাপাই মৰে; কতই আপোন-ঘাতী, স্বজন- বধী হয়;—মুকুতি আৰু নাপায়। সেই একেই অসুখ, একেই অশান্তি, একেই অকল্যাণ। জীৱন বিষত বিষময় হৈ উঠে।...

এটা চাকি।· তাৰ পোহৰ। সেই পোহৰেই দেখুৱাই দিয়ে বাট।

খেলিযাই ফুৰিব নালাগে   আঁউসীৰ যোপমৰা এন্ধাৰ গুচি যায়।

··আদর্শৰ চাক। কমিউনিজমৰ পোহৰ,—ৰাইজৰ অন্তৰৰ অজ্ঞানতাৰ তিমিৰ-অন্ধকাৰ আঁতৰাই দিয়ে। পোহৰত মুকুতিৰ বাট মুকলি হয়,—বিপ্লৱৰ বাট। আমি জ্বলাওঁ সেই আৰিকাঠিৰ জুই—জুমুঠি। সেই বাট, সেই পটি, সেই পথেদি আগুৱাই যাবলৈ মন যায় জনতাৰ।

সেই পথ কণ্টকময়, সেই বাট-পটি কাঁইটীয়া। ঘাত-প্ৰতিঘাত আছেই। চেতনা লাগে, প্ৰেৰণা জাগে, বৈপ্লৱিক পথেদি যাবলৈ সংঘাতৰ শ্ৰেণী সংঘাতহ প্ৰস্তুতিৰ প্ৰয়োজন হয়। তেনে প্ৰস্তুতিৰ বাধা বিঘিনি ওপজে।

মুক্তি-ফৌজ, নাৰী-মুক্তি-সংঘ, কৃষক-বনুৱা পঞ্চায়তৰ অগণন সংগঠন অবিৰাম ভাবে চলে। গাঁৱে-পতি নিতৌ দুঘণ্টা তিনি ঘণ্টা বকোঁ,—বুজাওঁ,—বৰাওঁ।

ভাগৰ নাই, জিগৰ নাই।—একেৰাহে খাটোঁ।।··

এই চাৰি আঙুলীয়া কপালত, ৰেল নাই, জাহাজ নাই, মোটৰ নাই, এৰোপ্লেন নাই। কেৱল ভৰি আৰু ভৰি। খোজ কাঢ়ি ফুৰো। ৰ'দ নাই, বৰষুণ নাই,—দিন নাই, নিশা নাই।

অসমৰ ইমূৰৰপৰা সিমূৰলৈকে ফুৰোঁ, ঘূৰোঁ, টহলোঁ। পূবে বৰ্ম্মা-সীমান্ত, পচিমে নেপালৰ পূৰ্ব্বান্ত, আন কি তিব্বতৰ সীমান্তলৈকে যাওঁ। কিমান ধৰণৰ মানুহৰে সৈতে যে নিবিড় সম্পৰ্ক হয়, মই জানো,—আবৰ, খামতি, ফাঁকিয়াল, চুটীয়া, আহোম, ৰাভা, কছাৰী, লালুং, মিকিৰ, গাৰো, ডিমাছা, কোচ, কলিতা, বামুণ, গোসাঁই, গৰীয়া, মৰীয়া, লেপ্চা ভুটীয়া নেপালী আৰু যে কিমান।—বৰণ বেলেগ, জাতি বেলেগ, ধৰ্ম্ম বেলেগ,—কিন্তু স্বাৰ্থ একেই। মুণ্ডা, উড়িয়া, কুৰ্ম্মী, চাওঁতাল আদি আদিবাসী সকলবো হালোৱা, হজুৱা, বনুৱা আৰু তল-মজলীয়া খলপৰ দুখীয়া ৰাইজৰ ভিতৰত বিবিধি উঠা দুখ-দুৰ্গতিৰ কোনো বিভিন্নতা নাই। ···সেই একেই অৰ্থ নৈতিক হেঁচা।

অথচ চৰকাৰৰ সিপিনে কোনো দৃষ্টি নাই, ভ্ৰূক্ষেপ নাই। কিন্তু ?···

দ্বাপৰ-যুগৰ ধৃতৰাষ্ট্ৰ কেৱল অন্ধহে আছিল, কিন্তু কলি-যুগৰ ধৃত-ৰাষ্ট্ৰ অন্ধও,—কলাও।

দুষ্ট প্ৰকৃতিৰ পুতেক দুজন, দুৰ্যোধন আৰু দুঃশাসন, দুয়ো মিলি কিমান যে ৰাইজৰ ওপৰত পাশবিক দলন, পীড়ন, উৎপীড়ন, অত্যাচাৰ কৰি ফুৰে, ধৃত-ৰাষ্ট্ৰই জানো দেখে ?—নেদেখে। সেয়েহে সি অন্ধ।··· ৰাইজৰ কৰুণ আলৈ-আথানি হোৱা বুকুভগা, হিয়াছিগা দৃশ্য সি নেদেখে। সেই দলন, পীড়ন, উৎপীড়নৰ ফলত জৰ্জ্জৰিত হোৱা ক্লিষ্ট, পিষ্ট, দলিত দুখীয়া ৰাইজৰ ইননি-বিননি, হা-হুমুনিয়াহ সি জানো শুনে ? —নুশুনে। কাৰণ সি কলাও। ধৃতৰাষ্ট্ৰৰ এই অন্ধতা আৰু বধিৰতাৰ সুযোগ লৈ সেই দুৰ্য্যোধন, সেই পুঁজি-পতি কুবেৰহঁত, যিবিলাকে নিজৰ পুঁজিৰ মুনাফাৰ কাৰণে কুভাৰেৰে শ্ৰমজীৱী ৰাইজৰ মাজত যুঁজ বাগৰ লগায়, সেই দুঃশাসন সেই ধনপতি ধনীৰ দালালহঁত,—যিবিলাকে ধনিক শ্ৰেণীৰ স্বাৰ্থ-পূৰণৰ বাবে অবাধে শোষণ চলাবলৈ বেয়া শাসন কৰে,—ইয়াৰ জানো কোনো প্ৰতিকাৰ নহব ? ৰাইজৰূপৰা পাঁচ পাণ্ডৱ ওলাই তেনে দুৰ্য্যোধনৰ জানো উৰু নাভাঙিব,—দুঃশাসনৰ বুকু ফালি ৰক্ত পান নকৰিব ?

আজিও মহৰম্ মাহ শেষ হোৱা নাই, আজিও কাফেৰ এজিদ্‌হঁতে দুখীয়া হাচান্-হুচেনৰ ওপৰত জুলুম চলায়েই আছে,—ফোৰাত্-নৈৰ পাৰত কাৰ্‌বালাৰ সৃষ্টি কৰিয়েই আছে। কেয়ামতৰ দিন জানো নাহিব ? —আহিব,—আহিব ধৰিছে সেই মহা-বিচাৰৰ দিন।

দুখীয়া হাওৰীয়াৰ ঘৰৰ 'মাইদাংশ্ৰী' লখিমীক সেই নিঠুৰ ছাওদাংৰাই-কহঁতে ৰজাৰ চকুৰ আগতে হেলাৰঙে হাঁহিমুখে চুৰ কৰি নিব, আৰু তাকে ৰাইজে তবধ মানি ভেবেকা লাগি চাই থাকিব জানো ? 'মাওৰীয়া' শ্ৰীন্ জহ্‌লাওৰ দৰে বীৰ বেশত সাজি কাচি ওলাই চাওদাং ৰাইকহঁতক মাৰি 'মাইদাংশ্ৰী'ৰ নিচিনা আই গোসাঁনী লখিমীক উধাৰ কৰিবলৈ 'মাওৰীয়া' ৰাইজ নোলাব জানো ?

জনক-ঋষিৰ দৰে খেতিয়কসকলে ব'দক ব'দ ষুৰুলি চোকা ব'দত দহি জহি পুৰি, বৰষুণক বৰষুণ ষুৰুলি তেনে বৰষুণত তিতি ভিজি বুৰি ভব-বাৰিষা হাল বায়, খামোৰে, মৈয়ায়, কোৰেৰে চপৰা তুলি আলি দিয়ে, —ৰোৱনীসকলে তেনেকৈয়ে ব'দত বৰষুণত হাডক মাটি কৰি তেজক পানী কৰি ভুঁই ৰোৱে। কেঁচাপতীয়া সেউজ-বুলীয়া ধাননি পথাৰ কাতি-আঘোণত সোণোৱালী বহণ সানি দিপ্ লিপ্ হৈ উঠে। দাউনীসকলে হাতাত কাঁচি লৈ ধান দায়, গঞাই সাউৰিমাতি ডাওৰিয়ে ডাওৰিয়ে ধান চপায়, চোতালত মৰণা মাৰে। সেই সোণ-চেকুৰা গুটি ধান ভঁৰালত নোসোমাওঁতে জমিদাৰ-মহাজনইঁতৰ ডুলিত সোমায়। তেওঁ লোকে গোটেই বছৰ এসাজ খায়, এসাজ নাখায়,—ছমাহে ভোকে লঘোণে থাকে।

জনক-ঋষিৰ নাঙলৰ ফালত সীতা-লখিমী ওলায় হয়,—কিন্তু সেই লখিমীক ৰাৱণে আহি হৰণ কৰি নিয়ে।···

ৰাম ক'ত, লক্ষ্মণ ক'ত ?·· হায়-হাহাকাৰ উঠে। হা-হুমুনিয়াহৰ বা-মাৰলি বয়। সীতা-উধাৰৰ আলচ চলে।···

এই ধৰণী ক্রন্দসী-ৰোদসীৰে পৰিপূর্ণ হয়।··

সমস্যাৰ পিছত সমস্যা আহে। ইটো সমস্যা সমাধান কৰিবলৈ গলে,—দহোটা সমস্যা বেটিকুটি আগচি আহে। সমস্যাৰ সীমা নাই,—সীমাহীন ; নাই অন্ত,—অনন্ত।

এদৰা আহল বহল উলুৱনি। উভালি উভালি আগুৱাই গলে পাছে পাছে আকৌ গজালি মেলে। মুকলি নহয়। কাঁচিৰে কাটি ৰেপি গলেও শেষ নহয় ,—তুনাই গজালি মেলি উলুৱনি ভৰপূৰ হৈয়েই থাকে। চাফ্-চিকণৰ দিহানো কি ? এটি ফিৰিঙতি, কেৱল এটি অগ্নি স্ফুলিঙ্গ।··· শুকান খৰালি বতৰ। ফাগুন-চ'ত মাহ। এটি ফিৰিঙতিয়ে দাৱানল সৃষ্টি কৰে। ফাগুন-চ'তৰ বতাহে হাত-উজান দিয়ে। উলুৱনি চাফ্ চিকণ মুকলি হৈ পৰে। তাত খেতি কৰা, হাল বোৱা ;—যি মন যায়, চহ কৰা। সেয়া শুৱনি বাৰী, নাইবা ধুনীয়া পথাৰ হৈ পৰে ; - জীৱিকাৰ উপাদান।

ছুনিয়াৰ মানৱ সমাজত আজি সমস্যাৰ উলুৱনি। গাই গুটীয়াকৈ চাফ্ কৰিব নোৱাৰি। এটা গুচালে দছোটা ওলায়। বাজছৱাকৈও নোৱাৰি। আইনৰ কাঁচিৰে কাটিলে, পাছে পাছে আক বেছিকৈয়েহে গজালি মেলি ওলায়।—সমস্যাৰ আক সমাধান নহয়। উলুৱনিৰ নিচিনাকৈ সমস্যা বাঢ়িহে যায়। শেষ নহয়।· সমস্যাৰ উলুৱনি চিকুণাই চাফ্ কৰিবলৈ হলে, লাগে মাথোঁ এটি ফিৰিঙতি,—বিপ্লৱৰ ফিৰিঙতি। সেই বৈপ্লৱিক ফিৰিঙতিয়ে সমস্যাৰ উলুৱনি পুৰি ছাই কৰি যায়। সেই মুকলি পথাৰত চহ কৰি নতুন ছুনিয়াৰ ন-মনৰ ন-মনুৱা, ন-ৰণৰ ন-ৰণুৱা ৰাইজে ন-উছাহেৰে ন-বিধান সিঁচে,—হয়, নয়া-গণ-তান্ত্রিক, নহয়, সমাজ-তান্ত্রিক বিপ্লৱৰ সঁচ।···

মৰতত স্বৰগ ৰচক।···ৰাইজৰ ৰজা, জাতিয়েই গঙ্গাৰ পবিত্র সোঁত নামি ব'ক। শান্তিৰ নিজৰা, লুইতৰ ঢল এক হওক। এক হৈ প্রশান্ত-সাগৰ হৈ শান্তিৰ ঢউৰ মালিকা গুঁথি বিয়পি পৰক।

···দেখোঁ,—নৈখনত বিহ-পানী বৈয়েই আছে। ইটো ঘাটত অমৃতৰ পানী সিঁচিলে, তাৰ ৰাইজে কেদিনমানহে অমৃতৰপানী পি হিয়া জুৰ পেলাই শাঁত কৰে। আকৌ বিহ-পানী বয়। সেই নৈখনত চিৰকাল অমৃতৰ পানী বোওৱাৰ দিহা নো কি? নৈখনৰ গুৰি, যিটো ভুমুক্, তাৰ বিহ-কুণ্ডটোকে একৰাই পেলাই দিয়া,—তাত অমৃতৰ কুণ্ড বহুৱাই দিয়া। সেই নৈখনত চিৰদিন চিৰকাল অমৃতৰ পানী বৈ থাকিব। তেহে তেনে নৈবোৰে বৈ বৈ অশান্ত সাগৰ প্রশান্ত অমৃতময় সাগৰ কৰি তুলিব।

আজিৰ সমাজত অশান্তি,—কাৰণ সেই তেজপিয়াহঁতৰ হাতত শকতি, ক্ষমতা। ৰাইজ যেতিয়া বিদ্রোহী হয়, তেতিয়া কিছু সান্ত্বনা দিবলৈ সিহঁতে ৰাইজক কিঞ্চিৎ শান্তি দিয়ে। সেই শান্তি চিৰকলীয়া নহয়। সমাজৰ সেই অশান্তিকাৰী কুণ্ডটোকে একৰাই তাত শান্তিৰ কুণ্ড নবহুৱালে বাউতি-যুগীয়া শান্তি আহে কেনেকৈ? আজিৰ সমাজত সেই অশান্তিৰ গুৰি ধনতন্ত্রবাদকেই একৰাই পেলোৱা। তাত

ৰাইজৰ ইচ্ছা অনুযায়ী নয়া-গণ-তন্ত্ৰ নাইবা সমাজ-তন্ত্ৰবেই থাপনা পত্তা।...

এইদৰে ৰাইজৰ কত করুণ দৃশ্য নিজ চকুৰে দেখোঁ। তেওঁলোকৰ কত সমস্যাই সমাজত আউল লগায়,—কত ঘাত প্ৰতিঘাতে জীৱন বিষময় কৰি তোলে! সেই একেই অৰ্থনৈতিক মহা সমস্যাই জাতি ধৰ্ম্ম-নিৰ্ব্বিশেষে সকলোৰে অন্তৰত খৌকি-বাখৌকি লগায়। কাৰো অন্তৰত সুখ নাই, শান্তি নাই, কল্যাণ নাই, মঙ্গল নাই। আজি এই কুৰি শতিকাৰ মাজছোৱাত মানৱসভ্যতাৰ চৰম-সীমাত; অথচ ৰাইজ আজিও সেই আদিম যুগত, নৰক-কুণ্ডত। ই বিধাতাৰ বন্ধন নে, সমাজ ব্যৱস্থাৰ কেৰোণ?...

তথাপি নিজৰ নিজৰ কৃষ্টি, সংস্কৃতি, সভ্যতা, আনকি ধৰ্ম্মকো কোনো জাতিয়ে, কোনো বৰ্ণই এৰিব পৰা নাই। নিঠুৰ কালেও তেওঁলোকৰ সেই মূল্যবান জীৱনৰ সাৰ ধ্বংস কৰিব পৰা নাই।

...মোৰ অজ্ঞাতবাস-জীৱনত বিৰাট পৰ্ব্ব সৃষ্টি কৰি, বিৰাট শকতিৰ সাধন কৰোঁ। সেই শকতি ৰাইজৰ ৰাজহুৱা শকতি,—যি শকতিয়ে বিধাতাকো টলাব পাৰে। তদুপৰি মোৰ শিল্প-সাধনা আছেই। অজ্ঞাত-বাসত মোৰ শিল্পীজীৱনত—এটি অজ্ঞাত অধ্যায় অৰ্জ্জন কৰোঁ, যাক অধ্যয়ন নকৰিলে মোৰ শিল্পীজীৱন অপূৰ্ণ থাকিলহেঁতেন।..

জনতা অফুৰন্ত কলা-শিল্পৰ ভঁৰাল।...

সেই জনতা,—সেই ৰাইজৰ সান্নিধ্য লভি, তেওঁলোকৰ হিয়াৰ এফাল বুকুৰ জীউ, কলিজাৰ আমঠু হৈ,—তেওঁলোকৰ চেনেহৰ মৰমৰ হিয়া-সাগৰত বুৰ মাৰি মই এই শিল্প-সৰস্বতীক লাভ কৰিছোঁ।..আজি মোৰ সাৰস্বত-আত্মাই সৰস্বতী-বোৱঁতী সুঁতিক বোৱাব খোজে। ই মোৰ নিজৰ গৌৰৱ নহয়। ৰাইজৰ অন্তৰ-ফুলনিৰ ফুলে ফুলে উৰি পৰি পৰি মৌ-ওটি তোমোবাৰ দৰে ৰস শুহি শুহি মই মোৰ হৃদয়ত মৌ-কোঁহ ৰচনা কৰোঁ। সেই ৰাইজৰে মৌ মই ৰাইজক বিলাওঁ। সি মোৰ কোনো নিজৰ নহয়।...শিল্পীৰ ই ধৰ্ম্ম। মই সেই ধৰ্ম্মহে পালন কৰোঁ।

ৰাইজৰ লগত যে মোৰ এই ঘনিষ্ঠ সম্পৰ্ক,—নিবিড় সম্বন্ধ···তেওঁ-লোকৰ জীৱনৰ কথা যদি মই নেলেখোঁ বা প্ৰকাশ নকৰোঁ, তেন্তে সি মোৰ মহাপাপ হব। সেই কাৰণে কিছু কিছু গল্প, কবিতা, নাটক, উপন্যাস লিখিছিলোঁ। পুলিচ-মিলিটাৰীৰ কমিউনিষ্ট্ বিৰোধী অভিযানে মোৰ বহুতো ৰচনা, বহুতো সৃজনা নাশ কৰিলে,—আনকি বহুতো গবেষণাৰ সৰ্বনাশো সাধিলে। হয়তো সেইবোৰে আজিৰ অসমীয়া-সাহিত্যৰ দীপাৱলীত বন্তি এগছিৰ শিখা নহলেও,—ধোঁৱা হৈও অলপ জেউতি চৰালেহেঁতেন। সেই গবেষণামূলক তথ্যবোৰে আজি হয়তো বিজ্ঞান-জগতত আন আভাস নিদিলেও কিঞ্চিৎ ইঙ্গিত নিশ্চয় দিলে-হেঁতেন। সংগ্ৰহৰ পুঁজিৰ বহুতো আই বসুমতীৰ কোলাৰ সমাধিত মাৰ গ'ল,—জাহ গ'ল।—নহলে, ভবিষ্যতৰ নতুন অসমৰ সুন্দৰ দেউলত এচটা মুৰতি দান দিব পাৰিলেহেঁতেন।· দুৰ্ভাগ্য!

প্ৰায় দহ হেজাৰ মাইল ভ্ৰমণ কৰি যি অভিজ্ঞতা আৰ্জিলোঁ,—ৰাইজৰ যি কৰুণ দৃশ্য দেখিলোঁ,—তাৰে কিছুমান সৰলচিতীয়া হোজা গাৱঁলীয়া হালোৱা, হজুৱা, দুখীয়া ৰাইজৰ কাৰণে সহজ, সৰল ভাষাত লিখিছিলোঁ।

'বাণী-প্ৰকাশ-মন্দিৰ'ৰ গৰাকীৰ অনুৰোধত তাৰে কিছু গল্প কিতাপ-আকাৰত প্ৰকাশ কৰিবলৈ তেওঁলোকৰ হাতত যতনেৰে দিওঁ। তেওঁ-লোকে নিশ্চয় মৰমৰ বোলেৰে চেনেহৰ ৰহণেৰে পুথিখন ৰমকজমককৈ ছপাই উলিয়াব। এই গল্পবোৰ শুধ ধৰণৰ কৰা নাই। যাতে জন-সাধাৰণে সহজে বুজিব পাৰে,—মনত গুঁথি লব পাৰে, সেই ধৰণৰ গল্পহে এইবোৰ।·

অজ্ঞাতবাসত থাকোতে 'জেক্ বেল ডুইন'ৰ 'China Shakes the World',—"চীনে জগতখন জোঁকাৰি কঁপায়" নামৰ ইংৰাজী পুথিখনৰ "The Golden Flower", "সোণপাহি" নামে কাহিনীটো মোৰ বনবাসিনী সহধৰ্মিনী কমৰেড্ কনকলতা ৰাভাৰ অন্তৰত ধৰ লাগে। জেখেতৰ অনুৰোধত তেখেতৰ মনৰ জোখাই "সোণপাহি"—কাহিনীটো

গল্প-আকাৰত লিখা হয়।…এই গল্প-বলোত তেখেতৰো দান আছে।…
"হিয়াৰপুং"—গল্পটো পোনপোনতে "ফুংখা" নাম দি উত্তৰ গুৱালপাৰাৰ 'ছেৱাৰী' নামেৰে এগৰাকী হোজা বড়ো-কছাৰী মহিলাৰ জীৱন কেন্দ্ৰ কৰি বড়ো-কছাৰী ভাষাত লিখা হয়। তেখেতৰ জীৱনীও কম্‌ৰেড্‌ কনকলতাৰ পৰাণত আঘাত লাগে। কম্‌ৰেড কনকলতাৰ সৌজন্যত আৰু দুই-এজন বড়ো কম্‌ৰেডৰ অনুৰোধত "ফুংখা" গল্পটো বড়ো-ভাষাত ৰচনা কৰা হয়। "হিয়াৰ পুং" সেই 'ফুংখা'ৰে অসমীয়া ভাঙনি।…

মোৰ সহধৰ্মিনী কম্‌ৰেড্‌ কনকলতাৰে সৈতে উনৈশ শ পঞ্চাশ চনৰ জুলাই মাহৰ সোতৰ তাৰিখে পুৰা ফকিৰাগ্ৰামৰ উত্তৰে দোতমাৰ পূৰে ঘিলাগুৰি গাঁওত শ্ৰীপৰমানন্দ ব্ৰহ্মৰ ঘৰত মই পুলিচৰ হাতত ধৰা পৰোঁ।· সি এক করুণ দৃশ্য। বিনা মেঘে বজ্ৰাঘাত।….আমি দুয়ো হতভম্ব।·· হতাশাৰ কালিমা গোটেই গাঁওখনত বিয়পি পৰে।…

ওঠৰ তাৰিখৰপৰা দুয়ো ধুবুৰী-জেলত বন্দী।…

বন্দী-জীৱনৰ তিক্ত অভিজ্ঞতাই পাতনি মেলে।…

কয়েদীৰ জীৱনী লিখিবলৈ কাপ হাতত লওঁ।

গৌৰাং বস্তিৱালা চাহ-বাগানৰ বনুৱা। কোনো বিশেষ মাৰাত্মক দোষ নাই'—অথচ যাবজ্জীৱন কাৰাবাস। তেওঁৰ জীৱনকে কেন্দ্ৰ কৰি লিখা "কুৰি বছৰ জেইল"।··

হৰেন বিলাসীপাৰা অঞ্চলৰ হোজা, চহা, গাঁওলীয়া। তেওঁৰ সৰলতাৰ কাৰণে তেওঁ কাৰা-দণ্ড ভুগে।·· তেওঁক লৈয়েই "মামীৰ হাৰ"। ·

এইদৰে আজি আইনৰ কুটিল মেৰপাকত পৰি কিমান নিৰ্দোষীয়ে যে বিনা দোষে কাৰাগাৰৰ নৰক-যন্ত্ৰণা ভোগ কৰে ? জেলৰ অভ্যন্তৰলৈ নগলে, বাহিৰৰপৰা কোনেও গম নাপায়। এই দুটা গল্প "কুৰি বছৰ জেইল" আৰু হৰেন ৰাজবংশীক কেন্দ্ৰ কৰি লিখা "মামীৰ হাৰ" কাৰা-গাৰতে ৰচনা কৰা হয়।

"মামীৰ হাৰ" গল্পটোত গুৱালপৰীয়া কথিত অসমীয়া ভাষাত কোৱা

এই ছুয়োটা গল্পও সহজ সৰল ভাষাত ৰচনা কৰা হৈছে, যাতে জন-সাধাৰণে সহজে বুজিব পাৰে।

এই চাৰিটা গল্প উচ্চ শিক্ষিত সম্প্ৰদায়ৰ (Intelligentia) কাৰণে লিখা হোৱা নাই। তেখেতসকলে বৰ ডাঙৰ আশালৈ কিবা বিচাৰি পঢ়িলে নিৰাশ হব। হোৱা, দুখীয়া ৰাইজৰ দৃষ্টিভঙ্গীৰে পঢ়িলেহে অলপ তৃপ্তি পাব।

শব্দৰ বানানত ঠায়ে ঠায়ে ভুল থাকিব পাৰে। তেওঁলোকে যেন নিজে শুধৰাই লয়, নাইবা দয়ালু প্ৰকাশকক দ্বিতীয় তাঙৰণত শুধৰাই ছপাবলৈ উপদেশ দিয়ে। কিছুমান বানান মোৰ ইচ্ছাকৃত,—গাঁৱলীয়া ৰাইজৰ মুখত ফুটা।

এই গল্পবোৰৰ নকল দৰং কলেজৰ তৃতীয় বাৰ্ষিক কলা বিভাগৰ ছাত্ৰ—শ্ৰীমান ৰোহিনীকুমাৰ বৰুৱা আৰু শ্ৰীমান নৰেন্দ্ৰ শৰ্মাই কৰি দিয়াত তেওঁলোকলৈ চিৰকাল মই চেনেহৰ ঋণী হৈ থাকিব লগা হওঁ। 'ফুংখা' বা 'হিয়াৰ পুং' গল্পটো তেজপুৰৰ প্ৰবেশিকা-শিক্ষাৰ্থী শ্ৰীমান অভিৰাম মেচৰ দ্বাৰা লিপিকৃত হয়।

যিসকল কম্ৰেড্ আৰু ৰাইজে মোৰ পাঁচ-বছৰীয়া অজ্ঞাতবাস কালত মোৰ নিৰাপত্তাৰ কাৰণে অশেষ লাঞ্ছনা ভুগিছে আৰু অসীম কষ্ট স্বীকাৰ কৰিছে, এই পুথিৰ পাতনিৰ জৰিয়তে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰোঁ। তেওঁলোকৰ সাৱধানতাৰ কাৰণেহে মোৰ ছুৰ্লভ অভিজ্ঞতাৰ ফলত এই চাৰিটা গল্প প্ৰকাশ কৰা হয়।

সৰ্বশেষত দয়ালু প্ৰকাশকে মোৰ অন্তৰ-ফুলনিৰপৰা 'বাণীপ্ৰকাশ-মন্দিৰ'ৰ পূজাৰ্চ্চনাৰ কাৰণে চাৰি পাহ ফুল ছিঙি নিনিলে, মোৰ হিয়া-ফুলনিত সেই চাৰি-পাহ ফুল মৰহি জাহ গ'লহেঁতেন। সেইবাবেও মই প্ৰকাশক-পূজাৰীৰ ওচৰত চিৰঋণী। শান্তিৰ কপৌৰ কুকলিৰ লগে লগে মঙ্গল উকলি জোকাৰি উঠক।

ইনক্লাব জিন্দাবাদ।

চন্দাৰ বাহাদুৰ গোপালচন্দ্ৰ ৰোড,
তেজপুৰ।
বঙালি বিহু, ১৩৬২ চন
ইং ১৩ এপ্ৰিল ১৯৫৬

বিষ্ণুপ্ৰসাদ ৰাভা

সোণপাহি

কিন্হুৱা।

তাইৰ বেহ-ৰূপ ধুনীয়া।…গট চকুৰোৱা, সৰু মুখখনিৰে উলাহ-উপচোৱা,—নাকৰ টিং উপৰমুৱা,—নয়নজুৰি হিয়া আঁকুহি নিয়া। কিচ্‌কিচীয়া কলা চুলিটাৰি কান্ধ-চোৱাকৈ কটা।··তাই লাহী পাতলী।·"

লিচিয়াচুযাং।…এখনি সৰু গাঁও, মাজ-হোপে'ৰ তিনিশ জন মানুহ থকা গাঁও।

লিচিয়াচুয়াঙৰপৰা দহ মাইল নিলগত তাইৰ জনম।…আদিম বৰ্ব্বৰতা, খাদ্যাভাৱৰ দৰিদ্ৰতা, অসুখ-অশান্তিৰ কঠোৰতাই তাইৰ জনম পোৱা ঠাই জুৰি থাকে।

তেতিয়া চৌভিতিজুৰি ৰণৰ সৰঞ্জাম। ঘৰৰ চোতালতো।

…সেই মহাযুদ্ধ বাগৰি জাপানী অভিযানৰ মাজছোৱা পায়। ভীষণ ভয়াল পাশৱিক অত্যাচাৰ চলে।

পুৰঠী নৌ হয় এথোন, তেও তাইৰ দেহ পূৰ্-পূৰ, গা ভৰোঁ ভৰোঁ; পুৰঠী হবলৈ মাথোন এটা তৰপ বাকী। বয়স পোন্ধৰ।

লিপাও,—তাইৰ ককায়েকৰ পঢ়াশলীয়া লগৰীয়া, একে খলপৰ পঢ়ুৱৈ;—খীণ, দেহা আঁট, ভৰ-ডেকা,—বৈ যোৱা চকুজুৰি,—পুৰণি কাঁহৰ দৰে মাত—মোহলগা। সোত্তৰ বছৰ।

কিন্হুৱা উত্তৰ চীনৰ ভাষা। অসমীয়াত ইয়াৰ মানে সোণপাহি।

· সোণপাহি আৰু লিপাও।…

লিপাওৰ ওঁঠ সৰকি কাঁহৰ দৰে মাত ওলালেই সেই মাতে সোণ-পাহিৰ হিয়াত বজনুজনাই যায়।…শুনিলেই দহোবন কাটি কৰি থৈ তাৰ কাষ চাপে তাই।

এটা কোঠালী। লিপাওয়ে কথা পাতে তাইৰ ককায়েকৰ লৈতে। কাষৰে পাঁজৰে বহি সোণপাহিয়ে লিপাওৰ ফালে ৰ' লাগি চাই চাই তাৰ মিঠা মিঠা মাত গিলে,—হৰিণীৰ দৰে কাণ থিয় কৰি শুনে,—শুনি তাইৰ হিয়া আমঠু কঁপি উঠে।

লিপাওয়ে কথা কলে তাৰ চকুজুৰিৰ পাহি দুটি যৌৱন-ভৰা কৌতু-হলৰ ভৰত দোঁখাই পৰে, আঁট খাই থকা দেহা, কথা কোৱাৰ স্পৃহা আৰু ভঙিমাৰ ভৰত হালি পৰে। কোৱাৰ ভঙ্গী ইমান মনোমোহা ইমান মনোৰমা। কিমান কথা' স্বাধীনতা, গণতন্ত্ৰ, চীনৰ ভৱিষ্যত—কত কি। তাই নুশুনা কথা। তাৰ সান্নিধ্যৰ লিপ্সাৰে তাইৰ হিয়া উপচি পৰে।·

ইমান মহান সি! লিপাওৰ প্ৰতি তাইৰ অন্তৰৰ মনোভাব প্ৰকাশ কৰিবলৈ সোণপাহিৰ আকুল ব্যাকুলতা জাগে। কিন্তু হায়! তেনে সোণালী সুযোগ নিমিলে। কাৰণ ককায়েক সদায় তাৰ লগতে থাকে। মনৰ হেঁপাহ মনতে মাৰ যায়। গতিকে তাই চেলু চাই তাৰ তেনেই কাষতে বহে,—গোপন হাঁহি গুপুতে গুপুতে তালৈ দলিয়ায়,—চকুজুৰি তাৰ পাছে পাছে ঘূৰি ফুৰে।

লিপাওয়ে সোণপাহিৰ হিয়াৰ বতৰা আন কিবা বুলি ভুলকৈ লয়। এদিন ককায়েকে কিছুপৰৰ কাৰণে কোঠালীটো এৰি যোৱাত, সি তাইৰ কাষ চাপি সোণপাহিৰ লাৱনী দেহাৰ ওপৰত ঢলি ফুচ ফুচাই কয়—"তোমাৰ চকুজুৰিৰপৰা কিছু বুজিছোঁ, সোণ।··তোমাৰ হিয়াখন চিনিছোঁ।"…

তাই লাজত তলমূৰ কৰে,—তাইৰ হিয়া উলাহত উগুল্ থুগুল্ হয়;—সোণপাহিয়ে ইমান বাউলী হৈ উঠে যে তাইৰ মুখৰ মাত ওঁঠতে

হেবায়। তাই নিমাত। তাই পাগলী হৈ যায় তাবে সৈতে গুপুতে কথা পাতিবলৈ। কিন্তু নোৱাৰোঁ। কি ঠাব লৈ পাতে?

উত্তৰ চীনত ছোৱালীয়ে পুৰুষৰ সংস্পৰ্শ নাপায়,—প্ৰেমতকৈ সতীত্বৰ আদৰ তাত বেছি।·· তাত সমাজৰ কঠোৰ শাসন,—যাৰ ফলত ডেকা গাভৰুৰ অন্তৰ ৰাজ্যত শুকান মৰুভূমি জুৰি থাকে।···

এদিন। কোঠালীত লিপাও আৰু তাইৰ ককায়েক। কিছুপৰৰ কাৰণে ককায়েক আঁতৰি যায়। সোণপাহিয়ে লাহেকৈ হাঁলি লিপাওৰ কাণে কাণে ফুচ্‌ফুচাই কয়,—"কাইলৈ ঘৰত কোনেও নাথাকিব,—সকলো যাব।—তুমি আহিবা?"

পিছ দিনা। লিপাওয়ে স্কুলৰপৰা ছুটি লৈ আহে। ন-বজাত সি সোণপাহিহঁতৰ জপনা মুখত। সি সোমাই অহাৰ লগে লগে তাই ৰঙত ৰাংঢালী হয়। ওঁঠত মিচিকীয়া হাঁহি বিৰিঙি উঠে।···কোনেও নেদেখাকৈ গম ধৰিব নোৱাৰাকৈ তাই তাক কোঠালীলৈ নি দুৱাৰ জপাই থৈ দিয়ে। আশা বহুতো।

তাৰ গুণাৱলী তাই শলাগে। কিছুমান বিষয়ে গুপুতে কথা পাতিবলৈ তাই তাক মাতি আনে। লিপাওয়ে ভুল বুজি সি তাইৰে সৈতে প্ৰেমৰ খেল খেলিবলৈ খোজে। পোনতে চঁক্‌খাই—জকি আৰু শেহত আতঙ্কত শিয়ৰি তাই তাক খঙত জ্বলিপকি বকে, গালি শপনি পাৰে, গুচি যাবলৈ কয়। "যাওঁ"—বুলি সি থিয় দিয়ে। সোণপাহিৰ অন্তৰত ধুমুহাই তাইৰ কোমল হিয়া মোহাৰি পেলাব খোজে।···

তাই নোৱাৰে।···আবেগত, বেজাৰত, হতাশাত তাই লিপাওৰ ভৰিত পৰে,—দুবাহুৰে তাৰ আঠুদুটা আকোৱালি ধৰে, তাইৰে সৈতে প্ৰেম নকৰিবলৈ তাই তাক কাকুতি-মিনতি কৰি জনায়। কি হব? তাইৰে সৈতে এজনৰ যে বিয়াৰ যো-জা ঠিক। তথাপি তাই কয়,—"তুমি মোৰ বন্ধু হৈয়ে থাকিবা ককাইদেউ,—প্ৰেমিক হিচাপে নহয়।" নিৰুপায় লিপাও ৰাজী হয়, গুচি যায়।—তাই মজিয়াত পৰি থাকে। সোণপাহি মৰহি সেৰেলি যায়।···সহায়হীনা তাই।···সৰলা, অবলা।

ৰোমাঞ্চৰ সোঁত শিশুসুলভ হলেও বৈ থাকে।···ওপৰত চীনৰ সামাজিক বিধানৰ কঠোৰ শাসনৰ গৰজনি, ঢেৰেকনি। কাম্নি-হাবৰ তলিত কঁপনি।··

সদায় নিশা,—গুপুতে গোপনে দেখা।· এটা কোঠালীত যেতিয়া তাইৰ মাক বাপেক আৰু তিনিজন ভায়েক ককায়েক ঘুমটীত লালকাল, তেতিয়া সোণপাহিয়ে উঠি হাতত সাৰে ভৰিত সাৰে মনে মনে গোপনে ঘৰৰ দুৱাৰ মেলি বাজ হৈ জপনা মুখৰ জপনা লাহেকৈ মেলি দিয়ে।··

খুট্‌!···এটি মাথোঁ শবদ্। এটা ছাঁ-মূৰতি সোণপাহিৰ ঘৰৰ ফালে বগাই যায়। লিপাওৰ ছাঁয়া। ভিতৰত লিপাও আৰু সোণপাহি।

দিন যায়,—মাহ যায়। প্ৰেমে গজালী মেলে।

এদিন ধেমালি, লগৰ লগৰীয়া ছোৱালীহঁতে সৈতে ধেমালি। ফুলৰ জোতা সজাত সকলো ব্যস্ত। গাঁওৰ লগৰীয়াহঁতে সোণপাহিক ধেমালিৰ ছলেৰে কয়,—"হেৰা! কেনেধৰণৰ পুৰুষক তুমি বিয়া কৰি ঘৰ কৰিব খোজা?" সোণপাহিৰ গাল দুখন সুমথিৰা টেঙাৰ দৰে ৰঙা হয়,—তাই কয়,—"কিয়?—আমাৰ সেই লিপাওৰ দৰে? কেনে ধুনীয়া—" তাইৰ গালত ৰং চৰে।

ঠাট্টা মস্কৰাৰ উজাৰ উঠে। তাইৰ হিয়া আমঠু কঁপি উঠে, জানোচা তাইৰ হিয়াৰ গোপন কথা ওলাই পৰে। তাইৰ কান্ধ দুটা জোঁকাৰ খায় ভয়ত।··সাংসাৰিক জ্ঞানত জ্ঞানৱতীৰ দৰে তাই কয়,—"নহয় ভাই। এইবোৰ কৈ কি লাভ? যেতিয়া আমাৰ বাছনিত আমাৰ নিজ হাত নাই, তাত উপায় কি?"

তাইৰ লগৰীয়াহঁতে হুমুনিয়াহ কাঢি কয়, "ঠিক কৈছা ভাই। এইবোৰ আলোচনা মূৰ্খামিৰ বাহিৰে আৰু কিনো? আমাৰ আই-বোপায়েহে এইবোৰক ঠিক কৰে। ভালেই হওক বা বেয়াই হওক এজন কুৎসিত পৈৰ লগত আমি যেতিয়া ঘৰ কৰিবই লাগিব। তেনেহলে এনে আলচ কৈলে?" ·বহুত আলোচনা চলে।

ইংলণ্ড, ফ্ৰান্স নাইবা আমেৰিকাত জনম হোৱাহঁতেন?···সিহঁতে

শুনিছে—সিবোৰ দেশত হেনো তিৰোতাই নিজৰ ভাল পোৱা জনকহে বিয়া কৰিবলৈ পায়। সিহঁতৰ মনত দুখ। সকলোৰে বিশ্বাস এই সমাজ দুৰ্নীতিপূৰ্ণ কলা সমাজ।· ভাবোঁতে শুণোতে সিহঁতৰ অন্তৰত গোপনে গোপনে বিদ্ৰোহৰ জুই জ্বলি উঠে। প্ৰত্যেকজনীৰে ভাৱনা গুপুতে এজন প্ৰেমিকক বাছি ললেই ভাল। কিন্তু ইমান দুঃসাহস জানো কাৰোবাৰ আছে। কিমান যে আলোচনা!

তেনে আলোচনাত সোণপাহিয়ে তৃপ্তি পায়। তাইৰ অন্তৰ-মৰুভূমিত আশাৰ 'ওৱেচিচ্' বিৰিঙে।·· তাইৰ সাহ বাঢে। গাকৰ তলৰপৰা তাই আৰ্চি উলিয়াই তাইৰ মুখখনি চায়। ইমান ধুনীয়া! তাই জীৱনত এনে স্বৰূপ কাহানিও দেখা নাই। "মোৰ এজন ভালপোৱা মানুহ আছে! প্ৰেমিক!· প্ৰেমিক!" কৈ তাই উলাহত উৎফুল্ল হৈ উঠে, নতুন পুতলা পাই সৰু ল'ৰা-ছোৱালীয়ে ৰং পোৱাৰ দৰে তাইৰ উলাহ। তাই ৰঙত বাউলী হয়।

এইদৰে কত দিন যায়।

মধুৰ ৰসৰ সোঁত তাইৰ পাছৰ দিন কেইটা ধুই যায়। পুৱতী নিশাৰ বুকুত হেঙুলি বেলি বেঙায় ভালপাও বোলা লিপাওৰ প্ৰথমবাৰৰ কথাষাৰ শুনোতে সোণপাহিযে আবেশত অৱশত লিপাওৰ বাহুৰ মাজত লেউসেউ হয়। তাইৰ প্ৰতি প্ৰেমৰ সলনি সি একোকে নিবিচাৰে বুলি কোৱাত এই ডেকা ছাতৰজনৰ অন্তৰত দয়া, আত্মাত মহত্ব আৰু প্ৰাণত মহানুভৱ মানৱতাৰ প্ৰতিমূৰ্ত্তি দেখে। তাৰ প্ৰতি তাইৰ শ্ৰদ্ধা বাঢি যায়।

লিপাওযে তাইক লিখা-পঢা শিকায়। তাই 'অহা' শব্দ লিখি গাঁওৰে এটা পুখুৰীৰ পাৰৰ এজোপা গছৰ খোৰোঙত থয়। লিপাওযে সেই নিৰ্দিষ্ট খোৰোঙত সেই এডুখৰি কাকত বিচাৰি পায়,—পটি উত্তৰ দিয়ে,—'বাক' নাইবা 'নোৱোৰোঁ',—'আজি নিশা' নাইবা 'কাইলৈ'—অথবা—'মোৰ কোঠালীত' নাইবা 'তোমাৰ কোঠালীত'।···তাই পঢ়িব পাৰে,—বুজি পায়;—সেইদৰে গৈ বা থাকি তাইৰ ভালপোৱা-

জনক অকলনখীয়াকৈ লভি মৃণালভূজীয়া বাহুলতাৰে আদৰে সাদৰে।…

…প্ৰেমৰ জৰীয়তে তাই লিখা-পঢ়া শিকে। গুটীয়া আখৰৰ অলৌকিক শকতি তাই অনুভৱ কৰে। শিক্ষাৰ প্ৰতি তাইৰ ধাউতি, হাবিলাষ বাঢ়ে।…

চীন-দেশৰ জন-প্ৰবাদ—ভালপোৱাজনক হেনো চোলা এটা সি দিব লাগে। সোণপহিয়ে লিপাওৰ কাৰণে এটা চোলা সিয়ে। তাইৰ মাকে গম পায়, সন্দেহ কৰে। সোণপাহিযে কয়,—লিপাও ককাই-দেউৰ মাকৰ চোলা সিবলৈ সময় নাই। মই এনেয়ে তাইক সহায় কৰিবলৈ সি দিছোঁ। তাই মনে মনে গুণে, গুঁথে, চিন্তে,—মোৰ নিজৰ কামবদ্বাৰা মোৰ হিয়াৰ গুপুত প্ৰেম উদঙাই দিবই লাগিব।… তাই তাৰ চোলা সিয়ে। পাঁচোটা বোতামৰ ফুটাৰ ঠাইত তেৰটা,… প্ৰত্যেক বিন্ধাৰ চৌপাশে ফুল তোলে। চীন দেশত ডেকা-গাভৰুৱে জানে,—এই তেৰটা ফুলাম বিন্ধাই হৈছে তেৰ চপৰা অমূলীয়া ৰতন। এনেকৈ সিয়াত তাই উলাহ-ভৰা ৰোমাঞ্চ অনুভৱ কৰে। আবেগত তাই সেই চোলাটো নি লিপাওৰ পঁজালৈ লৰি ধাপৰি হাবাথুৰি খাই যায়। তাৰ চৌপাশে উলাহত বাংঢালী যৈ নাচি বাগি কয়,—"ককাইদেউ?—কেনে হৈছে ককাইদেউ? চোৱা—চোৱাচোন—এই চোলাটো—তোমাৰ চোলাটো,—কেনে লাগিছে?—ভাল হৈছে নে?"

তাইৰ অপৰিসীম উলাহ দেখি লিপাওযে কয়,—"কিয় ভাল নাপাম,—সোণ? যাক ভাল পাওঁ, তাইৰেই লাৱনী কোমল হাতেৰে কৰা চোলা!"—

…চীন দেশৰ নিয়ম অনুসাৰে লিপাওয়ে তাইলৈ ধন যাঁচে, তাইৰ নিজৰ কাৰণে ফুলাম এজোৰ জোতা তৈয়াৰ কৰিবলৈ, সূতা কিনিবলৈ। তাই আপত্তি জনায়,—"মোক একো নালাগে। কেৱল তোমাৰ ভাল-পোৱা একণি!"…তাইৰ আপত্তি তাৰ হিয়াত শেলে বিন্ধাদি বিন্ধে। তাই টকা লয় আথে বেথেকৈ—তাই সেই টকা খৰচ কৰে নিজৰ কাৰণে নহয়,—লিপাওৰ কাৰণে বেজী, সূতা, কাপোৰ কিনিবলৈ।

সুখৰ দিন সেই কেইদিন। প্ৰেমত পাগলী তাই। সঙ্কোচ নাই, সংশয় নাই। তথাপি সংযম। তাই সংযত হব পাৰিব নে? দেশৰ নিয়ম, সমাজৰ বিধান! তাই শিয়ঁৰি উঠে। শেহত তাই থিৰাং কৰে, লিপাওৰে সৈতে দেখা নকৰাকে। ই তাইৰ দুৰ্বলতা নে সৰলতা! সংযম নে প্ৰতাৰণা?...

লিপাওৰ মুখখনি তাইৰ হিয়া-দাপোণত বহুৰূপে বিৰিঙি উঠে পলে পলে, অনুপলে।

মাক বাপেকে যদি আনৰ লগত তাইৰ বিয়া দিয়ে।.. উস্!

এইবাৰ—এইবাৰ সোণপাহি লিপাওৰ বাহুৰ মাজত বিলীন হব,—নিজক যাঁচি দিব সি আহিলে। অটল প্ৰতিজ্ঞা!

লিপাও আহে। তাই নোৱাৰে। তাইৰ মাত এষাৰো নোহোৱা হয়।..

চ্যাং। তাৰ গাঁও লিচিয়াচুয়াং। সি সোণপাহিক দেখা নাই। তাৰে সৈতে তাইৰ বিয়াৰ বন্দবস্ত হয়।

১৯৪২ চন,—শৰৎকাল।

সোণপাহিৰ মনেও নাজানে এই কথা। শেহত তাই গম পায়।... বিয়াৰ কথা পাতোঁতে এনে বাতৰি তাইৰ কাণ ছোঁৱে।

সুখৰ শৰৎ। সোণপাহিৰ হৃদয় বেদনাৰ কীট-পোকে কুটি কুটি খায়। চ্যাং হেনো সোণপাহিতকৈ দুবছৰ ডাঙৰ। সুন্দৰ জোৰা। তাইৰ লগৰীয়াহঁতে কয়—"নহয়—নহয় চ্যাং সোণপাহিতকৈ পোন্ধৰ বছৰ ডাঙৰহে, মুখখন শেঁতা, কুৎসিৎ।" সিহঁতে চ্যাঙক দেখিছে।

বিয়াৰ যো-জা,—উথল-মাথল। · ঘৰখনত মানুহেই মুগুচে। লিপাও নাহে। অকলে দেখা শুনা কৰিবলৈ সুযোগো নাই। নিৰাশাৰ ভাৰৰে দুয়োৰো হিয়া আগুৰি ধৰে।

মাকৰ জীৱনতো এনে ঘটিছিল। সোণপাহি তাইৰে জীয়েক। জীয়েকক সান্ত্বনা উপদেশ দিবলৈ মাকে যায়,—সোণপাহি আঁতৰি থাকে।

মাকৰ প্ৰতি জীয়েক সোণপাহিৰ ঘৃণা উপজে।

বিয়ালৈ মাথোন দুদিন বাকী।...

লিপাও আছে।

ঘৰত কোনো নাই,—সোণপহি অকলে। ওচৰচুবুৰীয়া এজনৰ ঘৰত সকলো বিয়াৰ যো-জা কৰিবলৈ যায়। লিপাওক দেখি সোণ-পাহিৰ প্ৰাণ কান্দি উঠে। তাই ওলাই আহে। লিপাওক লৈ তাই পথাৰৰ ফালে যায়।

আকাশত পুৰঠ জোনাক। পথাৰৰ কাষৰ সেই পুখুৰীৰ পাৰৰ গছৰ তলত দুয়ো—মৰতৰ দুটি প্ৰাণী, ডেকা গাভৰু—লিপাও আৰু সোণপাহি। দুয়ো বহি থাকে, হাতত হাত। কিন্তু দুয়ো নিমাত।

ফট্‌ফটীয়া জোনাক। জোনাকৰ দৰে ফট্‌ফটীয়া কথাষাৰ ওলাই পৰে,—“আমাৰ দুয়োৰে বিয়া হলে এই পৃথিৱীত আমি দুয়ো আটাইতকৈ সুখী হলোহেঁতেন।”

“সোণ! এনে জোনাক নিশা—আজিয়েই আমাৰ শুভ-বিবাহৰ নিশা হওক।” লিপাওযে তাইৰ হাতদুখনি জোৰেৰে খামোচ মাৰি কৈযেই থাকে—“মোক গ্ৰহণ কৰা, মোক ভাল পোৱা।”

তাই নিমাত। শেষত তাই কয়—“মই নোৱাৰোঁ।”

“নহয—নহয় মোক গ্ৰহণ কৰিবই লাগিব”।—তাইক সি আবেগেৰে সাৱট মাৰি ধৰে।

তাইৰ প্ৰাণ অচল-অটল।

“নাই—নাই মই নোৱাৰোঁ।”

“কিয়?”

“নাই - আমি পিছুৱাই যাওঁহক আহা।”

তাৰ বাহু দুখন আলিঙ্গনৰপৰা সুলকি পৰে। সি পথাৰৰ কেউপিনে চকু ফুৰায়,—আনফালে চাই সি আথেবেথেকৈ কয়,—“কিন্তু—কিন্তু মই যে তোমাক ভালপাওঁ।—মই যে তোমাক পাব খোজোঁ, এইদৰে, ইয়াতে, এতিয়াই। আমি পুনৰ এনে সুযোগ আৰু নাপাম, সোণ।”

অধীৰ হৈ সি আকৌ কয়,—“যাক তুমি ভালপোৱা তাৰ ওচৰত তুমি কিয় মন-প্ৰাণ সঁপি নিদিয়া? যাক তুমি জীৱনত দেখা নাই,—সেই কুৎসিৎজনৰ ওচৰত তুমি নিজকে সঁপি দিবা, সোণপাহি?

তাইৰ চকুজুৰি চকুলোৰে ছল্ ছলীয়া হয়,—উথহি উঠে। বেদনাভৰা দৃষ্টি লিপাওৰ মুখত পৰে। তাই সহিব নোৱাৰে। তাই আঠুকাঢি বগাই তাৰ কাষ চাপে, ওঁঠৰ লুৰি টানি তাৰ কাণৰ ওচৰলৈ নিয়ে, খীণ মাতেৰে কয়,—“জানানে, মই আৰু চোলা নিদিওঁ?...এয়ে শেষ বাৰলৈ আমাৰ আলাপ-আলোচনা। এয়ে শেষ বাৰলৈ মোৰ কথা আৰু হিয়া তোমালৈ দিয়া। মোক মৰম কৰা, ককাইদেউ,—খং নকৰিবা। অনুগ্ৰহ কৰি মোৰ প্ৰতি সদয় হোৱা।” সি তাইৰ ফালে আকুলভাৱে চায়, লাজ পায়। তাই আঁতৰ হৈ থিয় দি হুকহুকাই কান্দে।...

তাইক সি সান্ত্বনা দি কয়,—“নাকান্দিবা সোণ। আজি মই হতাশ হৈ পৰিব পাৰোঁ। এজন সামান্য মানুহৰে সৈতে তোমাৰ বিয়া বুলি শুনি। তথাপি আশা নেৰিবা। হব পাৰে, আজি আমাৰ বিয়া নহয়। যদি কেতিয়াবা, ক'ৰবাত, কেনেবাকৈ আমাৰ দেখা ভবিষ্যতে হয়, তেন্তে আমি দুয়ো আকৌ মিলিম, আকৌ মিলিম।.. যি কোনো ঘটনাই নঘটক লাগে, মনত ৰাখিবা মই তোমাক সদায় ভাল পায়েই থাকিম।”

লিপাওৰ সান্ত্বনাপূৰ্ণ কথাবাৰে সোণপাহিৰ হৃদযত একুৰা জুই জ্বলাই দিয়ে। তাৰ মিনতিৰে তাইক চেঁচা কৰি পেলায়,—মৰম-চেনেহে তাইক তপত কৰে। বেদনাভৰা আনন্দই তাইক পাগলী কৰি তোলে। তাই উত্তেজিতা হয়। তাই আৰু নোৱাৰে। তাই লিপাওৰ কাষ চাপে, বুকুত লিপিট্ খাই থাকে, তাৰ ডিঙি বাহুৰে আকোঁৱালি বান্ধি লয়, কিমান পৰ নাজানে,.. তাই সকলো পাহৰি যায়।—কেৱল চুমা-চুমা-চুমা। চুমাৰ বৰষুণ বৰষে। দুখন বুকু ধুকধুকনিৰে কথা কয়।.. লিপাওৰ বাহুৰ বান্ধোনত বন্দিনী সোণপাহি।...দুয়োৰে ওঁঠ

আঁতৰি যায়। · সোণপাহিৰ চেতনা ফিৰি আহে।·· আকৌ সমাজৰ কঠোৰ নিষ্ঠুৰ শাসন। যদিও চুমাৰ পৰস্পৰ আকৰ্ষণ চলি থাকে, সেই চুমা উলাহৰ নহয়, বেজাৰৰ, হৰষৰ নহয়, আশাহত বেদনাৰ। শোকত বেজাৰত বেদনাত তাই তাইৰ বাহুৰ বান্ধোন ছিঙি আঁতৰি থিয় হৈ উচুপি উচুপি কান্দি কান্দি লৰ মাৰে।

আকাশত পুৰঠ জোনাই, জোনৰ জোনোৱালী ৰহণ সানি ৰূপালী মুকতিয়ে পথাৰেদি জীৱন্ত হৈ লৰি যায় জলা পুৰা ছাই হোৱা ক'লা এণ্ডাৰ হেন হিয়া-আমঠু লৈ। তাই পলায়।

পিছদিনা পুৱা, চেঁচা,—গধূলি-বেলিকা বতাহ বয়,—বৰষুণ পৰে।

সোণপাহিৰ অন্তৰত বা-মাৰলি বয়।··

সন্ধিয়া। এন্ধাৰ। ওচৰচুবুৰীয়াৰ ঘৰত বিয়াৰ ভোজ।··ঘৰৰ সকলো তাত। সোণপাহি অকলে।

সোণপাহিয়ে জপনা-মুখত থিয় দিয়ে। চকু ফুৰায়।···বিয়াৰ ভোজলৈ যোৱা মানুহবোৰক সন্ধিয়াৰ এন্ধাৰে আক কুঁৱলিয়ে গিলি থয়। ওচৰচুবুৰীয়াৰ ঘৰৰপৰা উলাহৰ খলকনি উঠে;—বাজনাৰ শব্দ,—বাঁহীৰ মাত। তাইৰ হিয়াখন কান্দি উঠে। · চকুৰেদি চকুলো বয়।··· তাই কোঠালীত সোমায়, ভিতৰতে ইফাল সিফাল কৰি ছট্‌ফটাই থাকে, মাজে সময়ে দুৱাৰৰ ফালে চায়। ইমান আশা। সি আহিব। তাৰ ওচৰত এইবাৰ তাই তাইৰ মনপ্ৰাণ সকলো সঁপি দিব। তাই কিয় তাক প্ৰত্যাখ্যান কৰিলে? কাপুৰুষ তাই। · ধিক্কাৰ আহে। জানোচা সি এতিয়া তাইক ঘিণ কৰে। · ভয়ত তাই শিয়ঁৰি উঠে। সি আক নাহে। · হতাশা।··

শৰে বিন্ধা পখীৰ দৰে তাই ছট্‌ফটায়।···নাই-নাই-নাই।·· .

তাই বাজ হয়, জপনা মেলি ওলায়,—লিপাওৰ ঘৰৰ পিনে খোজ লয়।··

··লিপাওৰ ঘৰ, + লিপাওৰ কোঠালী।··

"ককাইদেউ!—ককাইদেউ!!"—তাই চিঞৰে।···

লিপাওৰ কোঠালীৰ দুৱাৰ বন্ধ।...

"লিপাও।—লিপাও!"—তাই ব্যাকুল হৈ মাতে।

দুৱাৰ মেলি ভিতৰ সোমাই লিপাওৰ বিছনাত খেপিয়াই চাই, বিছনাখনতে মূৰ গুঁজি উচুপে,— চকুলো বাগৰে, বিছনা তিতি যায়।.. নাই।

.. ইফালে সিফালে তাই চায়। চাৰিওফালে ৰেৰ তাইক চেপিবলৈ আহে,—আতালৰ চিলিং নামি হেঁচিব খোজে। তাইৰ উশাহ বন্ধ হয়।

বলিয়াৰ দৰে তাই পলায় —ঘৰৰ পিনে।...

.. নিজৰ ঘৰত তাই।

.. আকৌ বাঁহীৰ মাত। ইননি বিননি।— তাইও কান্দে। ঢোলৰ শব্দ,—তাইৰ হিয়াত খুন্দা মাৰে।. বিয়াৰ বাজনা। অসহ্য। চোতাললৈ তাই যায়, হাত দুখনিৰে কাণ বন্ধ কৰে, আকাশলৈ মুখ তুলি চায়। .আকাশ গধুৰ আৰু কেউপিনে ঘোপমৰা এন্ধাৰ। তাৰ পিছত বৰষুণ,— ধাৰাষাৰে বৰষুণ।. কিছুপৰ তাই চোতালতে পাগলীৰ দৰে ছট্‌ফটায়।

.তাইৰ বয়স পোন্ধৰ। সিদিনা বিয়াৰ আগদিনাৰ সন্ধিয়া। সুখৰ দিন। কিন্তু তাইৰ মনত দুখ। দুখৰ গধুৰ বোজা বৰলৈ তাই অপাৰগ। তাইৰ জীৱন অসহ্য! জীযাই থাকিবৰ ইচ্ছা নাই। তাই পাক-ঘৰকৈ লৰি যায়,—খেপিযাই খেপিযাই এদাল জৰী পায়, তাকে লৈ তাইৰ নিজৰ কোঠালীলৈ আঁহে। খেপিয়াই এখন বেঞ্চ্ পাই টানি দুৱাৰৰ কাষলৈ লৈ আহে তাই। এন্ধাৰত তাই বেঞ্চৰ ওপৰত. উঠি ৰচীৰ এটা মূৰ দুৱাৰৰ ওপৰত থকা চটিৰ ওপৰেদি দলিয়াই পাৰ কৰি বান্ধে, আনটো মূৰত ফাঁচ্-গাঁথি দি নিজৰ মূৰটো সুমাই ডিঙিৰ ওচৰলৈ নিয়ে,—ভৰিৰে বেঞ্চখন লথিয়াই পেলাই দিয়ে।...ডিঙিত ফাঁচ আঁটি লাগে। সোণপাহি ফাঁচ-জৰীত ওলমে।...

কিছুপৰ পিছতেই তাইৰ মাক বাপেকে আহে।..."সোণপাহি!

সোণপাহি !!"...নাই,—নিমাত ।· এন্ধাৰ। চাকি জলাই সিহঁত সোণপাহিৰ কোঠালীত সোমাই দেখে, সোণপাহিৰ দেহা কাঁচ্‌জৰীত ওলমা। হাবাথুৰি খায় সকলোৱে। কাঁচ-জৰী কাটি সোণপাহিৰ দেহা নমাই অনা হয়।—ওচৰচুবুৰীয়াহঁতে জুম বান্ধে। দুঘণ্টামান আলপৈচান কৰাৰ পিছত সোণপাহিৰ চেতনা ফিৰি আহে। তাই লাহেকৈ চকুৰ পাহি মেলে, দেখে তাই বিছনাত,- আৰু দেখে মাকক, তাতে মুখ গুঁজি ওচৰতে কান্দি থকা।

...তাইৰ চেতনা ফিৰি অহা দেখি মাকে চকুলো মচি মচি থিয় হৈ কয়,—"তুমি ভাগ্যৰ কাৰণে জীয়াই থকা উচিত, মোৰ সোণ।" ..

আকৌ সেই কাৰাগাৰ,- ভাগ্যৰ বন্দীশাল। চীনৰ লাখ বিলাখ নাৰীৰ প্ৰতি বলিশাললৈ নিয়াৰ সান্ত্বনাপূৰ্ণ, মাতৃসকলৰ মন্ত্ৰ। ভাগ্য। নে বলিশাল ?...

পুনৰ বেদনাভৰা জীৱন, ক'লা-সমাজৰ ক'লা শাসন, জীৱনভৰি দাসত্ব।..

মাকৰ কথাষাৰে তাইক উত্তেজিত কৰে,—খঙত, ঘৃণাত তাই জ্বলি পকি উঠে।...তাইৰ ডিঙিত যেন কিহবাই সোপা মাৰি ধৰে। সোণ পাহিয়ে কয়, "তোমাৰ গাভৰু কালৰ কথা মনত পৰে নে? বয়সত পোন্ধৰ বছৰ ডাঙৰ এজনৰ লগত তুমি বিয়া সোমাব পাৰিবা নে? তুমি মোক মাৰিব খুজিছা,—হত্যা কৰিবলৈ বিচাৰিছা।"· শেষৰ কথাষাৰ চোকা কাঁড়ৰ দৰে গৰজি ওলাই যায়। মাকে উচপ খাই উঠে। সোণপাহিৰ মন সংগ্ৰামমুখী হয়, তাই তাইৰ গোটেই দেহাত শকতি সঞ্চয় কৰি বিছনাৰপৰা উঠি মাকৰ মুখৰ ফালে নিজৰ মুখ ঠেলি খঙেৰে ঘৃণাৰে কয়—"তোমালোকৰ আদেশ আৰু মই নামানো,—বুজিছানে বুঢ়ী, মূৰ্খ, গাধজনী ?"

সোণপাহিৰ গাৰপৰা বিদ্ৰোহৰ অগনিৰ ফিৰিঙতি ছিটিকি পৰে। মেকুৰীৰ দৰে তাই থু পেলায়। গোটেই শৰীৰ ৰেহেলাৰ তাঁৰৰ দৰে টান হৈ উঠে। তাই চিঞৰি বকিব ধৰে, মাকক গালি-শপনি পাৰে,—

তাইক হত্যা কৰিবলৈ অনুৰোধ জনায়,—কোনোবাই আগবাঢ়িলে বাধা দিবলৈ বাহু দুখন ক্ষীত কৰে।

তাই ভাগৰি পৰে, তাইৰ হিয়াত খণ্ডে শোকে খুন্দা মাৰি ধৰে,—বেজাৰৰ গধুৰ বোজা ডিঙিত সোপা মাৰে,—তাই উচুপে, কান্দে, হুকহুকাই কন্দে। গোটেই তৰুণ তনু কঁপি উঠে। তাই বিছনাত বাগৰি পৰে,—চকুজোৰ মুদ খায়,—হাত দুখন খোলা আৰু স্থিৰ হয়। দেহা শিথিল। দুগালেদি দুধাৰ চকুলো পৰে, খেৰৰ ধাৰা তিতি যায়। ওঁঠৰ ফাঁকেদি ক্ষীণ মাত দুষাৰ লাহেকৈ ওলায়—“নহয়·· নহয়।” তাই অসভ্যাৰ দৰে দাঁত কৰ্‌মৰ্‌কৈ কামোৰে।

ওচৰচুবুৰীয়াই জুম বান্ধি কাষ চাপি সোণপাহিক বুজায়,—সান্ত্বনা দিয়ে। তাইৰ অসহ্য লাগে। অসহ্য গধুৰ বোজাই লৰমুদেহা হেঁচি ধৰে। তাই নমৰে,—মৰিবলৈ খুজিলেও নমৰে। তাইৰ প্ৰিয়জনৰ প্ৰতি অনুগত হব নোৱাৰে, নিজকো মাৰিব নোৱাৰে,—খণ্ডত শোকত ক্ষোভত তাই ভাগৰি পৰে, দেহা শিথিল হয়,—নীৰৱে থাকি তাইৰ ঘুমটি আহে।· তাই ঘোৰ নিদ্ৰাত। পুৱা।—তাই সাৰ পায়, শুনে বিয়াৰ বাজনা, ·ৰূপনা-মুখৰ ফালে চাই পাঠিয়ায়, ৰূপনা-মুখত কইনাক নিবলৈ দোলা সাজু। বিয়াৰ উলহ-মালহ, উখল-মাখল, দোল্‌দোপ্‌-হেন্দোল্‌দোপ। চীনা কইনাৰ মৰণ-মাত্ৰাৰ আয়োজন। দুপৰীয়া। দোলা বয়।· বাজনা বাজিয়েই থাকে। দোলাৰপৰা সোণপাহি নামে।···

ন-পঁজা, ন-ঘৰ, ন-সংসাৰ।

ঘৰত এজন পুৰুষ। সি লিপাও নহয়- চ্যাং। তাইৰ গিৰিয়েক। তাইতকৈ সি কুৰি বছৰৰ ডাঙৰ,—খৰিমাটিৰ দৰে বগা-শেঁতা,—মুখখন ওৰ দৰে ফুলা,—এখন গালত একোঁচা নোমেৰে এটা মাহ,—দাঁত কেইটা বেঁকা কেঁকোৰা,—নাক চেপেটা, ওঁঠ ওলমি পৰা।···এজন দৈত্য।···কেনে কুৎসিৎ!

ন-স্বামীৰ পাছে পাছে তাই যায় এটা কোঠালীলৈ। কোঠালী

নহয় পোতাশালহে। পলে পলে লিপাওব মুখখনি তাইৰ হিয়া দাপোণত বিৰিঙি উঠে।...

কোঠালীটোত বহু লগাভগা, ওচৰচুবুৰীয়া। ঠাট্টা-মস্কৰাৰ জাউৰ উঠে। সকলোৱে তাইৰ দেহা লাৰি পিটিকি চায়।...তাই যেন কাঁহৰ বাচন! সোণপাহিয়ে অদ্ভুত মানে।.. তাই যেন মানুহ নহয়, আধা-মৰা বস্তু হে। অদ্ভুত জীৱ নে বেহানিৰ মাল।

নিশা।· তাই তাইৰ গিৰিয়েকে সৈতে অকলে। কোঠালীটোত চ্যাং আৰু তাই। তাই কিংকৰ্তব্য বিমূঢ়। চ্যাংএ তাইৰ কাষত বহে,—সোণপাহিয়ে জোৰকৈ মিচিকিয়াই হাঁহে। সি তাইৰ বাহু দুখন ধৰে, তাই কোঁচ খাই আঁতৰে। তাইৰ গাৰ কাপোৰ-চোলা সুলকি পৰে, শিথিল হয়।..সি তাইক তেনেই সোলোকাবলৈ কয়। তাই নিৰ্ভয়ে আপত্তি জনায়। "কিয়?"—চ্যাঙে কয়, আৰু বোলে,—"এয়েই জানো বিয়া নহয়?" তাই শিলৰ দৰে নিৰ্জীৱ অথৰ হয়। কোঁচ মোঁচ্ খাই তাই কোঠালীটোৰ এচুকত আঁতৰি বয়। সি উঠি তাইৰ কাষলৈ গৈ টানি আনি তাইক তাৰ ওচৰত বহুৱায়,—মুখ বিকটাই সোণপাহিৰ ৰূপ-যৌৱন শলাগে। তাই চকুজোৰ তুলি কয়—"তুমি বুঢা—তুমি কুৎসিৎ।"· তাই তলমুৰ কৰে, হুকহুকাই কান্দে। "কান্দিলে কি হব?"· বুলি সি কয়। সোণপাহি উঠে, আঁতৰি যায়,—কোঠালীটো এৰি ওলাই যাব খোজে। তাইক সি টানি আনে, তাইৰ গালত কাণ-তলীয়া চৰ দিয়ে। তাই চিঞৰ মাৰে। সি তাইৰ মূৰত জোৰকৈ ভুকু মাৰে, ঠেলি পেলাই মজিয়াত ঠেকেচে। সোণ-পাহিৰ মুখৰপৰা তেজ বয়।...সি তাইক মাৰে, চবায়, কোবায়, কিলায়, ভুকুৱায়। নিৰুপায় হৈ তাই মনে মনে থাকে। ভাগৰি তাই বিছনাত বাগৰি পৰে, চ্যাং-পশুৱে এই সুবিধাতে তাৰ যৌন লিপ্সা দূৰ কৰে।

...চ্যাঙৰ মুখত উলাহৰ নিঠুৰ হাঁহি।...সিও শুই পৰে।·

সোণপাহিয়ে শুণে, গুঁথে, চিন্তে।..গোটেই শৰীৰত বিষ, বিছানাত ছট্‌ফটাই থাকে। লিপাও!...সি তাইৰ মধুৰ সপোন। তাৰ প্ৰতি

বিশ্বাসঘাতকতাৰ এনে প্ৰতিফল। ভুল—ভুল, তাইৰ মহাভুল।…

· সেহেত সোণপাহিয়ে টোপনিত লালকাল হয়। দুপাহি চকুত ঘুমটিয়ে হেঁচা মাৰি ধৰে। ঘোৰ নিদ্ৰা। ··

বিয়াৰ ন দিন পিছত। আঠ-মঙলাৰ দৰে নদীৰো সামাজিক নিয়ম। তাই ঘৰলৈ আহে। মাকৰ প্ৰতি তাইৰ ৰাগ, ঘৃণা, শোক।

···তাই খঙেৰে মাকক কয়—"তুমি মোক ঠগালা। তুমি তোমাৰ বিয়াৰ কথা পাহৰিলা নে? মোৰ পিতা তোমাতকৈ বয়সত ডাঙৰ আছিল। তুমিয়েই কৈছিলা,—তুমি তোমাৰ বিয়াৰ কাৰণে কিমান অসুখী হৈছিলা, কিমান বেজাৰ পাইছিলা তুমি নিজৰ জীৱনৰ কাহিনী পাহৰি গলা? মই তোমাৰ এজনী মাথোন জী, পৰিয়ালৰ একেটি মাথোন ছোৱালী, হেলাৰঙে এজন জঘন্য মানুহৰ হাতত মোক সঁপি দিলা।"··

মাকৰ সান্ত্বনা—চীনৰ জন প্ৰবাদ—"কাঠৰপৰাই নাও হয়। ভালকৈ বালে নাও চলে," কয়—"সতী নাৰীয়ে দ্বিতীয়বাৰ বিয়া নকৰে।"

সোণপাহিয়ে খঙত মাটিত গুৰিয়ায়, বেজাৰত তাইৰ চকুৰ পৰা চকুলো বয়। তাই নিৰুপায়। তাইৰ মাক বাপেকৰ দোষ নে? · সমাজ—সমাজ। তাই সহায়হীনা হয়। তাই কয়—"তুমি কেৱল সমাজকেই ঘিণ নকৰা,—মোকো।" মাকে আচৰিত হয়।

পিছদিনা। ঘৰত তাইৰ মাকো নাই—বাপেকো নাই। দুৱাৰ-মুখত লিপাও। সি সোমায়, তাইৰ কাষতে বহে,—বুজে সোণপাহিৰ মনত সুখ নাই। "মোলৈ তোমাৰ প্ৰেম ঢালি দিবলৈ কোৱাত তুমি মোক বিশ্বাস কৰা নাছিলা, সোণ।"—সি কয়। সোণপাহিৰ অন্তৰত বেজাৰে খুন্দা মাৰি ধৰে। তাক আৰু তাই নাপায়,—এই চিন্তাই তাইৰ হিয়া খুলি খুলি খায়। তাই ক্ষমা খুজিবলৈ বিচাৰে,—মুখৰ মাত মুখতে হেৰায়। লাজত ধিক্কাৰত তাই মূৰ তুলিব নোৱাৰে। তাই প্ৰেমৰ গোপন কথা জানিবলৈ সাহ নাপায়। তাই এনে ধাৰ্মিক সংস্কাৰৰ যুৱকৰ কাৰণে সম্পূৰ্ণ অনুপযুক্তা,—তাই নষ্টা, তাই ভ্ৰষ্টা।···

"মোৰ সাহ থকাহেঁতেন মই নিজকে তোমাক সঁপি দিলোহেঁতেন;

মই ভীৰু। কিন্তু এতিয়া বহু পলম হ'ল। মই মোৰ নিজৰ অকৃতজ্ঞতাৰ কাৰণে দুঃখিত।'·· তাই স্বীকাৰ কৰে।

দুনাই তাই নিমাত। কেৱল বুকুৰ ধুকধুকনি আৰু চঞ্চল চকুৰ ছল্‌ছলীয়া লোতকৰ মাজেদি দুখভৰা চাৱনি।—লিপাও উঠে, মেলানি মাগে, আঁতৰি যায়। তাই চিঞৰি কয়, "লিপাও! কামবন কৰা, সমাজৰ কাৰণে কিছু কৰা, মোক পাহৰি পোলোৱা।" তাৰ পিছত? তাই নীৰৱ,—নিশ্চল। কেৱল চকুলো সৰা নয়নজুৰিযে চাই থাকে তাৰ যোৱাটো।· লিপাও নাই। এটি দুমুনিযাহ।

নতুন সংসাৰ—নতুন জীৱন।—তাইৰ স্বামী, শহুৰ-শাহুযেক আৰু এজনী ননদ। তাই আছেই—সোণপাহি হতভাগিনীজনী। শাহুযেকে বিশেষ একো নকয়। কিন্তু তাইৰ গিৰিয়েক, কঠোৰ সি—নিষ্ঠুৰ সি। দিনে ৰাতি তাৰ সেৱা-শুশ্ৰূষা কৰোঁতেই তাইৰ দাম্পত্য জীৱনৰ দিন বাগৰি যায়,—গিৰিযেকে শুবলৈ গলে, তাই তাৰ জোতা-চোলা খুলি দিযে, পুৱা পিন্ধাই দিয়ে, চিগাৰেট্ জ্বলায়, পানী ঢালে, হাঁহি মুখেৰে দুহাতে কাপত কিবা খুৱাই দিযে। সি নিঠুৰ, সি দানৱ-দৈত্য, তাৰ ব্যৱহাৰ নিৰ্দ্দয। সি তাইক অনাহকত কথা নুশুনিলেই মাৰে, কোবায।··

সোণপাহি লেৰেলি যায।

এদিন নিশা। শুবৰ সময বাকী। সোণপাহিযে এটা বাটিত খোৱা-বস্তু আনি গিৰিযেকক দিবলৈ যাওঁতে কিছু তাৰ হাতত পৰে। চ্যাঙৰ খং উঠে, কোঠালীৰ চুকৰ বাঢনীডাঁৰ লৈ সোণপাহিক কোবায, উধাই মুধাই মাৰে। তাই মজিয়াত বাগৰি ছট্‌ফটায়,· সি তাইৰ মূৰ মজিযাত থেকেচি দিয়ে।

তাই নাকান্দে। মাৰ খোৱাৰ অভ্যাস তাইৰ হয। ই তাইৰ দৈনন্দিন ঘটনা।···তথাপি চকুলো অজানিতে সৰি পৰে। তাই আঠুকাঢি ক্ষমা খোজে। স্বামীৰ মন ভাল লগাবলৈ তাই জোৰকৈ মিচিকিয়াই হাঁহে। দানৱৰ ওচৰত ক্ষমা-ভিক্ষা! মিছা।·· চ্যাঙে বেছিকৈযেহে কোবায।

তাই মজিয়াত পৰি থাকে।...তল-সৰা পাহি!...

দুবণ্টাৰ পিছত।..তাই বগাই আঁঠুকাটি বিছনালৈ আহে। চ্যাং পশু, চ্যাং দানৱ,—মানৱ নহয়।

চ্যাঙৰ বাপেক। সিও তেনে।...তাৰ অন্তৰতো দয়া নাই, মমতা নাই।

খবৰ আহে, মাকৰ বেমাৰ,—সোণপাহিক চাবৰ তাইৰ মন।... শহুৰেকে যাবলৈ অনুমতি নিদিয়ে।

"তোমাক বিয়া কৰাই আনিছোঁ কেলৈ? ইয়াত কাম বন কৰিবলৈহে। তুমি আমাৰ, মাৰাৰ নহয়।"—শহুৰেকে কয়।

সোণপাহিৰ কত কাকুতি মিনতি। শেহত শহুৰেক ৰাজী হয়।— তাই যায়।

দুদিনৰ পিছত তাই ফিৰি আহে। ..শহুৰেকৰ আদেশত তাই এবেলা আঠুকাটি শাস্তি ভোগ কৰে। কিয় মাকৰ ঘৰৰপৰা আহোঁতে ইমান পলম? গধূলিলৈকে এই শাস্তি, আৰু তাৰ পিছতহে ক্ষমা-ভিক্ষা।

নিশা। কোঠালীত চ্যাং আৰু তাই। চ্যাঙে গম্ভীৰ স্বৰত কয়, —"তুমি তোমাৰ মতে চলি থাকিবা নে?"

শাস্তিৰ ভয়ত তাই শিয়ৰি উঠে। তাই নৰম সুৰত কয়,—"মই ছোৱালী। জীৱনত বিয়া কি নাজানো। তুমিয়েই মোৰ স্বামী। তোমাকেই জীৱন ভৰি সেৱা কৰি থাকিম। মই মৰিলে, মোক তোমাৰ কাষতে কবৰ দিবা।'

অন্তৰত তাই জানে, তাইক সিহঁতে গাধ-গৰুৰ দৰে ব্যৱহাৰ কৰে। তথাপি মুখত মিঠা ভাৱ দেখুৱায়।

তাই কয়,—ফুলৰ গুটি হয়, ঘঁাহৰ শিপা থাকে,—মানুহৰো সন্তান হয়। এদিন আমাৰো কেঁচুৱা হব,—মই তাক তোমাৰ কাৰণে তুলিম— আমি দুয়ো ডেকা-গাভৰুৱে। তুমি যেতিয়া বুঢ়া হবা, মই যুৱতী হৈয়ে থাকিম। এদিন কেতিয়াবা খাদ্যৰ অভাৱ হলে,—ময়েই আহাৰ মাগি আনিম। দস্যুয়ে তোমাক ধৰি নিলে, মোৰ সকলো তোমাৰ ৰক্ষাৰ

কাৰণে বেচিম।" এইদৰে প্ৰতিব্ৰতা নাৰীৰ ভাওজুৰি তাই তাৰ মন যোগায়, ভাল লগায়।

তিনি বছৰ এইদৰে বাগৰি যায়। অসহ্য জীৱন সহনীয় হয়।

তাইৰ বয়স ওঠৰ।

উত্তৰ চীন দুৰ্ভিক্ষ-ৰাক্ষসীৰ কৰাল গৰাহত পৰে। ঘৰৰ সকলোৱে ভাল খালেও সোণপাহিয়ে তুঁহ-ভৰা আহাৰহে খায়,—পাত-ছাত ছিঙি আনি চোবায়, পেটভৰায়। অৱস্থা দুৰৱস্থা হয়। চ্যাংটিন্-ভচিন্ চহঁৰলৈ বেপাৰ কৰিবলৈ যায়। যাবৰ সময়ত চ্যাঙে সোণপাহিক কঠোৰ নিৰ্দ্দেশ দি যায়। সি উপদেশ দিয়ে,—"প্ৰথমে পিতা আৰু ভনীজনীক খাবলৈ দিবা। সিইতে কিবা এৰিলেহে খাবা।" অসভ্য ভাৱে খঙেৰে ধমকি যায়,—"তুমি মোৰ মান-ৰক্ষা কৰিবই লাগিব। অন্যথা হলে, স্বভাৱত কিবা দোষ পালে, তোমাক মাৰৰ কোবত মাৰি পেলাম।"

এনে কঠোৰ নিৰ্দ্দেশ শুনি তাইৰ হিয়া-আমঠু কঁপি উঠে। মুখত কৃত্ৰিম হাঁহি লৈ তাই কয়,—"কোনো চিন্তা নকৰিবা। মোক কেৱল তোমাকহে লাগে।"

নৈৰাশ্যৰ সোঁতত সোণপাহি উটি যায়। তাই ওঠৰ। এই বয়সতে জীৱনৰ ওপৰত তাইৰ বিতৃষ্ণা জন্মে। সমাজৰ প্ৰতি ঘৃণা,—স্বামীৰ প্ৰতি, নিজৰ প্ৰতি ঘৃণা তাইৰ হৃদয়ত পুঞ্জীভূত হয়। হতাশা।··· আত্মহত্যা। সেয়ে ঠিক। কিন্তু তাইৰ মাক। আত্মহত্যাৰ বাতৰি পালে জানোচা মৰ্ম্মাহতা হয়। ভাবি-চিন্তি তাই বিৰত হয়।··

চেনেহী মাক মৰে।—তাই সঙ্কল্প কৰে,—আত্মহত্যা। বিবাহিত জীৱনে তাইক শিক্ষা দিয়ে বহুত,—চীনৰ প্ৰাচীন প্ৰবাদ,—"পুৰুষ স্বৰ্গ, —নাৰী পৃথিৱী।" জীৱন বিষময় হয়।

সচাকৈয়ে চ্যাং সোণপাহিৰ স্বৰগ নে নৰক।

সোণপাহিৰ মুখত হাঁহি বিৰিঙে।

সমাজ,—সমাজৰ বিধান। তাক মানাৰ বাহিৰে উপায় নাই। স্বামীৰ দাসী তাই,—বিনয়ী, কৃতজ্ঞ, ত্ৰস্ত। অন্তৰৰ গোপন-কক্ষত

আলোড়ন উঠে,—ধুমুহা বয়।—প্ৰতিহিংসা, প্ৰতিশোধ। মাৰৰ সলনি কোব,—অপমানৰ সলনি অপমান,—স্বামীৰদ্বাৰা নিৰ্য্যাতনৰ পৰিবৰ্ত্তে আমৰ্জনীয় নিৰ্য্যাতন।

চ্যাং যায়। তাই জপনামুখত থিয় দি থাকে। মুখত তাইৰ বিদায়ৰ সুললিত বাণী, অন্তৰ জোকাৰি ভাৱনা উঠে,—প্ৰতিশোধ। ৰবা! সুদিন আহিব।

জপনামুখত প্ৰতিহিংসাৰ প্ৰতিমূৰ্ত্তি জিলিকি উঠে।...সময় লাগে, কেৱল সোণালী সুযোগ।

আগষ্ট, ১৯৪৫ চন।

অষ্টম-বাহিনী। সোণপাহিৰ গাঁৱত অষ্টম-বাহিনী। মাথোন কেই ঘণ্টা থাকি যায়। নাই।...জাপানী-শত্ৰুৰে সৈতে যুঁজিবলৈ সিহঁত আগবাঢে। এসপ্তাহৰ পিছত। এজন কৰ্মীয়ে (Cadre) আহি ঘোষণা কৰে,—"ৰাইজ আৰু অষ্টম-বাহিনী একে পৰিয়ালৰ।" সোণপাহিয়ে ভাবে,—"অসম্ভৱ। তুমি আমাৰ গাঁৱৰেই নহয়,—আমাৰ পৰিয়ালৰ কেনেকৈ হবা?" তাই নপতিযায়।

কৰ্মীজন অষ্টম-বাহিনী চৰকাৰৰ প্ৰতিনিধি। কমিউনিষ্ট অষ্টম-বাহিনী (Eighth Route Army) কেইদিন মানৰ পিছত সেই গাঁৱৰ মহিলাসকলক মাতি 'নাৰী-সংঘ' সংগঠন কৰিবলৈ কয়। সি ঘোষণা কৰে--পুৰুষৰ সমানাধিকাৰ নাৰীৰো, যিসকল নাৰীয়ে বেছিকৈ সমাজৰ কঠোৰ-শাসনত নানান নিৰ্য্যাতন ভোগ কৰিছে, তেওঁলোকে যেন এই 'নাৰী সংঘ'ত যোগ দিয়ে আৰু গোপনে আহি তাৰ লগত আলোচনা কৰে।

সোণপাহি উত্তেজিতা হয়,—কিহবাৰ আশাত তাইৰ হৃদয়ত ক্ষুধা গুচে। তাই ভাবিবলৈ চেলু পায়। গোপনে আলচ পাতিবলৈ তাইৰ সাহ নহয়। কিবা ভাল হব নে? তাই ভাবে,—তাইৰ সন্দেহ ওপজে।

কিন্তু প্ৰতিহিংসা,—প্ৰতিশোধ! হৃদয়ৰ জুইকুৰা উমি উমি জ্বলে।

মহকুমাৰ সেই কৰ্মীজন গুচি যায়। ক'তো একো হোৱা নাই

দেখোন। 'নাৰী-সংঘ' পতাত লাভ ? তাইৰ সন্দেহ দ'কৈহে শিপায়। "অ' এয়ে হে অষ্টম-বাহিনীৰ কীৰিতি ?"—সোণপাহিয়ে ভাবে, আল্‌জাল্‌কৈ।

কলী জেড্‌ (Dark Jade)। গাঁৱৰে ছোৱালী। 'নাৰী-সংঘ'ৰ সেৱিকা (Cadre) তাই।

গাঁৱৰ সকলো ছোৱালী জীয়ৰী বোৱাৰী—'নাৰী-সংঘ'ৰ সেৱিকা, সভ্যা। সিহঁতৰ ভিতৰত খোলাকৈ আলোচনা চলে। তেওঁ সোণপাহিৰ সন্দেহ নকমে। তাই কয়—"তোমালোক নাৰী-সংঘৰ সভ্যা। চৰকাৰে তোমালোকক চাব, ৰইখা কৰিব। মোকনো কোনে ৰক্ষা কৰিব ?"

কলী জেডে কয়—"শুনা!—তোমাৰ লাঞ্ছনা যাতনাৰ সত্য কাহিনী আমাক বহুলাই কোৱা। আমি তোমাৰ বিশ্বাস ভঙ্গ নকৰোঁ।"

সোণপাহি নিমাত। তাই চকুমুদি তলমূৰা হয়।··জেডে কয়—"সোণপাহি! তোমাৰ চকুজুৰি মেলাচোন্‌। কিয় চিপি আছা। এতিয়া আমাৰহে দিন। তাৰ মানে,—আমাৰ নিৰ্য্যাতনৰ দিন সাং হ'ল। আমাৰ আশাই পাতনি মেলিলে।"

এই কথাষাৰ বিজুলীৰ দৰে হতাশাৰ ডাৱৰে ঢকা হৃদয়-আকাশত জিলিকাই তোলে। সোণপাহিয়ে কয়,—"যদি সঁচা হয়,—তেন্তে ই এটা আচৰিত ঘটনা। তেনেহলে অষ্টম-বাহিনী সঁচাকৈয়ে আমাৰ পৰিয়ালৰে।"

কিছুদিনৰ পিছত। কলী জেড আৰু টাওৱা দুজনী সোণপাহিৰ পঁজাত। তাই তাইৰ সকলো যাতনাৰ কাহিনী বিশ্বাসেৰে হিয়া উদঙাই কয়। কান্দোন আৰু চকুলো ওঁঠ-মুখ কামুৰি তাই কোনোমতে চেপি হেঁচি থয়। তাইৰ লগৰীয়া দুজনীয়ে তাইক উদ্ধাৰ কৰিবলৈ গাত লয়, প্ৰতিজ্ঞা কৰে, তাইক কেইদিনমান মনে মনে থাকি সহ্য কৰিবলৈ উপদেশ দিয়ে।

কেইদিনমানৰ পিছতে চাৰিজনী সভ্যা আহি তাইৰ পঁজাত উপস্থিত হয়।···জেডে সোণপাহিৰ শহুৰেকক কয়,—"আমি 'নাৰী-

সংঘ'ৰ অনুসন্ধান সমিতিৰ সভ্য। আমি বিচাৰ কৰি পাইছোঁ, আপুনি হেনো আপোনাৰ বোৱাৰীয়েৰাৰ ওপৰত অমানুষিক অত্যাচাৰ কৰে," জেডৰ এনে কথা শুনি বুঢাই আচৰিত হয়। সি ধমক দি কয়,—"আমাৰ ঘৰৰ কথাত হাত দিবৰ তহঁত কোন? মোৰ খুচিমতে বোৱাৰীৰ ওপৰত মই যি কোনো ব্যৱহাৰকেই নকৰোঁ, তহঁতক কেলৈ?"

জেডে কয়,—"খং খাইছে কেলৈ? আমি জানো আপোনাক কিবা দুৰ্ব্যৱহাৰ কৰিছোঁ? আমি যি কৰ্তব্য কৰিছোঁ, সকলো আপোনাৰ ভালৰ কাৰণেই? আমি আপোনাৰ পৰিয়ালৰ ভিতৰত সুখ আৰু একতা আনিবলৈহে বিচাৰিছোঁ।" হঠাতে সোণপাহিৰ শহুৰেকে জঁপিয়াই জঁপিয়াই খঙেৰে কয়,—"গুচি যা, আঁতৰ হ।"

কোৱাৰ লগে লগে তাৰ দুখন বুঢা বাহুও জোঁকাৰ খাই উঠে।

এজনী ছোৱালী বাহিৰ হৈ যায়। অলপ পিছতে তাই পোন্ধৰ জনী ছোৱালীক লৈ উভটি আহে। সকলোৰে হাতত একোটাকৈ শকত টোকোন আৰু এডাল জৰী। "ওৱা।" বুঢাই উচাপ খাই উঠে।

জেড্ কলীয়ে কয়,--"আপোনাৰ মন পৰিবৰ্তন নকৰে নে?"

দুটা মুঠি তুলি বুঢাই জ্বলি পকি কয়,—"উহুঁ—নকৰোঁ। - বাহিৰ হ।—বাজ হ।"

কলী জেডে কয়,—"কি চাই আছা, বান্ধা।"—চাৰিজনী তিৰোতাই আগবাঢি বুঢাৰ দণ্ডা হাত দুখন জঁপিয়াই থাপমাৰি ধৰে। বাকী কেইজনীয়ে জৰীৰে বান্ধে।

সোণপাহি আচৰিত হয়।

'নাৰী-সংঘ'ৰ সভ্যসকলে জপনামুখেদি উলিয়াই বুঢাক বান্ধি নিয়ে।

তাই লৰি যায়, সিহঁতৰ কাষ চাপে,—কয়,—"দেউতা, বেজাৰ নকৰিবা।" বুঢাক ভয় আৰু লাজে আগুৰি ধৰে। ইফালে সিফালে সি চায়, হাতৰ বান্ধ মোকোলাবলৈ চেষ্টা কৰে। সোণপাহিয়ে মিনতি জনায়,—"মোৰ দেউতাক আঘাত নকৰিব।" • তাইৰ অন্তৰত গুপুতে উলাহৰ হাঁহিৰ খলকনি উঠে।•• প্ৰতিহিংসা। প্ৰতিশোধ॥

হৃদ্‌কুণ্ডৰ একুৰা জুই নুমায়।

অষ্টম-বাহিনী। সঁচাকৈয়ে সিহঁত ভাল—তাইৰ নিজৰ পৰিয়ালৰ। তাইৰ সন্দেহ দূৰ হয়।

'নাৰী-সংঘ'ৰ ঘৰৰ এটা কোঠালী। তাত সোণপাহিৰ দটা শহুৰেকজন দুদিন বন্দী।

তৃতীয দিন। সাধাৰণ-সভা। নাৰী গণ-আদালত। গাঁৱৰ সোঁমাজ। তালৈ সকলো গাঁৱৰ নাৰীসকলে যায়, জুমে জুমে। জীৱনত এইদৰে সিহঁত বাটত থিয় হোৱা নাছিল। বহু নাৰীক সোণপাহিয়ে চিনিয়েই নাপায়, দেখাও নাই। চীন দেশৰ বোৱাৰীসকল যে সংসাৰ-পোতাশালত বন্দিনী।...

কলী জেড আৰু টাওৱাইয়ে আহি সোণপাহিক লৈ যায়।

গাঁৱৰ সোঁমাজত 'নাৰী সংঘ'ৰ ঘৰ। বৰ কোঁঠালীটোত দুকুৰি নে পঞ্চাশজনী তিৰোতাই ভৰি পৰিছে চিৰীলৈকে চোতাললৈকে। বিৰ দিও সোমাব নোৱাৰি। ওখ ঠাইত এখন টেবিল আৰু এখন চেয়াৰ। চেযাৰত এগৰাকী অচিনাকি তিৰোতা। তেওঁৰ কেউকাষে এদল নাৰী।

কলী জেডে থিয় দি কয়,—"ভনীসকল, জিলাৰ এগৰাকী মহিলা সেৱিকাই বক্তৃতা দিব। মনে মনে থাকক।"

মহিলা গৰাকী উঠে। তেওঁৰ ওজস্বিনী বক্তৃতা মুখেদি ওলাই বৈ যায়। অদ্ভুত মোহিনী শক্তি। তেওঁ চীনৰ সামন্তবাদ, জমিদাৰৰ অত্যাচাৰ, পুৰুষৰ দাসী নাৰী, বোৱাৰী জীয়ৰীহঁতৰ মুক্তি . বোৱাৰীহঁতৰ মুক্তি-সংগ্ৰাম . অষ্টম-বাহিনী আৰু কমিউনিষ্ট পাৰ্টিৰ আদৰ্শ,—নাৰীৰ সমানাধিকাৰৰ কাৰণে পুৰণি পঁচা ক'লা সমাজৰ বিৰুদ্ধে সংগ্ৰাম—ইত্যাদিৰ বিষয়ে ফঁহিযাই ফঁহিযাই বুজাই কয়।

"নিৰ্য্যাতিতা নাৰী জাতিলৈ আমি ভগিনীসুলভ হাত মেলি দিছোঁ। আৰু আশাকৰোঁ চিয়াংকাইশ্বেকৰ ডিক্টেটৰ্‌ছিপ্‌ একনায়কত্ব আৰু অত্যাচাৰী জমিদাৰহঁতৰ বিপক্ষে সংগ্ৰামত আমি গাঁৱৰ গাঁৱলীয়া নাৰীসকলৰ যথেষ্ট সহায় সহানুভূতি পাম।"

তাইৰ মাত সোণপাহিৰ কাণত শিঙাৰ মাতৰ দৰে পৰশে। "প্ৰতিক্ৰিয়াশীল, আমেৰিকান্ অস্ত্ৰেৰে সজ্জিত চিয়াংকাইশ্বেকৰ সৈন্য-বাহিনীৰ বিপক্ষে সংগ্ৰামত উদ্ধাৰৰ আগভাগত 'ফ্ৰণ্টত' গণতান্ত্ৰিক বাহিনীৰ খেতিয়ক বন্ধুবাসকলে নিজৰ ৰক্ত ঢালি দিছে, পিছফালে গাঁওবিলাকত আমি একেলগ হৈ নতুন সমাজ গঢ়িব লাগিব। আৰু আমি গঢ়িমো। দুই হেজাৰ বছৰ ধৰি যিসকলে আমাক ছলে-বলে কৌশলে দাসী কৰি ৰাখিছে, সিইঁতৰ বিৰুদ্ধে আমি একেলগে মিলিজুলি যুঁজিম। কোনো পুৰুষে স্বামীয়েই হওক নাইবা শহুৰেই হওক, আমাক যদি বাধা দিয়ে, তাকো আমি ক্ষমা নকৰোঁ, তাকো আমি মাৰি শেষ কৰিম।"...

"ঠিক। ঠিক।।"—সোণপাহিৰ মনে কয়। তেওঁৰ প্ৰত্যেকষাৰ কথাই সোণপাহিৰ হিয়া পৰশ কৰে।...

তেওঁ শেষ কৰাৰ লগে লগে, সভাৰ সভানেত্ৰী জেডে বক্তৃতা দিয়ে। তেওঁৰ অভ্যাস নাই। বহুবাৰ খোকা-খোমোজা লাগে, তথাপি সমাজ মনোযোগ দি শুনে। জেড্ গাঁৱৰে ছোৱালী।

তাই হঠাতে ৰয়, সোণপাহিৰ ফালে চায়। সোণপাহিয়ে কোঁচ-মোচ খায়।·

জেডে কয়,—"এতিয়া সময় হৈছে আমাৰ অতিকৈ চেনেহৰ সোণ-পাহিৰ বিচাৰৰ। তাইৰ নিৰ্য্যাতন সকলো নাৰীৰেই নিৰ্য্যাতন। তাই নিস্তাৰ নাপালে, আমাৰো নিস্তাৰ নাই।"..

"ঠিক কথা।—আমি সোণপাহিক মুক্ত কৰিবই লাগিব।" সকলোৱে দৃঢ়ভাৱে শলাগে।

সোণপাহিৰ কাণে কাণে কোনোৱা এজনীয়ে কয়,—"বুঢ়াজনক মাৰিব লাগে।" হঠাতে চিঞৰ মাৰি উঠে তাই,—"তাক মাৰ্। মাৰ্ তাক।"

"মাৰ। মাৰ্।। মাৰ্।।।" কেউপিনে চিঞৰ বাখৰ।

কলী জেডে টেবিলত ভুকুৱায়। আকৌ শান্তি।..."ভনী সকল।

আমাৰ এই বিচাৰ আমি অন্তৰেৰে আৰম্ভ কৰিব লাগিব, যাতে বাইজৰ ওপৰত কোনো লাজ-অপমানৰ বোজা নপৰে। সু-বিচাৰৰ প্ৰতি সকলোৱে মন দিয়া উচিত। পুৰুষে আমাক নাৰীসকলক অন্যায়ভাৱে দুৰ্ব্যৱহাৰ কৰিলেও, আমি যেন তেনে নকৰোঁ। 'নাৰী-সংঘ'ৰ প্ৰতি আমি সন্মান ৰাখিব লাগিব, যাতে আমাৰ প্ৰতিও সকলোৰে সন্মান থাকে। প্ৰথমে আমি বিবেচনা কৰিব লাগিল,— এই বুঢাজনক আমি কি ভাৱে ব্যৱহাৰ কৰিম, কেনেকৈ বিচাৰ কৰিম।"

শেহত সভাই ঠিক কৰে বুঢাজনক সভা-থললৈ আনিবলৈ।

সোণপাহিৰ পাছফালে দুৱাৰ। কলী জেডে নামি গৈ দুৱাৰ খন মেলে। বুঢাটো ওলাই আহে। তাৰ হাত দুখন বন্ধা, লগত দুগৰাকী নাৰী।

বুঢাৰ মুখখন শেঁতা। সি কোঁঠালীটোৰ চৌপাশে চকু ফুৰায়, মাজে মাজে চকু পিৰিকায়।

"এই বুঢাটো খোলাভাৱে কৰা। তোমাৰ অসদ্ব্যৱহাৰৰ কাহিনী মিছা নামাতি খুলি স্বীকাৰ কৰিবা।" - কলী জেডে কয়।

সকলোৱে চিঞৰে—"খুলি কোৱা। খুলি কোৱা।"

বুঢাই কৰ্কশ মাতেৰে কয়,—"মই একোকে কৰা নাই।—তোমালোকে যদি বিশ্বাস নকৰা, তেন্তে মোৰ বোৱাৰীজনীক সোধা"·· তীব্ৰ দৃষ্টিৰে চকুফুৰাই শেহত সি সোণপাহিৰ ফালে চায়।

সোণপাহিৰ হিয়া আমঠু কঁপি উঠে। তাই আগবাঢে। অলপ পৰ নিতাল মাৰি দেহালৈ তাই সকলো শকতি ফিৰাই আনি কয়,— "এই পৰিয়াললৈ মোক বিয়া কৰি অনায়। ·কিন্তু এদিনো মই এসাজ ভাত তৃপ্তিৰে খাবলৈ পোৱা নাই। জাৰকালি কাপোৰ নাপাওঁ। নহয় জানো? · এই পাঁচ বছৰে তোমালোকে কিমান নিষ্ঠুৰভাৱে মোক নিৰ্য্যাতন কৰিছিলা, পাহৰি গ'লা নে? পাহৰি গলা নে সেই দিনাৰ কথা—যিদিনা মোৰ ৰুগিনী আইক চাই আহোঁতে মোক এপৰ বেলা ৰ'দত চোতালত আঠুকাই থৈছিলা? তোমালোকৰপৰা বহুতো লাঞ্চনা

যাতনা ভুগিছোঁ। নাই, এইদৰে আৰু মই দুখ নুভুগোঁ। মোৰ লগত আজি ইমানবোৰ ভনী আছে—'নাৰী-সংঘ'ৰ আৰু আছে অষ্টম-বাহিনী।"...

তাই দৃঢ়ভাৱে নিৰ্ভয়ে কৈ পেলায়। বুঢ়াৰ মুখখন, এবাৰ ৰঙচুৱা এবাৰ কলা হয় লাজত, ক্ষোভত, খঙত।

"মোক এইদৰে ব্যৱহাৰ কৰা তোমালোকৰ উচিত হৈছে নে? আৰু আছে—বহু কথা আছে। মই যদি সকলো বহলাই কওঁ, তেন্তে এই নাৰীসকলে—মোৰ ভনীসকলে তোমাক মাৰি জীৱন শেষ কৰি পেলাব।"

তাইৰ কথা শেষ হোৱাৰ লগে লগে, কেউপিনৰপৰা চিঞৰ উঠে,—"কোৱা! কোৱা!!"

"বোৱাৰীহঁতৰ দুৰ্ব্যৱহাৰকাৰী ধ্বংস হওক। 'নাৰী-সংঘ' জিন্দাবাদ।"

চিঞৰ বাখৰত কোঁঠালীটো কঁপি উঠে। সোণপাহি উত্তেজিতা হয়,—কয়—"তোমালোকে খোৱা ভাল ভাল খাদ্য, আৰু মই খাওঁ চুৱাপাত নাইবা গেলাপঁচা তুঁহ-গুৰি ভৰা আহাৰ।"

"অঁা"। "অঁা" আকৌ চিঞৰ।

সকলো নাৰীয়ে বুঢ়াজনক আগুৰি ধৰে। "তাৰ মুখত থু পেলাই নিদিয়া কেলৈ?"—এজনী শকত তিৰোতাই খঙত জ্বলি পকি কয়, তাই তাৰ মুখত থু পেলায়। সকলোৱে সেইদৰে কৰে।.. বুঢ়াৰ মুখখন থুৰে ভৰি পৰে, তিতি যায়। তাৰ আঠু কঁপি উঠে' সি নিঃসহায হিচাপে থাকে। তাৰ দুৰৱস্থা দেখি সকলোৱে হাঁহি খিকিন্দালি উঠে।

জেডে আগবাঢ়ি আহি কয়,—"আপোনালোকে অলপ সংযত হওক। শান্তভাৱে থাকক।" বুঢ়াক কয়—"আপুনিও নিজক শুধৰাই লওক।"

"মই শুধৰাম।"—বুঢ়াই কয়।

"আপুনি বোৱাৰীজনীক আৰু কষ্ট দিব নে?"

"নিদিওঁ।"

বুঢাৰ কথা শুনি এজনীয়ে চিঞৰে,—"সকলো নাৰী এক হওক।"

প্ৰতিধ্বনিৰ উজাৰ উঠে—"এক হওঁক।"

"স্থিতিশীল সমাজ ধ্বংস হওক।"

"ধ্বংস হওক।" কেৱল ধ্বনি আৰু প্ৰতিধ্বনি, কোঁঠালীটোত উখল-মাখল, দোল দোপ্ হেন্দোল্ দোপ্—চিৰীজুৰি চোতাললৈকে।

বুঢা নিৰুপায়। সি সকলো দোষ স্বীকাৰ কৰে।

"বুঢা চেঙে যদি আকৌ বোৱাৰীজনীৰ প্ৰতি দুৰ্ব্যৱহাৰ কৰে, তেন্তে মযেই তাৰ জামিন হলোঁ,—মযেই তাক আপোনালোকৰ ওচৰত হাজিৰ কৰাম।"

এজনীয়ে জামিন্দাৰ হয। বিচাৰ শেষ।

বুঢা গুচি যায।

সোণপাহিক সকলোৱে আগুৰি ধৰে, শলাগেও।

সোণপাহিয়ে ধন্যবাদ দিয়ে, 'নাৰী-সংঘ'ৰ প্ৰতি কৃতজ্ঞতা জনাই কয,—"আপোনালোকৰ যে ইমান শক্তি আছে, বুজাই নাছিলোঁ। মই আজিহে জানিলোঁ, অষ্টম-বাহিনীয়ে মোৰ কাৰণেও ভাবে, উপকাৰ কৰে।"

নিশা ঘৰত। সোণপাহিৰ আগত বুঢা শহুৰেক অনবৰত তলমুৱা হৈ থাকে, মাজে মাজে তাইলৈ ভযতে বেঁৱাহীকৈ চায়, সোণপাহিয়ে মনে মনে সগৰ্বে মিচিকিযাই হাঁহে। প্ৰতিহিংসা। প্ৰতিশোধ!

সোণপাহি। এতিযা তাই বিদ্ৰোহিনী, বিজয়িনী, নৱ শক্তিৰে শক্তিমতী।

'নাৰী-সংঘ' শক্তিৰ আধাৰ।

শহুৰেকে পেৰাৰপৰা নতুন কাপোৰ এজোৰ উলিযাই দি কয,—"এই কাপোৰ। তোমাৰ চোলা সি লবা।" কেনে এতিয়া? ঠেকি শিকাৰ গুণ!

সোণপাহিয়ে আৰু আগৰ নিচিনা ঘৰৰ ভিতৰত লেৰেলি মৰহি

নাথাকে, বুকু ফিন্দাই তাই বাহিৰৰ বতাহ পাই ঠন্ দি বাহিৰত ফুৰে। তাই ঘৰে ঘৰে ঘূৰি শাহু-বোৱাৰীহঁতক সোধে,—"কেনে, ভাল নে ?"

এইদৰে গাঁৱৰ 'নাৰী সংঘ' সুসংগঠিত হয়।

নতুন ৰং—নতুন উছাহ্ পাই অন্তৰ উলাহত ঠাই নোহোৱা হয়।

১৯৪৭ চন। চ্যাং-কাই-শ্বেকৰ প্ৰত্যাক্ৰমণ। সকলোৰে ভয়, জানোচা ন-সমাজৰ বিধান নষ্ট হয়। কেউপিনে শব্দ উঠে,—সাজ। সাজ॥ সাজ॥।

সোণপাহি ব্যস্ত। পুৰুষসকলে নতুন সমাজক ৰক্ষা কৰিবলৈ শত্ৰুৰে সৈতে যুঁজিবলৈ ব্যস্ত। নাৰীসকল নিজৰ ঘৰ-সংসাৰৰ ৰক্ষাত ব্যতিব্যস্ত।· নাৰীসকলৰ বহু কৰ্ম,—উৎপাদনত ব্যস্ত ,—কপাহ, সূতা, কাপোৰ , শস্য, খাদ্য, আহাৰ। পুৰুষৰ 'গণ-বাহিনী' আৰু নাৰীৰ 'নাৰী সংঘ'।···

কিছুমান পুৰুষে নাৰীয়ে পথাৰত কাম কৰা দেখি বেয়া পায়। সোণপাহিৰ অশেষ যতনত নাৰীসকল অচল-অটল।

বগী। পবিত্ৰা তাই,— সোণপাহিৰ অনুগতা। পথাৰৰ কামত বাহিৰ হয়। গিৰীয়েকে কয়,—"তুমি সুন্দৰী, যুৱতী। পথাৰৰপৰা কোনোবাই টানি নিলে তুমি কি কৰিবা ? তুমি নাৰী, সবলা—অবলা।"

বগীয়ে কয়,—"এৰা মই সুন্দৰী। মই যুৱতী নাৰী। সেই বুলি সজাৰ বন্দী পখীৰ দৰে মই ঘৰৰ ভিতৰত বন্দিনী হৈ থাকিম নে ? আমি নতুন সমাজ লভিছোঁ, আগৰ দিন—পুৰণি যুগ গ'ল। পথাৰত কোনোবাই মোক আক্ৰমণ কৰিবলৈ আহিলে ভয় কিহৰ ? আমাৰ 'নাৰী-সংঘ' আছে নহয়। সেই সংঘৰ জৰীয়তে আমি তাক মাৰি শেষ কৰিম,—জীৱন মাৰিম।"

গিৰীয়েক নিতাল মাৰে। শস্যৰ অধিকতৰ উৎপাদনৰ ফল দেখি সি আনন্দিত হয়। এদিন নিশা গিৰীয়েকে কয়—"মই কৰবালৈ গলে, —তুমিয়েই দেখোন সংসাৰখন চলাব পাৰা ?"

বৰ্গীয়ে কয়,—"হয় পাৰো। ভয় নাই। তুমি যোৱা, অষ্টম-বাহিনীতে যোগ দিয়া, যুদ্ধ কৰা। তুমি তৰুণ, তুমি যুৱক। নোযোৱাটো মুৰুজাটো বৰ লাজৰ কথা।" ফান্দত পৰে সি। অমান্তি হলে, তাই তাৰ লগত নোশোৱে। সি তাইক মাৰিব খোজে। তাই তাক 'নাৰী-সংঘ'ৰ কথা সোঁৱৰাই দিয়ে। তাৰ বুকু কঁপি উঠে। তাই কয়,—"তুমি বাহিনীত যোগ নিদিলে, মই আত্মহত্যা কৰিম।" তাই সুন্দৰী যুৱতী! …ভাৱত সি আত্মহাৰা হয়। গিৰীয়েকে এটা গাধৰ ওপৰত উঠি চিয়াংকাই-শ্বেকৰ লগত যুঁজিবলৈ অষ্টম-বাহিনীৰ কোঁঠৰ ফালে গুচি যায়।

লিপাওঁ। সোণপাহিৰ মনৰ আশা মনতে লেবেলি যায়। আজিও সেই হুমুনিয়াহ উঠে।

ডেকা-গাভৰুৰ প্ৰেমৰ প্ৰতি তাই সদায় সজাগ। আশাৰ ৰংঘৰ আকাঙ্ক্ষাৰ কাৰেং ঘৰ, বাসনাৰ তলাতল-ঘৰ সোণপাহিয়ে কোনোমতেই নষ্ট হব নিদিয়ে। এটা ঘৰত এহাল প্ৰেমিক প্ৰেমিকাক মাতি আনি তাই সিহঁতক প্ৰেমালাপ কৰিবলৈ সুবিধা দিয়ে। সিহঁতে আলাপ কৰে।

ডেকা—"কেনে ধৰণৰ ডেকাক তুমি ভালপোৱা?"

গাভৰু—"তোমাৰ দৰে।"

ডেকা—"আই বোপাই যদি অমত হয় আমাৰ বিয়াত?"

গাভৰু—"নতুন সমাজ আছে নহয়, নাৰী-সংঘ আছে নহয়? নাৰীৰনো ভয় কিহৰ? কিন্তু তোমাৰ—"

ডেকা—"মোৰো বাট সহজ। ঘৰ এৰি গুচি যাম বুলি ভয় দেখুৱাম।"

গাৱঁৰ তৰুণ-সম্প্ৰদায় সজাগ হয়। নৈতিক চৰিত্ৰৰ প্ৰতি নতুন সমাজৰ সদায় শেন্-দৃষ্টি থাকে। চৰিত্ৰ-পথৰপৰা ভ্ৰষ্ট নহবলৈ যথেষ্ট শিক্ষা দিয়া হয়। বৈবাহিক প্ৰথা ডেকা-গাভৰুৰ মতামতৰ ওপৰত নিৰ্ভৰ কৰে,—চৰকাৰে শেহত স্বীকাৰ কৰি লয়।

'নাৰী-সংঘৰ' কামত প্ৰথমে সোণপাহি ওলাওঁতে শহুৰেকে কৈছিল —"ৰবা ল'ৰাটো আহক, দিহিঙে দিপাঙে ঘূৰি ফুৰাৰ মজাটো বেছকৈ উলিয়াব। কোবাব বাপেৰে।"

"এ'—মই ভয় নকৰোঁ। আমাৰ ক্ষমতাশালী 'নাৰী-সংঘ' আছে যেতিয়া। যি কোনো শত্ৰুৰ লগত যুঁজিবলৈ আমি সক্ষম।"—তাই উত্তৰ দিছিল।

শহুৰেকৰ বাধা নামানি এতিয়া তাই ঘূৰি ফুৰে। এজন দদায়েকৰ পুতেকৰ দ্বাৰাই তাই গিৰীয়েকলৈ চিঠিৰে আহিবলৈ জনায়।

গোটেই দিন তাই ব্যস্ত। অন্তৰে অন্তৰে তাইৰ সংকল্প—সেই প্ৰতিহিংসা- সেই প্ৰতিশোধ। নাইবা—স্বামীৰ স্বভাৱ শুদ্ধ কৰণ।

কুৰি দিনৰ পিছত চ্যাং আহে। জপনামুখত সি দেখা দিয়ে। মুখত উলাহৰ ৰং। কোঁঠালীলৈ আহি সি কয়,—"তোমাৰ চিঠিখন পায়েই বেগাবেগিকৈ আহিলোঁ।" তাই নিমাত। তাই জানে ভবিষ্যতৰ নিৰ্য্যাতনৰ কথা।

তাই পাক-ঘৰলৈ গৈ 'কেটলীত' পানী তপতায়।

শহুৰেকে পথাৰৰপৰা আহি পুতেকৰ ফালে চাই মুখখন বিকৃত কৰে, ফুচ্ ফুচ্ কৈ কথা পাতে। তাই গিৰীয়েকৰে সৈতে অকলশৰীয়াকৈ আল-চিবলৈ চেলু বিচাৰে। নিৰুপায় হৈ তাই নিজৰ কোঁঠালীলৈ সূতা কাটিবলৈ যায়।

তাই ছটফটাই থাকে। বাপেক পুতেকে কিনো মেল পাতিছে? যি কোনো বিপদৰ কাৰণে তাই প্ৰস্তুত। তাই বেৰত কাণপাতি শুনে, —সংকোচ নকৰে।

বুঢ়াই কয়,—"তুমি আহি ভালেই কৰিলা। সৌভাগ্য। প্ৰতিশোধ লব পাৰিবা। অষ্টম-বাহিনী অহাৰপৰা ঘৈণীয়েৰা বেয়া হৈ গৈছে। তাই ঘৰত নাথাকে, ঘৰৰ কামত মন নিদিয়ে,—বাহিৰত টিঘিল্ ঘিলাই ফুৰে। ছোৱালীজনীলৈ আৰু মোলৈ তাই আজিকালি মুঠেই চকু নিদিয়ে।"

"তাইৰ বিষয়ে কি কি জানা কোৱা। তাইক মই মাৰি আধা মৰা কৰিম। তাইৰ মই ছাল ছেলিয়াম।"—পুতেকৰ কথাষাৰ সোণপাহিৰ কাণত বিহৰ দৰে সোমায়।

তাই দৃঢ় হয়। গাল দুখন ৰঙা হয়, তাই মিচিকিয়াই মনে মনে কয়—"তোমাৰ সময় আহিছে, ৰবা। ভাল ফান্দত পৰিছা। মোৰ গা মাথোন ছোৱা। তাৰ পিছত ···।"

তাই কুঁজা হৈ মন দি শুনে—

বুঢ়াই কয়,—"বহুতো কথা আছে। অষ্টম-বাহিনী অহাৰ আগতে তাই বৰকৈ ঘৰুৱা কাম কৰিছিল। তাই এতিয়া বেলেগ। আগৰ সোণপাহি আৰু নাই। তাইৰ যথেষ্ট পৰিবৰ্ত্তন হৈছে। তাইৰ খুটীমতে তাই চলে।—সেই কিবা বোলে 'নাৰী-সংঘ'। তুমি শুনিছা নে?"

"বৰ আচৰিত! ইমান সাহ! কোনো ভয় নাই। মই যি কৰিব লাগে কৰিম।"—পুতেকে কয়।

বুঢ়াই বেজাৰেৰ নিজৰ দুখ প্ৰকাশ কৰে,—তুমি নাজানা, সিহঁতে মোক বান্ধিছিল, —মুখত থু পেলাইছিল, বহু তিৰোতাৰ আগত গালি শপনি পাৰিছিল।"

"অ' শেহত পুতেৰাক কলা।"—সোণপাহিৰ খঙে চুলিৰ আগ পায়।. ..

বাহিৰত এন্ধাৰ।· কলী জেড্ আহি উপস্থিত। "অ' ভাই কলী। সৌৱা চোৱা সিহঁতৰ মেল,—বাপেক-পুতেকৰ। যোৱা এবাৰ চাই আহাগৈ।"—সোণপাহিৰ কথা শুনি জেডে যায়।

"নমস্কাৰ! ক'ত আছিল? ইমান সুন্দৰী ঘৈণীয়েকক এৰি ইমান দিন আঁতৰি থাকিব লাগে নে?—ইমান নিষ্ঠুৰ আপুনি? কলী জেডে চ্যাঙৰ মুখৰ ফালে মিচিকিয়াই কেৰাহীকৈ চায়।

চ্যাঙে কয়, "এৰা, মই যোৱাবপৰা তাই বেয়াহে হৈ গৈছে। তাই মোৰ ভনীজনীক আৰু পিতাদেওক বৰ অৱহেলা কৰে। মই তাইক ভাল এসেকা দিবই লাগিব।"

'বুজিছে ভাওৰীয়া। সেই আগৰ দিন আৰু নাই। অতীত অতীত। এতিয়া বৰ্ত্তমান। এইদৰে নকৰ।"—জেডে গম্ভীৰভাৱে কয়।

"নাৰীয়ে যে সমাজ পৰিবৰ্ত্তন কৰিব মোৰ বিশ্বাস নহয়।" —সোণ-পাহিৰ গিৰিয়েকে সদৰ্পে কয়।

অলপ পৰ নিতাল মাৰি কলীয়ে গম্ভীৰভাৱে কয়,—"অলপ সাৱধানেৰে কথা কব। এদিন সময় আহিব,—তেতিয়া কিন্তু আমাক দোষ নিদিব।"

কলী জেডে আহি চোতালত সোণপাহিক লগ ধৰে। তাই কয়, —"বৰং খং উঠে তাৰ কথা শুনিলে।" হঠাৎ আকৌ কলে,—"তাক মাৰিলে তুমি বেয়া পাবা নে কি ?"

"কি যে কোৱা ?"—সোণপাহিয়ে কয়।

—"মই আগতে ঠিৰাং কৰি থৈছিলোঁ, 'নাৰী-সংঘ'ত এই বাতৰিটো দিম বুলি। তুমি আহি পৰিলা। তুমি ভাবা,—কি কৰিব লাগে। মোৰ নিচিনা এজনী নাৰীৰ প্ৰতি তাৰ ঘৃণা মানে,—সকলো নাৰীজাতিৰ প্ৰতি ঘৃণা। বেয়া পাম ? কিয় ? মোৰ মতে তাক মাৰৰ কোবত সি-পুৰীলৈহে পঠাব লাগে।"

"বাৰু—আগতে এখন সভা মতা যাওক। তাত তুমি তোমাৰ দুৰৱস্থাৰ কথা বৰ্ণাই কৰা। তোমাৰ জীৱনৰ তিক্ততা তাতে প্ৰকাশ পাব। এইদৰে আমি জনসাধাৰণৰ ঘৃণা বৃদ্ধি কৰিম।"—জেডে কয়।

সোণপাহি মান্তি হয়।

সন্ধ্যা।...কোঠালীটোত চ্যাং আৰু সোণপাহি। তাইৰ কাষত সি বহি থাকে। ঘৃণাত সোণপাহি কঁপে।

"মই নথকাত ঠিক আছিলো নে ?"—

স্বামীৰ প্ৰশ্নত তাই কয়,—"মই যদি বেঠিকেই আছিলোঁ, সাক্ষী আনা। মোৰ নো কোন এজন প্ৰেমিক ওলাল,—আনা। মই স্বীকাৰ কৰিম।

চ্যাঙে হাঁহে।—"কোন তোমাৰ প্ৰেমিক তাক আৰু কব নালাগে। তোমাৰ গৰ্ভৰ ভিতৰটোৱেই কয়। আৰু নালাগে। তুমি মোক কিয় মাতিছিলা, মই জানো। তোমাৰ গৰ্ভৰ সন্তানটো যে মোৰ, তাক বিশ্বাস জন্মাবলৈ মোক মাতিছা নহয় নে?"—কেনে কৰ্কশ মাত?

সোণপাহিৰ খং চুলিৰ আগ পায়।

"কিমান নীচ তুমি! ভাবিছা, মোক এইদৰে ঠগাবা আৰু নোৱাৰোঁ। তুমি ভাবিছা মোৰ গৰ্ভত কিবা আছে। বাৰু আজিৰপৰা আমি একেলগে নোশোওঁ। দেখা যাওক, কি হয়।"—তাই আৰু কব নোৱাৰে। খঙত, ক্ষোভত তাই জ্বলি পকি উঠে—চকু ছল্‌ছলীয়া হয়।

এখন কটাৰী।—সৌ টেবিলত। ছল্‌ছলীয়া চকুৰে তাই কটাৰীখন দেখে,—গৈ বুটলি আনে। গিৰীয়েকে উচপ্ পাই উঠে। অদ্ভুত ভাৱে হাঁহি তাই কটাৰীখন গিৰীয়েকৰ ফালে আগবঢ়াই কয়,—"এয়া কটাৰী। লোৱা।—বিশ্বাস নকৰা যদি মোৰ গৰ্ভ ফালি চোৱা।" তাই কটাৰীখন তাৰ মুখৰ ওচৰত ধৰে।

গিৰীয়েক কিংকৰ্ত্তব্য-বিমূঢ় হৈ পৰে, কি কৰোঁ—কি নকৰোঁকে ছটফটাই থাকে।

"কিয় এনে তোমাৰ পৰিবৰ্ত্তন হৈছে, কোৱা?"—গিৰীয়েকে কয়।

"ই মোৰ আৱশ্যক হৈছে। এই পাঁচ বছৰ। কিমান দুৰ্ব্বব্যহাৰ নিৰ্য্যাতন পাইছোঁ। মই। তুমি ভাবা যে, মই তেনে দুৰ্ব্বব্যহাৰ পাবৰ উপযুক্তা। অতীতত তুমি মোক যি কৰিলা কৰিলা,—এতিয়া আৰু নোৱাৰোঁ। একেবাৰেই নোৱাৰোঁ।"

সোণপাহিৰ দৃঢ় মাত শুনি গিৰীয়েকে ঠাট্টাৰ সুৰেৰে কয়,—"ইমান তোমাৰ সাহ হ'ল নে?"

"হয় হৈছে! তুমি তোমাৰ যিমান শক্তিকে নানা, মই ভয় নকৰোঁ।" —সোণপাহিৰ মুখৰপৰা কথাৰ তপত আখৈ ফুটে।

"সভাত যোৱাটোকে যদি বেয়া পোৱা,—তেন্তে বলা,—আমি দুয়ো সভালৈ গৈ এইবোৰ আলোচনা কৰোঁগৈ,—মোৰ স্বাধীনতা খৰ্ব্ব

কৰিবলৈ চেষ্টা কৰা,—মই মোৰ স্বত্ব নেৰোঁ। তুমিও নোৱাৰিবা। ব'লা,—আহা। সাহ আছে?—নাই। নালাগে বাৰু। নাযাওঁ। ইয়াত কোনো নাই। তুমি আৰু মই এথোন। এয়া কটাৰী লোৱা। লোৱা! লোৱা!!—মোৰ গাৰপৰা দুছটা ছাল ছেলিয়াই নিয়া। লোৱা! আহা! আহা!!"—সোণপাহিয়ে চিঞৰে।

চ্যাঙে কয়,—"নাই। তোমাৰ জীৱন শেষ নকৰোঁ। মই কেৱল তোমাৰ হাত ভৰি ভাঙি জীয়াই ৰাখি,—তোমাক বিকলাঙ্গ অপদাৰ্থ কৰিম। তেতিয়া তুমি সভালৈ যাব নোৱাৰিবা। তোমাৰ ভগা ভৰিৰে বগাইও যাব নোৱাৰিবা। কেনে, কেনে মজা।" গিৰীযেকৰ নিষ্ঠুৰ কথাষাৰ শুনি সোণপাহিৰ চকুজোৰ অঙঠাৰ দৰে ৰঙা হয়। 'নীচ পশু ক'ৰবাৰ। হুঁ! মই প্ৰস্তুত! তোমাৰ আগত মৰিবলৈ মই সাজু। ভয় নকৰোঁ।' যি কৰা, কৰা।"—সোণপাহি দৃঢ় প্ৰতিজ্ঞ।

দুয়ো ভাগৰি শোৱে। প্ৰেম! কিহৰ আৰু প্ৰেম! ··স্বৰ্গ আৰু নাই। শূন্য মৰুভূমি। নাৰকীয় তপত জ্বালা।

পিছদিনা পুৱা।··কাম-বন শেষ কৰি সোণপাহিয়ে 'নাৰী-সংঘ'ৰ ঘৰলৈ বেগাবেগিকৈ খোজ লয়।

কলী জেডৰ কাষ পায়েই নিশাৰ সকলো কথা তাই ফঁহিয়াই কয়। "মোৰ জীৱনৰ পৰিবৰ্ত্তনৰ সকলো ভাৰ আজিৰ সভাৰ ওপৰতে নিৰ্ভৰ কৰে। মই অকলে যুঁজিম,—কিন্তু মোৰ স্বামীৰ বিৰুদ্ধে মোৰ সংগ্ৰামত মোৰ ভনীসকলেই সহায় কৰিব লাগিব।"—তাই অনুৰোধ জনায়।

"কোনো ভয় নাই। আমি সকলো নাৰী এক—এজনী।"—কলী জেডে উৎসাহ দিয়ে।

সোণপাহিয়ে মূৰ দুপিয়াই ধন্যবাদ জনায়।

"আমি এতিয়া আঁচনি ঠিক কৰিম। এনেভাৱে ঠিক কৰিম, তুমি কিন্তু নৰম হব নোৱাৰিবা। কঠোৰ হব লাগিব। নহলে সেই পশু-টোৱে এইবাৰ তোমাক শেষ কৰিব।

"মই প্ৰস্তুত।"—সোণপাহিয়ে জেডৰ কথাৰ উত্তৰ দিয়ে।

জেডে কয়,—"কিছুমান যাব লাগিব চ্যাঙৰ ওচৰলৈ, যাতে সি খোলাভাৱে সকলো স্বীকাৰ কৰে তাৰ বন্দবস্ত কৰিবলৈ। যদি খোলা নহয়, তেন্তে এই সভা-থললৈ তাক বান্ধি লৈ আহিবা।"

এঘণ্টাৰ পিছত পোন্ধৰজনী তিৰোতা ওলাই যায় সোণপাহিৰ ঘৰলৈ। তাৰ নেত্ৰী গৰাকী স্বয়ং কলী জেড্।

চোতালত চ্যাং। সকলোৱে তাক তাতে লগ ধৰে। চ্যাঙে কয়,—"তোমালোক ইযাত কিয়, কম্ৰেড্ সকল?"—ব্যঙ্গ-সুৰ।

"এয়া নতুন সমাজ। আমাৰ ভনীজনীক তুমি কেনেকৈ ব্যৱহাৰ কৰিছিলা, তাৰ বিৱৰণী আমাক সভ্যভাৱে জনাব লাগিব।"—জেডে ভদ্ৰভাৱে কয়।

চ্যাঙে হাঁহে। "অ' মোৰ ঘৈণীজনীয়ে তোমালোকক সকলো কথা কৈছে,—নহয নে?"—তাৰ শ্লেষপূৰ্ণ ভদ্ৰতাত জেডৰ নয়নজুৰি ৰোষ-দীপ্ত হৈ উঠে।

তাই কয়,—সঁচাকৈয়ে তাই আমাক সকলো কথা বহলাই কৈছে। কিন্তু তাৰ উপৰিও আমাৰে অনুসন্ধান-সমিতিৰ সভ্যা সকলে বহু তথ্য আৱিষ্কাৰ কৰিছে। মনত ৰাখিবা, অতীত আছিল পুৰুষাধীনত, কিন্তু আজিৰ দিন? আমাৰো—এই বাট মুকলি কৰি দিছে কম্ৰেড যাওযে আৰু কমিউনিষ্ট পাৰ্টিয়ে। কোৱা,—নহলে আমি তোমাক বান্ধি নিম।"

"ইচ্ছামতে যি কৰা, কৰা। মই পৰোৱাই নকৰোঁ। 'নাৰী-সংঘ'ই কি কৰিব পাৰে?"

"অ। ইমান? জৰী আনা।" কলী জেডে নিৰ্দ্দেশ দিয়ে। এজনীয়ে বান্ধিবলৈ যায়। চ্যাং পিছ হোঁহোকে আৰু কয়—"আঁতৰ হ।" কলী জেড আৰু এজনীয়ে আগবাঢি তাৰ গালত চৰ দিয়ে।

"তুমি যদি লৰচৰ কৰা, তেন্তে তোমাক কোবাই ইয়াতে শেষ কৰিম।"—জেডৰ কথা শুনি চ্যাং দৃঢ হয়। নাৰীসকলে কুম বান্ধি তাক জৰীৰে বান্ধে, অনাৱশ্যক ভাৱে জোকাৰে—বাটেদি টানি নিয়ে,

সেহত 'নাৰী-সংঘ' ঘৰৰ এটা কোঁঠালীত ঠেলি সোমাই বন্দী কৰি থয়।

পিছদিনা।··সভা-ঘৰ। নাৰীৰে পৰিপূৰ্ণ। "আমাৰ কমৰেড্ সোণপাহিয়ে এতিয়াও তাইৰ স্বামীৰদ্বাৰা লাঞ্ছিতা হৈয়েই আছে। কম্ৰেড সোণপাহিৰ ব্যক্তিগত ঘটনাৰ অৰ্থই হৈছে আমাৰ সকলো নাৰীৰে ঘটনা। তাই অকলে যুঁজিব নোৱাৰে। আমাৰ লগত থাকি তাই সকলো স্বামীৰে সৈতে যুঁজিবলৈ সক্ষম। এতিয়া আপোনালোক সংগ্ৰামৰ কাৰণে সাজু নে ?"

জেডৰ কথাত সকলোৱে কয়,—"সাজু"।

কলীয়ে আকৌ কয়—"বাৰু। পোনতে আমি এই কুম্বভাৰী স্বামীৰে সৈতে ভদ্ৰভাৱে ব্যৱহাৰ কৰিম। যদি তাত আমি কৃতকাৰ্যা নহওঁ, তেন্তে আমি আৰু ভদ্ৰ হৈ নাথাকোঁ।"

নাৰীসকলে সৈন্যৰ দৰে শাৰীপাতি থিয় হয়। চ্যাঙক তাৰ মাজেদি ধৰি অনা হয়। লগে লগে কেউপিনৰপৰা চিঞৰ উঠে,—"আমাৰ পৰিবৰ্ত্তন হৈছে।"

"তোমালোকে আৰু আমাক অসদ্ব্যৱহাৰ কৰিব নোৱাৰা। নহলে তোমালোকক আমি শেষ কৰি পেলাম।"—

"আমাক সত্য কৰা।"—

"কোনো তৰ্ক নাই।"

"তুমি পৰিষ্কাৰকৈ স্বীকাৰ কৰিলে সদ্ব্যৱহাৰ পাবা, যদি নকৰা তেন্তে কোনো দয়া নাই—ক্ষমা নাই।"

চ্যাঃ থিয় হৈ সকলো শুনে। সি কয়,--"কম্ৰেড্ ভনীসকল। অলপ কেৰোণ থকা যেন লাগে। কৰবাত যেন ভুল। জানা নে মই সেই তিৰোতাজনীক কিয় বিয়া কৰিছোঁ? মোক সেৱা শুশ্ৰূষা কৰিবলৈহে তাইক বিয়া কৰি আনিছোঁ। তোমালোকে জানাই, তাই আমাৰ পৰিয়ালটোক কেনো অসদ্ভাৱে ব্যৱহাৰ কৰে।"

"ভাল কথা। বাৰু কোৱা, তাই কেনেকৈ তোমাৰ পৰিয়ালটোক অসদ্ব্যৱহাৰ কৰে ?"—এজনীয়ে সোধে। সকলো নাৰীয়ে চ্যাঙৰ কাষ

চাপি আঙুৰি ধৰে। সি সকলোৰে মুখলৈ চায়। "মই নাজানো নাৰীবিপ্লৱ কি?"—সি কয়।

"সেই কুস্বামীৰ বিৰুদ্ধে সকলো নাৰীয়ে একযোগে প্ৰতিবাদ কৰা।" —এজনী ছোৱালীয় চিঞৰে।

চিঞৰ-বাখৰৰ মাজত এজনী সেৱিকাই আগুৱাই ঘোষণা কৰে,— "এতিয়া সোণপাহিয়ে ক'ব।"

সোণপাহিয়ে আগুৱাই আহি গিৰীয়েকৰ সম্মুখত থিয় দিয়ে।

সোণপাহিয়ে চ্যাঙক কয়,= 'তুমি জানা নে আমি কিয় তোমাক ইয়ালৈ ধৰি আনিছোঁ? মনত পৰে নে, তুমি যে মোক কৈছিলা মাৰি পেলাম বুলি। মনত ৰাখিবা,- ইয়াত যি কেইজনী তিৰোতা আছে, তুমি গোলমাল লগালে তোমাক মাৰি কোবাই জীৱন শেষ কৰি দিব। তোমাক কবলৈ মোৰ আৰু একোৱেই নাই। সকলো ভাৰ মোৰ ভনীসকলৰ ওপৰত। তেওঁলোকেই মোৰ সমস্যা সমাধান কৰিব।"

এজনীয়ে কয়,—"তুমি নাৰীৰ প্ৰতি অভিবাদন কৰিবা নে।"

চ্যাঙে মূৰ দোঁৱায়, —কয়,—"নমস্কাৰ।"

"কৃত্ৰিম অভিবাদনৰদ্বাৰা বিচাৰ শেষ হব নোৱাৰে। গতিকে শপত খাব লাগিব।"

সোণপাহিৰ কথাত সি নিমাত।

সকলোৱে চিঞৰে,—"কি ভাবিছা?"

চ্যাং—নীৰৱ।

কলী জেডে সমাজক সোধে,—"কি কৰা যায়,—বাইজ?"

"মাৰ্ তাক। কোবা! মাৰি পেলা।"—কেউ পিনৰপৰা চিঞৰ উঠে।

সকলোৱে চ্যাঙক আঁচোৰে, মাৰে, কোবায়, ভুকুৱায়, গোৰ মাৰে, কাপোৰ ফালি নিয়ে, দাঁতেৰে কামুৰি তেজ উলিয়ায়।

প্ৰতিহিংসা! প্ৰতিশোধ!! সোণপাহিয়ে তৃপ্তি পায়, উল্লাহত উৎফুল্ল হয়।...তাই কয়,—"ধন্যবাদ ভনীসকল। আপোনালোকৰ দয়াৰ

কাৰণে শত ধন্যবাদ। আপোনালোক নহলে, মই কেতিয়াও প্ৰতিশোধ লব নোৱাৰিলোহেঁতেন।” “দয়া নাই।”—কোনোবাই কয়।

সোণপাহিৰ গিৰীয়েকে দাঁত কামুৰি কয়,—“এয়ে শেষ নে ?”

শকত আৱত ছোৱালী এজনীয়ে কয়,—“কি শেষ ? আৰম্ভহে। এটা সামান্য আচোঁৰহে।’

“উঠ্,—চুৱাৰ।”—এজনীয়ে কয়।

“মই নোৱাৰোঁ। মোৰ আঠুৰ ঘিলা লৰি গৈছে,—ভৰি ভাঙিছে।” চ্যাঙে দুখেৰে জনায়।

“চাওঁ, চাওঁ,” কৈ এজনীয়ে আগবাঢ়ি চ্যাঙৰ ভৰি ধৰি জোকাৰি দিয়ে।

চ্যাঙে বিকত চিঞৰ মাৰে। তিৰোতাসকলে ৰঙত হাঁহি হাঁহি ঢলি পৰে।

কোনোমতে সি থিয় দিয়ে। সোণপাহিয়ে সোধে,—“কেনে পাইছা ?”

চ্যাঙে কয়—“সোণপাহি। তোমাক আৰু মই নিৰ্য্যাতন নিদিওঁ —কেতিয়াও নিদিওঁ।”

তুমি মাৰ খোৱাৰ উপযুক্ত নে, ভাবি চোৱা। উপযুক্ত যদি আৰু মাৰ খাবা।”—সোণপাহিয়ে কয়।

“নাই সোণপাহি, আৰু নালাগে। মোক নামাৰিবা। মই ভাল হম—ভাল হম।”—চ্যাঙে কাকুতি মিনতি জনায়।

“তেন্তে শপত খোৱা। ৰাইজৰ আগত শপত খোৱা।”—সোণপাহিয়ে নিৰ্দ্দেশ দিয়ে। গিৰীয়েকে ওঁঠ কামুৰি কয়,—“যদি মই আকৌ আগৰ নিচিনা বেয়া ব্যৱহাৰ কৰোঁ, মোক বান্ধি আনি ৰাইজৰ আগত ডুখৰা ডুখৰি কৰি কাটি পেলাবা।”

তথাপি নাৰী-সমাজ সন্তুষ্ট নহয়। তেওঁলোকে লিখিত প্ৰতিজ্ঞা লাগে বুলি দাবী জনায়। কলী জেডে কৈ যায়,—চ্যাঙে লিখি যায়।—

“নাৰীসমাজে মোৰ বিৰুদ্ধে সংগ্ৰাম চলায়। এই সংগ্ৰামৰ কাৰণে

মই যোগ্য। আজিৰ পৰা মই আৰু বেয়া ব্যৱহাৰ নকৰোঁ। যদি কৰোঁ,—তেন্তে মোৰ জামিন্দাৰ দায়ী।"

জামিন্দাৰ এজনীক অনা হয়। · দুয়োৰে বুঢ়া আঙুলিৰ ছাপ সেই প্ৰতিজ্ঞাপত্ৰত লোৱা হয়। চ্যাঙক এৰি দিয়া হয়। সি যায়।

জেঙে কয়,—"সোণাই ভনীটি। তোমাৰ গিৰীয়েৰাক আজি বৰ মাৰা হ'ল। তুমি যোৱা তেওঁৰ কাৰণে ঘৰলৈ গৈ ভালকৈ ৰান্ধি-বাঢ়ি খুৱাবাগৈ। যতন লোৱাগৈ—যোৱা।"

চ্যাঙৰ ঘৰ। · সোণপাহিয়ে ভালকৈ ৰান্ধি-বাঢ়ি এবাটি খোৱা বস্তু আনি গিৰীয়েকক দিয়ে। সি নোছোৱে।

তাই সোধে,—"কিয় নোখোৱা ?"

"তোমাৰ হাতৰ বস্তু মই নাখাওঁ। জানোচা তুমি বিহ মিহলাই দিছা"—গিৰীয়েকে সন্দেহ কৰে।

সোণপাহিয়ে কয়,—"অ' সেই কাৰণে নোখোৱা। এযা চোৱা, মই সোপাকে সুহি খাই পেলাম, তথাপি নমৰিম।"

সোণপাহিয়ে সোপাকে খাই পেলায়, গিৰীয়েকৰ ফালে চাই হাঁহে। চ্যাঙে তলমূৰ কৰে। দ্বিতীয় বাটিটো দিয়াত সি খাই শেষ কৰে। ·· পথাৰৰপৰা শহুৰেকে আহি পুতেকৰ দৰে নীৰৱে তলমূৰ কৰি খায়। ·

সোণপাহিৰ বিজয়-গৰ্ব্বত তাইৰ হিয়া উলাহত ঠাই নোহোৱা হয়। 'নাৰী-সংঘ', 'কমিউনিষ্ট পাৰ্টি', 'অষ্টম-বাহিনী' কিমান শক্তিমান! · তাই ভাবে,—"এই যুদ্ধই আমাৰ পদদলিত নাৰী সমাজক বহুখিনি উপকাৰ কৰিলে।"

তাই বিজয়-গৰ্বে শহুৰেকক কয়,—"তিৰোতাইঁতে আপোনাৰ পুতেকক মৰাত আপোনাৰ কেনে লাগিছে ?"

সি কয়,—"তাৰ দোষ,—চ্যাঙৰ। · কিবা দোষ কৰিছে কাৰণেহে সি লাঞ্ছনা ভোগ কৰিছে। মই তাক ইমান কওঁ, সি গৰুটোৰে মুশুনে। ইমান মাৰিলোঁ, তথাপি তাৰ স্বভাৱ আৰু বদলি নহয়।"

সোণপাহিয়ে দুষ্টামিৰ সুৰেৰে কয়,—"এৰা! তেওঁক মাৰোঁতে মোৰ হিয়া কান্দি উঠিছিল।"

"বেজাৰ নকৰিবা, তাৰেই দোষ।',...শহুৰেকে হুমুনিয়াহ্ কাঢে।

'নাৰী-সংঘ সংগঠনকাৰী অষ্টম-বাহিনীৰ বিষয়ে আপুনি কি ভাবে।" — তাই সোধে।

"বৰ ভাল! বৰ ভাল!"—বুঢ়াই মত দিয়ে শলাগে, বোৱাৰীয়েকক বখানে। মুখেৰে চ্যাঙেও শলাগে।

নিশা। চ্যাঙ বিছনাত বাগৰি বৰ চিন্তিত। সোণপাহিৰ মন উগুল-থুগুল।

"ৰাক কোৱাচোন, মাৰ ধৰ কৰাত তোমাৰ কিবা শিক্ষা হ'ল নে?" —তাই সোধে। সোণপাহিৰ অসীম সাহস।..

শুই শুই আতালৰ ফালে চাই চ্যাঙে,—"সমাজৰ ওচৰত মূৰ দোঁৱালেও, মই অন্তৰেৰে নত হোৱা নাছিলোঁ। বহু নাৰী আছিল গতিকে মূৰ তুলিবলৈ সাহ কৰা নাছিলোঁ।"

"এইবাৰ অন্যায় কৰিলে, তেওঁলোকে তোমাক মাৰি পেলাব।"— সোণপাহিযে কৈয়েই কেৰাহীকৈ চায় চ্যাঙৰ ফালে।

"তেতিয়া তুমি বৰ ৰং পাবা, নহয় নে?"—গিৰীয়েকে প্ৰশ্ন কৰে।

"কিয় সেইদৰে কোৱা? তুমি জানাই দেখোন। এয়া নতুন সমাজ। তোমাৰ বয়স ত্ৰিশ, লিখা-পঢ়া জানা। তদুপৰি জীৱনৰ অভিজ্ঞতা বেছি।"

"টিন্-ভচিন চহৰত য'ত অষ্টম-বাহিনী, নাৰী-সংঘ এইবোৰ নাই, তাত মানুহে এই নতুন সমাজৰ বিষয়ে কল্পনাই কৰিব নোৱাৰে। তুমিও নোৱাৰা। তাত নাৰীসকল আগৰ নিচিনাই। গতিকে নাৰীসকল অনুগতা দাসী হৈ থাকিলে, সকলো ভাল।"—সোণপাহিৰ কথা শুনি চ্যাঙে এইদৰে কয়।

সোণপাহিয়ে সোধে—"অ' দেখিছোঁ, তুমি নতুন সমাজৰ প্ৰতি ইমান

ভাল চকুৰে নোচোৱা। বাৰু তুমি কোৱাচোন, কি সমাজ তোমাৰ ভাল লাগে ?”

চ্যাঙে কয়,—“টিন্-ভচিন্ চহৰত সি সমাজ আছে, সেই সমাজক মই ভাল পাওঁ। তাত পুৰুষৰ আদেশ তিৰোতাই মানে। কিন্তু য'ত কমিউনিষ্ট অষ্টম-বাহিনীৰ শাসন চলিছে, তাত নাৰী উচ্ছৃঙ্খল হয়। তিৰোতাই পুৰুষক নামানে। আৰু বহুতো কথা আছে। টিন্-ভচিন্ চহৰত মানুহে মানুহক লুট নকৰে। তাত ধনী আছে যদিও সিহঁতে পৰিপাটিকৈ পিন্ধে। কিন্তু মুক্ত অঞ্চলত সকলো সম্পত্তি বিলাই ভগাই দিয়া হয। ধনী গৰীব হয়।—মই এনেকুৱা নতুন সমাজক বিশ্বাস নকৰোঁ।”

সোণপাহিয়ে হুমুনিয়াহ কাঢে। আচৰিত হয়। ধীৰভাৱে তাই কয়,—‘নাৰীক স্বাধীনতা দিয়া হলে, সামাজিক কামত বিশেষভাৱে সিহঁতে যোগ দিব পাৰে। অনাহাৰী গৰীৱে মাটি পাই জীৱনৰ ভৰণ-পোষণৰ বহু সুবিধা পায। সকলোৱে যথেষ্ট খাবলৈ পাব, পিন্ধিবলৈ পাব। এইদৰে সকলোৱে স্বাধীনতাৰ প্ৰসাদ ভোগ কৰিব।”

তাই বিছনাত বাগৰি পৰে। গিৰীয়েকে তাইক গৰাহ মাৰিব খোজে। তাই আঁতৰি এফালে থাকে। তাই গম্ভীৰভাৱে আলোচনা কৰিব খোজে। তাই কয়—“এইদৰে দুখীয়াৰ অৱস্থাৰ পৰিবৰ্তন হয। মাওৎ-চে-তুঙে ৰাইজৰ কাৰণে এটা নতুন সমাজ তৈয়াৰ কৰি দিছে।” ..

সি কয়,—“মাওৎ-চে-তুঙে বেয়াহে কৰিছে। দুখীয়াই খাবলৈ নাপায় যদি মৰক সিহঁত। তুমি জানো কব খোজা, ধনীয়ে চুৰি কৰি ধন আৰ্জ্জে ?”

সোণপাহিয়ে আঘাত পায়, তাইৰ খং উঠে। নতুন সমাজৰ ছবি তাইৰ হিয়া-পটত বিৰিঙি উঠে। বৈপ্লৱিক দীপ্-চকুৰে সি চাব নাজানে। এই নতুন সমাজৰ বিষয়ে সি সম্পূৰ্ণ অজ্ঞ। “তুমিয়েই দেখোন স্বীকাৰ কৰিছিলা, নতুন সমাজৰ ওপৰত তোমাৰ বিশ্বাস আছে বুলি।—

ক'তা সেই বিশ্বাস দেখোন মিছা। ক'ত গল সেই ভাৱ সেই প্ৰতিজ্ঞা ?—মিছা।

কাম-বন কৰি দুখীয়াই খাবলৈ নাপাব, পিন্ধিবলৈ নাপাব,— কাম-বন নকৰি ধনীয়ে সুখেৰে বাস কৰিব, ই হব নোৱাৰে। এজনৰ শ্ৰম-ফল আনে ভোগ কৰিব,—ই অন্যায।"—সোণপাহিয়ে মনৰ দুখত কয়।

চ্যাঙে কয়,—মই বুঢ়া হলোঁ। যুৱক হলে জাতীয বাহিনীত যোগ কৰিলো হয়। তোমাক এৰি দিলোহেঁতেন।"

"অ' তোমাক আৰু এজনী ঘৈণী লাগে। তুমি বুঢ়া, মই গাভৰু। অনুপযুক্ত—বয়সৰ পাৰ্থক্য। তুমি আকৌ এজনীক বিযা কৰাই আনা। মোক এৰি দিয়া। তুমি বুঢ়া হলা, এতিয়াও সপোন দেখা অফিচাৰ হম, ধনী হম, দুখীয়াক শোষণ কৰিম। ইমান নীচ মন। ছিঃ। তুমি গুচি যোৱা, তোমাক মই ত্যাগ কৰিলোঁ—যোৱা।" —সোণপাহিয়ে খাটাংকৈ কৈ দিয়ে।

"মই চ্যাং-কাই-শ্বেকৰ বাহিনীত যোগ নিদিওঁ। টিন্-ভচিন্ চহৰলৈ যাম, বেপাৰ কৰিম, ধনী হম,—ন তিৰোতা এজনী বিয়া কৰি লম। তোমাৰ মতে তুমি চলা, আৰু মোৰ মতে মই চলিম। মই পৰোৱাই নকৰোঁ।"—চ্যাংও অটল।

দুয়ো নিমাত। তাইক সি অকস্মাতে সাবট মাৰে। তাই দুবাহুৰ মাজত ছটফটায়।—সি মিনতি জনায় প্ৰেমৰ আনন্দ সোঁতত ভাহি যাবলৈ। কয়—"সোণ! কিয তেন্তে আমাৰ বিয়া হ'ল? এই ৰাজনৈতিক কথাবোৰ আমাৰ দাম্পত্য জীৱনত কি প্ৰয়োজনত আহিব ?"

সোণপাহি ভাগৰি পৰে। দিনৰ গণ-আদালতৰ বিচাৰ আৰু নিশাৰ এই নাটকীয অভিনয়। নাই নাই—এয়ে শেষ। শেষ বাৰলৈ সি প্ৰেমৰ সোৱাদ লওঁক। কিনো ক্ষতি হব ? তাই শেহত নিজক সপি দিয়ে। সি তাইক দুই বাহুৰে চেপি তাৰ অন্তৰৰ কামনা বাসনা তৃপ্ত

কৰি লয়। সোণপাহিৰ অন্তৰে কিন্তু তাক নিবিচাৰে,—তাক ঘৃণা কৰে। এয়ে শেষ। দাম্পত্যনাটৰ যৱনিকা।

তাইৰ অন্তৰত ধুমুহা বয়—"সি ধনীৰ, মই গৰীবৰ। সি বুঢ়া,—মই গাভৰু। আমি পৰস্পৰে শত্ৰু।"—হিল্‌দোল্‌কৈ ধুমুহা বয়।

পিছদিনা।...পুৱাৰেপৰা সোণপাহি সংসাৰৰ কামত ব্যস্ত।

সন্ধ্যা। ভাবোঁতে, চিন্তোঁতে, গুণোতে, গুথোঁতে, সাজৰ আহাৰ তপত জুহালৰ কাষত ৰান্ধোঁতে বাঢ়োতে তাইৰ খং চুলিৰ আগ পাযগৈ।

গিৰীয়েকৰ কাষলৈ হঠাতে লৰি গৈ তাই কয়—"তোমাৰ স্বভাৱ আৰু পৰিবৰ্ত্তন নহ'ল, এতিযাও নহ'ল। তোমাক আৰু শিক্ষা লাগে নে? শ্ৰেণীহীন সমাজৰ প্ৰতি যদি তোমাৰ আস্থায়েই নাই, তেন্তে সাৱধান।—আমাৰ ক্ষমতাৰ পৰিচয় পাবলৈ সাজু হোৱা।"

খঙত চ্যাঙে সোণপাহিৰ ওপৰত জঁপিয়াই পৰে,—তাই পুলকি ভিৰাই লৰ দিয়ে।

নাৰী-সংঘ। তাই ফোঁপাই ফোঁপাই গৈ সভানেত্ৰীক জনায়,—তাইৰ স্বামী চ্যাঙৰ কোনো পৰিবৰ্ত্তন হোৱা নাই।"

সভানেত্ৰীয়ে শুনা মাত্ৰকে দপ্‌দপাই ছালৰ ওপৰত উঠি চিঞৰি চুঙা ফুঁকি কয়,—"কম্‌ৰেড সকল! সোনকালে জমা হওকহি। বৰ জৰুৰী খবৰ।"

ঘৰ এৰি হিল্‌দোল্‌ কোবাই নাৰীসকল আহি উপস্থিত হয়। 'নাৰী-সংঘ'ৰ চোতালত উখল-মাখল লাগে।· সভানেত্ৰীয়ে ঘোষণা কৰে,—"সোণপাহিৰ গিৰীয়েক আৰু ভাল নহ'ল।—তাৰ অত্যাচাৰ নকমিল। জৰী লৈ তাক বান্ধি ধৰক গৈ,—যাওঁক।"

কুৰিজনী সেৱিকাই টোকোম আৰু জৰীৰে দোপ্‌দোপাই চ্যাঙক বান্ধি ধৰিবলৈ যায়।

চ্যাং পলায়। পাছে পাছে তেওঁলোক তিনি মাইল খেদি যায়, তাক নাপায়। এন্ধাৰত চ্যাং নোহোৱা হয়।

প্ৰতিশোধৰ যৱনিকা পৰে। দাসত্বৰ নাট্য শেষ হয়,—মুকুতিৰ জীৱন্ত-নাট আৰম্ভ হয়।

সোণপাহি মুক্ত—স্বাধীন।

সকলোৱে তাই ধন্যবাদ জ্ঞাপন কৰে।

'ভয় নাই। সি পলাই ক'ত সাৰিব? এদিন আমাৰ হাতত পৰিবই,"—বুলি তাইক আশ্বাস দিয়ে 'নাৰী-সংঘ'ই।

পিছদিনা স্বামীৰ পলায়নৰ বাতৰি জিলাধিপতিক তাই জনায়। তেওঁ সোণপাহিৰ নিৰাপত্তাৰ আশ্বাস দি কয়,—"কম্ৰেড্ সোণপাহি! তোমাৰ স্বামী কেৱল এজন মানুহহে। কিন্তু এজনৰ নহয়, কৌটি কৌটি নিপীড়িত সমাজৰ কথা ভাবি চাবা। তোমাৰ গাঁওলৈ ফিৰি গৈ নাৰী-সকলক সংগঠিতা কৰা, এচপৰা লোৰ দৰে এক কৰা।"

সোণপাহিয়ে সৰ্ব্বান্তঃকৰণেৰে তেওঁৰ আদেশ মানি লয়। পুৰণি সমাজ আৰু ফিৰি নাহে।··তাইৰ স্বামীও নাহে।··

এদিন গাওঁৰ সকলো তিৰোতাক আহ্বান কৰি তাই বক্তৃতা দিয়ে,—

"কম্ৰেড, ভনীসকল! আমি অষ্টম-বাহিনী আৰু কমিউনিষ্ট পাৰ্টিৰদ্বাৰা মুক্ত হলোঁ। আজি আমাৰ দিন। চ্যাং-কাই-শেক আৰু তাৰ বাহিনীক ওফৰাই দিবলৈ যুঁজা। মুক্তি ফৌজ বাহিনীৰ কাৰণে আমিয়েই শস্য-উৎপাদন কৰি নিয়া উচিত। আমাৰ মুক্ত অঞ্চলৰ লগত যুঁজা চিয়াং-ক সহায় কৰিবলৈ ওলোৱা আমেৰিকাৰ লগতো আমি যুঁজা উচিত।"···

তাই মুঠি ওপৰলৈ তুলি চিঞৰে,—

"আমেৰিকা ধ্বংস হওক।"

"চিয়াং-কাই-শেক নিপাত যাওক!"

'আমাৰ মুক্ত অঞ্চলৰ শত্ৰুৰ বিৰুদ্ধে সংগ্ৰামৰ জয় হওক।"

"ঘৰলৈ গৈ, স্বামীসকলক অষ্টম-বাহিনীত যোগ দিবলৈ উৎসাহ দিবা।"

"ইন্‌ক্লাব্ জিন্দাবাদ।"···

—সমস্বৰে সকলোৱে প্ৰতিধ্বনি তোলে।··

ই লোভ নহয়, আকাঙ্ক্ষা নহয়, যৌন-লিপ্সাও নহয়,—মুক্তি সংগ্ৰামত বীৰাঙ্গনা হ'বৰ অভিপ্ৰায়ো নহয়,—যাৰ বাবে সোণপাহিয়ে ৰাজনীতি-ক্ষেত্ৰত নামে—ই নতুন সমাজ।

তাই অৱশ্যে বিয়া কৰিবৰ ইচ্ছা কৰে চ্যাঙৰ দৰে পুৰুষক নহয়, —ইচ্ছা কৰে সেই মুনিহক যি প্ৰগতিশীল, যি শ্ৰমজীৱীৰ এজন, যি নাৰী যাতনা-কাৰী নহয়,—যি নতুন সমাজৰ কাৰণে দায়িত্বশীল। সি হ'ব তাইতকৈ তিনি বছৰ ডাঙৰ, সুশিক্ষিত, কষ্টসহিষ্ণু, বহুঝঞ্ঝা-বিজয়ী। সি ধনী হোৱাৰ ফাঁকিবাজ মন্ত্ৰদাতা শিক্ষক নহয়, ৰাইজক নিষ্পেষণ কৰিব পৰা কৌশল জনা বুদ্ধিজীৱীও নহয়, উচ্চ কৰ্মচাৰীৰ ভৃত্যৰ দৰে অনুগত কৰ্মীও নহয়,—সি হ'ব কৃষক, সি ৰাইজৰ কাৰণে উৎপাদন কৰিবলৈ জন-সাধাৰণক শিক্ষা দিব, গৰীব শ্ৰেণীৰ অনুগত হ'ব, অষ্টম-বাহিনীৰ কৰ্মীতকৈও দৃঢ়প্ৰতিজ্ঞ হ'ব, স্বাধীনভাৱে সমাজৰ উন্নয়নৰ কাৰণে নিজক চালিত কৰিব, দেশৰ হিত চিন্তিব আৰু যশৰ প্ৰয়াসী নকৈ কৰ্ম কৰিব।—"সি হ'ব মোতকৈ বেছি শিক্ষিত, মোক শিক্ষা দিব, নোৱাৰিলেও বাৰে বাৰে শিকাব, এইদৰে মই তাৰপৰা শিক্ষা লম, দীক্ষা লম, একেলগে উভয়ে মিলি কায়মনো-বাক্যে নতুন সমাজ সৃষ্টি কৰিম। প্ৰেমেৰে তাৰ অন্তৰত মই প্ৰেমৰ সঞ্চাৰ কৰিম। প্ৰেমৰদ্বাৰাই মই তাক শুধৰাম।"

এইদৰে ধৰ্ম আৰু দৰ্শনৰদ্বাৰা নিৰ্দিষ্ট তিনি হেজাৰ বছৰীয়া চীনৰ নাৰীসমাজৰ শিকলি চিঙি পৰে। 'আৰ্থাৰ স্মিথে' কোৱা মতে চীনৰ নাৰীৰ পাপ সাতোটা হৈছে,—

(১) নাৰীৰ নিৰক্ষৰতা,—

(২) নাৰী-বিবাহৰ নিষ্ঠুৰ বাধ্য-বাধকতা,—

(৩) পূৰ্ব্ব-পুৰুষক পূজা কৰিবলৈ নাৰীৰ সতীত্ব দান,—

(৪) পূৰ্ব্ব-পুৰুষৰ পূজাত নাৰীৰ অধিকাৰ নথকাত পিতৃ-মাতৃৰদ্বাৰা নাৰীৰ সন্তানৰ জীৱন-নাশ,—

(৫) পৰিয়াল-পৰিচালনাত অশান্তি সৃষ্টিৰ কাৰণে বহু জীয়ৰী বোৱাৰীৰ আত্মহত্যা ,—

(৬) প্ৰাচীন পূৰ্ব্ব-পুৰুষৰ পূজা আৰু নাৰীৰ অসমত্বৰ কাৰণে দেশৰ জন-সংখ্যা বৃদ্ধি ,—

(৭) ভাৰ্য্যা আৰু কন্যাৰ প্ৰতি গৰু-ঘোঁৰাৰ দৰে পাশৱিক ব্যৱহাৰ।

—এনে ধৰণৰ পাপ দূৰীভূত হয় চীনৰ মুক্তিৰ লগে লগে।

ই নতুন সমাজ ,—নাৰীৰ মুক্ত স্বাধীন সমানাধিকাৰৰ সমাজ। এনে সমাজৰ কাৰণে নাৰীৰো দায়িত্ব বাঢ়ে।···

এনে মুক্ত স্বাধীন চীনৰ বুকুত মুকলিমূৰীয়া ন-ৰণুৱা, ন-বনুৱা, ন-হালোৱা, ন মনুৱাৰ জাকে জুমে জুমে মিলি নতুন চীন গঢ়ে।

পৃথিৱীৰ এখন আহল-বহল বুকুত শান্তিৰ নিজৰা বয় ,—ন-বেলিৰ ন-জিলিকনি জ্বল্ মলাই উঠে , ন-ৰঙৰ ৰঙালী, ৰঙিলী ৰেঙনি।

ল'ৰালি কালৰ ল'ৰা-ছোৱালী,—ডেকালি-কালৰ ডেকা গাভৰু,—হাঁলিপৰা যৌৱনৰ ভেটিত নতুনকৈ গজালি মেলা যৌৱনৰ ভৰত গা দঙা গাভৰু সোণপাহিক অঁকোৱালি লৈ প্ৰেমিক লিপাওয়ে পাকৈত সৈনিকৰ দৰে শান্তি, মুক্তি আৰু প্ৰগতিৰ বাটেদি আগবাঢ়ি যায়।

চীনৰ বুকুত সৰগ নামে।

শান্তিৰ কপৌ জাকে জাকে কুৰুলিয়াই নীলিম আকাশত উৰে।

নীল আকাশত লাল-ঝাণ্ডা ফৰফৰাই থাকে।

তাৰ তলত লিপাও আৰু সোণপাহি।

একে মাতেৰে চিঞৰি উঠে—"ইন্ক্লাব জিন্দাবাদ।"

চীনৰ বুকুত কঁপনি জাগে।

———

হিয়াৰ পুং

পুৱতি নিশা।

এন্ধাৰ—দোকামোকা। নিজম, নিমাত, নিশিৰ্ শিৰ্।· এটি কেঁচুৱাৰ কান্দোন ৰজন্ জনাই উঠে।

এটা পঁজা'···কেঁচুৱাৰ কান্দোন পঁজা উপচি বাজ হৈ ওলায়। সেই গহীন নীৰৱতা ভেদি বাহিৰ হয। তাত একোৱেই নাই। আছে মাথোঁ হিযাছিগা বুকুভগা কান্দোন। হিয়া আমই কঁপাই তোলা ইননি বিননি।··

সৰ্‌ৱ-হাৰাৰ পঁজা এনেকুৱাই।

লখ্‌া।··তাৰেই সেই পঁজা। সি সৰ্‌ৱ-হাৰা। তাৰ একোৱেই নাই,—আছে মাথোঁ বুকুভৰা দুখ-বেজাৰ, দহনি-পোৰণি, দীঘল হা-হুমুনিয়াহ আৰু দুগালেদি বোৱা তপত চকুলো। জীৱন ভৰা দুখ পাহৰি সুখ পাবলৈ সি চকুৰ পাহি চিপে, শোৱে, টোপনি যায়। কেঁচুৱাৰ কান্দোনত সি সাৰ পায।··তাৰ বুকুত জুই বেছিকৈ জ্বলে,—উমি জ্বলা জুইকুৰা ভক্-ভকাই জ্বলে। ধাৰ শুজিব নোৱাৰাত তাৰ অতিকৈ চেনেহৰ ভেটিদৰাও মহাজনৰ হাতলৈ পুৱাৰ লগে লগে যাবগৈ।· সি ধাত কপলীযা। তাৰ পঁজা জানো ৰঙৰ, সুখৰ? তাৰ পঁজা শুইন্ মৰিশালি।

লাহে লাহে ৰাতি পুৱায,—পোহৰ হয়। পূব আকাশত ফেহুজালি দিয়ে। পূবৰ ফালে ৰঙচুৱা সোণোৱালী বেলি ওলায়,—লগে লগে সৰ্‌ৱ-হাৰা দুখীয়াৰ হিয়া জ্বলে-পোৰে। লখ্‌াৰ হিয়াত উমি উমি জ্বলা

জুইকুৰা বেছিকৈয়েহে ভকৃভকাই জ্বলে —চিন্তাৰ ধুমুহা বয়,—বেজাৰৰ বা মাৰ্বলি পাকখাই পাকখাই কলিজা মোহাৰি যায়।

কেঁচুৱাৰ কান্দোন বেছিকৈয়েহে উঠে। "কিনো কান্দি থাক? উঠ্ উঠ্। সোনকালে উঠ," বুলি লখ্যাৰ ঘৈণীয়েকে গাত জিকাৰ তুলি কান্দি থকা কেঁচুৱাটোৰ ওপৰত খং উঠি ধমক দিয়ে। কেঁচুৱাৰ কান্দোন কমক ছাৰি বেছিহে হয়। ধান নাই, চাউল নাই, ভাতনো পাব ক'ত? "মনে মনে থাক্। নাকান্দ্" বুলি তাই ইফালে সিফালে চকু ফুৰায়।*

'গাহেন' বেৰত আউজি আছে, 'উৱাল' মাটিত বাগৰি আছে, ভাতৰ কেৰাহী উধানত কাতি হৈ পৰি আছে।

ধুমুচ্! ধুমুচ্!!

কাষৰে পাঁজৰে ধান বনাৰ শব্দ। কুকুৰাই ডাক্ দিয়াৰেপৰা কাষৰে-পাঁজৰে ধান বনাৰ ধুমুচ্ ধুমুচ্ মাত উঠি থাকে।

লখ্যাৰ বুকুতো চিন্তাই খুন্দা মাৰে, বুকু ভাগি যায়। শোৱা-পাটিৰপৰা উঠি ঘৰৰ ভিতৰৰপৰা ওলাই লখ্যাই পিৰালিত আহি বহে, ভাবে, চিন্তে, গুণে, গুথে।

"হেৰৌ লখ্যা। কিনো কৰিছা?"

গাঁওৰ ওজা দেখোন। লখ্যাই মূৰ তুলি দেখে আৰু কয়, - "পীৰা।" ঘৈণীয়েকে এখন পীৰা আনি চোতালত পাৰি দিয়ে।

"কেনে তিৰোতা অ' এইজনী? দেখা নাই কুকুৰাৰ মল? সাৰ।"

তাই বাঢনী এডাৰ আনি পীৰাখন তুলি ঠাই সাৰি আকৌ পাৰি গুচি যায়। ওজাই বহে আৰু কয়, "বোলোঁ, হেৰৌ লখ্যা, আজি হেনো তোমাৰ ঘৰলৈ মহাজন আহিব, ঘৰৰ ভিঠা নিব। ঘৈণীযেৰাক আৰু ল'ৰাটোক লৈ তুমিনো ক'লৈ যাবা? কি কৰিবা?···বিধাতাৰ ইচ্ছা, বুইছা। তোমাৰ কপালেই বেয়া। কাকনো কবা, কাকনো ছুৰিবা।"—

---

* অসমত কিছুমান ঠাইত তিৰোতাসকলে উৱাল বা উৰলত গাহেন্ মাৰিৰে ধান বানে।

ওজাৰ গাতবিন্ধা কাঁইটিয়া কথাষাৰ শুনি লখ্ৰাৰ খঙে চুলিৰ আগ পায়গৈ আৰু সি কয়,—"কিনো বলকি থাকা হে ? কিনো পেকপেকাই থাকা ?—হেৰৌ ওজা ! এইদৰে কৈ কৈয়েইতো তোমালোকৰ দৰে ওজাইঁতে, ধনীইঁতে আমাৰ মন বেয়া কৰি পেলাইছা । ঈশ্বৰৰো দোষ নহয়, কপালৰো দোষ নহয়, দোষ কাৰোবাৰহে—তোমালোকৰেই ।"

ওজাই জিকাৰ খাই উঠি কয়,—"মোকনো এইদৰে কিয় কোৱা ? মোৰনো কি হৈছে ?

লখ্ৰাই খঙত উতলি কয়,—"আজি মই পিন্ধিবলৈ কাপোৰ কানি এডোখৰ নাপাওঁ, খাবলৈ এমুঠি নাপাওঁ, মূৰ গুজিবলৈ যি এটা পঁজা আছে সিও আজি ভেটিৰে সৈতে যাবগৈ । সোৱা—শিজু গছ ।* তাত মই কিমান দেও-দেৱতা পূজিলোঁ, তেওঁ মোৰ আজি এই দুৰৱস্থা । ক'ত ধনী হম, ৰজা হম, গৰীব-গোলাম সৰ্ব্ব-হাৰাহে হলোঁগৈ । আজি মই দিহিঙে-দিপাঙে অনাই-বনাই ফুৰিলেও উপায় নাপাওঁ । মোক আজি ৰইখা কৰিবলৈ কিয তোমাৰ * খৈলা, খুঙুৰ, ৰাজপুত্ৰ, ৰাজখাণ্ডাৰহঁত নাহে ? আজি ক'লৈ গ'ল সিহঁত ? কিয় ৰইখা নকৰে মোক ?"

"ছি-ছি-ছি ! মোৰ ওপৰত ইমান খং খাইছা কেলৈ ? মইতো তোমাৰ নিচিনা একো নোহোৱাজনক দিব নোৱাৰোঁ । আৰু বিধাতাইও দিব নোৱাৰে । বেমাৰ আজাৰ হলে তোমালোকে মাতিলেহে মই আহোঁ । এইদৰে ইমান খং কৰিছা কেলৈ ?—ওজাই থত্‌মতকৈ কয় ।

"হুঁ—ওজা, তোমালোক কেৱল ঠগোৱাতহে পাকৈত । সকলো ওজাৰ কেৱল খোৱা-বোৱাৰ কাৰণেহে ফাঁকি । তোমালোকৰ একো নহয়, একেবাৰেই নহয় । হেৰৌ ওজা । মোক ধনী কৰিবলৈ তোমাৰ

---

* বড়োসকলে শিজু গছক বাথৌ দেৱতাৰ প্ৰতীক হিচাপে পূজা কৰে । বড়োসকলৰ প্ৰায় ঘৰৰ চোতালতে শিজু গছ দেখা যায় ।

* বড়োসকলৰ বাথৌ পূজাত খৈলা, খুঙুৰ আদি দেৱতাসকলৰো আসন থাকে , আৰু পূজা দিয়া হয় ।

আৰু কিবা দেও-দেৱতা আছে নে,—আৰু আছে নে? আছে যদি কি কি, কোন কোন আছে, কোৱা—সোনকালে কোৱা। সিহঁতকো মই পূজা দিম। কি কি লাগে? —কব নোৱাৰিলে এতিয়াই ঠিক কৰিম মই।"

লখ্যাৰ বৰ খং উঠে। ওজাই তলমূৰা হৈ মনে মনে থাকে। লখ্যাৰ ঘৈণীয়েকে দুৱাৰ-মুখত থিয় দি কয়,—"তাৰ ওপৰত খং কৰিছা কেলৈ সি কিনো জানে? সিহঁত কেৱল খোৱা-বোৱাৰ কাৰণেহে ওজা।"

"মই যাওঁদেই লখ্যা। সোৱা তালৈকে যাওঁ। মাতিছে। তাৰ ছোৱালীজনীৰ বোলে জ্বৰ।"—বুলি ওজাই কৈ উঠি গুচি যায়।

"যোৱা। তাকো মাৰাগৈ, যোৱা যোৱা,"—বুলি কৈ লখ্যাই কপাল কোঁচাই চকু বেঁকা কৰি কেৰাহীকৈ চাই পঠিয়ায়। দুখৰ মাজতো সি এবাৰ মিচিকিয়াই হাঁহে।

ধুমুচ্ ধুমুচ্!!

আকৌ ধান বনাৰ মাত—ধুমুচ্ ধুমুচ। লখ্যাৰ অন্তৰতো চিন্তাৰ গাহেনে তাৰ কলিজা খুন্দি ছেদেলি ভেদেলি কৰি থেঁতেলি পেলায়।

কেঁচুৱাটোৰ কান্দোনত তাৰ ভগা পঁজা কঁপি উঠে। কি কৰোঁ কি নকৰোঁ—এনে দোধোৰ-মোধোৰ ভাৱত উতলি ঘৈণীয়েকে এবাৰ ঘৰৰ বাজলৈ ওলায়, এবাৰ ভিতৰ সোমায়।

পিৰালিত বহি লখ্যাই চাৰিওপিনে চকু ফুৰায়,—নিজৰ বাৰীৰ কল, আম, তামোল, কঠাল গছ দেখি তাৰ অন্তৰৰপৰা দীঘলীয়াকৈ এটি হুমুনিয়াহ অজানিতে ওলাই পৰে। অন্তৰৰ গধুৰ বোজা অলপ কমে।

সৌ আম গছজোপা তাৰ ককাদেউতাকে কইছিল, সৌ কঠাল গছজোপা তাৰ বাপেকে কইছিল, সৌ কল তামোলৰ গছ সি নিজেই কইছিল,—এইদৰে ভাবোঁতে চিন্তোতে তাৰ দুগাল তিয়াই চকুলো বয়।

"সখা কি কৰিছেনো?"—কৈ কৈ সখীয়েক বুদাৰুৱে চোতালেদি আহি ওজাই বহা পীৰাখনতে বহে।

"কিনো আৰু কৰিম সখা? আমাৰ নিচিনা ছাল বাকলি নোহোৱা

দুখীয়াৰ দুখনো কেতিয়া ওৰ পৰিব ? মহাজনে আহি মোৰ চেনেহৰ ভেটিডৰাকো আজি নিবহি। তাকেই ভাবি আছিলোঁ—এই গছ-গছনিৰে ভৰা ভেটিখন কেনেকৈ হেলাৰঙে আনৰ হাতত সঁপি দিও।"

লখ্যাই বৰ বেজাৰ সনা কথা কয়।

বৃন্দাকুৱে লখ্যাৰ অন্তৰত বৰ উছাহ দি কয়,—সখা! কিনো কৰিবা ? আজি আমাৰ দুখ হব পাৰে সদায় জানো আমাৰ দিন এইদৰে যাব ? গাৰীৰ চকাৰ দৰে দুখৰ পিছত সুখ, সুখৰ পিছত দুখ ঘূৰি থাকে। ইমান দিন আমাৰ দুখতেই গ'ল। আমাৰ জানো আৰু সুখ নহব ? মনত পৰে নে সিদিনা এজন বুঢ়াই আমাক দঢ়াই দঢ়াই কৈছিল,—সেই বহুমূলীয়া কথাষাৰ পাহৰি পেলালা নে ? তেওঁ কৈছিল, —নযুগ হেনো আহিব, খেতিয়ক বনুৱাৰ হেনো সুখ হব, শান্তি হব,—মুক্তি স্বাধীনতা হব। ৰাইজেই ৰজা—পঞ্চায়তী ৰাজৰ স্থাপন হব।"

"পাহৰা নাই। বিপ্লৱৰ প্ৰতিমূৰ্ত্তি সেই বুঢ়াজনৰ ৰেহৰূপ মোৰ হিয়াত আজিও চাব খাই আছে। আজিও অগনিৰ ফিৰিঙটিৰ দৰে ছিটিকি পৰা তেওঁৰ কথাষাৰ মোৰ অন্তৰত আঙঠাৰ দৰে জিলিকি আছে। সঁচা—তেওঁৰ প্ৰত্যেক শাৰী কথাই সঁচা। তেওঁ দেখুৱাই দিয়া বাটৰ বাহিৰে আমাৰ মুক্তি পথো নাই, উপায়ো নাই।" বুলি কৈ লখ্যাই এটি দীঘল হুমুনিয়াহ এৰে।

"আই ঐ ভাত। আই ঐ ভাত।"—বুলি কৈ কেঁচুৱাটোৱে ইনাই বিনাই পেন্‌পেনাই থাকে।

"এই কপালখন লৈ জনম লৈছিলি হঁ ? আছে নহয় ভঁৰালে ভঁৰালে ধান, বাৰীয়ে বাৰীয়ে শাক পাচলি ?"—কেঁচুৱাটোৰ ওপৰত খং উঠি মাকে বকি থাকে।

"সখী! পোনাটোৰ ওপৰত কিয় খং কৰিছে ? এনেয়ে বেচেৰাই ভোকত কল্‌মলাই আছে, কান্দিছে, তাৰ ওপৰত খং উঠি কি লাভ ?—বুলি বৃন্দাকুৱে কয়।

"শৰীৰত এটুপি তেজেই নাই, কাটিলে তেজ ওলাব নে ? ভাত

বিচাৰিলে ক'ত পাব ? বোপাই ঐ! বোপাই ঐ!! এনে হব বুলি জানিলে ডিঙিত ছিপ-জৰী লগাই কাঁচীত মৰাই ভাল আছিল।"—মনৰ বেজাৰত বকি থাকে।

"গাৱখো! আহা সোণাই আহা। এইফালে আহা" বুলি লখ্‌াই মাতে।

ঘৰৰ ভিতৰৰপৰা কান্দি কান্দি ফেঁকুৰি ফেঁকুৰি চকু মোহাৰি মোহাৰি গাৱখোৱে পিৰালিত বহা বাপেকৰ ফালে খোজ লয়। লখ্‌াইও পুতেকক সাৱটি লৈ চকুলো মচি কয়,—"মোৰ সোণাই! নাকান্দিবা। তোমাক সুখ দিব নোৱাৰিলোঁ। মোৰ নিচিনা টোকোনা হতচিৰীৰ ঘৰতনো কিয় জনম লৈছিলা ? "ভাত, ভাত বুলি কান্দিলে জানো ভাত পাবা ?" তাৰ চকুজোৰ ছলছলীয়া হয়।

বাপেকৰ এনে হতাশ ভৰা কথাবাৰ শুনি গাৱখোৰ কান্দোন বাঢ়েহে।

বুদাকৰে দীঘল হুমুনিয়াহ এৰি কয়। "ৰব ৰব, সখা! ৰব। কালি নিশাৰ কৰ্কৰা ভাত থাকিব লাগে। মই এই পোনাটিক ঘৰলৈ লৈ যাওঁ। তাকে খুৱাওঁ গৈ।"

"নি যি কৰা তোমাৰ খুচী। কাটাই নে মাৰাই—তোমাৰ ইচ্ছা।'—আনফালে মুখখন ঘূৰাই লখ্‌াই কয়।

"বোপা! আহাঁ। এইফালে আহা"।—বুলি বুদাকৰে গাৱখোক মাতে।

ঘৰৰ ভিতৰৰপৰা ওলাই অহা মাকক লৰমাৰি সাৱটি ধৰি গাৱখোই আকৌ কান্দে।

'সখী! আপুনিও আহক।"—বুদাকৰে মাত দিয়ে। গাৱখোৰ মাক হাকু দাকু হয—এবাৰ গিৰীয়েকৰ মুখৰ ফালে চায়, এবাৰ সখীয়েক বুদাকৰ পিনে চকু দিয়ে, এবাৰ পুতেকক দুহাতেৰে তুলি কোলাত লৈ গৰা মাৰি ধৰে।

"বোৱা! কি চাই আছা ? যোৱা। পলম কৰিছা কেলৈ ?

সোনকালে আহা গৈ। চাব লাগিব নহয়, তোমাৰ এই হুতচিৰি গিৰীয়েৰাৰ জীৱন নাটৰ দুখেৰে ভৰা দৃশ্য। চাব লাগিব নহয়, সেই জোকৰ দৰে তেজপিয়া মহাজনে আহি পৈয়ৰৰ বুকুৰ 'ৰকত্ত' কেনেকৈ পি খাব ?—যোৱা বেগতে আহাগৈ। ··ইমান দিন ককাদেউতা, দেউতা আৰু মই নিজেই ৰ'দক ৰ'দ নুবুলি, বৰষুণক বৰষুণ নুবুলি কপালৰ ঘাম ভৰিত পেলাই, তেজক পানী কৰি ঘৰ-দুৱাৰ সাজিলোঁ, মাটি-বাৰী ভাঙি চিকুণালোঁ,—আজি আহিব সেই চোৰ ডকাইত কাম-বন নকৰা পৰিশ্ৰম-বিমুখ এলেহুৱা ৰঘুমলা মহাজন ,—সি হব মোৰ এই চেনেহৰ ঘৰ-বাৰীৰ মালিক। বাঃ-বাঃ-বা,—বৰ মজাৰ কথা। হাঃ-হাঃ-হাঃ"—বুলি কৈ বলিয়াৰ দৰে লখ্াই আটাহ পাৰি হাঁহে।

"আই অ'! ভোক লাগিছে।"—বুলি কৈ মাকৰ ডিঙিত সাৱটি ধৰি গাৱখোৱে কান্দে।

"আহক সখী! আহাঁ মোৰ সোণ!"—বুদাকৰ কথা শুনি তিৰোতা-জনীযে আগুৱায়, সখীয়েকৰ পাছে পাছে যায়, তাইৰ ডিঙিত ওলমি থকা কোলাত বহা গাৱখোই ফেঁকুৰি ফেঁকুৰি কান্দে।

লখ্াই সিহঁতৰ ফালে একেথিৰে চায়।

সিহঁত গুচি যায়, চকুৰ আঁৰ হৈ নোহোৱা হয়। পিৰালিত বহি লখ্াই অকলে থাকে,—ভাবে, চিন্তে, গুণে, গুথেঁ। চিন্তাৰ ধুমুহা বৈ তাৰ হিয়া মোহাৰি পেলায়।

গাৱখোৰ মাকেই লখ্াৰ ঘৈণীয়েক। নাম ছেৱাৰী। তেতিয়া ছেৱাৰী সৰু, পাট-গাভৰু। চুপহী ফুলৰ কলিৰ দৰে ৰূপহী। তাইৰ ৰেহ্-ৰূপ ধুনীয়া,—পুৱতি বেলিৰ দৰে মুখখন সোণোৱালী ,—দাঁত কেইপাতি আখৈৰ দৰে বগা ফটফটীয়া, হাঁহিলে বিজুলীৰ চক্‌মকানৰ দৰে চিকিমিকীয়া ,—গাল দুখন ঔ চকলাৰ দৰে গোল, পিছল, মিহি—মিহি ছিলমিলীয়া চুলি-টাৰি মেঘৰ দৰে ক'লা কেচ্‌কেচীয়া, ঘোঁৰাৰ নেজ কোঁচাৰ দৰে দীঘলীয়া, খোপা বান্ধিলে খালৈৰ তলিৰ দৰে ডাঙৰ লু-ধুম্‌ ধুম্‌ ,—ভৰিৰ কলাফুল বাঁহ-গাজৰ দৰে নিমজ, শকত-আৱত ,

—আমৰলু পকৰাৰ দৰে কঁকাল সৰু, কথা কলে হাঁহৰ ডিঙিৰ দৰে ডিঙি লেতু-সেতু,—চকুৰ চাৱনি মোহিনী, জুই-কুৰাৰ দৰে জলমল্। এক কথাত কবলৈ হলে তাই ধুনীয়া, শুৱনী, ৰূপহী, লাৱনী। এই ছোৱালীয়েই বাঁৰী মাকৰ লগত বহু দূৰৈৰ পৰা খোৱা-বোৱা থকা-পিন্ধা বিচাৰি লখ্যাৰ গাওঁলৈ আহিছিল।

সেই সময়ত লখ্যা পণ্ডিত আছিল।

স্কুলৰ কাষেদি আলি। সি স্কুলত পঢ়ুৱাই আছিল, সেই আলিয়েদি ছেৱাৰীয়ে নিজৰ ৰূপৰ জেউতি উজলাই মাকৰে সৈতে গৈছিল। আলিয়েদি যোৱা ছেৱাৰী পাট-গাভৰুক দেখি উলাহত তাৰ হিয়াত ঠাই নোজোৰা হৈছিল, পঢ়ুৱাবলৈ মন-কাণ নোহোৱাত পঢ়ুৱৈহঁতক ছুটী দিছিল। সিদিনাৰপৰা তাৰ যে কি হ'ল, তাৰ হিয়া পাটত ছেৱাৰীৰ মূৰতিহে জিলিকি হিয়াত ছাব্ খাই আছিল।

পিৰালিত বহি বহি ভাবি ভাবি লখ্যাৰ গাল দুখন ৰঙচুৱা হৈ উঠে। সি আৰু ভাবে, চিন্তে, গুণে, গুঁথে। সঁচাকৈয়ে ছেৱাৰী আছিল লখ্যাৰ চৰোৱা ৰূপৰ মূৰতি। ছেৱাৰীৰ মাক আছিল দেওধনী। দেওধনী হৈ ক'ৰবাত কোনোবা গাওঁত * খেৰাই পূজাত ছেৱাৰীৰ মাকে নচাৰ কথা শুনিলে, জাকে জাকে মানুহে চাবলৈ গৈ উথল-মাথল লগাইছিল।

লখ্যাৰ গাৱঁৰে এজন বৰলা বুঢ়াৰ ঘৰত সেই বাঁৰী দেওধনী আৰু জীয়েক ছেৱাৰীয়ে আশ্ৰয় লৈছিলগৈ। শেহত সেই বাঁৰী তিৰোতাজনী বুঢ়াৰ দেহ-লগৰী হৈছিল। ছেৱাৰীয়েও তাতে থাকি পোহ পাল গৈছিল।

লখ্যাৰ ককা-দেউতাযেক বৰ চহকী আছিল। সি আঠ হালি (বাৰ বিঘা) মাটিৰ মালিক আছিল। কোনো অভাৱ নাছিল। কুকুৰা হাহ, পাৰ, ৰাজহাঁহ, পঠা-ছাগলী, গাহৰি আদিৰে ঘৰখন ৰজনজনাই আছিল। তামোল, কঠাল, আম, কল ইত্যাদি গছে বাৰীখন দেখাত

---

* বড়োসকলৰ ডাঙৰ পূজা হৈছে খেৰাই পূজা। এই পূজাত দেওধনীয়ে জঁকি জঁকি নাচে, চিফুং বাঁহী আৰু খাম্ ঢোলৰ ছেৱে ছেৱে গা জোকাৰে।

গুৱনী কৰি তুলিছিল। লখ্যাৰ বাপেকৰ আঠজন ভায়েক ককায়েক আছিল। ককাদেউতাৱেকে মৰিবৰ সময়ত আঠজন পুতেকৰ মাজত মাটি ভাগ কৰি দিছিল। লখ্যাৰ বাপেকৰ ভাগত এক হালি মাটিহে পৰিছিল। সৰুৰেপৰা লিখা-পঢ়াত লখ্যাৰ বৰ মন আছিল। নিজৰ গাঁৱৰ স্কুলৰ শিক্ষা শেষ কৰি চহৰৰ হাইস্কুলত উচ্চ শিক্ষাৰ কাৰণে সি ভৰ্ত্তি হৈছিল।

এসময় সেই অঞ্চলত বৰ গোলমাল হৈছিল। বহু চোৰ ডকাইতক ধৰিবলৈ দাৰোগা-পুলিচ আৰু মিলিটাৰীহঁতে লখ্যাৰ গাঁৱতো সোণাই উৎপাত লগাইছিল। বহুতক ধৰি নিছিল। সৰু লৰা লখ্যাকো দাৰোগাহঁতে ডকাইতৰ দলৰ এজন বুলি সন্দেহ কৰিছিল। এদিন স্কুলত গৈ দাৰোগা-পুলিচহঁতে লখ্যাক ধৰি নিছিল। বেছিকৈ হাবিযাসৰ পুলি লখ্যাৰ অন্তৰত সিদিনাৰ পৰা মন মৰহি গৈছিল। সিদিনাৰপৰাই তাৰ শিক্ষা দীক্ষা সকলো অস্ত পৰিছিল।

বিচাৰত লখ্যাৰ ফাটেক হৈছিল। ফাটেকৰপৰা ওলাই লখ্যাই গাঁৱলৈ গৈ গম পাইছিল, তাৰ বাপেক আৰু মাক মৰিল।

আঠজন ককাযেক ভাযেকৰ ভিতৰত লখ্যা আটাইতকৈ সৰু আছিল। ফাটেক খটাৰ কাৰণে ককায়েকহঁতে লখ্যাক ঘিণ কৰিছিল, দেখিব নোৱাৰিছিল। সিহঁতে লখ্যাক এবিঘা মাটি ভগাই বেলেগ কৰি থৈছিল। সংসাৰৰ বোজা কম বয়সতে বৰ লগীযা হোৱাত লখ্যাৰ চুৰ্ত্তি হেৰাইছিল, দিহা নাপাইছিল। সৰুৰেপৰা সি দুখ কষ্ট পোৱা নাছিল। সুখ শান্তিতে ল'ৰালি কাল কটাইছিল,—হাল বাবলৈ, কোদাল মাৰিবলৈ নাজানিছিল। নিৰুপায হৈ শেহত সি গাঁৱৰ স্কুলৰ পণ্ডিত হবলৈ বাধ্য হৈছিল।

অতীতৰ কথা ভাবি ভাবি লখ্যাৰ বুকু চেপি এটি দীঘল হুমুনিযাহ বাজ হৈ ওলায।••• •

তেতিযা লখ্যা আছিল চফল চেঙেলীয়া ডেকা। ছেৱালীক চাবলৈ

খাউতি হোৱাত সি নিতৌ বুঢ়াৰ ঘৰলৈ গৈ আছিল।…এইদৰে যাওঁতে যাওঁতে শেহত দুয়োৰে পৰাণ জুৰি ভাল পোৱাই পাহ মেলিছিল।

এদিন পুৱা।· স্কুলমুৱা লখ্রা। বুঢ়াৰ ঘৰৰ কাষ পাওঁতে ছেৱাৰীয়ে লখ্রাক পদূলি মুখৰপৰা দেখা পাই বাটৰ পিনে লৰি-ধাপৰি লখ্রাৰ কাষ পায়েই তাই চিঞৰি চিঞৰি জোকাই জোকাই গীত গাইছিল।

"বোৱাও থাঙী লখ্রা আদালাই।
গাঁছৌনি বিথায়াও খাম্হ্নানৈ অব্চালাই,—
হা-থ্প্লা জাগান্ নাংনি অননাইনি বিথালাই
নাংখৌ মীনাৱা জাগান্ আংবৌ আলাই-চিলাই।
বোৱাও থাঙৌ লখ্রা আদালাই।" *
("লখ্রা ককাই অ'—ক'লৈ যোৱা?
হিয়াত জুইকুৰা কিয় জ্বলোৱা?
তপত কলিজা পুৰি কৰি দিলা ছাই
সেই সোপা লৈ কিনো কৰিবা ককাই।")

ৰহঘৈ ছেৱাৰীৰ সৰবৰহী মিঠা মাতৰ ৰসাল গীত শুনি লখ্রাৰ গা শিয়ঁৰি উঠিছিল।…তাতেই তাৰ ৰং-উলাহ, তাতেই তাৰ আনন গোসাঁইৰ সৰগ্।· স্কুলত সি পঢ়ুৱাব নোৱাৰা হৈছিল। কোনোবাই যেন তাৰ দেহা মন কাটি নিছিল। সি শূইন শূইন অনুভৱ কৰিছিল। পঢ়ুৱৈঁতৰ মুখত ছেৱাৰীৰ ৰূপহে সি অনবৰত দেখা পাইছিল। পঢ়া-শিক্ষাত সি মন-কাণ দিব নোৱাৰা হৈছিল, মন ছট্ফটাই উঠিছিল। শেহত সি ল'ৰাহঁতক ছুটী দি এৰি দিছিল।

স্কুলত সি অকলে। কোনো নাই, লখ্রা অকলশৰীয়াকৈ অকল।

বাৰিষা।

আকাশত মেঘৰ গিৰ্গিৰনি, চকু ছাট্মৰা বিজুলীৰ চিক্মিকনি,

---

* 'া' এই চিন যুক্ত হলে 'ও'-ও নহয়, 'ঔ'-ও নহয়। উভয়ৰ মাজে মাজে ডিঙি চেপা দি শব্দ উচ্চাৰিত হয়।

* বড়োসকলৰ মতে আনন্ গোসাঁইয়েই সৃষ্টি কৰ্ত্তা।

বাৰে বাৰে চমকনি, মলয়াৰ বাওৰ সোঁ-সোঁৱনি, ৰিব্ ৰিবনি, ফিৰ্ফিৰনি, ৰবৰ্ণৰ কিন্কিননি।

স্কুলত অকলে বহি লখাই ছেৱাৰীৰ সাপোন দেখিছিল, নিজক পাহৰি পেলাইছিল।

"ককাইদেউ।"..

"কোন? শুনি লখাই চক্খাই উঠিছিল,...উচপ খাই পিছপিনে চাওঁতেই সি দেখিছিল, দুৱাৰ-মুখত ছেৱাৰী, নিয়ৰত তিতা ফুলৰ দৰে ৰবৰ্ণত ভিজা ছেৱাৰী।

আকাশত মেঘৰ গাজনি, বিজুলীৰ চক্মকনি,—লখাৰ সন্মুখত ছেৱাৰীৰ ৰূপৰ জেউতিৰ জিলিকনি।..

সপোন নে দিঠক।...লখাই চিন্তাত বিমূঢ় হৈ পৰিছিল :—ছেৱাৰীৰ মুখৰ ফালে একোথিৰে ৰ' লাগি চাই আছিল।...

"কি ভাবিছা, ককাইদেউ?"

"কোন? তুমি—তুমি ছেৱাৰী।".. লখাই তবধ মানিছিল।

"উঁ ককাইদেউ,—মই তোমাৰ ছেৱাৰী, তোমাৰ চেনেহৰ, মৰমৰ, বুকুৰ কলিজা, হিয়া-আমঠু, দেহালাও।" ..

'সঁচাকৈয়ে নে?"

"হয়। সঁচা, মোৰ জাউৰ সোণাই।"

"চেনেহী। কোৱা—কিমান দিননো আমি এইদৰে গুপুতে গোপনে থাকিম? কিমান দিননো এইদৰে ভাল পাই আলেঙে আলেঙে মনৰ হেঁপাহ মনতে মাৰি থাকিম?" ..

"মইনো কি কম? তুমিয়েই দেখোন বিচাৰৰ গৰাকী।"

'হয নে"

"হয়।"

ছেৱাৰীৰ কথা শুনি লখাই নতুন শকতি পাইছিল।

"চেনেহী! আহা—মোৰ কাষলৈ আহা। আহা মোৰ সোণ।" —লখাৰ সেহাই সেহাই মতা কথাষাৰ শুনি মন্ত্ৰ-মুগ্ধৰ দৰে ছেৱাৰীয়ে

লখ্যাৰ কাণে ধীৰে ধীৰে আগুৱাই আহিল। তাৰ কাষ পাওঁতেই ছেৱাৰীক গৱাহ মাৰি সাৱটি ধৰি লখ্যাই বলিয়াৰ দৰে কৈছিল,—"অস্—মোৰ চেনেহী—মৰমী, হিয়াৰ আমঠু, বুকুৰ কলিজা। তোমাক নাপালে, মই—মই মোৰ জীৱনকে এৰিম, দেহাকেই মাৰিম।—ডবুৱা কটাৰীৰ আগ বুকুত সুমাই কলিজা ফালি মৰিম। মৰিম নে?—মৰিব লাগে নে?—কোৱা—কোৱা— এতিয়াই কোৱা—সোনকালে, ষপৰাই কোৱা। বেগাই—বেগাই।"

"মোৰ জীউ! মোৰ সোণ! বলিয়া নহবা। কিয় মৰিবা—মৰিবা কিয়? মৰিবলৈকে আমি এনে ভালপোৱাত নামিছোঁ নে? সেয়া হব নোৱাৰে,—মৰিব নোৱাৰা। মৰণলৈকে মই তোমাৰ, তোমাৰ কলিজাৰ,—আৰু তুমি মোৰ, মোৰ হিয়াৰ, মোৰ কলিজাৰ।" বুলি কৈ ছেৱাৰীয়ে চেনেহত, মৰমত নিজৰ মূৰটো হালি লখ্যাৰ বুকুত আওজাই গুজি থৈছিল। আৰু লখ্যাইও দুখন হাতেৰে মৰমত চেনেহত তাইক সাৱটি গৱাহ মাৰি লৈছিল। ৰং-উলাহত আৰু মনৰ হেঁপাহ পূৰণ হোৱাত তাৰ চকুৰ পাহিযোৰ জাপ খাইছিল, দুগালেদি ৰঙৰ তপত চকুৰ লো বৈছিল।

বাহিৰত কিন্‌কিনীয়া বৰষুণ। আকাশত সাত বৰণীয়া ইন্দ্ৰধনু।

দুয়োৰে অন্তৰ আকাশত ৰং-উলাহৰ, প্ৰেমৰ জেউতি মনো মিলনৰ ৰংবেৰঙৰ পোহৰৰ খেল আৰু মেল।...

দুয়ো শিথিল আৰু অৱশ।...

তেতিয়াৰেপৰা দুয়োৰে দুটি হিয়া এটি হৈ গৈছিল।

এদিন শুভদিনা শুভক্ষণত শুভলগনত* চিকুং জোথাৰ শব্দত দুয়োৰে বিয়া দিছিল ৰাইজে।

কালৰ চেৰেকী পাক খাই গৈয়েই আছিল। শেহত দুয়োৰে জীৱনৰ নাট চাওত দুটি দৃশ্য বিৰিঙি উঠিছিল, নৰকৰ বৈতৰণীৰ বান-পানীৰ

* পাচোটা বিন্ধা থকা আঁহীয়েই বড়োসকলৰ চিকুং আৰু কাঁহৰ খুটি তালজোৰাই জোথা।

বলিয়া কোবাল চো আৰু সৰগৰ মন্দানিকীৰ বুকুত জিলিকনি সনা জেউতি।

লাহে লাহে লখ্যাৰ সংসাৰত বাঁচি থকাই কঠিন হৈ পৰিছিল। কেতিয়াবা খাইছিল,– কেতিয়াবা লঘোণে থাকি শুকাই আছিল। ওজাগিৰি কামতো খাবলৈ নুকুলাইছিল। এনেকৈয়ে লাহে লাহে মৰণৰ কৰাল মুখত পৰোঁ পৰোঁ অৱস্থাত পৰিছিলগৈ।

এইদৰে ভাবোঁতে গুণোতে সেই বুঢ়াৰ কথা তাৰ মনত বিৰিঙি উঠে।

"আমাৰ বুঢ়ী আই, ককাদেউতাসকলে বাঘ, সাপ, হাতী, বান্দৰ, ভালুক, লখৰা, ধুমুহা, শিল-বৰষুণ, ৰ'দ, বান-পানী, ভুঁইকঁপ বেমাৰ-আজাৰ, বিষ-বেদনাৰ লগত যুঁজি যুঁজি বুকুৰ তেজ পানী কৰি ইমান দুখ কষ্ট কৰি ঘৰ-বাৰী চিকুণাই, তামোল-পাণ, আম-কঠাল, বাঁহ-কল আদি কই চেনেহৰ ধুনীয়া গাঁওখনি সাজিছিল, তেওঁলোকৰ নাতি-পুতি আমাৰ দিনত মাটি ভাগ হৈ হৈ আমি মাটিহীন হৈ পৰিলোঁ। মাটিৰ অভাৱত আমি সৰ্ব্ব-হাৰা হলোঁ। হতচিৰী হৈ বলিয়াৰ নিচিনাকৈ য'তে ত'তে দৰঙত, কামৰূপত, লখীমপুৰত অ'ত ত'ত মাটি বিচাৰি দিহিঙে দিপাঙে ফুৰোঁ। মাটি জানো পাওঁ? নাপাওঁ। নাপাই আমি মনৰ দুখত বেজাৰত হিয়া চপৰিয়াই ধাকুৰি থাকোঁ। মাটি জানো, চাইকেলৰ টিউব, (ৰবৰ) টানিলে বাঢ়িব?"..

"বোপাই ঐ। কেনেকৈ?—কেনেকৈ?" বুলি ভাবি গুণি লখ্যাৰ মন উতলি উঠে।

"আজি মানুহে কান্দিব নোৱাৰে। থকা, খোৱা, পিন্ধাৰ কাৰণে কান্দিলে চৰকাৰৰ পুলিচ-মিলিটাৰীহঁতে আহি কন্দা মানুহজনক ধৰি নিয়ে, কোবায়, ফাটেকত ভৰায়। আজি মানুহে কান্দিব নোৱাৰে। কিয় এনেকুৱা হয়? আইন, আইনৰ কাৰণে। এই আইন হৈছে ধনীক ৰক্ষা কৰা আৰু দুখীয়াক মৰা আইন। এনে আইনৰপৰাই ধন-তন্ত্ৰবাদী সমাজ ব্যৱস্থা চলি আছে। এই আইনেই হৈছে ধনিক শ্ৰেণীৰ

ছলনাৰ কৌশল। এনেকৈয়ে ধনতন্ত্ৰবাদে আইনৰ কায়দা কৌশলৰ দা-ৰে কাটি কুটি ৰাইজৰ সমাজৰ দেহা ডোখোৰা-ডুখৰি কৰে। আমাৰ অৱস্থা বেয়া হলে আমি এবাৰ কপালক, এবাৰ ঈশ্বৰক দোষ দিওঁ। দৰাচলতে কপালৰো দোষ নহয়, দেৱতাৰো দোষ নহয়, আচলতে ধনতন্ত্ৰবাদী সমাজ ব্যৱস্থাৰ দোষ। বিধাতাই মানুহকহে স্ৰজিছে, ধনী দুখীয়া স্ৰজন কৰা নাই। ধনী হিচাপে কাৰোবাক স্ৰজন কৰাহেঁতেন, সৰ্ব্বহাৰা দুখীয়াৰ ল'ৰাৰ দৰে ধনীৰ ঘৰৰ কেঁচুৱাইও নঙঠা হৈ ওপজে। ধন-তন্ত্ৰবাদী সমাজ ব্যৱস্থাই গুপুতে গোপনে ধনীৰ ল'ৰাক ভালকৈ খুৱাই-বুৱাই পিন্ধাই ৰাখে। ৰাইজৰ অসুখ অশান্তিৰ গুৰি হৈছে ধন-তন্ত্ৰবাদহে।"—বুঢাৰ কথাবাৰ ভাবি চিন্তি লখ্ৰাই নিজকে নিজে কয়,—"সঁচা।"

সেই বুঢাজনে কৈছিল,—"আজি ধনতন্ত্ৰবাদী সমাজ ব্যৱস্থাত আচল সমাজ,—সমাজৰ মেৰুদণ্ড সৎপ্ৰকৃতি খেতিয়ক বন্ধুৱা সকলৰ দুখ কষ্টৰ সীমা নোহোৱা হৈছে। যিমান দিনলৈকে ধনতন্ত্ৰবাদী সমাজ ব্যৱস্থা থাকিব, তিমান দিনলৈকে হালোৱা-হজুৱা বন্ধুৱাৰ দুখ কষ্ট মৰি গলেও ওৰ নপৰে। কিয়নো, আজি আইন যন্ত্ৰটো ধনপতিহঁতৰ হাতত আছে। সেই আইন যন্ত্ৰটোৱেই হৈছে পেৰা যন্ত্ৰ।"

"অ—এনেকৈয়েই সেই তেজপিয়াহঁতে আমাৰ কলিজা হিয়া-আমঠু নিঙাৰি ডোখৰা-ডুখৰিকৈ পিয়ে, শুহে, খায়।'—লখ্ৰাই ভাৱে।

হালোৱা-হজুৱা বন্ধুৱাৰ মনৰ কথা উদঙাই বুঢাজনে কৈছিল,—"ৰাইজসকল। হতচিৰী হোৱা দুৰ্কপলীয়া হালোৱা-হজুৱা বন্ধুৱা ভাই-সকল। যেতিয়ালৈকে ধনীৰ আইনৰ পেৰা-যন্ত্ৰটো আপোনালোকে ভাঙি নেপেলায়' তেতিয়ালৈকে সুখ, শান্তি আৰু মুক্তি নহয়। সেই পেৰা-যন্ত্ৰটো নাশ কৰিবৰ কাৰণেই বিপ্লৱ লাগে। সেই বিপ্লৱেই ধনতন্ত্ৰ-বাদ ধ্বংস কৰিব, আইনৰ পেৰা-যন্ত্ৰটো নষ্ট কৰি পেলাব, সমাজতন্ত্ৰবাদ থাপিব। ৰাইজেই ৰজা জ্ঞাতিয়েই গঙ্গাৰ সোঁত বোৱাব,—সেই নৈৰ কাষত কৃষক বন্ধুৱা পঞ্চায়ত-ৰাজৰ সৰগ পাতিব। সেয়ে হৈছে সমাজ তান্ত্ৰিক বিপ্লৱ।...বিপ্লৱ হবই।"

লখ্‌াই নিজকে নিজে সোধে,—"বিপ্লৱ হব নে ?" বুঢাৰ মাতষাৰে সান্ত্বনা দিয়ে,—"কণীৰ ভিতৰত বিজলো থাকে, কুহুমো থাকে। বিজলে কুহুমক নষ্ট কৰিবলৈ বিচাৰে, কুহুমে বিজলক ধ্বংস কৰিবলৈ বিচাৰে। এইদৰে যুঁজোতে যুঁজোতে বিজলো নহয়, কুহুমো নহয়,- বেলেগ এটি বস্তু ওলায। সেইটো হৈছে এটা পোৱালি। এইদৰে ধনতন্ত্ৰবাদৰ গৰ্ভৰপৰা দুটা শ্ৰেণী ওলাইছে, এটা হৈছে ধনিক, আনটো গৰীৱ সৰ্‌ব্ৰ-হাৰা। ধনিক শ্ৰেণীয়ে গৰীৱ শ্ৰেণীক দমন কৰিবলৈ বিচাৰে আৰু সৰ্‌ব্ৰ-হাৰা শ্ৰেণীয়ে ধনিক শ্ৰেণীক উচ্ছেদ কৰিবলৈ বিচাৰে। ধনীৰ শতৰু গৰীৱ আৰু সৰ্‌ব্ৰ-হাৰা শ্ৰেণীৰ শতৰু ধনিক শ্ৰেণী। এইদৰে যুঁজি যুঁজি ধনীও নহয় দুখীযাও নহয়—এটা বেলেগ সমাজ ওলাই পৰে। সেইযা হৈছে সমাজতন্ত্ৰবাদ। সেযে হৈছে বিপ্লৱ। ধনতন্ত্ৰবাদৰপৰা সমাজতন্ত্ৰবাদলৈ বিপ্লৱ। বিপ্লৱ কটা-খোঁচা নহয়। বিপ্লৱ হৈছে নতুনলৈ সলনি। শিপাৰে সৈতে উভলোৱা গছৰ দৰে সকলোকে সলোৱা, পৰিবৰ্তন কৰা ,—আমূল পৰিবৰ্তন।" আগতে সি লাহে লাহে কয, শেহত সি আকস্মিকভাৱে হঠাতে কয়।···

"সেই সুখৰ বাট সমাজতন্ত্ৰবাদ গঢ়িবলৈ ৰাইজে, আপোনালোকৰ নিচিনা হালোৱা-হজুৱা বনুৱাই নিজেই এশৰ ভিতৰত পাঁচজন ধনীৰ হাতত থকা চৰকাৰ, কলকাৰখানা আৰু বিজ্ঞান কাঢ়ি আনি নিজৰ হাতলৈ আনিবই লাগিব। নহলে এনেয়ে সেই তিনিটা বস্তু ধনিক শ্ৰেণীযে এৰি নিদিয়ে। সেই কাৰণে ৰাইজে আপোনালোকৰ নিচিনা হোজা, দুৰ্দ্দান্ত শক্তিবান, বলবান,—সমাজৰ মেৰুদণ্ড, সুপুৰুষ হালোৱা-হজুৱা বনুৱাসকলে আগুৱাই নগলে সেই পাঁচজন এলেহুৱা ফাঁকিবাজ, প্ৰবঞ্চক ফান্দত পেলোৱা ধনীইঁতে সৈতে চাৰিকুৰি পোন্ধৰজন আপোনা-লোকৰ নিচিনা নোহোৱা জনৰ যুঁজ বাগৰ হবই হব।"

এনে সময়তে এটা চিলাই উৰি আহি এটা কুকুৰা পোৱালি ঠাপ মাৰি লখ্‌াৰ সমুখৰপৰা লৈ যায়।···তাকে দেখি মনৰ বেজাৰত লখ্‌া বলিয়াৰ দৰে হয়। সি এডাল লাখুটি হাতত লৈ সেই কুকুৰাজনীৰ গালৈ

টোঁৱাই দলিয়ায। তাৰে কোব খাই তাই ধৰফৰাই পাখি কোবাই কোবাই মৰে। লখ্‌াই হাঁহি হাঁহি কয়,—"বৰ ভাল হৈছে। তোৰ পোৱালিজনীক চিলাৰ পৰা ৰইখা কৰিবকে নোৱাৰ, হঁ? তোৰ পেটৰ এটি মাথোন পোৱালি, তাইকো সৌ চিলাই ঠাপ মাৰি লৈ গ'ল তথাপি তই ঠোঁট-মোট মেলি চাই থাকিলি? চিলাৰে সৈতে যুঁজিলিও। মৰ—ছালী মৰ।" বুলি কৈ উভতি আকৌ কাঁথিৰ পীৰাত বহি সি ইফালে চায়। সি দেখে কাঁথিৰ বেৰত শাল-গাৰী এনেয়ে নঙঠা হৈ আছে, ৰাচ-ধোঁৱা, এলান্ধু লাগি ক'লামুৱা হৈ পৰি আছে। মাকো ছালত গোঁজ খাই এনেয়ে আছে।..

"আমাৰ খেতিয়কসকলে মাটিৰ বুকুত বগলি পাখিৰ দৰে বগা বগা কোমল নৰম কপাহ গছবিলাকত বগী তৰাৰ জিলিকায়, আমাৰ ভাই-সকলে গৃহহাৰা, জমিহীন, সৰ্ব্বহাৰা হৈ পেটৰ জ্বালাত কুলী-বনুৱা হৈ ধনীহঁতৰ সূতাৰ কাৰখানাত সূতা, কাপোৰৰ কলত কাপোৰ উলিযাই দিয়ে, তেওঁ দেখোন আমি সূতা নাপাওঁ, কাপোৰ এচিতাও নাপাওঁ। আমাৰ তিৰোতাসকলে বস্তাৰ দৰে মেখেলা (দখ্‌না) পিন্ধি থাকিব লগাত পৰে নাইবা নঙঠাৰ দৰে থাকে। সিফালে হাটে-বজাৰে চোৰাং বজাৰ চলে। বস্তুৰ দাম বেছিকৈয়ে হয়, জুইৰ দৰে হয়। এলা পেচা মানুহে ছুঁবলৈকে নোৱাৰে। হাটত সূতা থাকিলেও অলপ অচৰপহে থাকে, থাকিলেও আমি হাটত গৈ কিনিব নোৱাৰোঁ। আমাৰ তিৰোতা বিলাকে কুকুৰাই ডাক দিওঁতে দোকমোকালিতে সাৰ পাই উঠি উৰালত ধান বানে, আমাৰ মুনিহসকলে সেই বনা ছলা-জৰা চাউল ভাৰ বান্ধি হাটত বেচিবলৈ নিযে। চাউল বেচি যি পইচা পায়, সেই পইচাৰে তেওঁলোকে দোকানে দোকানে ঘূৰি সূতা কিনিবলৈ বিচাৰিলে, চোৰাং বেপাৰত বেচিবলৈ থোৱা সূতাৰ মুঠাখিনিও নোহোৱা হয়।

"হায়! হতচিৰী হোৱা দুৰ্কপলীযা হালোৱা হজুৱা বনুৱা সকল! সেই চোৰ, তেজপিযা ধনীহঁতৰ কাৰণে আপোনালোকৰ কপালত জুই জ্বলিছে।..সূতাৰ অভাৱত আমাৰ তিৰোতাসকলৰ ন ন মেখেলা আৰু

নোলায। পুৰণি মেখেলা ফালি ছিৰি যায়। সেই ফটাইদি তেওঁলোকৰ তপিনা দেখা যায়। এইদৰে আমাৰ বড়ো তিৰোতাসকলে পুৰণিকলীয়া কটা বোৱা বিদ্যা পাহৰি পেলায। পুৰণি যুগৰ ফুল পাতৰ কথা শুনিলে তেওঁলোকে সপোন 'যেনহে ভাবে। ধুনীয়া ধুনীয়া ভমৰগ-ফুলীয়া ফুলবিলাক সেই ফপৌ, পাহাৰ, পাৰৰ চকু, ম'ৰাৰ ফুটফুটীয়া পখি, ঐ ফুল বিলাকৰ কথাবোৰ শুনা কাহিনী যেনহে লাগে। • এইদৰে আমি পিন্ধা উৰা নাপাওঁ। হাবিৰ বান্দৰৰ দৰে নঙঠা পশুৰ নিচিনাকৈ থাকোঁ।”

বুঢাৰ কথাষাৰ মনত পৰাত সি বৰ বেজাৰ পায।…এজনী ঘৈণীয়েক আৰু এটি মাত্র ল'ৰা,—এই দুজনকে সি পুহিব নোৱাৰে। সি সিহঁতক পুহিবলৈ ইমান কষ্ট কৰিছিল। আগতে সিও এবাৰ কপালক এবাৰ ঈশ্বৰক দুষিছিল। এন্ধাৰত সিও মুকুতিৰ বাট পাবলৈ খেপিয়াই ফুৰিছিল। সেই বুঢাজনৰ কথা আৰু তেওঁ কোৱা আদৰ্শৰ পোহৰে লখ্রাৰ অন্তৰৰপৰা (অজ্ঞানতাৰ) এন্ধাৰ গুচায়। আজি মুকুতিৰ পথ সেই পোহৰত উজলি উঠিছে। সেই সমাজেই হৈছে সমাজতান্ত্ৰিক বিপ্লৱ।…

ছেৱাৰী লখ্রাৰ হিয়া ভুখৰি ,—গাৱখো সিহঁতৰ দুয়োৰে প্রণয়-প্রেমৰ চেনেহ-মৰমৰ ৰসেৰে ওপজা কোমল ফল।

লখ্রাই ভাবে,—সেই বুঢাজনে কৈছিল ,—“চৰকাৰ ৰাষ্ট্ৰ হৈছে এটা হেঁচা-যন্ত্র। আজি দুটা শ্রেণী উপজিছে,—এটা ধনিক আৰু আনটো গৰীৱ, দুখীযা সৰ্ব্বহাৰা হতচিৰী হোৱা। ধনী কেৱল পাঁচজন, সৰ্ব্বহাৰা চাৰি কুৰি পোন্ধৰজন। সেই পাঁচজনে ইমান বেছিক হেঁচিব নোৱাৰে। সেই কাৰণে সিহঁতে কায়দাৰে সেই চৰকাৰ-ৰাষ্ট্ৰ হেঁচা-যন্ত্রটোক লৈ তাৰে ইমান বেছি ভাৰী সৰ্ব্বহাৰা হতচিৰী হোৱা হালোৱা-হজুৱা বনুৱা দুখীয়া শ্ৰেণীক হেঁচি থয়। পুলিচ, মিলিটাৰী, আইন, আমোলালৈ ৰাষ্ট্ৰ হয়। আজি ধনতন্ত্রবাদী সমাজ-ব্যৱস্থাই ৰাইজৰ এইবিলাক দুখ-কষ্ট আদি সমস্যা দূৰ কৰিব নোৱাৰে। কিয়নো

আজি ধনতন্ত্রবাদ মৃত্যুৰ কবলত। দুখ-কষ্ট গুচাব নোৱাৰিলে ৰাইজৰ অন্তৰৰ পৰা খং নাইবা বিপ্লৱৰ অগনি জ্বলিবই জ্বলিব। যিমানেই হেঁচিব তিমানে বেছিকৈহে জ্বলি উঠিব। ক'তো হেঁচি নোহোৱা কৰিব নোৱাৰে। সেই কাৰণে সিহঁতে বলিয়াৰ দৰে য'তে পায় ত'তে ৰাইজক মাৰে, কোবায়। আজি সিহঁত পশু হৈ গৈছে। আজি ধন কুবেৰ ডা-ডাঙৰীয়াহঁতৰ ছলনাত পুলিচ, মিলিটাৰীহঁত শান্তি বাহিনী গুচি, সিহঁতৰে পাইক-গোট হৈ পৰিছে।"...

...ডুম্! ডুম্!! ছাওঁ! ৰগ-ৰগ-ৰগ-ৰগ।.. য'তে ত'তে বন্দুক কামানৰ মাত, শব্দ।

ছাপাং-ছুপাং! ছাপাং-ছুপাং!! পুঁট্—পু—ট।...বাৰে বাৰে ৰেলগাৰী অহা যোৱা,—জিৰণি নাই।...

য'তে ত'তে ৰণ,—যুদ্ধৰ কথা-কাহিনী, সংগ্ৰামৰ ধুমুহা, মহাসমৰৰ প্ৰজ্জ্বলিত অগ্নি।...

এই সময়ত কত গাঁও যে ভাগি গ'ল, কত চহৰ যে জ্বলি গ'ল, কিমান ৰাজ্য যে ধূলিসাৎ হ'ল। • কিমান ধন-কুবেৰে টকাৰ পৰ্ব্বত তুলিলে—তাৰ হিচাপ নাই। কিমান হালোৱা-হজুৱা বনুৱাই টকাৰ লোভত ধনিক শ্ৰেণীৰ স্বাৰ্থৰ কাৰণে মিলিটাৰী হৈ মৃত্যুৰ মুখত পৰিল, জঁপিয়ালে।

এই মহাসমৰৰ কৰেণে গোটেই পৃথিৱী ওলট-পালট হ'ল, কেউপিনে কঁপি উঠিল।

লখ্াইও নিজৰ ভালৰ কাৰণে ওলাল।...সেই সময়ত সি কাঠৰ ঠিকাদাৰ হ'ল। এদিন ল'ৰা-ঘৈণীযেক, ঘৰ-বাৰী এৰি টকা ধাৰ লৈ টোপোলা বান্ধি কান্ধত ভাৰ লৈ ঠিকাদাৰ সাজি লখ্াই উত্তৰে ফৰেষ্ট-ৰিজাৰ্ভত কাঠ বিচাৰি ওলাল।

...য'তে ত'তে মিলিটাৰী, বগা বঙাল—ইংৰাজ মিলিটাৰী, মাৰ্কিন্—আমেৰিকান, মিলিটাৰী, ওখ শকত আৱত ক'লা ক'লা নিগ্ৰো—হাবচী মিলিটাৰী, নেপালী, মাদ্ৰাজী, পাঠান, বড়ো মিলিটাৰী

য'তে ত'তে কেৱল সিহঁতৰ ঘূৰণ-ফিৰণ —মদ, মাংস আৰু মাইকীৰ কাৰণে বিচাৰ ,—যেন দলে দলে পশু জানোৱাৰহে ।···

এখন গাঁও। তাতে গুণ্ডা ডকাইতৰ থল। চৰকাৰে এই বাতৰি পালে। এদিন এদল মিলিটাৰীয়ে ৰাইজৰ লগ লৈ সেই গাঁওলৈ আহি হুলস্থুল লগালে। সিহঁতে ডকাইত এজনকো ধৰিব নোৱাৰিলে। গাঁৱে-গাঁৱে সোমাই সিহঁতে বিচাৰি ফুৰিলে।···

সন্ধ্যা। এন্ধাৰ। ছঁযাময়া সন্ধিযা।

ছেৱালীয়ে চোতাল সাৰি ৰন্ধা কামত মন দিছিল। কেঁচুৱাটো পিঠিত বোকাচা লৈ উধানৰ কাষত বহি তাই খৰি ঠেলি জুই জ্বলাই ছিল, পাক কৰিছিল। এনে সময়তে দুৱাৰ মুখত এটা কলা ডাঙৰ ছাঁ দেখি তাই চক্ খাই উঠিল, ভয় কৰিলে।

"ভয নাখাবা। মই মিলিটাৰী হাবিল্দাৰ।" সেই ছাঁযাই মাত দিলে।

ছেৱালীয়ে ভযে ভযে বহিবলৈ পীৰা পাৰি দিলে। সেই ছাঁয়ে বহিল। জুইৰ পোহৰত সেই হাবিল্দাৰৰ কঁকালৰ চামৰাৰ পেটিৰ পিতল চিকমিকাই উঠিল।

"মদ আছে ?" হাবিল্দাৰজনে হাঁহি হাঁহি সুধিলে। তাৰ ওঁঠৰ ওপৰ ক'লা দীঘল গোঁফৰ তলত দাঁত কেইপাতি জক্মকাই উঠিল।

"নাই"।—ভয়ে ভযে কঁপি কঁপি ছেৱালীয়ে কলে। সেই দটীযাই আটাহ পাৰি হাঁহি উঠিল। শুনি ছেৱালীৰ হিয়া-আমঠু কঁপি উঠিল।

"সৌটো কি ? সৌ চুকত ? সেই শকত আৱত ? সেইটো কিনো ?"

"কালিহে ভৰাইছোঁ। তেনেই কুমলীয়া," ছেৱালীয়ে ভযত সেহাই সেহাই কলে।

"হব বাৰু। পিয়াহ লাগিছে। তপত কৰা।"

ছেৱালীয়ে হাকু-ডাকু হৈ টেকেলিত পানী ভৰাই উধানৰ ওপৰত থকা কেৰাহীটো আঁতৰাই টেকেলি বহুৱাই তপতালে, আৰু ইফালে

সিফালে চাৰিওপিনে *ডুমচু, লাওঠাই আৰু জাম্বা ক'ত আছে বুলি চকু ফুৰালে।

"পিঠিত কেঁচুৱাটো লৈ কিনো কাম-বন কৰিবাহে? সেইফালে তাক থৈ দিয়া।"—মিলিটাৰীজনে কলে।

"থাওক। কান্দিব।"

"নহয়-নহয়-নহয়-নহয়—খুলি থবই লাগিব।" বুলি কৈ হাবিল্দাৰে উঠি ওচৰলৈ আহিল। বোকোচা-লোৱা কাপোৰৰ গাঁথিটো সি নিজ হাতেৰেই খুলি কোণত বস্তা পাৰি ছোৱালীৰ পিঠিৰপৰা কেঁচুৱাটোক তুলি লৈ শুৱালে আৰু ক'লে—"এতিয়াহে কাম-বন কৰিবলৈ ভাল হৈছে।" হাবিল্দাৰৰ মনত পাপ বিৰিঙি উঠিল।

ছোৱালীয়ে জাম্বা, লাওঠাই আৰু ডুমচু বিচাৰি আনি হাবিলদাৰৰ সমুখত থলে। ডুমচুত এসোপা মদৰ ভাত। তপত পানী থকা টেকেলিটো আনি তাই ডুমচুত ঢালিলে। ডুমচুৰ মাজত জাম্বাটো হেঁচি হাবিল্দাৰে লাওঠাইডাল লৈ জাম্বাৰ ভিতৰত আৰু বাহিৰলৈ সুমাই উলিয়াই মদ ভৰাবলৈ আৰু ঢালিবলৈ ধৰিলে।

"বাটি?"

"হে ঈশ্বৰ। তাকো পাহৰিব লাগে নে।" বুলি কৈ আথে বেথে ছোৱালীয়ে বাটি এটা ধুই মাজি আনি হাবিল্দাৰৰ আগত থলে।

হাবিল্দাৰে ঢালি ঢালি পিবলৈ ধৰিলে আৰু ক'লে,—"বৰ ভাল, —চোকা। তুমিযেই যে ভাল, কিয় ভাল নহব?" তাৰ চকুৰপৰা কু-ভাৱ ছিটিকি ওলাল।

"তোমাৰ গিৰীযেৰা নাই নে?"

"আছে। উত্তৰে কাঠ বিচাৰিবলৈ গৈছে। তেখেত কাঠৰ ঠিকাদাৰ।"

---

* এটা কাঠৰ খোলা তাত মদৰ জুগুলি বা ভাত ভৰাই বেতেৰে বা বাঁহেৰে ঘনকৈ ধুনীয়াকৈ গুথা বেতেৰীৰ দৰে দীঘলীয়া থৰাহী সেই জুগুলি বা ভাতত হেঁচি দিয়ে। সেই থৰাহীৰ ভিতৰত মদ জমা হলে, পাহাৰীয়া গুকান দীঘলীয়া বিন্ধা থকা লাওৰে ভৰাই বাটিত ঢালে। সেই লাওডালকে লাওঠাই বোলে।

"ভালেই। সুবিধাহে হ'ল।" ··অলপ বৈ—"অকলে কেনেকৈ থাকা? ভয় নালাগে নে?"

"কিয় নালাগিব?"

"এৰা। গিৰীয়েৰা থাকোঁতে তোমাৰ ইমান কষ্ট? যি গিৰীয়েকে ঘৈণীয়েকক খোৱা-পিন্ধা দিব নোৱাৰে, সি গিৰীয়েকেই নহয়।" অলপ পৰ বৈ হাবিল্‌দাৰে আকৌ ক'লে,—"মোৰ ঘৈণী নাই। মোৰ বৰ অসুবিধা হৈছে। তাই জীয়াই থাকোঁতে মই তাইক কি দিয়া নাছিলোঁ?

··সদায় দালি আণ্ডা, মাছ-মঙহ খুৱাই আছিলোঁ—তেলে নিমখে। জেলাপী, সন্দেশ, কত ৰকমৰ বিধে মিঠাই। ঘোঁৰা-গাৰী, মোটৰ-গাৰী, টকী, চাৰ্কাচ—চহৰৰ সকলোখিনি সুখকে তাইক দিছিলোঁ। বেছেৰী মৰি গ'ল। আৰু এজনী আনিম বুলি ভাবিছোঁ—আনিবই লাগিব। ৰাণীৰ দৰে সুখেৰে ৰাখিম। গিৰীয়েৰাই তোমাক কি দিছে?—মদ খাই খাই সি ছোৱালীৰ মুখলৈ ভেলেঙা লাগি চাই থাকিল।

"যি দেখিছা।"—তলমূৰাকৈ ছোৱালীয়ে কলে।

'বাঃ। -সেই মেখেলা ফালিল, ছিৰিল।" বুলি কৈ আটাহ পাৰি হাহি উঠিল। 'বৰ ভাল দিয়া তোমাৰ গিৰীয়েৰা।" ..তাৰ চকুৰপৰা পাপৰ অগনি ভক্‌ভকাই জ্বলি উঠিল। সেই দৃশ্য দেখি ছোৱালীৰ শৰীৰ কঁপি উঠিল।

অকস্মাতে হাবিল্‌দাৰে উঠি থিয় দিলে, ঢেলেং পেলেংকৈ ছোৱালীৰ ফালে লাহে লাহে খোজ দিলে আৰু ক'লে,—"সেই ৰাণীগৰাকী কোন জানা নে? তুমি—তুমি মোৰ হিয়াৰ এফাল,—ৰাণী। মই তোমাক হিয়াৰ আসনত বহুৱাম। তোমাৰ জীৱন এনেয়ে যাবলৈ নিদিওঁ।" সি ছোৱালীক সাৱটি লবলৈ বিচাৰিলে।

ছোৱালীয়ে লৰ মাৰিলে। দুৱাৰ-মুখত তাইক ধৰিবলৈ যাওঁতেই মদৰ ৰাগীত ঢালি হালি সেই নিলাজ, লম্পট হাবিল্‌দাৰে হাম্‌-খুৰি খাই পৰিলে।

"আই ঐ! অ' বুদাং!···গলন্দাং! আহ্‌ ঐ আহ! আহ্‌—

আহ্ মই মৰিলোঁ ঔ আহ্! আই ঔ! সোঁৱা সোঁৱা! আহ ঔ আহ্—লাওচং!" চিঞৰি ঘৰে ঘৰে চোতালে চোতালে লৰি ধাপৰি ভিৰাই লৰ দিলে।

নাই। ঘৰত কোনো মুনিহ নাই। পুলিচ' মিলিটাৰীৰ উৎপাতত সকলোৱে পলাল। ঘৰে ঘৰে তিৰোতাইঁতে দুৱাৰ মাৰি মনে মনে থাকিল।

ছেৱালীৰ চিঞৰ-বাখৰ মিছা হ'ল। সন্ধিয়াৰ আকাশত তৰাবোৰে তিৰ্বিৰাই উঠিল। এন্ধাৰত গছ-গছনিবোৰে ৰাইকহৰ দৰে সমুখত মূৰ দাঙি ৰ'ল।

ছেৱালীৰ পাছে পাছে সেই ফোঁচফোঁচাই খেদা মৰা গুণ্ডা ডকাইত মিলিটাৰী— সেই দটীয়া হাবিল্দাৰটো।

"ককাই! ককাই! অ' বৌ! বৌ"—চিঞৰি বাখৰি লৰি ধাপৰি বেছেৰী ছেৱালীয়ে এখন ঘৰৰ দুৱাৰ জোকাৰিবলৈ ধৰিলে। এই তলকতে হাবিল্দাৰে ছেৱালীৰ হাতখন থাপ মাৰি ধৰি গৰা মাৰি তাইক মাটিত বগৰালে।

'হৰি! হৰি!! কপাল। মোৰ আজি কেও নাই।"—তাই ফোঁপাই জোপাই মাটিত ধৰ্ফৰাই ক'লে। তাইৰ সেহাই সেহাই কোৱা মাতষাৰ এন্ধাৰ ফালি ওলাল। লগে লগে সেই লম্পট হাবিল্দাৰৰ ফোঁচ ফোঁচনিয়ে শুনা তাৰ হিয়া আমঠু কঁপাই লৰালে।

এনে কুকাৰ্য্য চাব নোৱাৰি এচমকা ডাৱৰ আহি আকাশত তিৰ্বিৰাই চিক্মিকাই থকা তৰাবোৰৰ মুখ ঢাকি পেলালে। গছ গছনিৰ ছাঁ আৰু বেছিকৈয়েহে এন্ধাৰ মেলিলে।

এন্ধাৰ। কেউপিনে এন্ধাৰ। চাৰিওফালে নিৰল, নীৰৱ, নিমাত। ...ফ্লাপ্ ফ্লিপ্,—ফ্লাপ্ ফ্লিপ!! টৰ্চৰ পোহৰ। সেই পোহৰ লাহে লাহেকৈ চোতালত সোমাল। চোতালত কিছুমান মানুহ জমা হ'ল। তাৰে কিছুমান গাঁওৰ গাঁওলীয়া মানুহ আৰু কিছুমান মিলিটাৰী।

চোতালত ছেৱালীয়ে আধা নঙঠা হৈ মৰাৰ দৰে পৰি আছিল। আৰু কাষত থিয় দি আছিল সেই কুকুৰ হাবিল্দাৰটো।

"হাবিল্‌দাৰ! আপুনি আমাতকৈ ওপৰৱালা হৈও কি যে লাজ নোহোৱা কাম কৰিলে? আপোনাৰ সন্মানেই বা ক'ত থাকিল, আমাৰ মিলিটাৰীৰ সন্মানেই বা ক'ত থাকিল? আৰু চৰকাৰৰ সন্মানেই বা ক'ত থাকিল? বৰ লাজ লগা কথা।"—এজন মিলিটাৰীয়ে ক'লে।

"আই ছেৱাৰী! চকু মেলাচোন।" বুলি কৈ গাঁৱৰ এজন বুঢাই ছেৱাৰীৰ গাৰ কাপোৰ যতনাই দি লাৰি ঘপৰাই কলে,—"এ জীউ নাই দেখোন। মৰা নাইতো।' লগৰ এজনক ক'লে,—"হেৰৌ বুদাং! চেঁচা পানী আনা—চেঁচা পানী আনা। সোনকালে আনা, সোনকালে আনা।"

বুদাঙে লৰালৰিকৈ পানী আনি ছেৱাৰীৰ মূৰত ঢালিলে। টৰ্চ মুমাল। আকৌ এন্ধাৰ—ঘোপমৰা এন্ধাৰ।·· বুঢাই কলে,—"হেৰৌ গলন্দাং। জুই জুই-জুই-জুই।"

ধান খেৰৰ জুমুঠি বওঁথি গলন্দাঙে জ্বলাই কাষলৈ আনিলে। এন্ধাৰ গুচি পোহৰ হ'ল।

বুদাঙে মূৰত পানী ঢালি থাকিল আৰু বুঢাজনে ছেৱাৰীৰ গাৰ কাপোৰ ঠিক কৰি আছিল। গলদাঙে ইফালে সিফালে চালে, কোনো নাই। সকলো গ'ল। মিলিটাৰীহঁত পলাল।

বুঢাই কৈছিল,—"মিলিটাৰীহঁত এনেকুৱাই। সিহঁতে ক'ত ৰাইজৰ সুখ শান্তি আনিব?—ৰাইজৰ ওপৰত বেছিকৈযেহে অত্যাচাৰ কৰে, অসুখ অশান্তি বঢায়। সিহঁতে আজি ৰাইজৰ লগ নহয়, ৰাইজৰ শত্ৰুহে। ধনিক শ্ৰেণীৰ চাকৰহে। সিহঁতে লোভত ধনীৰ কাৰণে, নিজৰ কাৰণে লোৰ হাতীযাৰেৰে কাটি খুঁচি ৰাইজৰ তেজেৰে ৰাঙলী কৰে,—হিংসাৰ গুচি সিঁচে,—ৰাইজে সিহঁতক এনেয়ে এৰি দিব নে? নিদিয়ে।—খেমা কৰিব নে? নকৰে।"

"আজি সিহঁতৰ কাৰণে, সেই ধনীহঁতৰ কাৰণে মানুহে মানুহক নিজৰ বুলি নাভাবে। মানুহে মানুহে তেল-পানীৰ দৰে বেলেগ বেলেগ হৈ গৈছে। আজি মানুহ ধনৰ খঁকুৱা হৈ পৰিছে। কিন্তু এদিন যেতিয়া

তেজপিয়া শোষকহঁতৰ শোষণ-পিয়ন নোহোৱা হব, তেতিয়া মানুহে সোণতকৈও এটা অতি উৎকৃষ্ট বস্তু বিচাৰিব। সেয়া হৈছে জ্ঞান। আজি সেই জ্ঞানৰ শকতিৰে ভাবি গুণি পোৱা সত্য হিয়াত লৈ যিসকলে ৰ'দক ৰ'দ নুবুলি বৰষুণক বৰষুণ নুবুলি দিনে ৰাতি গাঁৱে গাঁৱে ঘূৰি সত্যৰ বাণী প্ৰচাৰ কৰি ফুৰিছে, আজি সেই শোষক শত্ৰু ধনিক শ্ৰেণীযে আৰু সিহঁতৰ দালালহঁতে কয়,—তেওঁলোক চোৰ, ডকাইত, নাস্তিক, ধ্বংসবাদী, সন্ত্ৰাসবাদী। কিন্তু সিহঁতে অসত্যেৰে সেই গুচাব নোৱাৰে, আঁতৰাব নোৱাৰে, নোহোৱা কৰিব নোৱাৰে। আই বসুমতীৰ বুকুৰপৰা পৃথিৱীৰ ওপৰেদি সত্যই খোজ লৈছে খোপে খোপে, গুপুতে, গোপনে, সন্তৰ্পণে,—মানুহৰ হিয়াত বিচাৰিছে থল। কুবেৰহঁতৰ চকুৰ আগত ই উজ্জ্বলি উঠিছে জুই ৰঙা তপত লোৰ শলাৰ দৰে। সিহঁতে ইয়াক সহিব নোৱাৰে। ই সিহঁতক খুঁচি মাৰি পুৰি যাব। ই সিহঁতৰে মৰণৰ শতৰু। সেই কাৰণে ই গুপুত,—ইয়াৰ এই সত্যৰ গতি ধীৰ, স্থিৰ আৰু গোপন। এই সত্যযেই সৰ্ব্বহাৰাৰ, আপোনালোকৰ নিচিনা হুতচিৰী হোৱা চুৰ্কপলীয়া হালোৱা হজুৱা বনুৱা দুখীয়া শ্ৰেণীৰ লগ,—অন্তৰৰ লগৰীয়া। সেই দিন আহিছে, সেই তেজৰঙা তেজাল দিন আহিছে, সোনকালে আহিব ধৰিছে। সেইদিনা—সেইদিনাখন হব আজিৰ হিচাপ-নিকাচ, শোধ-প্ৰতিশোধ।"...

বুঢাৰ কথাবাৰ সুঁৱৰি সুঁৱৰি ভাবি, চিন্তি, গুণি, গাঁথি লখ্ৰাৰ হিয়া জ্বলি উঠে।...

ভেন্! ভেন্!! ভেন্!!! ভেন্!!!!

মাখিৰ ভেন্‌ভেননি। চোতালত সেই মৰা কুকুৰাজনীৰ গাত মাখিযে ভেন্‌ভেনায়। তাইৰ বগা পাখি তেজ লাগি ৰঙা হয়।..এইদৰে মৰা কুকুৰাজনী গেলিব, পঁচিব। দুৰ্গন্ধ বিয়পিলে অসুখ হব, অশান্তি হব। লখ্ৰাই সহিব নোৱাৰিব। সেই দুৰ্গন্ধৰপৰা ৰক্ষা পাবলৈ হলে কুকুৰাজনীৰ দেহাটো নিলগত পেলাই ধ্বংস কৰিবই লাগিব।.

ধনীৰ ব্যৱস্থা মৰি গ'ল, পঁচি গ'ল। গোটেই দেশত অসুখ অশান্তি

বিয়পি পৰিল। ক'তো সুখ নাই, শান্তি নাই। য'তে ত'তে কেৱল গেলা পঁচা গোন্ধ। • তাৰপৰা ৰইখা পাবলৈ উপায় আছে জানো?— আছে।—ধ্বংস কৰা। সেই গেলা পঁচা ব্যৱস্থাৰ মৰা শটো নষ্ট কৰি পেলোৱা। ইয়াৰ বাহিৰে উপায় নাই। উপায় আৰু বাট এটাহে। সেয়া হৈছে সমাজতান্ত্রিক বিপ্লৱ। • শিপাৰে সৈতে এজোপা গছ উভলাৰ দৰে ধনতন্ত্ৰবাদৰ গোটেইটোকে সলোৱা – সমাজতান্ত্রিক বিপ্লৱ।

ঘপহকৈ উঠিয়েই লখ্যাই সেই মৰা কুকুৰাজনী তুলি নিলগলৈ দলিয়াই পেলায আৰু পুনৰ আহি পীৰাখনত বহে।

এনেতে পিৰালীত ওলোমাই থোৱা গাৰী তোলোঠা ৰছা ছিগি লখ্যাৰ গাত পৰে।

এনেযে জুই,—তাতে আকৌ খেৰ। লখ্যাৰ খং চুলিৰ আগ পাই টিঙিচ্কৈ উঠে। সি উঠিয়েই চোতালত বলিযাৰ দৰে অনাই বনাই ইফাল সিফাল কৰে। ওচৰত সি জুমুঠি জ্বলি থকা দেখে।

কেউপিনে জুই,—গোটেই পৃথিৱীৰ হিযা জুৰি ভক্ভকাই জ্বলা জুই তাৰ চকুৰ আগত ভাহি উঠে। মুকুতি বলিযা লখ্যাই জুমুঠিটো লৈ লৰায়। জুমুঠিৰ জুই ভক্ভকাই জ্বলি উঠে। তাৰপৰা জুইৰ ফিৰিঙতি খাওঁখাওঁকৈ জুমুঠিৰপৰা ওলায়। • লখ্যাই সেই জুই লৈ ভঁৰালত, বৰঘৰত আৰু পাকঘৰৰ ছালত জুই লগায়। তিনিওটা ঘৰ ভক্ভকাই জ্বলে। খুটা, কৰা. মাৰলি সেই অগনিত হিলৈৰ দৰে ফুটে।

বাজলৈ ওলাই বাটত থিয দি সখাযেকৰ ঘৰৰ ফালে মুখ কৰি চিঞৰি বলিযাৰ দৰে লখ্যাই কয়,—"হেৰৌ গাৱখোৰ মাক! গাৱখোৰ মাক ঔ।"..

ছেৱাৰীয়ে গাৱখোক পিঠিত বোকোচা লৈ পাগলীৰ দৰে আউলী বাউলী হৈ লৰি-ধাপৰি আহে। তাই দেখে, তাইৰ নিজৰ ঘৰতে জুই। নিজৰ ঘৰত অগনি দেখি ছেৱাৰীয়ে কান্দি কান্দি চকুৰ লোকত বোৱাই বুকু কপাল চপৰিয়াই চপৰিয়াই হুকহুকাই চিঞৰে, –"আই ঔ কপাল! আই ঔ কপাল॥"

"কি হইছা। কিয় কান্দিছা? বলা—বলা। আমাৰ নিচিনা ঘৰবাৰী নোহোৱা লাখ বিলাখ দুখীয়া দুৰ্কপলীয়াহঁতে ক্ৰমে ক্ৰমে আজি বাটপথ বিচাৰি ফুৰিছে ন-যুগ' ন-বতৰ পাবলৈ,—য'ত দুখ নাই, কষ্ট নাই। আছে কেৱল চিৰকলীয়া সুখ, চিৰকলীয়া শান্তি। আমিও তালৈকে যাওঁ বলা। ককাদেউতাৰ পাছে পাছে যাওঁ বলা। নাকান্দিবা, চকুলো মুটুকিবা। দুগাল তিওৱা চকুৰ লোতক মচি পেলোৱা। যাওঁ বলা,—সোনকালে বলা।" লখ্রাই ব্যস্তভাৱে নিজ কৰ্তব্য ভাবি কয়, —আদেশ, নিৰ্দ্দেশ আৰু উপদেশ দিয়ে। লখ্রাই ভৰি আগুৱায়। "ককাদেউতা! ককাদেউতা॥"—আবেগেৰে লখ্রাই চিঞৰি কয় আৰু আগবাঢে। পাছে পাছে ছেৱাৰী, পিঠিত গাৱখো।·

লখ্রাৰ অন্তৰৰ কলিজা ফালি বিপ্লৱৰ পুং ফাটি পলায়।

তিনিওটা ঘৰত জুই, ৰঙা জুই ভক্‌ভকাই জ্বলি উঠে,—হিলৈৰ দৰে কৰা, খুটা, মাৰলি ফুটাৰ শব্দ উঠে।

লখ্রাৰ ঘৰবাৰী শ্মশানৰ চিতাত ছাই হৈ যায়।· গাঁৱৰ ৰাইজৰ উখল-মাখল লাগে।

বুকুৰ জীউ আতিকৈ চেনেহৰ গাঁওখনি লখ্রা, ছেৱাৰী আৰু গাৱখো—এই তিনিও প্ৰাণী মুকুতিৰ বাটত বাজহৈ ওলাই গৈয়ে থাকে।

গাঁৱলীয়া ৰাইজৰ কোঢালৰ ফাঁকে ফাঁকে সখাযেক বৃদাৰুৰ মাত শুনা যায়।—"সখা! সখা॥"

নিলগৰপৰা লখ্রাৰ বুকু ভগা হিয়া ছিগা মাত ভাহি আহে,—"ককাদেউতা!· ককাদেউতা॥"

ভৰদুপৰীয়া আঁতৰৰ পথাৰৰপৰা কোনোবা গৰখীয়াই গীত গায়।—

"থানয্‌নি সংসাৰাও
গীনায্‌নি নাংনায়াও
যুজিগীন্ যুজিগীন্
জাংলাই যুজিগীন্
থৈনাহা লাগৈ যুজিগীন্॥

উন্দাজা দাগীথাৰ্
চিগাঙাও থু মাবাৰ
আগান্ছে আগান্নৈ
লীগীছে থাঙৈ থাঙৈ
ছুতুৰ্খৌ ফাছাপ স্রাংগৗন্ ॥
তুখুনি আখ্রাংযাও
গৌদান ছান্ মুজাবায়্
বিনি জোং-ছাৰ্ নাইয়াও
থৌম্ছীয়া ছৗৰাং জাবায :—
হোনৈ লামা মৌজাং
বিথিং থু থু ছিগাং
দেৰ্হানাই থিং লাংগৗন্ ॥
জৗংহানী জয্ জাগৗন্ ॥
যুজিগৗন্ যুজিগৗন
জৗংলাই যুজিগৗন্
থৈনাহা লাগৈ যুজিগৗন ॥

[ভাবাৰ্থ ঃ—
এই ধৰণীৰ
চিৰ মুকুতিৰ
ৰণ নিৰ্ভয়ে দিম ,—
কৰি আমৰণ
জীৱনৰ পণ
আমি মিলি যুঁজ দিম ॥
ডৰ ভয় নকৰিবি
পাছ-পিছ নপৰিবি
দোপে দোপে খোপে খোপে আগুৱাই
আগবাঢ়ো আহ্ বল ।

একেলগে মিলি একেছিপে গই ভাঙো শতৰুৰ বল ॥
কৰি আমৰণ
জীৱনৰ পণ
আমি মিলি যুঁজ দিম ॥...
দুখৰ কলীয়া আকাশত
নতুন সূৰুযে দিয়ে দেখা
ৰাঙলি বোলৰ পোহৰত
দেখোঁ মুকুতিৰ পথ-ৰেখা ,—
সেই পটিযেদি গলে আগুৱাই
দলিতৰ হব জয়
বিজয় নিচান দিম উৰুৱাই,
পুৰণিৰ হব ক্ষয় ॥
কৰি আমৰণ
জীৱনৰ পণ
আমি মিলি যুঁজ দিম ॥ •]

———

কুৰি বছৰ জেইল

গৌৰাং।

বৰ সৰল সি।

তাৰ মাত হাঁহি-চাৱনিয়েদি সৰলতা ফালি চিৰিৰি বাজ হৈ ওলায়।

জেলৰ এচুকত সি নিমাও-মাও হৈ খুটুপ-টুপ্‌কৈ বহি থাকে। সি কয়েদী। তাৰ মূৰত এটি ঘূৰণীয়া বগা টুপী—তাত পিতলৰ আখৰ 'চি' 'ও' চিক্‌মিককৈ জিলিকি থাকে। 'চি' 'ও' আখৰ দুটি পুৰালে 'কনভিক্ট ওভাৰচিয়াৰ'—মানে কয়েদীহঁতৰ ওপৰ-ওৱালা হয়। গাত দৰি বগা হাত-খৰা এডা চোলা, আৰু কঁকালৰপৰা ভৰিলৈকে ওলমা তেনে দৰি দিয়া চুঙাৰ ঠেঙা। কঁকালত পিতলৰ 'চাপ ৰাছ্‌' থকা হালধীয়া সেউজ বুলীয়া পেটি এডাল লিপিটকৈ মৰা। কান্ধত এডাল সৰু ৰছা কঁকাললৈকে লগুণৰ দৰে ওলমা, তলত এমূৰে এটা 'চিটি' বন্ধা। কাষত পানীৰে পূৰহৈ থকা এটা বাল্টি আৰু এলুমিনিয়ামৰ থাল-বাটি। ওচৰতে এটা সৰু কাপোৰৰ টোপোলাও।....সি দেৱাল-পহৰাত থাকে। পুৱা পাঁচোটাৰপৰা সন্ধিয়া পাঁচোটালৈ তাৰ 'ডিউটি'

তাৰ হিয়াখন চেনেহৰ মউ-কোঁহহে যেন। একো একোজন কয়েদীয়ে তাৰ ওচৰলৈ ভুমুকি মাৰি সেই মউ-কোঁহৰ বহঘৰৰপৰা চেনেহৰ মিঠা-মউ এচেলেকা মাৰি গুচি যায়।

সেই চুকতে মোৰ পঁজা।....'বি ডিভিজন'ৰ সৰু পঁজা।..

তাৰ সৰলতাই মোৰ মন আঁকুহি তাৰ ওচৰলৈ টানি নিয়ে। এদিন পুৱা। পুহ মাহ। কুঁৱলিৰে ধুঁৱলি-কুঁৱলি। উঠি মুখ-হাত ধুই-পখালি পঁজাৰপৰা বাজ হৈ বাহিৰত পোতাশালৰ দহ-হতীয়া গোটা বাঁহৰ চাৰি বেৰৰ মাজতে ঘূৰি ফুৰি তাৰ কাষ চাপোঁ।..

সি এটা বাটিৰপৰা 'মাৰি' (মাৰ-ভাত) খাই থাকে।..ক'লৈকো তাৰ কাণ-সাৰ নাই। সি তপত মাৰ হুপি হুপি টপ টপাই গিলে।

কাষ চাপি সোধোঁ,—"কি ৰে? কি নাম তোৰ?"

"গৌৰাং।"

"কি জাতি?"

"গোঁড।"

"কি কেইচ্?"

"খুন—জীৱ-হত্যা—মাৰ্ডাৰ।"

মই উচাপ খাই উঠোঁ, ভাবোঁ,—যাৰ হিয়াখন ইমান কোমল চেনেহৰ ৰহেৰে ভৰপূৰ সি আকৌ এনে পপীয়া মনৰ গৰাকী হয় কেনেকৈ? আচৰিত হৈ হেঁপাহ ভৰা মাতেৰে সোধোঁ,—"কাক নো খুন কৰিছিল?"

"একটা ছোটা ছোৱালী বাবু"—বুলি কৈ সি খাই অটাই জুঠা বাটিটোত বাল্টিৰপৰা পানী ঢালি মুখ-হাত ধুলে। বাটিটো আওখালি চুকৰ থালৰ ওপৰত থৈ মোৰ কাষলৈ আহি তিতা হাতেৰে মুখখন মছি মছি কয়,-"বহুত কথা বাবু।"

"এজনী সৰু ছোৱালী!"—এইষাৰ কথা নিখুঁটভাৱে মোৰ মুখৰপৰা ওলাই অজানিতে সৰি পৰে,—মনৰ কাৰেঙৰ ভিতৰ-চ'ৰাত হেঁপাহ, ধাউতি হাবিলাসে উগুল থুগুল লগায়,—চিক-মিকাই উঠে। কওঁ— "যাচোন, মোৰ চেয়াৰখন লৈ আহ।"

পঁজাৰপৰা চেয়াৰখন উলিয়াই সি মোৰ কাষতে থয়। মই বহি সোধোঁ,—"ক'চোন কিনো বহুত কথা। শুনোয়েইচোঁ।"

এটা হিয়া ছিগা, বুকু ভগা দীঘল হুমুনিয়াহ কাঢ়ি গৌৰাঙে কয়,—

"কি শুন্‌বি বাবু—বৰ দুঃখেৰ কথা। · বল্‌লে মোৰ বুকু ফাটি যায়, কলিজা টুকুৰা-টুকৰি হয়।"—

কাষতে আঠু কোঁচাই মাটিতে লেপেটা কাটি সি বহি পৰে। শুনিবলৈ মোৰ ধাউতি, হেঁপাহ, হাবিলাস দেখি তাৰ মনৰ তলাতল ঘৰৰ গহ্বৰ-চ'ৰাত তাৰো কবলৈ ধাউতি· হেঁপাহ হাবিলাসে খলক লগাই ফুৰে।

মই কওঁ,—"দে—ক।"

সি কৈ যায়,—"পহিলা মোৰ জীৱনৰ কথাটোকে শুনি লব বাবু।"

'বাৰু, কৈ যা।"

*　　*　　*　　*

তাৰ নাম গৌৰাং,—জাতিত গোঁড। সিহঁত তিনি ভাই। সিয়েই আটাইতকৈ মুমলীযা। তাৰ যেতিযা ষোল বছৰ বযস, তেতিয়া তাৰ বাপেক ঢুকায।

ভোলা চৰ্দাৰ। গৌৰাঙৰ বাপেক। বিহাৰৰ ৰাঁচীৰ ফালৰ মানুহ। মাৰ্ঘোৰিটাৰ ওচৰৰ 'পাৱেই' বাগিছাৰ ভোলা চৰ্দাৰজন কামত বৰ ভাল, গতিকে মেনেজাৰ চাহাবে তাক বৰ মৰম কৰিছিল· তাৰ হিয়াখন আছিল চেনেহৰ সঁফুৰা সেই সঁফুৰা মেলি সি তাৰ লগৰ লগৰীয়া সকলো আপোনজন বন্ধুৱাইঁতলৈ সমানে চেনেহ বিলাই দিছিল। সেইবাবে বুঢাইঁতে তাক মৰম কৰিছিল, কাণ সমনীয়াইঁতে ভাল পাইছিল আৰু কম বযসিয়াল ডেকাইঁতে বৰ মানিছিল। প্ৰতি শনিবাৰে সন্ধিয়াৰপৰা ওৰে নিশা যিহে লাইনে লাইনে ৰং উলাহত উখল মাখল দোলদোপ হেন্দোল-দোপ লাগি আছিল।··গোটেই "পাৱেই" বাগিছাখনেই ৰজনজনাই আছিল। · মাদলৰ গুম্‌গুমনি,—ঝুমুৰ· গীতৰ গুন গুননি,—নাচোনৰ হেন্দোলনি আৰু কত কি? ৰং ওপচা ৰংপুৰহে।

এদিন কাল সন্ধিয়া। পচিমৰ ৰঙা বেলি হালি পৰি বুৰ মাৰে। কেউপিনে এন্ধাৰে ছাটি ধৰে। · ভোলা চৰ্দাৰে চিৰকাললৈ চকু জপায়।

গিৰীয়েকক সাৰট মাৰি চৰ্দাৰণীয়ে আউলী জাউলী হৈ বুকু থাকুৰিয়াই হুৰাও ৰায়ে কান্দে,—কাষত বহি মাকক ধৰি ল'ৰা তিনজনে উচুপি উচুপি চকুলো টুকে। ভোলা চৰ্দাৰৰ সংসাৰখনত এন্ধাৰে ধৰে। সকলো এন্ধাৰ। সিহঁত অসহায় হয়।" কাৰখানাৰ কলো থামি যায়···

ডাঙৰ ল'ৰাজনে এজন চৌকীদাৰৰ গাৰী চলাই সংসাৰখন কোনো মতে চলায়,—ভোকে লঘোনে চাৰিওৰে জীউ কোনো প্ৰকাৰে তৰে।··

সিহঁতৰ দুখৰ দিনবোৰ এইদৰে বাগৰি যায়।··

এদিন পুৱা ··শাওন মাহ। আকাশত ক'লা ডাৱৰ চমকা চমক। মাজে মাজে মেঘৰ গিৰগিৰণি,—বিজুলীৰ চিকমিকনি। জোলোকে জোলোকে বৰষুণ।

দ'ত হেন কলঘৰে চুঙাযেদি মেঘতকৈ ক'লা ধোঁৱা উগাৰে,—কাৰখানাৰ 'চিটি' বাজি উঠে,—লগে লগে কাঁহৰ কোবৰ মাত টং টংকৈ মাতে। শুনি বুকু কঁপি যায়। মাহীমাকৰ খেং খেঙনি—খিচ্‌খিচনিহে যেন। দয়া নাই মায়া নাই।

ছটা···

ধাৰাষাৰ বৰষুণ। উপায নাই। পেটৰ জ্বালা। জাউৰি জাউৰি জুমে জুমে মিলি বনুৱা মতা তিৰোতা, বুঢা বুঢী, ডেকা গাভৰুহঁতে কাম জাৰিলৈ যায়।···কাৰোবাৰ মূৰৰপৰা পিঠিত ওলমি পৰা বেতৰ টুকুৰী,—কাৰোবাৰ কান্ধত কোৰ, খন্তা, হাতীয়াৰ।

লাইন খালী। কেৱল সৰু সৰু ল'ৰা ছোৱালী আৰু কেঁচুৱাহঁতৰ খিল্‌খিলনি—কল্‌কলনি—পেনপেননি। কিছুমানে উমলি খেলি থাকে। কিছুমানে বৰষুণত জিকি তিতি-বুৰি বোকা লেটিয়াই চোতালত গা পেলাই পৰি থাকে। মানুহ হৈও গাহৰিৰ জীৱন। হায় —সমাজ। কুৰি শতিকাৰ সভ্যতাৰ যুগতো আদিম যুগৰ বৰ্ব্বৰতা।···

পুৰণি লাইনৰ চুকত এটা ভগা কোঁঠালী। দুৱাৰ-দলিত বুঢীমাকে বেৰত আওজি কোঁচ খাই থকা আঠুৰ ঘিলাৰ ওপৰত সোঁহাতৰ কিলা-কুটি থৈ তাৰ মেলখাই থকা তলুৱাত তাইৰ সোঁতাৰা-স্তুতুৰি সোঁগাল

পাত ভেজা দি বেজাৰ মনেৰে বহি আছে। লৰ মাৰি বৰঘৰৰ ভিজি জুকলা-জুপুৰা হৈ গোৰাঙে আহি মাকক কয়,—"আই—আই।" ..

"কি?"

"ডাঙৰ ককাই আছে নে?"

"নাই। গাৰী লৈ ক'ৰবালৈ গ'ল।"

"সৰু ককাই?"

"সিও নাই। একো খাবলৈ নাপাই খঙত জ্বলি পকি ভোকে লঘোনে সিও গৰু চৰাবলৈ গ'ল।"

গৌৰাঙে মৰম লগাই কয়,—"আই"।

"কি?"

"খং নকৰিবি। এটা কথা কওঁ। বাধা নিদিবি?"

"কিনো কথা? নুশুনিলে মই কেনেকৈ জানিম?"

গৌৰাঙে কয়—'চা আই। কালি ভাত নাই—পৰহিও ভাত নাই। এইদৰে ভোকে লঘোনে কিমান দিন থাকিম? কাপোৰ-কানিও ফালি ছিৰি নাইকিয়া হ'ল। এই ফটা কানিৰে আৰু কিমান দিন লাজ ঢাকিম? আমি জানো পশু? মানুহ নহওঁ জানো? থকা খোৱাৰ দিহা মানুহেহে নিজেই কৰে। আমি মানুহ যেতিয়া কিবা এটা কৰিবই লাগিব। মই এইদৰে থাকিব নোৱাৰোঁ, আই। মোৰ জীৱন নষ্ট কৰিব নোৱাৰোঁ।"

'কি কৰিবি?"

"চাকুৰি।"

"কি চাকুৰি?"

"কি চাকুৰি নো আৰু? বাগিছাত কোৰ মাৰিম, কামজাৰি কৰিম। মজুৰি পাম, ঠিকা পাম—টকা জমাম, ডাল-ভাত-মদ খাম ভাল কোট ভাল পেণ্ট, ধুতি, গেঞ্জি, কামিজ কিনিম। মানুহৰ দৰে থাকিম, মানুহৰ দৰে পিন্ধিম, মানুহৰ দৰে খাম, বিয়া কৰিম, সংসাৰ পাতিম,—তোৰ এই বুঢ়া বয়সত তোক বাৰকৈ জিৰণি দিম।"...একে উশাহতে

গৌৰাঙে আবেগত কৈ পেলায়। তাৰ চুলিৰ আগেদি পানীৰ টোপাল টুপটুপকৈ সৰি পৰে। মাকৰ কাষত গা লগাই সি বহি পৰে। মাকৰ কথা শুনিবলৈ তাৰ মন উচ্ পিচাই থাকে। মাকৰ শুকান চকুৰ চুকেদি লো বাগৰি যায়। দুগাল তিতি চিকমিকাই উঠে।

আকাশত ডাৱৰে গিৰ্‌গিৰায বিজুলীয়ে এফাঁৰেকা নেজ মেলি চিকমিকায। চকু ছাঁট মাৰি যায়।

মূৰত বাজ পৰা যেন মাকে চকখাই উঠে।

"কি ?—তাই নক্‌ৰি কৰিবি ?"

"হয় আই। মই নক্‌ৰি কৰিম।" গৌৰাঙে ডাঠি কয।

"চা বেটা! তই এতিযাও ল'ৰা মানুহ—মোৰ পেট মছা ল'ৰা। মনত ৰাখিবি মোৰ ওচৰত তই এতিযাও কেঁচুৱা। তোৰ ওঁঠ টিপিলে গাখীৰ ওলায। আৰু তই কৰিবি নক্‌ৰি? তই কৰিবি চাকুৰি তোৰ হাড়্‌কেইডাল এতিয়াও দেখোন লোৰ দৰে টান হোৱা নাই.—গাৰ মঙহো এতিয়াও ভালকৈ বন্ধা নাই,—গোটেই দেহা এতিযাও কেঁচুৱাৰ দৰে লেউসেউ। কোনে কয়, তই ডাঙৰ হৈছ? মোৰ মানত তই এতিযাও কেঁচুৱা। জান—এতিযাও মই তোক কোলাত লৈ মোৰ পিয়াহ খুৱাব পাৰোঁ। এই বয়সত চাকুৰি কৰিবলৈ তোক কিহে পালে, হুঁ?

তই জানো পাৰিবি? কোৰ মাৰিব পাৰিবি?—ৰ'দত দহি জ্বলি পুৰি বৰষুণত তিতি ভিজি বুৰি কামজাৰি কৰিব পাৰিবি নে?—হুঁ বৰ ডেকাটো ওলাল।" মাকে এবাৰ ভৰি মেলি হাতখন কোলাত পেলাই পাগলীৰ দৰে খিল্‌খিল্‌কৈ হাঁহি উঠে, আকৌ ঘপহকৈ ল'ৰাজনৰ ভিজি সেঁতসেতীয়া হোৱা মূৰটো বুকুত লৈ হুকহুকাই কান্দে।

গৌৰাঙেও সোঁহাতেৰে মাকৰ কঁকালখন মেৰিযাই মাকৰ কোলাত মুখখন গুঁজি কান্দি কান্দি কয়,—"নহয় আই। মোক হকা বধা নকৰিবি। তই মোক মানুহ হবলৈকে জনম দিছ যেতিয়া, মই মানুহ হুম। পশু নহওঁ। মই কামানি কৰিম, নক্‌ৰি কৰিম, মোক মানা

নকৰিবি। তোক পালিম আৰু পিছত মই বিয়া কৰিম। তোৰ বোৱাৰীয়ে যে তোক খুৱাব ধুৱাব সুখত ৰাখিব। সংসাৰখন আকৌ বঢাম। মোৰ জীৱন মানুহৰ দৰে গঢ়িম। বোপাইৰ নাম—ভোলা চৰ্দাৰৰ মান প্ৰাণ দি ৰাখিম।”·

বাহিৰত বৰষুণ কমঝুমাই পৰে।··

মাকে পুতেকৰ গুঁজি থোৱা মুখখন কোলাৰপৰা তুলি ভালকৈ চায়। মুখত দৃঢ়তা আৰু সংকল্পৰ ৰেখা দৃঢ়তৰ দেখি তাই গৌৰাঙৰ দুগালত চুমা খাই তাৰ চকুলো মছি দিয়ে। পুতেকেও মাকৰ চকুৰ লোতক মছিবলৈ সেঁতোৰা সুঁতুৰি গালত হাত ফুৰায়। লোৰ দৰে টান সেই আঙুলি কেইটি মাকে অনুভৱ কৰে, তাৰ বাহু দুটাত ধৰি জোকাৰে। লোতকৈও কঠিন যেন পাই মাকে গৌৰাঙৰ কথাত পতিয়ন যায়।

“চা—বেটা। তোৰ বোপায়েৰৰ কথা নাপাহৰিবি। তাৰ নাম-মান-সম্মান সুঁৱৰি তোৰ কাম কৰিবলৈ ইচ্ছা আছে যদি কৰ। মই আৰু মানা নকৰোঁ। মানুহ হৈ জীৱন চলাবি। পশু নহবি। তোক মই আশীৰ্ব্বাদ দিছোঁ, তোৰ ভাল হব। তোৰ বাপেৰেও স্বৰ্গৰপৰা তোক আশীৰ্ব্বাদ দিব। বেটা তই বাঁচি থাক।” ··মাকৰ কথা শুনি গৌৰাঙৰ মুখখন ৰঙত উজলি উঠে, ওঠত হাঁহি সানি মাকৰ মুখলৈ এবাৰ চাই বুঢ়ীৰ ভৰি জোৰত মূৰটো থৈ সেৱা জনাই উঠে। সি কয়, “যাওঁ আই!”

“কলৈ?”

“অফিচ ঘৰলৈ।” মাকে পুতেকৰ মুখৰ ফালে চাই হাঁহি মাৰে। গৌৰাং গুচি যায়।· আকাশত মেঘ পাতলে,—শিমলু তুলাৰ দৰে উৰি ফুৰে। পূবে বেলিয়ে ভুমুকি মাৰি চায়। কলঘৰৰ চুঙিডাল জিলিকি উঠে। শাৰী শাৰী চাহ গছৰ পাতত থকা পানীৰ টোপালবোৰ তিৰ-বিৰাই উঠে।···কিনকিনকৈ বৰষুণ পৰে। পচিম আকাশত ধুনীয়া ধেনুভিৰীয়া সাতৰঙীয়া ইন্দ্ৰধনু বিৰিঙি উঠে। গৌৰাঙৰ মাকৰ মুখখনত ৰঙে ৰেঙাই ৰাঙে চৰায়।· গৌৰাং কেঁচুৱা নহয়, ল'ৰা নহয়,—চেঙেলীয়া চফল ডেকা। তাৰ মুখ টিপিলে গাখীৰ আৰু নোলায়, তাক কোলাত লবলৈ ঠাই আৰু নোজোৰা হয়—তাক খুৱাবলৈ গাখীৰ শুকাই পিয়াহো লেৰেলি যায়,—গাৰ গাঁথনি কট কটীয়াকৈ আঁটি বন্ধা,—দেহৰ হাড় লোৰ দৰে টান, শকত।· ·

অফিচত গৌৰাঙৰ লগত কিছুপৰ কথা হোৱাৰ পিছত মেনেজাৰ চাহাবে কয়,— 'তাই কাম কৰিব পাৰিবি ?"—"পাৰিম চাহাব।" "তোৰ বোপাইৰ নাম ?"—"ভোলা চৰ্দাৰ।" "ভোলা চৰ্দাৰৰ নাম শুনি চাহেবে বহুত পৰ ভাবি টলকা মাৰি ঘপৰাই চিঞৰি মাতে,— "কেৰাণী বাবু!"

কেৰাণী বাবুয়ে আহি চেলাম দি চাহাবৰ টেবিলৰ ওচৰত থিয় হৈ থাকে।

চাহাবে কয়,—"কেৰাণী বাবু। এই ল'ৰাজন ভোলা চৰ্দাৰৰ ল'ৰা। ই নকৃৰি বিচাৰে। ইয়াক মই চাকৰি দিম। ভোলা চৰ্দাৰে বহুত দিন নকৃৰি কৰি চাকৰিতে মৰিল। সি বৰ ভাল কাম জানিছিল। তাৰ চৰ্দাৰী কামৰ সময়ত বাগিছাৰো বহুত উন্নতি হৈছিল। তাৰ ল'ৰা যেতিয়া নিজেই চাকৰি কৰিবলৈ আহিছে, তাক মই ৰং মনেৰে লম।"

কেৰাণী বাবুয়ে কয়,—"ভাল চাহাব।"

চাহাবে সোধে,—"এই—। তোৰ কি নাম ?"

গৌৰাঙে নিৰ্ভয়ে ডাঠকৈ কয,—"গৌৰাং।"

চাহাবে কয়, "ঠিক আছে। কালিৰপৰা কামজাৰিলৈ যাবি। দিনে মজুৰি আঠ অনা আৰু ঠিকা চাৰি অনা পাবি,—বুজিছ ?

গৌৰাঙে কয়,—"ভাল চাহেব।"

চাহাবে কয.- "এইযা কলম। তই কলমডাল ছুঁই শপথ খাই ক— মই গৌৰাঙে ভালকৈ কাম কৰিম,—কেতিয়াও ফাঁকি নিদিম, আৰু নোকোৱাকৈ নপলাম।"

লগে লগে গৌৰাঙেও কলম ছুঁই শপথ খাই কয়,—"মই গৌৰাঙে ঠিককৈ কাম কৰিম—কোনো দিন কেতিযাও ফাঁকি নিদিম, চাহাবৰ বিনা হুকুমে বাগান ছাৰি নপলাম। আৰু জান. গলেও। হুজুৰৰ অমান্য নকৰিম।"

সিদিনাৰপৰা সি মজুৰি খটা কুলি "পাৱেই' বাগিছাৰ শ্ৰমিক বন্ধুৱা। নতুন উছাহেৰে সি কাম কৰে,—দিনৰ মজুৰি দিন খাটে,— ছয় সেৰীযা কোৰ মাৰি তেজক পানী কৰি হাড়ক মাটি কৰি সি বন কৰে,

ঠিকা মাৰে। দিনৰ মজুৰি দিনে পায়,—দিনৰ ঠিকা দিনে লভে—নিতৌ বাৰ অনাকৈ।

চৌকীদাৰে তবধ মানে,—চহাবে খুচী হৈ কয়,—"ভোলা চদাৰৰ বেটা যেতিয়া পাৰিবই। বাপেক চাই পুতেক। ন'বা হলে কি হব ?" ·

গৌৰাঙে কাম কৰি যায়। · মাটিৰ মানুহে মাটিৰ গুণ জানে। শ্ৰমৰ যাদুৰে মাটি ধুনি সিহঁতে সোণ উলিয়ায়, কাম বন নকৰা এলেহুৱা তেজ পিয়াহতে ফাঁকিৰে লুটি-পুটি নি খায়। গৌৰাঙো মাটিৰ মানুহ,—নিমাতী মাটিৰ কথা জানে, ভাষা জানে, গুণ জানে। শ্ৰমৰ যাদুৰে সি মাটি তল-ওপৰ কৰে। মাটিয়ে বশ মানে। গৌৰাঙৰ শ্ৰমে জিকে। তাৰ বিজয়ৰ ফল লাভ কৰে কোম্পানীয়ে। এইদৰে লাখ লাখ কোটি কোটি টকা লুটি কুবেৰহঁতে লাভৰ টোপোলাত ভৰায়। শ্ৰম শকতিৰ বলত গৌৰাঙৰ কোৰ বিজয়-গৌৰৱেৰে আগুৱাই যায়।—সি পশু নহয়, মানুহ। খোৱা পিন্ধা, থকাৰ ব্যৱস্থা এইদৰে সি নিজ শকতিৰে নিজে কৰে,—পশুৰ দৰে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ নকৰে। কাৰণ সি মানুহ। গাতকে সি মানুহ হব বিচাৰে। ভোলা চৰ্দাৰৰ পুতেক গৌৰাং পশু নহয়, মানুহ হয়। তাৰ বলিষ্ঠ বাহুৰ জোৰেৰে কোৰ মৰা তাৰ ছয়-সেৰীয়া লোৰ কোৰে মাটিৰ বুক ফালি যায়,—ধৰণীৰ বুকু সোণৰ খেতিৰ উপযোগী কৰি তোলে,—সি দুখৰ বোজা মূৰত লৈ জীৱন নিয়ায়,—বিষাদৰ সাগৰত বুৰি উটি ভাহি ফুৰে আৰু ধন কুবেৰহঁতে সেই সোণ কুৰুকি নি টকাৰ পাহাৰ তোলে, মজা লুটে।

গৌৰাং ডেকা। ভৰ যৌৱনে তাৰ গাত থান্ থিত লয়। তাৰ গোটেই দেহৰ গাঁথনি পুৰঠ হৈ উঠে। অকলশৰীয়াকৈ আমন্-জিমন্ ভাৱে নিৰলে বহি থাকিলে তাৰ মন কেনেবা কেনেবা কৰে, উৰুঙা উৰুঙা লাগে,—উকা উকা ভাৱে তাৰ মন-কাৰেঙৰ ভিতৰ কোঁঠালীত লুকা-ভাকু খেলে।···সপোনত লাজ কুঁৱৰীহঁতে ওৰণি গুচাই তাৰ হিয়া দেউলত নঙঠা হৈ নাচে। তাৰ মনে কি বিচাৰে—কাক বিচাৰে ?

ফুলমণি এজনী গাভৰু,—চুকু পানীৱালাৰ জীয়েক।··ক'লী হলেও তাই ধুনীয়া, লাৱনী। চকুজুৰিত কিবা মোহিনী যাদু আছে, দেখিলে হিয়া-মন আঁকুহি টানি নিয়ে। ঠিয় উঠন বুকু দুটা খোজৰ ছেৱে ছেৱে কঁপনি উঠাৰ লগে লগে ধপ ধপ্‌কৈ বগা ফুলপাৰী

শৰীৰত বুকুৰ ওচৰত ঢৌ খেলি যায়। মিচিকি হাঁহি সদা কুলিৰ দৰে মিঠা মাতত মউ বৰষে,—শুনিলে উচাটন মন বলিয়া হয়। খোজ কাঢ়িলে 'কৰঙনৰ গতিৰ লগে লগে তপিনা দুটাৰ দু-চপৰা মঙহো থৰক বৰককৈ নাচি কঁপি উঠে, চকুত পৰিলে মনত নাচোন উঠে। সুগন্ধি তেল সনা কেচ্ কেচ্ কৰে কলা চুলিটাৰি চিকণকৈ ফনিয়াই বন্ধা লিখিৰী লুধুম্ ধুমীয়া খোঁপাটোৰ চাৰিওফালে গুঁজা নানা বৰণীয়া ফুল চকুত পৰিলে ভোমোৰাৰ দৰে তাইৰ কাষে কাষে উৰি ফুৰিবৰ মন যায়। মুঠতে তাই ধুনীয়া, লাৱনী, চিকণী,—ভৰ-পূৰঠি গাভৰু।

শ্ৰেণী-সমাজৰ ব্যৱস্থাত তাই বনুৱাৰ জী দুখীয়া মজুৰণী হলেও প্ৰকৃতিৰ ব্যৱস্থাত তাই পূৰঠি, যৌৱন-পুৰীত চহকী।· প্ৰকৃতিৰ সহজ-ৰাজ্যত তাই ৰাণী, বৰকুঁৱৰী, আৰু তাইৰ দেহৰ ৰাজ্যত পূৰ্ণ শাৰীৰিক অবয়ৱৰ গৰাকী।

কিনো,—কোন নো?—গৌৰাঙৰ আলিয়া-বলিয়া চাৱনিয়ে ইফালে সিফালে চাই ফুৰে,—তাৰ আউল মনে অ ত ত'ত ফঁহিয়াই ফঁহিয়াই খেপিয়াই খেপিয়াই বিচাৰি ফুৰে।

সৌজনী কোন? ফুলমণি! নতুন লাইনৰ চুকু পানীৱালাৰ জীয়েক—ফুলমণি। গৌৰাঙৰ চোকা চাৱনিৰ তীখা কাড ফুলমণিৰ দেহাত বিন্ধে। বিষত শৰীৰ পিৰ্‌পিৰায়। তাই আহত পখীৰ দৰে ধৰ্‌ফৰাই থাকে। গৌৰাঙৰ গভীৰ হিয়াৰ আকুল ধাউতিয়ে ফুলমণিৰ হিয়াৰ আকুল ধাউতিয়ে ফুলমণিৰ হিয়াৰ কাৰণে ইনাই বিনাই ফুৰে। তাৰ প্ৰতি অঙ্গই ফুলমণিৰ প্ৰতিটি অঙ্গৰ কাৰণে আকুলি বিকুলিকৈ থাকে। মনৰ ক্ষুধা তীব্ৰ হয়। তাইৰ ভোকেও নসহে।

চাহৰ গলিয়ে গলিয়ে ফুলমণিৰ জীৱন-শৰীৰে বেতৰ টুকুৰীটো পিঠিত ওলোমাই লৈ চাহৰ কুমলীয়া পাত কেইখিলা পাকৈত হাতেৰে ছিঙি টুকুৰীত ভৰায়। গৌৰাঙৰ চকুজোৰ মাটিৰপৰা আঁতৰি ফুলমণিৰ পাছে পাছে ঘূৰে। কোৰ থাকে পৰি, মাটিত চাব নপৰে, কোৰে নাযায়।

ফুলমণিৰ ফুল্ বুঢ়নী। তাই গৌৰাঙৰ মোমায়েকৰ জীয়েক। গৌৰাঙৰ ঘৰত সদায় তাইৰ অহা যোৱা। সৰুতে তাই ফুলমণিৰ সৈতে ফুল (বা সখী) পাতিছিল। সিহঁতৰ দুজনৰ বৰ মিল। সিহঁতে একেলগে কামজাৰিলৈ যায়, একেলগে উভতি আহে। ইজনীয়ে

সিজনীক এৰি এখন্তেকো থাকিব নোৱাৰে। একে লগে শোৱে, একেলগে উঠে, একেলগে খায়, একেলগে কামলৈ যায়। মুঠতে সিহঁত দুয়োজনীৰ এক দেহ—এক প্ৰাণ। ··

"সৌজন তোৰ ককাইদেউ নহয় নে, ফুল।"—ফুলমণি থাকিব নোৱাৰি সোধে।··

"এৰা জেঠাইৰ সক পুতেক।" ·

তাইৰ মনত কিবা এটা ভাবে থৌকি বাথৌকি কৰি উঠে। মুখেৰে কিবা কব খোজে, লাজে আগচি আহি হেঙাৰ দিয়ে। মুখৰ কথা মুখতে লেবেলি শুকাই নাইকিয়া হয়,—হিয়াৰ ভিতৰত হেন্দোলনি উঠে। তাই নিজকে পাহৰি যায়।

মনে আকৌ ঠাই লয়। ফুলমণিয়ে খৰধৰকৈ পাত ছিঙে।·· আঁতৰত কোৰ মৰা কামত গৌৰাঙৰ আৰু মন নবহা হয়। চাহাবক কৈ পানীৱালাৰ কাম কৰে। চাহৰ গলিয়ে গলিয়ে পানীৰ ভাৰ লৈ চাহ গছৰ গুৰিয়ে গুৰিয়ে,পানী দিযাৰ যোগান সি দিয়ে। · সি আৰু ছয় সেৰয়া কোৰ নোছোৱে। ফুলমণিৰ কাষ পাবলৈ সুবিধা সি পায়। পহিলা দিনাই গৌৰাঙে পানী-ভাৰ লৈ ফুলমণিয়ে পাততোলা গলিৰ ভিতৰলৈ গৈ চাহ গছৰ 'পাহী'ৰ (শাৰীৰ) কাষ চাপি ভালকৈ তাইক চাবলৈ সুযোগ মিলে। ····দুয়োৰে চাৰি চকুৰ মিল হয। ফুলমণিৰ চকুজুৰিয়ে কিবা যেন মাগে, কিবা যেন বিচাৰে। গৌৰাঙৰ মন চাকনেযাত ঘূৰি পাক খাই ফুৰে।

সিদিনাৰপৰা দিঠকে সপোনে কেৱল ফুলমণিহে ফুলমণি। ··খাওঁতে ফুলমণি, শোওঁতে ফুলমণি উঠোঁতে ফুলমণি, বহোঁতে ফুলমণি।

ফুলমণিৰো সেই একে গতি। তাইৰ দেহ-পুৰত প্ৰতি টোপাল তপত তেজে যেন গৌৰাঙক লাগে লাগে বুলি খলকনি লগাই ৰিম্ ঝিমাই ফুৰে,—তাইৰ দেহা কুলত সেই খলকনিয়েই হেলেপনি তুলি দেহময় শিহৰণ জগায়,—প্ৰতি অঙ্গই কিবা ৰাগীত মতলীয়া হৈ জাগি উঠে। ·· লাজে আগচি আকৌ হেঙাৰ দিয়ে। ফুলমণি মৰহি যায়।· ·

দিন যায়,—কালৈকে নৰয়। কল ঘৰতো ঘৰঘৰণি তুলি কল নিতৌ চলি থাকে,—চুঙায়েদি ক'লা ধোঁৱা উগাৰি এৰে,—চিটি বজাই মাজে মাজে কান্দি উঠে।

বুকু ভাগি যায়, তেওঁ মুখত ৰাও এষাৰো নোলায়। দুটি হিয়া গুপুতে গোপনে নিজানে নিৰলে উচুপি উচুপি কান্দে, দুটি কলিজা মোহাৰি দুমুনিয়াহৰ ধুমুহা বয়।

এদিনাখন পানীভাৰ লৈ গৌৰাঙে চাহৰ গলিযেদি গৈ আছে। বুড়ুনীক দেখা পাই সি সোধে,—বুড়ুনী। তামোল আছে?" বুড়ুনীক কোনো সুবিধা নিদি ফুলমণিয়ে আগুৱাই আহে, কোঁচৰপৰা এটা টেমি উলিয়াই ঢাকনিখন মেলি দুখিলা পাণ আৰু তামোল দুফাল গৌৰাঙৰ ফালে আগবঢ়াই দিয়ে। গৌৰাঙে তাকে লৈ গুচি যায়। এফাল তামোল আৰু এখিলা পাণ মুখত ভৰাই বাকীখিনি বুকুৰ জেপত ভৰাই থয়। —গৌৰাং চকুৰ আঁতৰ হয়, ফুলমণিৰ হিয়াপটত নিজৰ ছবি ছাব মাৰি সি যায়। ইমান কথা অথচ দুয়োৰো এষাৰো মাত নোলায়। দুয়াৰে মনত ধিক্কাৰ আহে। নিজৰ চিতা নিজেই সাজে। মনৰ বোজা বেছিকৈহে বাঢ়ে। চিন্তাৰ অগনি ভকভকাই জ্বলি উঠে। সেই তামোল সেই পাণ। তাকে গৌৰাঙে যতনে থয়। কোনোবা বাবুৱে পেলাই থোৱা চিগাৰেটৰ বাকচ বুটলি তাৰ ভিতৰত চিচা-পাত উলিয়াই তাৰে সি ঘৰ চেনেহেৰে সেই ফাল তামোল আৰু সেই খিলা পাণ মেৰিয়াই জেপত থয়, এবাৰ উলিয়াই চায় আকৌ সুমাই থয়। তাতে সি ফুলমণিৰ পৰশ লভে। তাতে তাৰ কুলাই পাচিয়ে নধৰে উলাহ, তাতেই তাৰ হেপাহ ভৰা ৰং ওপজে। ফুলমণিৰ ভাবে তাক বেছিকৈয়ে মতলীয়া কৰি তোলে। বলিয়াদেৱে তাৰ গাত লম্ফি দেওধনি উঠে। তাৰ মন ছাটি-ফুটি থাকে।...

বহু দিনৰ পিছত।...

"এই পাগলা। তামোল খাবি? ল।" ফুলমণিৰ এষাৰ মাত শুনিবলৈ তাৰ বৰ ধাউতি। সি ওচৰ চাপে, তামোল লৈ মুখত ভৰায় আৰু ৰং মনেৰে গুচি যায়। আঁতৰৰপৰা ঝুমুৰগীত গাই খালী টিঙত চাপৰ দি ৰঙৰ বোজা সি পাতলায়।

কামজাৰি ছুটি হয়। সকলোৱে—কিছুমানে কোৰ, খন্তি, হাতীয়াৰ কান্ধত লৈ—কিছুমানে পাত-ৰোজ বেতৰ টুকুৰী পিঠিত ওলোমাই পাত-ঘৰমুৱা হয়। গৌৰাং আৰু ফুলমণি পাছ পৰে।

"চা ফুলমণি। মই জানো চিৰকাল তোৰ কাৰণে পগলা হৈয়ে

থাকিম ? খৰালিৰ দিহিং নদীৰ বুকুত পাৰত পৰি থকা শুকান বালি-চৰৰ দৰে মোৰ জীৱনটো শুকাই তই কিনো ৰং-তামচা চাই ভাল পাইছ ?”—আবেগত গৌৰাঙে একে উশাহতে কৈ পেলায়।

“মযো জ্বলি-পুৰি মৰিছোঁ। ই মোৰ ৰং তামচা নহয়। যি দেখিছ সি মোৰ চিতাৰ জুইৰ ধুনীয়া ফিৰিঙতিহে। তই নিজৰ কথাহে ভাবিছ, মোৰ অৱস্থাৰ কথা যদি এবাৰ গুণি-গাঁথি চালিহেঁতেন ?· ”ফুলমণিযে লাজৰ জাল ফালি এইষাৰ কথা কয়। ·তাইৰ চকু ছলছলীয়া হয়।··· বুঢ়নীয়ে কুৰি খোজমান আগে আগে গৈ থাকে। ·

“আহচোন ফুল, বেগতে আহ। কিয় পাছ পৰি আছ ?”—বুঢ়নীয়ে আগৰপৰা ডিঙি ঘূৰাই মাতে।

“যাচোন ফুল্ –গৈ থাক। মই দেখোন গৈয়েই আছোঁ। ফুল-মণিৰ কথা শুনি বুঢ়নীয়ে নৰৈ তাইৰ খোজ আগবঢ়াই থাকে।

গৌৰাঙে কয়,—“সঁচাকৈয়ে ফুলমণি, মই তোক মন খাইছোঁ। তই মোৰ মন চুৰ কৰি নিছ যেতিযা, মই বাৰু কেনেকৈ বাঁচি থাকোঁ, ক’চোন ?”

ফুলমণিযে কয়,—“আৰে পাগ্‌লা, তই মোৰ দুৰৱস্থাৰ কথা অলপো নাভাব নে ? এৰা, তই ৰাইকহ—কি ভাবিবি ?”

গৌৰাঙে কয়,—“কিনো ৰাইকহ হ’লো,—কিনো নভবা হলো ?”

“তই মোৰ মন খাইছ বুলি তই নিজেই কৈছ। সেই কাৰণে তই মন-ৰাইকহ।

‘আৰু সিটো ?”

“অভাৱৰ কথা। মন নহলে মই বাচোঁ কেনেকৈ ?”—কৈয়েই ফুলমণিয়ে চকুলো শাৰীৰ আঁচলেৰে মছে।....

“পাগলীজনী। কিয় কান্দিছ ? চকুলো টুকিছ কেলৈ ? মই জানো তোক এৰিম ?. কেতিয়াও নেৰোঁ—কাহানিও নেৰোঁ।··আমাৰ দুয়োৰে আজিৰপৰা একেটা মন। হ’ল তো। মন বাৰু খালোঁ। আন এটা মন আছেই দেখোন।”

“তইযেই জান ? তই যি কৰ।”

“পাগলীজনী, তইয়েই জান ? তই যি কৰ কৰ।”

বুঢ়নী বৈ যায়। সিহঁত দুয়ো তাইৰ কাষ পায়। মুখেদি

ওলাব খোজা কথা কেইষাৰ আৰু হিয়াৰ তলাতল ঘৰৰ ভিতৰ কোঁঠালীত সোমাই লুকাই যায়। ··পাত-ঘৰ পায়েই ভিৰৰ মাজত সিহঁত নাইকিয়া হয়।

দিনৰ চকা ঘূৰাৰ লগে লগে, সিহঁতৰ দুয়োৰে পীৰিতিৰ চেৰেকীও ঘূৰিবলৈ ধৰে। কলঘৰৰ চকা নিতৌ ঘূৰিয়েই আছে, এদিনো নৰয়, এদিনো নাথামে। ·

এদিন হঠাতে ফুলমণিৰ কোঁঠালীত চৰক্ পৰে। চুকু পানীৱালাৰ দেহৰ সঁজাৰপৰা পৰাণ-পখি উৰি যায়। ফুলমণিৰ মাকৰ ইননি-বিননিয়ে গোটেই নতুন লাইনৰ ওপৰত বেজাৰৰ কুঁৱলিজাল মেলি দিয়ে। তাইৰ আলৈ বিলৈ দেখি সকলোৰে অন্তৰত বেজাৰে খুন্দা মাৰে। ফুলমণিৰ ককায়েক—বাগৰাইৰ পৰাণে এনে করুণ দৃশ্য দেখি নসহা হয়। শোকৰ তীখা-কাঁড়ৰ বিন্ধা খোৱাৰপৰা হাত সাৰিবলৈ সি সেই নতুন লাইনকে এৰিবলৈ থিৰাং কৰে। এদিন বাপেকৰ জমা টকাৰে বৰ-পাৰেই আৰু সৰু-পাৰেই বাগিছাৰ মাজৰ আঁক বন্ধা সৰু গাঁৱত বাৰ বিঘা মাটি কিনি তাত ঘৰবাৰী সজাই টালি টোপোলা বান্ধি লৈ নতুন লাইন এৰি গুচি যায়। ফুলমণিৰ মনে এটা আশ্ৰয় হেৰুৱালেও আন এটা আলমৰ আশাত তাইৰ কুমলীয়া জীউ বান্ধি নিয়ে।

চাহাৰক কৈ মেলি গৌৰাঙেও কিছু টকা মেনেজাৰৰপৰা গিৰমিট্ (আগধন) লৈ বাগিছাৰ ওচৰৰে তিকগাঁৱত চাৰি বিঘা মাটি কিনি ঘৰবাৰী সজাই পুৰণি লাইন এৰি সপৰিয়ালে উঠি আহে। সকলো তিতা মিঠা পুৰণি সোঁৱৰণি সোপাকে এৰি সিহঁতে সেই তিকগাঁৱতে বসতি কৰিবলৈ ধৰে। লাহে লাহে গৰু-ম'হ-হাল কোৰ কিনি এটা সৰুসুৰা গৃহস্থালিকে সি পাতে।

দুয়োৰে ব্যৱস্থাৰ ইমান সলনি হলেও সিহঁতৰ পীৰিতিৰ কোনো সালসলনি নহয়, দিনক দিনে চৰিহে যায়।

সন্ধিয়া। ··আঁউসী নিশা। খোপমৰা এন্ধাৰ। দোকান ঘৰ। গৌৰাঙে ফুলমণিক সেই দোকান ঘৰতে লগ পায়।

"পাগলী। দোকানলৈ আহিছ। কি কিনিবি?"—গৌৰাঙে সোধে।

"খোৱা তেল।—তই?"···ফুলমণিৰ মউ-বৰষা কথাষাৰ শুনি গৌৰাঙে সেহাই সেহাই কয়,—"কিনো আৰু কিনিম? কেৰাচিন।··

ছুয়ো নিমাত।···দোকানৰপৰা একো নোকোৱাকৈ ফুলমণিয়ে মিচিকৃকৈ হাঁহি ওলাই যায়। গৌৰাঙেও তাইৰ পাছ লয়।···

এন্ধাৰ। গোটেই পৃথিৱী নোহোৱা হয়। কেৱল ছুটি প্ৰাণী আলিয়েদি এন্ধাৰত ওচৰা-ওচৰিকৈ খোজ কাটি যায়।···

"চা—পাগলী। তই যদি আজি হেঁপাহ পূৰণ নকৰ, তেন্তে মই কি কৰিম জান?—মৰিম।"—কেৰাচিনৰ বটলটো তুলি গৌৰাঙে কয়—"এই কেৰাচিন গাত ঢালি জুই জলাই মৰিম।—দেহৰ জ্বালা সেই জুইত পুৰি শেষ কৰিম।" ·এন্ধাৰপৰা গৌৰাঙৰ আৱেগভৰা চোকা কথাৰ জোং ফুটি ওলায়।

"নহয়, নহয়—সেইদৰে নকৰিবি—নমৰিবি।—মই যে তোৰ—তোৰেই। এই মন যে তোৰ—এই মন যে তোৰ—এই দেহা যে তোৰ। বলিযালি নকৰিবি।"—ফুলমণিয়ে গৌৰাঙক সাৱট মাৰি ধৰে, মূৰটো তাৰ বুকুত গুঁজি থয়। এন্ধাৰে আবৰি সিহঁত ছুয়োকে লুকুৱাই থয়।

গৌৰাঙে ফুলমণিক সাৱটি লয়। তাইৰ মুখে গালে চুমাৰ লালতি বুলায়, ছুটা বাহুৰে কটকটীযাকৈ আঁটি বান্ধি পেলায়। মাত নাই, কথা নাই, ভাষা নাই। কেৱল বুকুৰ ধুকুধুকনি।

আকাশৰ তৰা, ধৰাৰ গছ-গছনি পৃথিৱীৰপৰা সকলো আঁতৰি যায়। কেৱল ছুটা প্ৰাণী—গৌৰাং আৰু ফুলমণি—আলি-বাটৰ ধুলি লেটিযাই মাটিত সাৱটা-সাৱটিকৈ এক হৈ পৰি থাকে।

তেজ-মঙহৰ সোৱাদ। নতুন ৰাগী। সৰগহেন সোমৰহহেন সোৱাদৰ ৰাগীত গৌৰাং মতলীয়া হয়। ঘৰত তাৰ টোপনি নাহে। উজাগৰে থাকি নানান ভাৱে তাক বলিয়া কৰি তোলে। শোৱাপাটিৰ-পৰা ঘপহকৈ সি উঠে। ঘৰৰ বাজ হয় বুঢ়ীমাকে কাঁহে।··

আঁউসী নিশা।·· ঘোপমৰা এন্ধাৰ। কল ঘৰৰ কাঁহত টং টংকৈ বাৰটা বাজে। অজানিতে সি ঘৰৰ বাজ হৈয়েই আলি বাটত থিয় হয়,—ভৰিজোৰে নিজেই আঁক-বন্ধা গাৱঁৰ ফালে খোজ লয়।···

ফুলমণিৰ ঘৰ।··ঘোৰমৰা এন্ধাৰ। একোকে নমনি। আকাশত তৰা আৰু পৃথিৱীত জোনাকী পকৱা তিৰ্‌বিৰাই থাকে।···নিজম-নিমাত।···নিশিৰ-শিৰ।—

ফুলমণিৰ শোৱা কোঁঠালীৰ কাষত বেৰৰ বাহিৰত গৌৰাঙে এডাল শুকান বাঁহ ভাঙে শব্দ দই মাতে।

বুঢ়ীয়ে সাৰ পাই চিঞৰি উঠে,—"এই চাচোন ক'ৰবাৰ গৰু আহিছে নেকি ?"

ফুলমণিৰ টোপনি নাভাঙে।··

আকৌ বাঁহ ভঙাৰ মাত।...

"ফুলমণি। উঠ।" ·বুঢ়ীৰ কথা শুনি ফুলমণিয়ে সাৰ পায়। তাই সোধে—"কি হ'ল ?" "জানো বাহিৰত চোৰেই নে গৰু। কিহবাৰ শব্দ দেখোন।"—বুঢ়ীয়ে কয়। উঠি দেচেলাইৰ বাকচ আৰু চাকি এন্ধাৰত তাই খেপিয়াই ফুৰে।

গৌৰাঙে লাহেকৈ হাতত সাৰে ভৰিত সাৰে কাঁথিৰ ওপৰত উঠি এখোজ দুখোজকৈ দুৱাৰৰ ফালে আগুৱায, দুৱাৰখন লাহেকৈ মেলি মূৰটো সুমায়।·

টক্। এটা মাথো শব্দ। ফুলমণিৰ ককাযেক বাগৰাইয়ে মনে মনে সাৰ পাই ·শোৱাপাটিৰপৰা উঠি এডাল টোকোন লৈ দুৱাৰদলিত ভিতৰৰ ফালে চুপা দি থাকে। গৌৰাঙে মূৰটো সোমাই দিযাৰ লগে লগে সি এটা কোব গৌৰাঙৰ মূৰত শোধায়—টক্। তাৰ মূৰত বৰ আঘাত লাগে। টপটপকৈ তেজ মজিযাত পৰে। গৌৰাঙে একো কব নোৱাৰা হয়, চকুয়েদি জুইৰ ফিৰিঙটি ছিটিকি ওলায়,—সেইভাঁজে সি কিমান পৰ থাকে কব নোৱাৰে। কোনোমতে বেৰত ধৰি থিয দি থাকে, পৰি নাযায। বাগ্ৰাযে আকৌ কেৱে নজনাকৈ টোকোনডাল কাষত থৈ শোৱাপাটিত বাগৰে। অলপ জ্ঞান হোৱাত গৌৰাঙেও নিজৰ দেহ টানি ওলাই যায। নঙলা-মুখত অলপ পৰ বৈ সি গাত বল আনে উশাহ লয।

কিহৰ শব্দ। দেচলাই ক'ত। ফুলমণিযে খেপিয়াই বিচাৰে।·

দেচলাইৰ কাঠি জ্বলে। ঘৰৰ কোঁঠালীত চাকি জ্বলি উঠে। চাকি লৈ ফুলমণিযে ওলাই আহি চোতালত ভৰি দি ইফালে সিফালে চায়। চাকিৰ পোহৰত ফুলমণিৰ মুখ জিলিকি উঠে। সেই জুইত চগাৰ দৰে জাঁপ দি পৰিবলৈ সি ছটফটাই থাকে।··ফুলমণিয়ে একো নেদেখি ঘৰৰ ভিতৰলৈ সোমাই দুৱাৰ জপাই চাকিটো নুমাই বিছনাত বাগৰে। নঙলা-মুখৰপৰা গৌৰাঙে গুচি এন্ধাৰত মিলি যায়।·

পিছদিনা।· আগদিনাৰ সোঁৱৰণি সুঁৱৰি সুঁৱৰি উপচিপৰা উলাহত ফুলমণি ৰাংঢালী হৈ উঠে। ৰঙিলী পখিলীৰ দৰে গলিয়ে গলিয়ে পাত তুলি থাকে। ৰঙত ৰচকী হৈ গুণ্‌গুণকৈ গীত এফাকিও মাজে মাজে গায়,—আৰু তাইৰ চকুজুৰিযে গৌৰাঙক ইফালে সিফালে চাৰিওফালে বিচাৰি ফুৰে। গৌৰাঙক নেদেখি তাই হতাশ হয়। তাইৰ মুখৰ ৰং মুখতে কেহুৰাজৰ পাতৰ দৰে ক'লা পৰি যায়। উচাটন চকুত বিষাদৰ ক'লা ছাঁ ছাটি ধৰে।·

গৌৰাং নাই। তাইৰ হিযাৰ জীউ বুকুৰ কলিজা গৌৰাং পগলা নাই। তাই শুইন্ শুইন ভাবে। মৰুভূমিৰ তপত বালিৰ তাপে দেহা-মন-কলিজা দহি জ্বলি পোৰে।·

"কি হ'ল ৰে তোৰ, ফুল?" - বুড়ুনীয়ে মাতে।

"একো হোৱা নাই।"—বু ল আথে বেথেকৈ কৈ ফুলমণিযে আল ফুলকৈ তিনপতীয়া কুমলীযা পাত ছিঙে।

এনেতে গৌৰাঙৰ সখায়েক বুড়ুই পানীভাৰ লৈ সিহঁতৰ কাষ চাপে।

বুড়ুনীয়ে সোধে,—"গৌৰাং দাদা দেখোন আজি নাহিল। কিহৈছে?"

বুড়ুই কয়,—"কি আৰু হব? কালি বোলে সি মদ খাই ক'ৰবাত প ৰল। মূৰ ফাটি গৈছে।"

ফুলমণিৰ বুকু চৰিংকৈ উঠে। সেই ছুৱাৰদলিত পৰি থকা তেজৰ কথা তাইৰ মনত পৰে। আৰু বহুত কথা। তাইৰ বুকু ধপধপায়। বুকু গুচি যায়। বুড়ুনীয়ে নিজৰ কামত মন দিযে। ফুলমণিৰ মূৰ ঘূৰাব ধৰে। চকুৰে তাই এন্ধাৰ দেখে। কাণ তুখন পুৰিবলৈ ধৰে। চকু-জুৰিযেদি তুৰতুৰকৈ চকুলো বৰলৈ ধৰে। তাই থিয় হব নোৱাৰি বহি পৰে। তাইৰ মনৰ আশাৰ পুলি মনতে লেৰেলি যায। তাই একোকে কব নোৱাৰা হয়।

আকৌ সন্ধিযা। সেই দোকান ঘৰ। তুয়োৰে পুনৰ দেখা দেখি। গৌৰাঙৰ মূৰ ফটা কানিৰে বন্ধা। ফুলমণিৰ বুকু আকৌ চিৰিংকৈ উঠে —কলিজা ছিঙি পৰে।

লেহেতিযাই চেনেহৰ ফুলমণিয়ে মাতে, "পাগ্‌লা।"

গৌৰাং নিমাত নীৰৱ। তাৰ মুখত এষাৰো মাত নাই। শিলৰ দৰে নিথৰ, অলৰ-অচৰ। চকুৰ চাৱনিও থিৰ।··

ফুলমণিয়ে আকৌ মৰমসনা মাতেৰে মাতে,—"পাগ্‌লা।"

গৌৰাঙে কোনো কথা নোকোৱাকৈ উচাট মাৰি দোকান ঘৰৰ-পৰা ওলাই যায়। ফুলমণিয়ে কিছুপৰ'ৰ লাগি চাই থাকে। অলপ পৰৰ পিছত তাইও ওলাই যায়।

এন্ধাৰ। একোকে নেদেখি, একোকে নমনি। আগে আগে গৌৰাঙে গৈ থাকে। তিনি আলিৰ ওচৰ পাই সোঁফালে ঘূৰিবলৈ খোজোঁতে ফুলমণিয়ে উধাতু খাই লৰ মাৰি আহি তাক থাপ্‌ মাৰি ধৰে।...."মোক এৰি তই ক'লৈ যাবলৈ ওলাইছ, মোৰ জীউ?"—ফুলমণিৰ মাত শুনি গৌৰাঙে নিজৰ গা জোকাৰি এটা ঠেলা মাৰে। ফুলমণিয়ে আঁতৰত ছিটিকি মাটিত বাগৰি পৰে।.."দুষ্ট। ফাঁকিবাজ। তোৰ সকলো ফাঁকি—সকলো বদমাইচি।—মোক কালি তোৰ ঘৰত ককায়েৰৰ হতুৱাই মাৰ খুৱালি?—এতিয়া আহিছ মোক ফুচুলাবলৈ, ভুৰুকাবলৈ। পিশাচিনী।...গৌৰাঙৰ এনে ভাবিব নোৱাৰা গোজৰণিমৰা মাত শুনি ফুলমণি আচৰিত হয়। তাই একো গমকে ধৰিব নোৱাৰে, ভাবিব নোৱাৰে। পৰাৰ অৱস্থাৰপৰা উঠি তাই কাষ চাপি কয়—"মই একোকে বুজিব পৰা নাই। কি হৈছে ক।—নাই,—বল সেই গলিৰ ভিতৰত মুখামুখিকৈ বহি সকলো শুনো, আহ্‌।" বুলি কৈ তাই তাক হাত ধৰি গলিৰ ভিতৰলৈ জোৰকৈ টানি নিয়ে।

..চাহৰ গলিৰ ভিতৰত চিকুণাই থোৱা সেই ঠাইডুখৰি। দুয়ো মুখামুখিকৈ বহে।"...ক এতিযা।"—ফলমণিৰ কথা শুনি গৌৰাঙে আগ নিশাৰ সকলো কাহিনী বিবৰি মেলে।

"মইতো নাজানো—মইতো—নাজানো' সোণ। মোক খেমা কৰ। কৰিবি?" – বুলি কৈ ফুলমণিযে তাইৰ মুখখন তাৰ মুখখনৰ ওচৰলৈ নি তাৰ শকত বহল বুকুৰ লগত তাইৰ উঠন্‌ কোমল বুকু মিলাই দুখন মৃণালভুজীযা হাতোৰ সাৱটি মেৰিয়াই ধৰে। গৌৰাঙেও সাৱটি ফুলমণিৰ মুখত জোলোকে জোলোকে চুমা বৰষে।..দুয়ো মাটিত ঢ'লি পৰে। ·

"চা পাগলা। মই বৰ দুখ পাইছোঁ। আজিৰপৰা তোৰ নিজৰ কোনো বস্তুকে তই নিজে কিনি নলবি। তোৰ কাপোৰ কানি যিহকে লাগে মই দিম।" ফুলমণিৰ কথা শুনি আচৰিত হৈ "কিয়?"—বুলি গৌৰাঙে সোধে।...."কিয়?—তাৰ উত্তৰ নাই। মই তোক ভাল পাওঁ

যেতিয়া মই দিম। তই যদি ভাল পাৰ লবি—নাপাৱ নলবি।” • ফুলমণিয়ে তাৰ হাতত ধৰি মিনতিৰে কয়। গৌৰাং নিমাত। ··আবেগ আবেশ ভৰা সেই সন্ধিয়া সিহঁতৰ ওচৰত এন্ধাৰ হলেও বৰ শুৱনি হৈ উঠে। তৰা জোনাকী পৰুৱা আৰু পচিমৰ আকাশত অলপ ৰঙচুৱা জিলিকনি! সিহঁতৰ জীৱনতো এটা নতুন জিলিঙনিয়ে জিলিকি উঠে,—ৰং-উলাহে উপচি পৰে। •

বহু কথা, বহু সময়ৰ পিছত তুয়ো উঠে। এন্ধাৰত কায়াহীন মায়াৰ ছাঁৰ দৰে তুয়ো আলিয়েদি খোজ কাঢ়ি যায়। তুয়ো নোহোৱা হয়।

তৰাজাকে তিৰবিৰায়, জোনাকী পৰুৱাই পোহৰ বিলায় আৰু পশ্চিম মুৰত ক্ষীণ ৰঙা বৰণে এটি ৰেখাৰ দৰে ৰহনায়।

কলঘৰৰ বিজুলী-বান্তি জ্বলি জিলিকি থাকে। চাহাবৰ বঙলাত পিয়ানোৰ মধুৰ বাজনাই সৰগৰ অমিয়া ঢালে।

দুপতীয়া চাহৰ ঠেক, তাকে ছিঙি সেই তিনি আলিৰ সোঁ চুকৰ কলম দিয়া চাহ-গছ জোপাৰ ঠাৰডালত আঁৰি থলেই বুজা যায় সিহঁতৰ মিলনৰ নিৰ্দ্দেশ। সেয়ে সিহঁতৰ প্ৰেমৰ লিপিকা। কেতিয়াবা গৌৰাঙে থয়, কাহানিবা ফুলমণিয়ে আঁৰে। এইদৰে প্ৰায়েই সদায় সিহঁতৰ দেখাদেখি হয়।

সেই চাহৰ গলিৰ ভিতৰত চিকুণাই থোৱা ডুখৰি। সেয়ে সিহঁতৰ সপ্তম সৰগ। সাতঘলপীয়া সৰগৰ ওখ টিঙৰ অমৃতৰ সকলো সোৱাদ, জীৱনৰ পৰম প্ৰসাদ সিহঁতে তাতেই লভে। এইদৰে মাটিৰ মানুহে সৰগ ৰচে,—পৃথিৱীৰ নিঠুৰ কটকটীয়া বান্ধনিৰপৰা মুকলি হৈ অমিয়াৰ সঁফুৰা সৰগলৈ আঁতৰি যায়। দেওবাৰে মাৰ্ঘেৰিটা বজাৰত সিহঁতৰ দুয়োৰে প্ৰায়েই দেখাদেখি হয়। গৌৰাঙৰ সকলো অভাৱ তাতে তাক সুধিপুছি ফুলমণিয়ে দূৰ কৰে,—গৌৰাঙক এটা ফুটা কড়িও খৰচ কৰিবলৈ নিদিয়ে,—তাই নিজেই কোঁচৰ টকা ভাঙি খৰচ কৰে, তামোল খায়,—কথা পাতে মদ কিনি একেলগে খায়। তুয়ো সন্ধিয়া একেলগে উভতে।

গৌৰাঙে আৰু কিমান দিন এইদৰে থাকিব? বুঢ়ীমাকে কয়,—“গৌৰাং! এটা বিয়া কৰ।” গৌৰাঙে মিচিকিয়াই কয়, “ছোৱালী নজন্মিলে মই আৰু কাক বিয়া কৰাম।” লাজত মুখৰ কথা মুখতেই থাকি যায়, ওলাই নাহে।

বুদ্ধু গৌৰাঙৰ বন্ধু। তাৰ ওচৰত সি কথা লুকাব নোৱাৰে। কিমান দিন সি এনেকৈ গুপুতে গোপনে দহি জ্বলি থাকিব ? এদিন লাজ ভাঙি হঠাৎ সি বুদ্ধুক কয়,—"বন্ধু ! তোৰ ওচৰত মই কথা নুলুকাওঁ। পাপ হব। মই মানুহ ; পশু নহওঁ। ফুলমণিক চিন নহয়।"....

"কোন ? সেই চুকু পানীৱালাৰ জীয়েক ?"

"এৰা। তাইক মই ভাল পাওঁ। তায়ো। আমাৰ দুয়োৰে দেহা-মন মিলি গৈছে। এইদৰে চোৰৰ দৰে থাকিলে নহব। সমাজৰ ৰীতি-নীতি মানি যেতিয়া মানুহে চলে ময়ো মানিব লাগিব। তই কিবা এটা কৰ। পলম নকৰিবি।"

গৌৰাঙৰ কথা শুনি বুদ্ধুৱে গৌৰাঙৰ মাকক সকলো কথা কৈ দিয়ে। মাকে ৰং পায, মাস্তি হয।

এদিন বুদ্ধুৱে দুই এজন ভাই বন্ধু লৈ চেৰাপ চাৰি বটলমান ভাৰ বান্ধি ফুলমণিৰ ঘৰলৈ যায়।

বুঢীয়ে ঘৰৰ ভিতৰৰপৰা ওলাই আহে। ফুলমণিয়ে চোতাল খন সাৰি মছি পীৰা পাৰি দিযে। সকলোৱে বহে। চাৰিটা বোটল চোতালত থিয হৈ থাকে।

বুদ্ধুই কয়, "আই। তহঁতৰ ঘৰত বোলে বেচিব লগীযা কিবা মাল আছে ? তাৰ কাৰণে তহঁতৰ মন কি বুজিবলৈ আহিছোঁ।"

বুঢীযে কাঁথিতে বহি কয,—"মাল হলে আছে। তাকতো ঘৰত বেছি-দিন ৰাখিব নোৱাৰোঁ। ৰখাৰ বস্তুও নহয়, আৰু অথলে পেলাইও দিব নোৱাৰোঁ। কিবা এটা ভাবি চিন্তি কৰিব লাগিব। পিছে কাৰ কাৰণে নো ”

"যাৰ কাৰণে সি ভালেই। তাৰ হাতত পৰিলে ছোৱালীজনীক অথলে পেলাই দিয়া নহব। ভালেই হব। জোৰাও ভাল মিলিব।"...

"কোন নো ?"—বুঢায়ে হেপাহেৰে সোধে।

"কোন আৰু হব, বুঢী আই। সেই ভোলা চৰ্দ্দাৰৰ পুতেক—গৌৰাং।"—বুদ্ধুৱে ৰং মনেৰে কয।

ভিতৰৰপৰা বাগ্‌ৰাইযে খঙত জ্বলি পকি ওলাই কয,—"কেতিযাও হব নোৱাৰে। সেই চোৰ, গুণ্ডা, পগলাটোলৈ কেতিযাও ফুলমণিক দিব নোৱাৰোঁ। তাক দিযাতকৈ তাইৰ হাত ভৰি বান্ধি দিহিং নৈৰ পানীত পেলাই দিযাই ভাল। লৈ যা এইবিলাক।"

বুটীৰ মুখ ক'লা পৰি যায়। বুহুইঁতে সেমেনা-সেমনি কৰি থাকে। কোঁঠালীৰ ভিতৰত ফুলমণিয়ে মুৰ ঘূৰাই মাটিত বাগৰি পৰে।··· তাইৰ চকুৰে নিমাতী মাটিৰ বুকু তিতি ভিজি যায়। পৃথিৱীয়ে তাইক বুকু পাতি লয়।

মোনাৰ ভিতৰত সেই চাৰিটা বোটল আকৌ সোমায়।

বাতৰি শুনি গৌৰাঙৰ বলিয়ালি বেছিহে চৰে। লগপাই ফুলমণিয়ে তাক উছাহ্ দি কয়,—"হকা-বধা কৰিলেও কি হব যাৰ বস্তু তাৰেই। নিলেই হব।"··

···সি নিয়ে কেনেকৈ? সি মানুহ,—পশু নহয়। সমাজক সি নেওচিব নোৱাৰে। প্ৰায়েই দুপতীয়া চাহৰ ঠাৰি চুকৰ চাহ গছজোপাত আঁৰা দেখা যায়। মিলনৰ ইঙ্গিত।

কালৰ বোৱতী সুঁতি বৈয়েই থাকে।···

ফুলমণিৰ গা ভৰ হয়, জিলিকি উঠে।···

সন্ধিয়া।···সৰগৰ দৰে চাহৰ গালৰ সেই চিকুণাই থোৱা ঠাই ডুখুৰি।

গৌৰাঙৰ মূৰটো কোলাত লৈ তাইৰ আঙুলি-পাঁহকেইটাৰে চেনেহেৰে তাৰ মুখখনত ফুৰাই, ফুলমণিয়ে আথেবেথেকৈ কয়,—"তই তোৰ বস্তু নিবলৈ নোখোজ যেতিয়া, মই কি কৰিম? মোৰ উপায় নাই। সমাজৰ বিধিত তই আঁতৰ হলেও ভগৱানৰ বিধানত তই মোৰ মই তোৰ। অলপপৰ বৈ তাই ভগা মাতেৰে কয়,—"তই জান—কাইলৈ মোৰ বিয়া?'

"জানো"—বুলি চকু জপাই গৌৰাঙে কয়।

"তোৰ অলপো দয়া নহ'ল, সেই চিতাৰ অগনিৰপৰা মোক উধাৰ কৰিবলৈ? মই আৰু কি কৰিম?" ফুলমণিয়ে চকুলো মছে।·

'তই নোৱাৰ, ময়ো নোৱাৰোঁ।"

"তই তেজ-মঙহৰে সৈতে মোৰ তেজ-মঙহ মিলি গৈছে। তই কেঁচুৱা হৈ মোৰ গৰভত থান্ থিত লৈছ। আজি চাৰি মাহ।"···ডিঙিত সোপামাৰি ধৰে।

খপৰাই উঠি বহি ফুলমণিক সাৱট মাৰি তাইৰ মুখখন তাৰ ওচৰলৈ টানি আনি সি আবেগেৰে আচৰিত হৈ সোধে,—"কি ?'...

"সঁচা কথা। আজি চাৰি মাহ হৈছে।" ·বুলি তাই হুকহুকাই কান্দে।...

গৌৰাঙে উচপ খায়, আৰু বিমোৰতো পৰে।...একেথৰে ফুলমণিৰ মুখলৈ চাই শেহত তাইৰ দুগালেদি বৈ পৰা চকুলো মচি দিয়ে। চঁক খোৱাৰ দৰে সি কিবা ভাবি কয়,—"নহয়-নহয় ফুলমণি! তই কাইলৈৰপৰা আনৰ হবি। তোক আৰু ছুব নোৱাৰোঁ।"—কৈয়েই গৌৰাঙে নিলগলৈ আঁতৰি বহে।

ফুলমণিও চুঁচৰি তাৰ কাষ চাপি কয়,—নহয় সোণ। বিধিৰ বিধানত এই সন্তান তোৰেই।—সমাজৰ ৰীতিত মই আনৰ হলেও, যেতিয়াই তই তোৰ এই দেহা-মন বিচাৰিবি, তেতিয়াই পাবি।...মই তাৰ ওচৰত সকলো কথা কম। মোৰ মনৰ পাপ লুকাই নথম। সি মোক কাটকেই বা মাৰকেই, মই ভয় নকৰোঁ। তই চিন্তা নকৰিবি। আৰু শুন্।—তই কেতিয়াও নিজৰ বস্তুৰ কাৰণে তোৰ পইচা খৰচ নকৰিবি। মই কৰিম—মৱেই দিম। আৰু এই দুশ টকাৰ টোপোলা তই ল।"—বুলি কৈ কোঁচৰপৰা দুশ টকাৰ টোপোলা তাৰ হাতত গুঁজি দি কয়, "ল ফিৰাই নিদিবি।"—তাই আকৌ হুকুহুকাই কান্দে।

"ফুলমণি!—বুলি গৌৰাঙে তাৰ গাল পাত তাইৰ গাল পাতত হেঁচা দি আবেগেৰে সাৱট মাৰি কয়! দুয়ো নিমাত।...চাৰি চকুৰেদি দুয়োৰে গাল তিয়াই চকুলোৰ ঢল বয়।

জোনাক নিশা। জোনায়ে আকাশৰপৰা জোনোৱালী আশীস্ ঢালে। তৰাবোৰে তিৰ্‌বিৰাই উঠে। মলয়াই হুমুনিয়াহ এৰে।.. শিৰীষ গছৰ পাত শিয়ঁৰি কঁপি খৰখৰায়।...ফেঁচাই ক'ৰবাত উকলি জোঁকাৰে।·

পিছদিনা আটোম টোকাৰিকৈ ফুলমণিৰ বিয়া হৈ যায়। গানে-মাদলে-মদে-ভাতে-মঙহে উখল-মাথল লাগি যায়।..

গৌৰাঙৰ হিয়া-চোতালত তপত উকা ভাৱৰ বালিৰ গুৰি উৰি আহি পৰে। তাৰ হিয়া পোৰে, শোকে খুন্দা মাৰি ধৰে। তাৰ কলিজা ছিগি পৰে।···

দুযোৰে জীৱন তিল্‌তিল্‌কৈ পুৰি বিৰহৰ চিতাৰ জুই জ্বলে। দুয়োৰে জীৱনৰ সঁজাৰপৰা এটি এটিকৈ দিন-পখী উৰি যাবলৈ ধৰে।

* * * *

"চা—বেটা! তই বিযা কৰ্।" ভোলা চৰ্দাৰৰ ঘৈণীয়েকে গৌৰাঙক আদেশ দিয়ে।··গৌৰাঙে মনে মনে থাকে।

বুঢ়ই মাত দিয়ে,—"ঠিক কথা মা।" গৌৰাঙৰ ফালে চাই মাতে,—"চা বন্ধু! তই বিয়া কৰিবই লাগিব।" গৌৰাং নিমাত —তলমূৰকৈ থাকে।

বুঢীয়ে কয়,—"এদিন তযেই কৈছিলি,—মই মানুহ, পশু নহওঁ। মই কামানি কৰিম,—নকৃৰি কৰিম তোক পালিম আৰু পিছত মই বিয়া কৰিম। তোৰ বোৱাৰীয়েৰে তোক খুৱাব-ধুৱাব, সুখত ৰাখিব। সংসাৰখন আকৌ বঢাম।'···সেই কথা মনত এবাৰ সুঁৱৰি চা। মনত আছে?" কৈয়েই পুতেকৰ ফালে একেথৰে চাই থাকে। ·গৌৰাঙৰ চকু ক'ৰবাত্ৰ' লাগি থাকে।

বুঢ়ায়ে কয়,—"বোৱাৰীও আহিল আৰু তাই আইকো এই বুঢা বয়সত ভালকৈ খুৱালে-ধুৱালে, সুখত ৰাখিলে। কি বন্ধু? তোৰ মাইকী ক'ত গ'ল? তোৰ সংসাৰখন কিমান বঢালি? বুঢ়াৰ কথা শুনি গৌৰাঙে থিৰ হৈ থাকিব নোৱাৰে,মনৰ ভিতৰত উথল-থুথল লাগে। সি ঘপহকৈ কৈ পেলায়,—"মোক খেমা কৰ্ আই। মই পাপী। সঁচাকৈ মই ঘোৰ পাপী। নৰকতো মোৰ ঠাই নোহোৱা হব।··মই এতিয়াও পশু হোৱা নাই,—এতিয়াও মানুহ হৈ আছোঁ, মই মানুহ। মই বিয়া কৰিম, তোক পালিম,—সুখত ৰাখিম।"···

"চাবাচ বেটা। ভাল লাগিল। বুঢ়া। তই ছোৱালী চা। বোৱাৰীক মই ঘৰত আনিম। দুটা ল'ৰাক বিয়া দিলোঁ। মোক এই

বুঢ়া বয়সত এৰি সিহঁত গুচি গ'ল। গৌৰাঙেও মোক পালে নে নাপালে একো নাভাবোঁ,—একো নিবিচাৰোঁ। মোৰ কাম মই কৰি যাম। এটি মাথোঁ কাম বাকী আছে, তাক সমাধা কৰি মৰিলেও মোৰ শান্তি। মই আশীৰ্ব্বাদ কৰিছোঁ, বেটা তই ঘৰ সংসাৰ পাতি চুলিৰ সমান আয়ু লৈ সুখেৰে থাক। বুদু! তই আৰু পলম নকৰিবি। সোমবাৰে চকীদাৰৰ জীয়েকক ঠিক কৰ। সি ৰাজী। তাৰ বেটী ৰতনী ভাল ছোৱালী—লখিমী!"..

গৌৰাঙে মাকৰ ভৰিত পৰি সেৱা জনাই গুচি যায়। বুদুয়েও নমস্কাৰ জনাই,—"মই যাওঁ" বুলি উঠে। "ৰচোন বন্ধু, ময়ো যাওঁ' বুলি ওলাই যায়।·

···ধুমধামেৰে গৌৰাঙৰ বিয়া হৈ যায়। ফুলমণিয়ে নিজেই আহি বিয়া সমাৰোহেৰে চলায়। ক'ত গান, ক'ত বাজনা, ক'ত খাৱন ,—মদে মদ,—ভাতে ভাত,—মঙহে মঙহ। সকলোৱে সুখ পায়, শান্তি পায, তৃপ্তি পায়,—বিয়া চাই, ৰং লভি ঘৰমুৱা হয়।

যুদ্ধৰ দিন। ক'ত ৰকমৰ কথা , ক'ত ৰকমৰ মিলিটাৰী,—ক'ত ৰকমৰ যুদ্ধৰ সৰঞ্জাম, কামান, বন্দুক, এৰোপ্লেন আৰু কত কি ?· আমদানীও নানান ৰকমৰ।—নিগ্ৰোহঁতৰ উৎপাত, আমেৰিকানহঁতৰ অত্যাচাৰ, ইংৰাজহঁতৰ স্বেচ্ছাচাৰ। চাৰিওফালে যুদ্ধৰ বীভৎসতা। সাম্ৰাজ্যবাদী যুদ্ধৰ নৃশংসতাই চোতালতে আহি বীভৎসা ৰূপ লৈ দেখা দিয়ে। নাৰী ধৰ্ষণৰ ঘটনা য'তে ত'তে শুনা যায়। কামনা-লালসাৰ তাণ্ডৱ নৃত্য ভীষণ ভাৱে চলে।

ইফালে ভাৰতৰ স্বাধীনতা আন্দোলন, 'ভাৰত ত্যাগ কৰা বা 'কৰোঁ নাইবা মৰোঁ'ৰ দৃঢ় সঙ্কল্প —বহু নেতাৰ জেল-খাটা, গুলিত বহুতৰ আত্ম-বলি,—ৰেল লাইন উফৰোৱা, চৰকাৰী দপ্তৰখানা জ্বলোৱা আৰু ক'ত কি ? চাৰিওফালে বিশৃঙ্খল, উচ্ছৃংখল। স্বতঃ-স্ফূৰ্ত্ত বিপ্লৱৰ মূৰ্ত্ত প্ৰকাশ।··

পাৰেই বাগিছাতো যুদ্ধৰ বীভৎস ৰূপ আৰু স্বাধীনতা সংগ্ৰামৰ দৃঢ় উদ্দীপনা দেখা যায়।··

হাজিৰা আঠ আনৰপৰা ছয় অনালৈ কমে। বাগিছাবোৰত চাঞ্চল্য আৰু উত্তেজনা দেখা দিয়ে। বনুৱাহঁত জকি উঠে। ··বাগান-বোৰত খদ্দৰৰ টুপী পিন্ধা দলে এজন দুজনকৈ গোপনে সোমায়। জাতীয় আন্দোলনৰ কাকত-পত্ৰ-পত্ৰিকা প্ৰচাৰ হয়।

বিজুলী ছাটেৰে বাতৰি ওলায় গান্ধী ৰাজা ফাটেকত। চাৰিওফালে দেশজুৰি এই খবৰ বিয়পি পৰে। ৰাইজৰ খং শতগুণে বাঢ়ে।

মাৰ্ঘেৰিটা বজাৰত সভা পাতে, দুই-চাৰিজনে বক্তৃতা দিয়ে বাকী কিছুমানে কাকত বিলায়।

সেই কাকত গৌৰাংহঁতেও ঘৰলৈ আনে।····গৌৰাঙে অলপ ওচৰপ মেনেজাৰ চাহাবৰ ৰান্ধনি বাবুৰ্চ্চি হেনৰী মুণ্ডাৰপৰা লিখাপঢ়া শিকিছিল। সি সেই কাকত পঢ়ি তাৰ লগৰীয়াহঁতক শুনায়। সেই লগৰীয়াহঁতে বাগিছাত প্ৰচাৰ কৰে। ইফালে সিফালে গৈ গোটেই পাৰেই বাগিছাৰ বনুৱা ৰাইজৰ অন্তৰতো জাতীয় সংগ্ৰামৰ আহ্বান আহি লাগে। পাৰেই বাগিছাৰ বনুৱাহঁতো জকি উঠে।

খবৰ আহে কোনোবা বাগিছাৰ মেনেজাৰক বনুৱাহঁতে হত্যা কৰিছে, কোনোবা বাগিছাৰ বনুৱাহঁতে ধৰ্ম্মঘট কৰিছে। নানান বাতৰি সঁচাই মিছাই আহে। পাৰেই বাগিছাৰ বনুৱাহঁতে উছাহ্ পায়।

জাতীয় সংগ্ৰামেই মুক্তি সংগ্ৰাম। মুক্তিৰ পগলা বনুৱাহঁত উত্তেজিত হয়। সিহঁতক সৰ্ব্বহাৰা কৰাৰ গুৰি বৃটিচ-ৰাজক উফৰাই পেলাবলৈ সিহঁত দৃঢ় সঙ্কল্প হয়।

এদিন মেনেজাৰক সিহঁতে অফিচঘৰতে বন্দী কৰে পুৱা আঠবজাৰপৰা সন্ধিয়া পাঁচ বজালৈ। চাহাব বেছেৰাৰ চুক্তি হেৰায়। ··চাৰিওফালে "গান্ধী ৰাজাৰ জয়", "বন্দে মাতৰম্" শব্দই খলকান লগায়, আকাশ ফালি পেলাব খোজে। · চাহাবৰ কলিজা শুকাই যায়, ভয়তে সি অফিচৰঘৰতে সৰুপানীৰ ঢল বোৱায়।

শেহত চাহাবে নিৰুপায় হৈ আঠ অনা মজুৰী দিবলৈ কথা দি ৰেহাই আৰু ৰইথ্ পায়।…চাৰিওফালে "গান্ধী ৰাজাৰ জয়", "বন্দে মাতৰম্" ধ্বনিয়ে আকাশ মুখৰিত কৰে। বিজয় গৌৰৱত বনুৱাইঁতৰ বুকু ফুলি উঠে। নিজৰ সমবেত শকতিৰ ওপৰত সিহঁতৰ অটল বিশ্বাস জন্মে। সিহঁতৰ সংঘাত শক্তি সঁচাকৈয়ে প্ৰচণ্ড, দুৰ্দ্দান্ত, প্ৰলয়ঙ্কৰ যুগান্তৰকাৰী, আৰু তাতেই লুকাই আছে বিপ্লৱৰ মহামন্ত্ৰ বীজ।

গৌৰাঙেই লৈছিল তাৰ নেতৃত্ব। তাৰ প্ৰতি সকলোৰে শ্ৰদ্ধা বাঢ়ে! …গৌৰাং পশু নহয়,—মানুহ। মনুষ্যত্বই তাৰ অন্তৰত জুৰি লয় ঠাই · ফুলমণি হৈছে—তাৰ অন্তৰৰ প্ৰেৰণা, দেশ-প্ৰেমেই উদ্দীপনা আৰু সৰ্ব্বহাৰাৰ মুক্তিৰ আদৰ্শই তাৰ অন্তৰৰ ধ্যান-ধাৰণা। আৰু বুহু হৈছে তাৰ সকলো ক্ষেত্ৰতে সহায়—সাৰথি।

…ফুলমণিৰ প্ৰথম সন্তান। এদিন গৌৰাঙে তাক চেনেহেৰে আঁকোৱালি ৰংমনেৰে লৈ যায়। জীৱনত তাৰ প্ৰথম সফল জীৱন্ত সৃষ্টি দৰশি পৰশি—সৃজনৰ আনন্দত সি উৎফুল্ল হয়। প্ৰতিশ্ৰুতিৰ সাৰ্থকতাত ফুলমণিৰ ৰং উলাহ লাগে। প্ৰেমৰ ওচৰত মাতৃত্বও হাৰ মানে।

·· এইদৰে দিন যায়, মাহ যায়, বছৰ যায়। ইটোৰ পিছত সিটো বছৰ উফৰি যায়।

ৰতনীৰ দাপোণত গৌৰাঙে ফুলমণিকহে দেখে। ৰতনীয়েও সেই কেঁচুৱাটিক নিজৰ ল'ৰাৰ দৰে ভাবে। তাক সকলোৱে ফুলকুমাৰ বুলি মাতে। ··ফুলকুমাৰ সকলোৰে আলাসৰ লাৰু হয়—আৰু গৌৰাঙৰ জীয়া-জীউ হেন হৈ সি তাৰ বুকুৰ মাণিক হৈ জিলিকে।

বুহুৰ লগত এতিয়া গৌৰাঙৰ লগ সকলো সময়তে। কামকাজৰ উপৰিও নানান সমজুৱা কামতো ইজনে সিজনক নেৰে। নিশা সিহঁতৰ আদেশ-নিৰ্দ্দেশমতে গাৱঁত পহৰা চলে। যুঁজত অহা মিলিটাৰী সৈন্যইঁতৰ উৎপাতৰপৰা ৰক্ষা কৰিবলৈকে সিহঁতৰ দ্বাৰা নানান ব্যৱস্থা কৰা হয়। সকলোৱে সিহঁত দুজনৰ কথা মূৰ পাতি লয়, কোনোৱে অবাধ্য নহয়। গাঁও ৰক্ষাৰ নানান জল্পনা-কল্পনা চলে। সিহঁতৰ কাৰণে গাঁৱত শান্তি

বিৰাজে।··শেহত যুদ্ধত জাপান হাৰে। দ্বিতীয় মহাসমৰ শান্ত হয়।·

ৰতনীয়ে নিজেই আৰু দুটি সন্তান গৌৰাঙক দিয়ে, ডাঙৰজন ল'ৰা, সৰুজনী ছোৱালী। বুধবাৰে জন্মিছিল কাৰণে সেই ছোৱালীজনীক সকলোৱে 'বুধবাৰী' বুলি মাতে। দুদিনৰ পিছত বুঢ়ুৰো এজনী ছোৱালী হয়। শুকুৰবাৰে জনন লভাৰ কাৰণে তাই 'শুকুৰবাৰী' নাম পায়।· ·

বুধবাৰী আৰু শুকুৰবাৰী দুয়ো ডাঙৰ হয়। মাকৰ কোলাত ঠাই নোজোৰাত দুয়ো কোলাৰপৰা নামি চোতালত আঠু কাঢি ফুৰে। মাকৰ গাখীৰে সিহঁতৰ ভোক-পিয়াহ গুচাব নোৱাৰাত সিহঁতে আনকিবা খাব বিচাৰে। দুয়োজনী লাহে লাহে থিয় হয়, খোজ কাঢে, থুনুক্-থানকৈ কথা কয়। চেনেহত ইটোৰ কোলাৰপৰা সিটোৰ কোলালৈ বাগৰি থাকে।

বুধবাৰী আৰু শুকুৰবাৰী দুয়োজনী তিনি বছৰত ভৰি দিয়ে। দুয়ো এডাল ঠেকত দুপাহি চুপহী ফুলৰ কলি।···

·গৌৰাঙে দুয়োকে মৰম-চেনেহ সমানে কৰে।···বুধবাৰীৰ দৰে শুকুৰবাৰীয়েও গৌৰাঙক বোপাই বুলি মাতে। গোৰাঙেও শুকুৰবাৰীক নিজৰ জীয়েকৰ দৰে চেনেহ কৰে।

পুহ মাহ। খেঁতুৱা লগা জাৰ।··

দুপৰীয়া। চোতালত মিঠা কুহুমীয়া ৰ'দ। ৰ'দ পুৱাই পুৱাই বুঢ়ীমাকে নাতি-নাতিনীয়েকহঁতক সাধুকথা কৈ থাকে। ফুলকুমাৰে ভেবেকালাগি চাই শুনে, পাৱেই-কুমাৰে বুঢ়ীৰ মুখৰ ফালে ব' লাগি চাই থাকে, পাছফালে থিয় দি বুধবাৰী আৰু শুকুৰবাৰীয়ে বুঢ়ীমাকৰ পকা চুলি উভালে। পুৰণি আৰু নতুনৰ ৰঙালি মিহলা ৰেহ্ ৰূপ জিলিকি উঠে। বুঢ়ীয়ে লানি নিছিগাকৈ ধৰম-কৰমৰ সাধু কৈ যায়। আঠোটা কাণ থিয় হৈ মন দি শুনে। লপা-সোলা ফটা মুখৰ ফাঁকেদি খেৰ্‌খেৰীয়া মাত লপ্‌লপাই ওলায়েই থাকে।···

পিছদিনা ।·

সভা ।·· মার্ঘেৰিটা বজাৰৰ এচুকত ৰঙা নিচান উৰি থাকে । নিচানৰ সোঁমাজত বগা হাতুৰী-কাঁচিৰ ছবি কোলাকুলিকৈ অঁকা আছে । এচুকত পাঁচকোণীয়া বগী তৰা জিলিকি আছে । বতাহত নিচানটি ফিৰ্‌ফিৰাই ঢউ খেলি ৰাইজক আৱাহন কৰি আছে । বৰ ভিৰ. । বিৰ দিও সোমাব নোৱাৰি ।

গৌৰাং, বুদ্ধু আৰু ফুলমণিয়েও জুম বন্ধা থললে যায়, ডিঙ্‌-কাটিও একো দেখা নাপায় । কেৱল শুনা যায় তেজাল তেজাল মাত । শুনি গৌৰাঙৰ গাত লাগে, তাৰ হিয়াৰ ভিতৰত কথাকেইষাৰ সোমায় ।

"দেশখন আজি অধীন । বিদেশী ইংৰাজৰ তলত । খীমা খোচৰা তেজপিয়া বগা বণালে সাউদ হৈ আহিছিল এই দেশলৈ , ছলে-বলে-কোশলে সিহঁতে এই দেশখন ললে, শাসন কৰিলে, তাৰ পিছত সিহঁতৰ শোষণৰ ব্যধা নাথাকিল । সিহঁতে দেশৰ তেজ শুহি নোহোৱা কৰিলে । এই সমাজ ব্যৱস্থাৰ গুণত এটা জাতিয়ে এইদৰে দিন নাই, ৰাতি নাই, কাম কৰিয়েই গৈ আছে,—খাটনিৰ কোনো ফল সিহঁতে নাপায় , খাবলৈ নাপায়,—পায় কেৱল ভোক , ঘৰ নাপায,—পায কেৱল গাহৰি থকা গৰাল , কাপোৰ নাপায়,—পায কেৱল এছটা কানি . শিক্ষা নাই, স্বাস্থ্য নাই. আছে কেৱল সেই পুৰণি কালৰ দুখভৰা অসভ্য পশুসম বৰ্ব্বৰতা । অথচ আজিৰ যুগে গৰ্ব্ব কৰে সভ্যতাৰ যুগ বুলি । কিন্তু আনটো জাতিয়ে সকলো সুবিধা পায় । কাম নকৰে বন নকৰে,—অথচ ভৰিৰ ওপৰত ভৰি তুলি ভাল খাবলৈ পায, পিন্ধিবলৈ পায়, থাকিবলৈ পায় । তাৰ উপৰি জগতৰ সকলো সুখ, শিক্ষা, স্বাস্থ্য পায়, মানুহৰ দৰে বাঁচিবলৈ সুযোগ পায় । মাটিত খাটি মানুহে পশু, আৰু এলেহুৱাজনে মানুহ হয় কেনেকৈ ? নহয়, ই এটা ব্যৱস্থা, সমাজৰ ব্যৱস্থা আজিৰ যুগত ইয়াকে কয় ধনতান্ত্রিক সমাজ ব্যৱস্থা ।"

"প্রকৃত সুখ আহিব পাৰে সেই এমুঠি এলেহুৱা তেজপীয়া ধনী মানুহৰ হাতত সেই সমাজ ব্যৱস্থা এৰি নহয,—মাটিৰ প্রকৃত লগৰীয়া

হালোৱা, হজুৱা, বনুৱাৰ হাতলৈ সেই সমাজ ব্যৱস্থা আনি। তেতিয়াহে প্ৰকৃত সুখ-শান্তি জগতত বিৰাজ কৰিব। তেতিয়াহে পৃথিৱীত সৰগৰ ৰাজ্যৰ থাপনা হব। সেই সৰগ ৰাজ্যৰ দুৱাৰ মুকলি কৰিব কৃষক-বনুৱা ৰাইজেহে। বনুৱা-ৰাইজেই হব লাগিব ৰজা। · হয়তো বৃটিচৰ হাতৰপৰা ভাৰতে শাসন ক্ষমতা কাঢ়ি আনিব পাৰে। কিন্তু ৰাইজে সাৱধান হোৱা উচিত ইংৰাজ যোৱাৰ পিছত যেন ধনৰাজ নহয়,—হয় কৃষক-বনুৱা-ৰাজ।" আৰু বহুত কথা। শুনি গৌৰাঙে ভাবে সেইবিলাক যেন সিহঁতৰ প্ৰাণৰ কথা,—হিয়াৰ ভাষা। গৌৰাঙৰ চেতনাত প্ৰেৰণা আহে। সি দ'কৈ ভাবে-চিন্তে-গুণে-গাঁথে। ·তাৰ চিন্তা-ভাবনাৰ ধাৰা বেলেগ নতুন ৰূপ লয়।

"ইনক্লাব্ জিন্দাবাদ!" আদি ধ্বনিৰ চিঞৰণিত আকাশ ফালি যাব খোজে।···সভা ভাগে। সকলো ঘৰমুৱা হয়। বুঢ়ু, গৌৰাং আৰু ফুলমণিও টোপোলো-টুপলি লৈ বজাৰৰপৰা ঘৰলৈ উভতে।

গৌৰাঙে কথাবোৰ ফঁহিয়াই ফঁহিয়াই চায়। নতুন চিন্তাধাৰা তাৰ অন্তৰত বৈ যায়। তাতেই সি দেখে চিৰন্তন সত্য যি সত্য অতদিন হেজাৰ হেজাৰ বছৰ পুঞ্জীভূত ফাঁকিৰ তলত লুকাই আছিল। সি প্ৰেৰণা লভে, তাৰ হিয়াৰ গভীৰ তলিৰ তলাতল ঘৰৰ ভিতৰ চ'ৰাত বিপ্লৱ ভাৱৰ মূৰতিয়ে ভুমুকি মাৰে।

ফাকুৱা। সেইদিনা পুৱা। আকাশত ৰঙা বেলিয়ে ফাঁকু খেলে।··

পুৱাই উঠি গৌৰাঙে ফাঁকু খেলিবলৈ ওলাই যায়। বাটতে বুঢ়ুহঁতৰ ঘৰত সোমায়। কুকুৰে ভুকে। শুকুৰবাৰীয়ে মৰম সমা মাতেৰে মাতে,—"বাপাই।" তাই লাহে লাহেকৈ আহি গৌৰাঙৰ কাষ পায়। সি তাইক কোলাত লৈ মৰম-চেনেহেৰে তাইৰ মুখত, গালত, ডিঙিত, ফাঁকু-গুৰি সানি তাইক ৰাঙলী কৰি তোলে। কিমান যে ৰং-তামচা, হাঁহি-ধেমালি হয়। বন্ধুৱনীয়ে মদ উলিয়াই দিয়ে। দুই বন্ধুৱে হেঁপাহ পলুৱাই মদ খায়। খোৱা অটাই গৌৰাঙে উঠিব খোজে। বুঢ়ুই

কয়,—"চা বন্ধু।··নিশা ঘৰলৈ উভতিলে সাৱধানে আহিবি। কালু কুকুৰটো বৰ বেয়া। নিশা পদূলি-মুখেদি কোনোবাই গলে সি কামুৰিব খোজে। তই আহিলে নিশা হয়। গতিকে দা-টোকোন যি পাৱ লগত ৰাখিবি।"—"ঠিক-ঠিক—সিদিনা বৰ বাঁচিলোঁ। মোৰ কামিজৰ এচুক তাৰ দাঁতত থাকিল। দেচোন বন্ধুৱনী কিবা এটা দে।" বুলি গৌৰাঙে কোৱাত বুঢ়াৰ ঘৈণীয়েকে এখন দা আনি দিয়ে। শুকুৰবাৰীয়ে কোলাৰ-পৰা কয়, "বোপাই। দেচোন্ অলপ ফাঁকু দে। তোৰ মুখত সানো।" গৌৰাঙে তাইৰ হাতত জেপৰপৰা অলপ ফাঁকু উলিয়াই দি তাৰ মুখখন পাতি দিয়ে।·শুকুৰবাৰীয়ে হাঁহি হাঁহি গৌৰাঙৰ মুখত ফাঁকু সানি দিয়ে। "যাওঁ" বুলি শুকুৰবাৰীক চুমা খাই কোলাৰপৰা নমাই দাখন হাতত লৈ হাঁহি হাঁহি গৌৰাঙে গুচি যায়। বুঢ়া আৰু তাৰ ঘৈণীয়েকে সি যোৱাৰ ফালে চাই হাঁহি থাকে। ফাঁকুৱাৰ পুৱা ৰং-ধেমালি, হাঁহি-খিকিন্দালিৰে ভৰি উঠে।···

ফুলমণিৰ ঘৰ। আঁক-বন্ধা গাৱঁত, তাইৰ নিজৰ ঘৰ নহয়, চাৰি নম্বৰ নাইনৰ চুকৰ তাইৰ গিৰীয়েকৰ কোঁঠালী ঘৰ। গৌৰাঙে মাতে—"পাগলী।"···ফুলমণিয়ে ভিতৰৰপৰা খৰ্‌খৰ্‌কৈ ওলাই আহি—"পাগল্। আহিছ—আহ্" বুলি তাৰ হাতত ধৰি ভিতৰলৈ টানি নি এখন পীৰা পাৰি তাক বহুৱায়। সি বহে। ঘৰৰ চুকৰপৰা দুটা বোটল আৰু এটা গিলাচ আনি তাৰ আগত মজিয়াতে থয়।···

"তোৰ গিৰীয়েৰে ক'লৈ গ'ল?"—গোৰাঙে সোধে। তাই মিচিকিয়াই কয়,—"আহিব। তই খা।" সি আকৌ সোধে. "ল'ৰা-ছোৱালী হাল?" "কেলেই?—ক'ৰবাত উমলিছে চাগৈ। তই খাচোন।" বুলি কৈয়েই ফুলমণিযে এটা বোটলৰপৰা গিলাচত মদ ঢালি দিযে। গৌৰাঙে ফুলমণিৰ ফালে ৰ' লাগি চাই থাকে। এতিযাও তাইৰ মৰম লেৰেলি যোৱা নাই। সেই ফুলমণি,—যাৰ কাৰণে পহিলা পীৰিতিৰ সোৱাদ পোৱাৰ নিশা তাৰ মূৰৰ তেজ তাইৰ শোৱা-কোঁঠালীৰ দুৱাৰ-দলিত সি দান দিছিল,-সেই ফুলমণি—যাৰ লগত সি প্ৰায়েই

সেই তিনি আলিৰ চুকৰ চাহৰ গলিৰ ভিতৰৰ চিকোণাই থোৱা ঠাই ডুখুৰিত তাৰ জীৱনৰ প্ৰথম প্ৰসাদ লভিছিল, সেই ফুলমণি—যি জনীয়ে নিজৰ মাতৃত্বকো জলাঞ্জলি দি তালৈ অকাতৰে হেলাৰঙে তাইৰ প্ৰথম সন্তান সম্প্ৰদান কৰিছিল, তাই এতিয়াও ইমান ধুনীয়া—লাৱনী, গাভৰু, অথচ তাই এহাল ল'ৰা-ছোৱালীৰ মাক।...

এই ফুলমণি আছিল গৌৰাঙৰ ডেকালি বয়সৰ বুকুৰ জীউ, হিয়াৰ আমঠু, দেহা-লাও, এই ফুলমণি হৈছে সমাজত তাৰ জীৱনৰ ভাল বেয়া সকলো সময়তে লগৰ-লগৰী আৰু এই ফুলমণিয়েই হব ৰঙালি দিনৰ ভবিষ্য ৰাইজৰ তাৰ জীৱন-মৰণৰ লগৰীয়া।·

গৌৰাঙে ফুলমণিৰ মুখৰ ফালে একেথৰে ব' লাগি চাই থাকে ফুলমণিয়ে হাঁহিসনা মাতেৰে কয়,—"কি চাইছ পাগ্‌লা?—"চাইছোঁ তোৰ মৰম, তোৰ চেনেহ, তোৰ পীৰিতি, তোৰ "গৌৰাঙৰ কথালৈ বাট নাচাই তাই এখন হাতেৰে তাৰ মুখখন ধৰি আনখন হাতেৰে গিলাচটো তাৰ মুখৰ ওচৰলৈ আনি চেনেহেৰে কেই ঢোকমান ঢালি দিয়ে।

"আই—আই" বুলি ল'ৰা-ছোৱালী হালে চিঞৰি চিঞৰি ঘৰত সোমায়। গৌৰাঙাৰ মূৰটো এৰি গিলাচটো মজিয়াত থৈ দুৱাৰৰ ফালে মূৰটো ঘূৰাই কয়,—"কি হৈছে?"

"চাচোন্ কুমিয়ে কেনেকৈ আমাক ৰং দিবলৈ খেদি আহিছে" বুলি ডাঙৰ ল'ৰা শম্ভুয়ে লৰি আহি গৌৰাঙৰ কাষ চাপি কয়,—"দেউতা দেখোন?"· গৌৰাঙে তাক হাতত ধৰি কাষতে বহুৱায়। আৰু ছোৱালীজনীয়ে ফোঁপাই মাকৰ কোলাত বহে। দুয়োৰে মূৰে-চুলিয়ে, মুখে-গালে ৰঙা ফাঁকু-গুৰি। গৌৰাঙেও লাহেকৈ জেপৰপৰা ফাঁকু-গুৰি উলিয়াই দুয়োৰে মুখত চেনেহেৰে সানি দিয়ে। শেহত কিবা ভাবি আপোন পাহৰা হৈ সি ফুলমণিক সাৱটি লৈ তাইৰ দুগাল পিহি মিহি ফাঁকু ঘঁহি দিয়ে। সেই হালে তধা লাগি চাই থাকে।· ফুলমণিয়ে চম্পাক কোলাৰপৰা নমাই ঘপহকৈ উঠি চুকৰ ফালে যায় গৈ। তাৰপৰা এখন কাঁহী আনি গৌৰাঙৰ আগত থয়।.. কাঁহীত খাচি-

কুকুৰাৰ মঙহ।··শম্ভু-চম্পা দুয়ো দেউতাকৰ কাঁহীৰ মঙহৰ ভাগ লয়। শম্ভু আৰু চম্পাই গৌৰাঙক 'দেউতা' বোলে আৰু নিজৰ বাপেকক "বাবা" বোলে। ফুলমণিয়ে এইদৰে কৰলৈ সিহঁতক শিকায়।· সিহঁতেও সেইদৰে মাতে। সি মাজে মাজে গিলাচটো তুলি মদ পি থাকে।

ফুলমণিৰ গিৰীয়েকেও আহি পায়। সকলোৱে মিলি জুলি ফাকু উছৱ পাতে। ফুলমণিৰ ঘৰৰ মজিয়া ফাকুৰ গুৰিৰে ৰঙা হৈ পৰে আৰু ফুলমণি হয় ৰঙিলী, ৰাঙলী, ৰাংঢালী।···

ইটো কোঁঠালীৰপৰা সিটো কোঁঠালী, ইটো লাইনৰপৰা সিটো লাইন ঘূৰি ঘূৰি বাগৰি বাগৰি ফাকু খেলি মদ খাই খাই গৌৰাঙৰ ৰাগী মূৰত চৰি যায়। সি চকুৰে ধুঁৱলী কুঁৱলি দেখে, তাৰ ভৰিৰ খোজ বেতালত পৰে, লৰক্-ফৰক্ কৰে।

সন্ধিয়া ৰঙা বেলিয়ে আকাশত ফাকুৰ গুৰি ছটিয়াই পচিম আকাশত বুৰ মাৰে। পূবে পূৰঠী জোনে হাঁহি হাঁহি জিলিকি উঠে।

পগলা গৌৰাঙ বেছিকৈয়ে পগলা হয়। কিবাকিবি বকি বকি, লাগ্‌ফাগ নোহোৱা গীত গাই গাই সি ঘৰমুৱা হয়। তাৰ মাতো ভালকৈ নুফুটে, জিভাও ভালকৈ নলৰে। এবাৰ উজুটি খাই পৰে, এবাৰ উঠে, এবাৰ খালত হামখুৰি খাই পৰে আকৌ গা তোলে,— এইদৰে লৰক্-ফৰক্‌কৈ সি লাহে লাহে গৈ থাকে। মাজে মাজে চেতনা পালে সি কঁকালত খেপিয়াই চায়,—দাখন ?—আছে। "ছালা —কালু কুকুৰ।" শাম কাটে—"ফুলমণি—বুকুৰ কালিজা।"· কত ভাব, কত কথা।—বকি বকি সি গৈয়েই থাকে। "কোন ৰে ?" এবাৰ সি থমকি ৰয়। আগত কিবা এটা ছঁয়া দেখি কিবা বুলি সি কঁকালত গুঁজি থোৱা দাখন উলিয়াই নালত ভালকৈ টানকৈ মুঠি মাৰি ধৰে।· আকৌ সি আগুৱায়।

আকাশত জোনায়ে ওপৰে ওপৰে তাৰ লগে লগে যায়। তাই মাজে মাজে ছঁা, মাজে মাজে পোহৰ বিলায় তাৰ মাজেদি সি আগুৱাই থাকে।· জোনায়ে জোনোৱালী পোহৰ ঢালি পাৰে মানে পোহৰাই

উজ্বলাই তাক বাট দেখুৱাই গৈ থাকে। ৰাগীৰ চকুৱে ভালকৈ নমনে। কণাৰ দৰে খেপিয়াই যোৱাদি সিও গৈ থাকে। টান মুঠিৰে দাৰ নালটো ধৰি সি আগবাঢ়ি যায়।···

বাটৰ কাষৰ আঁহত গছজোপা। তলখন তেনেই এন্ধাৰ ঘোপমৰা এন্ধাৰ। জোনায়ে আঁৰ লয়,—জোনোৱালী আৰু সৰি নপৰে। সকলো এন্ধাৰ সেই গছজোপাৰ তলত জমা হয়।···কাষতে বুদ্ধুৰ ঘৰ।

গছজোপাতে ওপৰৰপৰা ফেঁচাই 'নিউ-নিউ' কৈ মাতে। কাষৰে পাঁজৰে শিয়ালমখাই 'হোৱা-হোৱা' বুলি চিঞৰে। বুকু কঁপে।·

"বুদ্ধু বন্ধুৰ ঘৰ। হয়—এইটোৱেই। এইবাৰ আহক ছালা সেই কালু কুকুৰ। শেষ কৰিম তাক।"—সি আলপ পৰ থমকি ৰৈ আকৌ বকি বকি আগ বাঢ়ে।

ভুক্—ভুক্।·· কুকুৰৰ ভুক্ভুকনি। কালু কুকুৰৰ ভুক্ভুকনি। 'নিউ-নিউ',—'হোৱা-হোৱা',—'ভুক্-ভুক'।

সি দাৰ নালটো আৰু টানকৈ ধৰে।

পাছ ফালৰপৰা কিহবাই তাৰ কাপোৰ টনাৰ দৰে সি গম পায়। "কালু কুকুৰ।"—সি গাৰ বলেৰে এঘাপ দিয়ে। সি পাছ ফালে আৰু ঘূৰি নাচায়, আগুৱাই গৈ থাকে।

আকাশৰ জোন আৰু পৃথিৱীৰ আঁহতজোপা, ফেঁচা শিয়াল ইযাৰ সাক্ষী। কালু কুকুৰ?· নিশ্চয় তাৰ মৰণ। তাৰ আনন্দ।· ঘৰ পায়েই গৌৰাঙে দেখে নিজম নিমাত। খাটিয়াখন চোতালত আনি, বস্তা এখন গাৰুৰ দৰে কৰি দাখন তাৰ তলত থৈ সি খাটিয়াৰ ওপৰত গা পেলাই শোৱে।

"কোন্ ৰে?" ভিতৰৰপৰা কাহি কাহি মাকে মাত দিয়ে। "মই আই। এতিয়াহে আহিলোঁ।" বুলি গৌৰাঙে মাতে।

"ইমান ৰাতিকৈ আহে নে?"

"কি কৰিম? পলম হ'ল। ফাঁকু খেলিলোঁ। বৰ খালোঁ। বৰ নিছা লাগিছে আই—মই এই বাহিৰতে শোওঁ।"

"শুই থাক্ "

গৌৰাঙে চোতালতে শোৱে।

নিজম-নিমাত। জোনায়ে জোনালী জিলিকনি ঢালে, ফেঁচাই 'নিউ-নিউ'কৈ নোম থিয় কৰা মাত মাতে,—ওচৰত শিয়ালৰ জাকে—'হোৱা-হোৱা-হোৱা'কৈ টেটুফালি চিঞৰে। নিলগৰপৰা ৰিণিকি ৰিণিকি শুনা যায় মাদলৰ মাত।

গৌৰাঙৰ কোনো কাণ-সাৰেই নাই,...মৰাৰ দৰে সি খাটিয়াত পৰি থাকে। তাৰ টোপনি আহে।...

পুৱতী নিশা। আকাশত ফেহু-জালি। "শুনিছ—শুকুৰবাৰীক বোলে কোনোবাই কাটিলে?"—গৌৰাঙৰ গা জোকাৰি জোকাৰি ৰতনীয়ে চিঞৰে। "কি হ'ল?" বুলি গৌৰাঙে সাৰ পাই খচ্মচ্কৈ উঠি বহে।..."শুকুৰবাৰীক বোলে কোনোবাই কাটিলে? বন্ধুহঁতে কান্দি কাটি পগলা হৈ গৈছে। মই যাঁও।" বুলি ৰতনী গুচি যায়। গৌৰাঙৰ মূৰ ঘূৰি যায়। আগ দিনাৰ নিছা,—আৰু এই বাতৰি। মূৰৰ ভিতৰত কিহবাই টিঙিচ কৈ উঠে। গৌৰাঙে ভাবে,—ভাবি ওৰ নাপায়। গাৰুৰ তলৰপৰা দাখন সি উলিয়াই চায়। দাখন তেজেৰে ৰঙা হৈ গৈছে। তেন্তে জানো সিয়েই শুকুৰবাৰীক । তাৰ বুকু চিৰিংকৈ উঠে। সি খাটিয়াৰপৰা দাখন লৈ নামি থিয় দিয়ে। তাৰ মূৰ ঘূৰায়। আকৌ সি বহি পৰে। কিবা ভাবি ভাবি উঠিয়েই সি ঘৰৰপৰা ওলাই যায়।.

সেই আহত গছজোপা। ইয়াৰ তলতেই। ঠিক এই খিনিত। মাটিত চাই সি দেখে সেইখিনিতে এহোলোকা ৰঙা তেজৰ বোল। বুদ্ধৰ ঘৰ পাযেই দেখে কালু কুকুৰে এচুকত নেজডাল বেকা কৰি থিয় হৈ তাৰ ফালে চাই আছে। তাৰ বুকু ধপ্ধপাবলৈ ধৰে। চোতালত ভিৰ। ভিৰ ঠেলি সি ভিতৰ সোমায়। সি দেখে,—মাটিত শুকুৰ-বাৰীৰ তেজ-ৰঙা মৰা শ। তাৰ ওপৰত বন্ধু বুদ্ধু আৰু বন্ধুৱনীয়ে পৰি সাৰটি ধৰি ধৰ্ফৰাই ইকাতি সিকাতিকৈ আফালি আফালি বুকু কপাল

চপৰিয়াই কান্দি আছে। সি সিহঁতৰ কাষত তেজ-ৰঙা দাখন লৈ পাথৰৰ মূৰতিৰ দৰে অচল অটল হৈ থিয় হৈ থাকে।

"তই ধৰচোন বন্ধুক। মই এইক ধৰোঁ।"—ৰতনীয়ে গিৰীয়েকক কৈ বুঢ়াৰ ঘৈণীয়েকক সাৱট মাৰি ধৰে। তেও গৌৰাং অলৰ অচৰ।

বুঢ়াৱে এবাৰ ওপৰলৈ চাওঁতেই গৌৰাঙক দেখি তাৰ ভৰিজোৰ ধৰি হুক্ হুকাই কান্দে,—"বন্ধু। চা, তোৰ ছোৱালীজনীক চা। মই নোৱাৰোঁ। তই পাৰিবি। তাইক বঁচাই দে। মতাই দে। উঠাই দে, তাইৰ উৰা-জীউ ফিৰাই দে।"

গৌৰাং শিল-পাথৰৰ মূৰতি। তাৰ দয়া নাই, মমতা নাই,—হৃদয় নাই। সি নিঠুৰ—সি কঠোৰ।

বুঢ়াৰ ঘৈণীয়েকেও ৰতনীৰ বাহুৰ বান্ধোন ছিঙি ছিটিকি গৌৰাঙৰ ভৰিত পৰে। হাতুৰি হাতুৰি ফেঁকুৰি ফেঁকুৰি বহু মিনতি জনায়।

গৌৰাঙৰ শিলৰ মূৰতি পমি যায়। তাৰ দুগালেদি চকুলো বয়।

"তহঁতে কাৰ ভৰিত পৰিছ, কাক মিনতি জনাইছ? এই পশুক? এই পিশাচক? শুন্—ময়েই সেই পশু—সেই পিশাচ। ময়েই নিজ হাতেৰে সেই কুমলীয়া ছোৱালীজনীক খুন কৰিছোঁ।—মই খুনী। এই চা—সেই দা।"—কৈয়েই গৌৰাঙে তেজ-ৰঙা দাখন দেখুৱায়। সকলোৱে আচৰিত হয়। মিছা—মিছা। কোনেও নপতিয়ায়।

"সঁচা। বিশ্বাস কৰ।"—গৌৰাঙে ডাঠিকৈ কয়।—সকলোৰে চকু থিয় হয়।

"এই দাখনত যে তেজৰ দাগ দেখিছ, সেই তাইৰে—সেই আজলী ছোৱালীজনীৰ—শুকুৰবাৰীৰ।" গৌৰাঙৰ কথাষাৰ শুনি বুঢ়া আৰু তাৰ ঘৈণীয়েকে আচৰিত হৈ তাৰ মুখৰ ফালে তধা লাগি চায়, কান্দিবলৈকো পাহৰে। ৰতনীয়ে নিফুট মাতেৰে এটা চিঞৰ মাৰি কটা গছৰ নিচিনা ঢপ্ কৈ ঢলি বাগৰি পৰে।

"কালি নিশা মই কুকুৰ বুলি তাইক ঘপিয়াইছোঁ। মই সো কালু কুকুৰ বুলি ভাবিছিলোঁ। নিছাত জুলুম্ হৈ আহোঁতে তাই

বোধকৰোঁ মোৰ পাছ লৈছিল, হয়তো গম পাই মোৰ লগে লগে মোৰ ঘৰলৈ যাবলৈ ওলাইছিল,—পিছ পিনৰপৰা মোৰ কাপোৰ টানি ধৰিছিল। কুকুৰটোৱে কাপোৰ কামুৰি টানিছে বুলি ভাবি ময়েই দাবে ঘপযাইছিলোঁ। তায়েই যে মই সপোনতো ভবা নাছিলোঁ।” কৈয়েই গৌৰাঙে হুক্‌হুকাই কান্দি উঠে।...তাৰ পিছত বহিপৰি শুকুৰবাৰীৰ মুখখন চাই থাকে। সেই ফাঁকু—ৰঙা ফাঁকু—পুৱা সি নিজেই তাইৰ মুখত সানি দিয়া ফাঁকু তেজৰে সৈতে মিলি গৈছে। তাৰ বুকুৰ জীউক সি নিজেই হত্যা কৰিছে।—ইও কি সম্ভৱ? ই সাপোন নে দিঠক। সি আচৰিত ভাৱেৰে লাৰি পিটিকি চায়। তাইৰ লেতুসেতু চেঁচা মূৰটো তুলি সাৱটি চুমা খাবলৈ ধৰে। বুঢ়া আৰু তাৰ ঘৈণীয়েকে গৌৰাঙৰ ভৰিত ধৰি কান্দি চকুলোৰে তিয়ায়। ৰতনীয়ে চেতনা পাই উঠি বহি গিৰীয়েকক সাৱট মাৰি ধৰে। গৌৰাঙৰ চকুৰ চাৱনি থিৰ হয়। ছল্‌ছলীয়া চকুৰেদি দুগাল বোৱাই চকুলোৰ ঢল বয়।

শুকুৰবাৰীৰ মূৰটো থৈ, দাখন লৈ ঘপহ্‌কৈ উঠি গৌৰাঙে উচাট মাৰি উঠি গুচি যায়। ৰতনীও পাগলীৰ দৰে উঠি কান্দি কান্দি তাৰ পাছে পাছে যায়।

মাৰ্ঘেৰিটা পুলিচ থানা। হাজতত গৌৰাং বন্দী। ৰতনীৰ দেহা হাজতৰ লোৰ দুৱাৰৰ মুখত পৰি থাকে। ফুলমণিয়ে উধাতু খাই লৰি-থাপৰি “পাগ্‌লা—পাগ্‌লা” বুলি আউলী জাউলী হৈ থানালৈ আহে। চুলি মেল খায়,—ঢেউ খেলি যায়। হাজতৰ দুৱাৰমুখলৈ আহি কান্দি কান্দি ছট্‌ফটাই থাকে। লোৰ শলাৰ ফাকেদি গৌৰাঙে দুখন হাত বাজলৈ মেলি দিয়ে। ফুলমণিয়ে সেই দুখন হাত ধৰি তাইৰ নিজৰ ডিঙিত মেৰিযাই লয়। “তই ক পাগ্‌লা। তই কটা নাই বুলি।”—ফুলমণিয়ে কাকুতি মিনতি জনায়। “এতিয়া আৰু নহব। মই সকলো স্বীকাৰ কৰিছোঁ। আদালতত যি হয়।”—গৌৰাঙে জনায়।

পুলিচে আহি ধমক দিয়ে,—“মনে মনে থাক্‌। থানাত

গোলমাল নকৰিবি। ঘৰলৈ গুচি যা।" আথেবেথেকৈ মৰহি যোৱা ৰতনীক তুলি লৈ ফুলমণিয়ে গুচি যায়।···

গৌৰাঙৰ চকুৰেদি ধাৰাষাৰে চকুলো বয়। ফুলমণিহঁতে যোৱাৰ ফালে দুৱাৰৰ লোৰ শলাত দুই হাতেৰে ধৰি সি চাই থাকে।

দূৰৈত ৰিণি ৰিণি কান্দোন আৰু চিঞৰ,—"পাগ্‌লা—পাগ্‌লা।"···

থানাত শকত বুটৰ শব্‌দ উঠে। · কাঁহৰ ঘণ্টা বাজে টং-টং-টং-টং। মাৰ্ঘেৰিটাৰ কয়লা কাৰখানাৰ চিটি বাজে—বিকট মাত। দূৰ দূৰণিত বজাৰ-খোলাৰ ফালৰপৰা চিঞৰণি ভাহি আহে—"ইন্‌-কুইলাব্‌ জিন্দাবাদ্‌।"···

পৰিবৰ্তনশীল জগৎ,—পৰিবৰ্তনশীল মানুহৰ অৱস্থা,···পৰিবৰ্তনশীল মানৱ সমাজৰ ব্যৱস্থাও। ·

উচ্চ-আদালতৰ বিচাৰত গৌৰাঙৰ কুৰি বছৰ জেইল্‌ হয়।···

*　　*　　*

"হয় বাবু,—মোৰ কপালত কুৰি বছৰ জেইল্‌ ঠিকেই হৈছে। তথাপি এই বহু বছৰীয়া ফাটেকেও শুকুৰবাৰীৰ সেই কটা মৰমলগা অকণমানি মুখখনি পাহৰাব পৰা নাই। আজি দহ বছৰ হ'ল, তাইলৈ প্ৰায়েই মনত পৰে,—বেজাৰে মোৰ হিয়া খুলি খুলি খায়। কোনদিনা যে হব প্ৰায়শ্চিত্ত?" এনে দীঘলীয়া হিয়া-ছিগা বুকু-ভগা হুমুনিযাহ এৰি গৌৰাঙে চকুলো মচি মচি মোৰ মুখৰ ফালে তাৰ ছলছলীয়া চকুজুৰি তুলি চায়। ময়ো মোৰ ছল্‌ছলীয়া চকুজুৰিৰে সৈতে মুখখন এফালে ফিৰাওঁ। দেখোঁ—জেইলৰ ফাটেক-দুৱাৰ খোলাৰ লগে লগে চুপাৰিণ্টেণ্ডেণ্টক অহা। মোৰ পঁজাৰ ফাললৈকে অহা। চেয়াৰখন তুলি মই মোৰ পঁজাৰ ভিতৰলৈ সোমাওঁ। মোৰ প্ৰহৰী দুজন ৰিভাৰ্ভ পুলিছে ৰাইফলেৰে সৈতে চেলিউট জনায়। চুপাৰিণ্টেণ্ডেণ্টে মোৰ পঁজাৰ ভিতৰলৈ সোমাই আহে।···

গৌৰাঙে চুকত বহি চকুলো টুকি উচুপি থাকে।···

মাঁমীৰ হাৰ

"এই শ্বশুৰ।"

"অ' শহুৰ।"

"শ্বশুৰা-জী।"

বাহিৰুত পঁজাৰ কেউপিনে কোঢাল,—"শহুৰ—শহুৰ।" সি যেন জেইলৰে শহুৰ,—সকলোৰে শহুৰ। তাক শহুৰ বুলি মাত এষাৰ দিবলৈ পালে সকলোৰে জীৱন যেন ধইন হয়। চৌভিতি ৰজন্-জনাই উঠে, এনে ঠাট্টা-মস্কৰা। জেইলৰ এনেকুৱাই ৰং-ধেমালি।

"এক্‌টা মাত্র বেটী ছাৱা ৰে,—অতগিলা মান্‌ছিক মুই কি ৰকম দিম্‌তে? দিবাৰ নাপাৰং।" ৰাইজৰ শহুৱে লেহেতিযাই মাত দিযে।

তাৰ মাত গহীন। কিহৰ কোঢাল; পঁজাৰপৰা ওলাই ভুমুকি মাৰি চাওঁ।

ঘুট্‌মুটীয়া কটীযা মানুহ। বুকু বহল, হাতৰ বাউসী শকত, কলাফুল ওফন্দা। মুখখন বহল। মোচ-গোঁফ দীঘল। চুলি চুটিকৈ কটা। গোঁফৰ তলত ওঁঠৰ ফাকেদি সৰল হাঁহি ভাহি উঠা। সৰু সৰু চকুৱেদি চাৱনিও তেনেই নিজুঁ। সোঁহাত খনৰ আঙুলি কেইটি অনবৰত কঁপি থাকে। বাঁওহাতেৰেই এটা খোটা বাঢনীৰে সি চোতাল সাৰে।... এাতলো নৰয,—তাৰ কামৰ ক্ষতিখুন নাই।

মোৰ পঁজাৰ পচিমে—'খৰি-ছালি।' পাঁচজন মান কয়েদীয়ে

লোৰ দৰে টান শাল কাঠৰ খৰি ফালে। ভাগৰি পৰিলে, সিহঁতে জিৰায় আৰু সেই ঘুট্‌মুটীয়া কটীয়া মানুহজন মোৰ পঁজা থকা চুকত তাৰ সোঁহাতখনৰ আঙুলি কঁপাই কঁপাই আহিলেই সিহঁতে একেলগে চিঞৰে, "শহুৰ!—শ্বশুৰ!—শ্বশুৰা-জী।"

শহুৰৰ জীয়েকৰ প্ৰতি কি লোভ,—সেই লোভত জাতি ভেদৰ গোন্ধ নাই। হিন্দু-মুছলমান-ট্ৰাইবেল-খ্ৰীষ্টানৰ মনত অলপো বাদ-বিচাৰ নাই। তাৰ ভিতৰত যেনে আদিম প্ৰবৃত্তি লুকাই আছে, ঠিক তেনেকৈ লুকাই আছে আদিম সাম্যবাদ।···সকলোৱে এক—এটা সমাজ—এটা কয়েদী গোষ্ঠী। কাম-ভুকীয়া কয়েদীহঁতৰ মনৰ কামনা-লালসা এনে কাম-গোন্ধ-সনা মাতকথাতে অকণমান তৃপ্তি পায়। ·

সম্পত্তিৰ মালিকৰ অন্তৰত হলে জাতি বিচাৰ আছে। ·শহুৰে কয়, "তুই বাঙাল্। বাঙালক মুই নাদিম্।"

খৰি-ছালিৰপৰা এজন বঙালী কয়েদীয়ে মাত দিয়ে,—"না শ্বশুৰ। আমি তোৰ্ মেয়েকে বিয়ে কৰবো। খুব সুখে ৰাখ্‌বো। তোৰ মেয়ে ৰাণীৰ মতন থাক্‌বে। আমাকে বিযে দিস।" ·

"আৰে তুই তো পকেট্‌মাৰ্ ৰে,—ছালা পকেট্ কাটা চোৰ। মোৰ বেটীটাক্ বিয়া কৰ বি ত ব্ৰহ্মপুত্ৰত মুখ ধুইয়া আহ। তুই ছালা পকেট্ মাৰ্‌বি, জেল খাবি, আৰ মোৰ বেটীছাৱাটা ছুখাই মৰক। নাদিম্ ৰে, তোক্ নাদিম্।" বুলি শহুৰে ৰায় দিয়ে।

"শ্বশুৰা-জী হামাকে দিবি? তোৰ বেটীটাকে চাদী দিবি?"—বুলি হিন্দুস্থানী কয়েদীজনে মাত লগায়।

"আৰে তুইতো ছাতু-খোৰ্ ৰে—। তুই খাবি ছাতু আৰ মোৰ ছাৱাটা খাব ভাত। মিল নাহয়, নাহয়।"—বুলি কৈয়েই শহুৰে মুখ ফিৰায়।

"হাঁতো শ্বশুৰা-বাবা। হামি ছাতুখোৰ ঠিকেই বা। ইয়াদ্ ৰাখ্‌বি—হামিতো দেছোৱালী। ওতো বুজল্ বা। দে ছোৱালী—তাৰ মানে তো ভইল ছোৱালী দে? দে আভি-তুহাৰ্ ছোৱালী দে।"

সেই হিন্দুস্থানী কয়েদীজনে কোৱাৰ লগে লগে সকলোৱে হাঁহে। মোৰো হাঁহি উঠে।

"ছালা—কানি চোৰ। গাজীপুৰী—আফিং-চোৰ। তোৰ্ দেছৰ্ পাৰে আফিং আনিয়া আনিয়া আচাম্ দেছ্‌টাকে লুটিলি। ছালা পাপী। আৰ্ তুই চাইছ মোৰ্ ছোনাৰ বেটীটাকে বিয়া কৰিবাৰ্।—থুঃ"—শহুৰে থু পেলায়।

"আমিখান আনিম্ দে। খিচিৰ্‌মিছিৰ্ নক্‌ৰিবি। নাদিলে পালাই আনিম্ আৰো।··আমিখান্ বডো মান্‌ছি,—ঘছৰ্‌মছৰ্ হে জানং।" বডো কয়েদীজনে কান্ধত কুঠাৰডাল পেলাই কয়।··

"তোক তো নাদিম্ ৰে।—মেচক নাদিম্। তোৰ্ মতন্ মেচক্ বহুত দেখিছংৰে। মোৰ লগে ঘছৰ্‌মছৰ্ নাপাৰিবি। মোৰ কালী-সাধন্ আছে ৰে,—জানি লবি। এক্‌বাৰ লাথি ঘূৰাম তো, চিৎভৎলাং হুইয়া উল্টাইযা যাবি। কোন্ ফালে যে ছিট্‌কাইয়া পৰিবি,—পাত্তাই নাপাবি ৰে—টেৰকে নাপাবি। ফুটানী নাকৰ।"···শহুৰে বুকু ফুলাই কয়। তাৰ সোঁহাতৰ আঙুল কেইটা বতাহত লৰা বাঁহৰ দৰে বেছি-কৈয়েহে কঁপে। এটা হাঁহিৰ ৰোল উঠে।

আকৌ শাল কাঠৰ বুকুৰ ওপৰত পাঁচোটা কুঠাৰৰ কোব্ পৰে।·· শহুৰেও খোটা-বাটনীৰে এক মনে চোতাল সাৰি থাকে।

মই তাক মাতোঁ,—"হেৰা শুনাচোন।"

সি মোৰ মুখৰ ফালে চায়।

"এইফালে আহাচোন।"

সি কয়, "কাক্ ডকাইছ—বাবু? মোক?"

"এৰা তোমাক। ·আহা।"

মোৰ কথা শুনি সি তাৰ সোঁহাতখন কঁপাই সোঁভৰিখন পোনাই চোঁচৰাই লাহে লাহেকৈ মোৰ ফালে আহি ওচৰত থিয় দিয়ে।···তাৰ মূৰটোও মাজে মাজে সোঁফালে এফলীয়া হয়। তাৰ সৰল চাৱনি মোৰ মুখৰ ওপৰত থিৰ হয়। গাত কয়েদী পাল্টালুম্, এডা চোলা—দৰি

দিয়া। এনেই কটীয়া, ঘূট্‌মুটীয়া, তাতে আকৌ এসে সাজ-পোচাক। অভিনব। ·

'কি নাম?"

"হৰেন। মোৰ জাতি ক্ষত্ৰিয়,—ডাণ্ডৰ জাত।"

"টাইফয়েদ্‌-নিউমোনিয়া বেমাৰ ভুগি এই ৰকম হ'ল, তোমাৰ হাতখন এনে হ'ল কেনেকৈ বাবু। হাতটা কঁপি থাকে। জোৰ নাপাং। না হলে লাঠি ঘূৰাৰ চোটত দছ্‌-বিছ্‌টা মানুছক ছিট্‌কাইয়া দিছিলং। অখন আৰ নাপাৰং।" গৰবত হৰেনৰ বুকু উফান্দি উঠে।···এখন্তেক মানৰ পিছতেই হতাশত তাৰ মুখ ক'লা পৰি যায়।

"কিমান দিন হ'ল এই বেমাৰ ভুগা?"

"চাৰ বৎছৰ্‌ হগ বেৰাম্‌ হওয়া। আগে ভাল আছলং।"

"তোমাৰ ঘৰ ক'ত?"

"চাওল্‌-কোছা—গুৰুং-তাড়ি।"

"তোমাৰ ল'ৰা-ছোৱালী কেইটা?"

"এক্‌টা। এখানি ছাৱাযে মোৰ।"

"ল'ৰা নে ছোৱালী?"

"আপি।"

"বয়স কিমান?"

"চৈধ্য-পোন্ধৰ এই ৰকমেই বাবু।"

"কিমানলৈকে পঢ়িছে?

"মাইনাৰ্‌ পাছ।—পাঠশালা পাছ্‌ কৰিযা মাইনাৰ্‌।"—তাৰ মাতত গৰ্ব্ব।

"কি নাম?"

'গিৰিবালী দেৱী।"

অলপ পৰ বৈ সোধোঁ,—"কি কেইছত এই নৰকলৈ আহিলা?"

"চুৰি কেইচ্‌।"

"কি চুৰি ?"

"ছোনা চুৰি।"

"কাৰ সোণ ?"

"মামীৰ হাৰ।"

আচৰিত হৈ কওঁ,—"হাৰ—মামীৰ হাৰ।" তাৰ পিছত গহীনাই সোধোঁ,—"কিয় মামীৰ হাৰ চুৰি কৰিছিলা ?"

"পৰৰ বুদ্ধিতে, মোৰ ভতিজাৰ বুদ্ধিতে।"

'কেনেকৈ ?"

"নৰই মোৰ ভতিজা হয়তো। দিনেৰ বেলা খাইয়া-দাইয়া ঘুম্ পৰ্ছুং—বাগাৰ দিছোং।—ভাতিজা আছিযা কাঁচা-ঘুমুতে তুল্ছে। তুলিয়া ডাকাইযা নিছে—পাটাবাৰীৰ কাণে—তাৰ হাতত এখান দাও ছুন্ধ—অস্ত্ৰ। নিযা হলে কয়—'তুই যদি বাস্কটা নানিছ, মামীৰ ঘৰেৰ-পৰা, তাহলে তোৰ জীৱন ছেচ্।' তাৰ পৰে মুই ভাবিযা-চিন্তিযা গেলোং আনিবা। জীৱনটা ছেচ হোওযা ভাল, না থাকাই ভাল ? আনিয়া বাক্সটা দিলোং ওৰ হাততে ফেলিয়া,—নৰ ভাতিজাৰ হাতত।"

"মামীয়েৰা নাছিল নে ?"

"মামী নাছিল। ধোৱা কৰবাৰ গেছে। ভৰা দুপুৰ।"

"মোমায়েৰা ?"

"নাই। মামা মৰ্চ্ছে।" অলপ পৰ বৈ কৰ,—"আনিয়া বাক্সটাৰ তালা ছিনাইয়া ভতিজাই ভাংছে। ভাঙিযা ও দুই-ছো টাকা লইযা গেছে—আৰ মোক দিছে ছোনাৰ হাৰ্ডাল্ "তাৰ পিছত ?"

"ও নিযা ভাগিছে। আৰ মই গলাত পিন্ধিছোং। হাৰ্ডাল গলাত পিন্ধিয়া ঘুৰি বেড়াইছোং।—তাৰ পৰেৰ দিন হাটতো গেছোং — বুধবৰীয়া হাটত। ওই মামীৰ হাৰ্টা গলাত পিন্ধিয়া হাটৰ মধ্যত বেড়াইছোং।"

"তাৰ পিছত ?"—কৈয়ে হাহোঁ।

"ও জিজ্ঞাস কৰে,—'কাৰ হাৰ ?'—'মামীৰ হাৰ্।' ওটাই জিজ্ঞাস কৰে 'কাৰ হাৰ বাপুৰে,'—'মামীৰ হাৰ্।' তাৰ পৰে গলাত পিন্ধিয়া হাটত ঘূৰিছোং। ঘৰত আসিযা খাইয়া-লাইযা ঘুমাইছোং—বিশ্ৰাম মোক জাগাইয়া বেটীটা কয়, 'বাপুৰে ! হাৰ ডাল কুটি পাইছে।' —তাৰ পৰে মুই ধিদিৰ্‌-মিদিৰ্ উঠিযা মুখহাত ধুইযা একটা বিৰি খাবাৰ লাগিছোং। এৰ্ প,ৰ দাৰোগা পুলিচ আছিয়া পৰ ছে। আছিয়া—জিজ্ঞাচ কোৰ্‌ছে,—'তোৰ্ থায একটা ছোনাৰ হাৰ আছে না ?'—আছে'—কৈছোং। 'এই—গলাত'।"

"তাৰ পিছত ?"

"তাৰ পৰে মোক নিযা গেছে ধৰিযা—। ডাকাইযা নিযা গেছে মামীৰ ঘৰত। তাৰপৰে মামীৰ বাড়ীত্—জিজ্ঞাচ কৰছে টাকা কতি থলি ? ভুই-ছো ?' মুই কৈছোং—'নৰই-নিছে। নৰই লইযা গেছে,—মোক ছোনাৰ্ হাৰ্‌ দিছে।' ওকেতো ধৰা নাই-পায্—এলাও। আৰো মোক ধৰা পাইছে। মোক কিন্তু বান্ধিযা আনে নাই খালি ওম্‌তে লইয়া গেছে। বিলাসীপাৰা থানাত এক ৰাত্ৰি থাকিছোং। থাকিযা ফিৰ্ কাছাৰীত আন্‌ছে মোটৰ দিয়া ধুবুৰীত। হাজতত তিন্ মাছ আছং। তাৰ পৰে একদিন কাছাৰীত হাকিমে জিজ্ঞাছা কচ্ছে—'চুৰি কচ্ছি'ছ না, নাই কৰিছ্‌?'—মুই বোল্‌লুং—'চুৰি কচ্ছো'ং বাপুৰে হাকিম। মামীৰ ঘৰে চুৰি কচ্ছে'ং—ছোনা—এক তোলা—এই হাৰ্‌ডালে। আৰ্‌ কিছু আনা নাই। —হুজুৰ মাপ দিবাৰ্‌ লাগে।' 'মাপ-তাপ নাই যা। চাৰি মাছ্‌ মান্ জেইল্ খাটিয়া খুটিযা যাবি আৰো কি ?' হাকিমে ৰায দিচ্ছে।"

তাৰ পিছত তাৰ চাৰিমাহ জেইল।

বৰ সৰল সি। তাৰ মাতবোৰতো সৰলতা সৰকি পৰে।· এনেতে সিফালৰপৰা জমাদাৰ আহে। জমাদাৰ অহা গম পাই সি গুচি যায়।

মই তাৰ ফালে ৰ' লাগি চাই থাকোঁ।··

খৰি-ছালিত কুঠাৰৰ মাত নিমাত হয়। আকৌ সকলোৱে চিঞৰে,—"অ' শহুৰ! অ' হউৰ!! অ' শশুৰ-বাবা!!!" খোটা বাচনীডাল জোকাৰি জোকাৰি সোঁহাতখনৰ আঙুলি কেইটা কঁপাই কঁপাই সোঁভ-ৰিখন পোনাই চোঁচৰাই বেগতে খোজ পেলাই সি চিঞৰি চিঞৰি কৈ যায়,—"আৰে আপীৰ বাওঁ পাৱৰো যোগ্য নাহছ, ৰে তোৰা। এনে আপীৰ কাৰণে কপাল ছাধিবাৰ লাগে ৰে—কপাল ছাধিবাৰ লাগে।"

বুলি কৈয়ে চাৰি নম্বৰৰ ঘৰৰ ফালেদি গুপ্ গুপাই গৈ পাক দি আঁৰ হয়।

ভৰিৰ খোজৰ দপ্দপনিত ভূইকঁপ। যেন লাগে। বুঢ়া জমাদাৰ আছি উপস্থিত। জমাদাৰৰ গুৰু-গম্ভীৰ মাত,—"কি হল ৰে?" ওলায়েই আকৌ গুঞ্জৰণি উঠে,—"আৰে, ছুৱাৰ কা বাচ্চা,—নবাব চৰ্।"

খৰ্খৰ্কৈ শাল বুকুত কুঠাৰৰ কোব ধাৰাষাৰে পৰে।

তাৰ ঘৰৰ অৱস্থা একেবাৰে বেয়া নহয়,—ভালেই। সিহঁত তিনি ভাই। হৰেনেই আটাইতকৈ ডাঙৰ। তিনিজনৰেই ডাঙৰ ডাঙৰ শাল কাঠৰ খুটাৰ বৰ বৰ একোটা ঘৰ। তাক সুধিলে সি কয়,—"আমিৰা বেলগ্ হৈছোং। মোৰ ভাগত একখান্ হালেৰ মাটি আছে। আৰ্ তিন্পুৰা তলি—ৰোৱা তলি আছে। আৰ দুইটা ভিটা। ভাণ্ডাৰ আছে একটা। অখনো পুৰাণা চালৰ ভাত খাং। অভাৱ নাই। দুটা মান্‌ছি কতলা খাব আৰো।"

কথা সঁচা। যেয়ে তাক জানে সিয়ে কয়,—"তাৰ অৱস্থা ভাল।"..

সি কটীয়া ঘুট্মুটীয়া হলে কি হব, সোঁহাতখন এলাগী হলে কি হব, বৰ কাম কৰে। সি পৰিশ্ৰমী,—এতিলো বহি নাথাকে। বন নকৰিলে হেনো তাৰ গা পিৰ্পিৰায়।...সক দুজন ভায়েক ডেকা সংসাৰী হলেও হৰেনৰ সমান সিহঁতে কাম কৰিব নোৱাৰে। মাছ মৰাত, হাল বোৱাত, ভাৰ-তোলাত সকলোতে সি পাকৈত। নিজৰ শ্ৰমৰ বলত সি নিজৰ অৱস্থা ভাল কৰিছে। সেই কাৰণে সি ওফাইদাং মাৰি কয়,—

"তিন ভাই এক চোতালত আছং। ওৰ হাঁড়ি ওৰ ঘৰত, তাৰ হাঁড়ি তাৰ ঠাইত, মোৰ থানত মোৰ। ভাণ্ডাৰ আলাদা আলাদা। মোৰ ভাণ্ডাৰ এক্‌টা। ধান ভৰ্ত্তি,—ছাল্‌ ছোং-ছোং। অথনো পুৰাণা চালৰ ভাত খাং। অভাৱ নাই। দুটা মান্‌ছি,—কতলা খাম? ··মোৰ দুটা ভিটা—যেমন তেমন ভিটা নাহয়। কঁাঠাল গাছ ছয়ডাল, আম্‌ গাছ ছাত্‌ডাল, লং গাছ একডাল, দালচিনি গাছ দুডাল। তামোল-পাণে ভৰ্ত্তি। বছৰত তামোল ন-কাওন লাভ। তেল ঘৰতে পেৰং। ছব্‌ ঘৰৰে খাং। খালি কেৰাচিন তেল আৰ লবন মাত্র কিনং।· ডান হাতত জোৰ কমিলে কি হব? নিজে কামানি কৰং। এই হাতে নাঙলৰ মুঠিত ধৰং, বাওঁহাতে বুলাং। কিহব অভাৱ? দুটা মান্‌ছি আৰ্‌ কতলা খাম্‌?—মুই আৰ মোৰ বেটি ছাৱা।"

আৰু তাৰ গৰ্ব্ব,—তাৰ ছোৱালীজনী। তাৰ সেই 'বেটী-ছাৱা'—গিৰিবালা দেৱী। ··তাই গাভৰু,—পাট-গাভৰু, বয়স চৈধ্যপোন্ধৰ বছৰ-মান।···সকতে তাইৰ মাক ঢুকায়। তেতিয়া তাইৰ বয়স এবছৰ। এবছৰীয়া কেঁচুৱা, মাউৰা। ·

হৰেনৰ ল'ৰা নাই,—কেৱল সেই ছোৱালীজনী। সেই মাউৰা কেঁচুৱাজনীৰ কাৰণে তাৰ ওৰে দিন ওৰে নিশা চিন্তা। ক'ৰবালৈ কামে-বনে হাটে-বজাৰে গলেও তাৰ ঘৰলৈকেহে মন,—সেই কেঁচুৱাজনীলৈ। তাইতে যেন তাৰ জীউটো।··

কলী-বগী গাই দুজনী। দুজনীয়ে খীৰতী। ·গাই দুজনীক দু নিলে প্ৰায় দুসেৰ গাখীৰ ওলায়। ধুবুৰী জিলাৰপৰা কিনি অনা দুধ্‌দানীত ভৰাই সি ছোৱালীজনীক গাখীৰ খুৱায়,—সেই এবছৰীযা কেঁচুৱাজনীক—নিগনি-দাঁত গঁজা—আঠকাটি ফুৰা। কোমল পাই তাই দাঁতেৰে ৰবৰছটা চিকুটি ছিডে। সপ্তাহে পতি দুধ্‌দানীৰ নতুন ৰবৰছটা সি কিনি অনায়,—ধুবুৰী চহৰৰপৰা। ··তাতে তাৰ ৰং। হাটে পতি এটা ফৰক্‌ তাইৰ কাৰণে,—বিধ বিধ ৰকম ৰমক-জমক,—ৰং-বেৰঙৰ ফুলে-পাতে ভমকাভমক্‌। এবছৰীয়া কেঁচুৱা মৰম-লগা বয়স,—ওচৰৰপৰা

সি প্ৰায় নাযায়,—চকুৰ আঁতৰো নহয়। তাই যেন ধুনীয়া গুৱনী ৰঙ-চঙীয়া চিৎ-পখিলীহে।

থকা, খোৱা, পিন্ধা—এই তিনিটাৰ কাৰণে মানুহ মানুহ। নহলে মানুহে পশুৰ শাৰীত থাকিলহেঁতেন। এই তিনিটাৰ কাৰণে মানুহৰ হাত, শ্ৰম আৰু মগজুৰ জনম। সেই কাৰণে মানুহে নিজৰ ওপৰত নিৰ্ভৰ কৰে,—প্ৰকৃতিৰ ওপৰত নকৰে। অকলে নোৱাৰিলে সমাজক বিচাৰে। সমাজৰ প্ৰয়োজনত মানুহৰ সৃজন হয়, যুগে যুগে সাধি সেই মানুহে সমাজৰ কাৰণে ন-ন স্ৰজে। মানুহৰ দৰে থাকিবলৈ, খাবলৈ, পিন্ধিবলৈ—থকাৰ কাৰণে মানুহে ঘৰ সাজে, খোৱাৰ কাৰণে খেতি কৰে আৰু পিন্ধিবৰ কাৰণে কাপোৰ বয়।···

হৰেনো মানুহ। কেঁচুৱাজনীলৈ চেনেহতে গা এৰি দিলে তাৰ কাম নচলিব জানো? সিহঁত বাঁচে কেনেকৈ? থকা, খোৱা আৰু পিন্ধাৰ কাৰণে সিও কাম কৰিবই লাগিব। এই তিনিটাৰ কাৰণেই মানুহৰ জীৱন। মানুহৰ জনমৰ লগে লগে জীৱন আৰু মৰণৰো জনম হয়। জীৱনৰ শতৰু মৰণ আৰু মৰণৰ শতৰু জীৱন। জনমৰপৰাই এই দুয়োটাৰে অৰিয়া-অৰি। জীৱনে বিচাৰে মৰণক মাৰিবলৈ আৰু মৰণে বিচাৰে জীৱনক শেষ কৰিবলৈ। এই যুঁজেই জীৱনৰ ৰণ আৰু এই ৰণেই জীৱন-সংগ্ৰাম।··হৰেনৰ জীৱন এতিয়াও দুৰ্ব্বলী হোৱা নাই। মৰণে হেঁচা মাৰি মাৰিবলৈ চেলু বিচাৰিলেও হৰেনৰ জীৱনে হকা-বধা কৰিবলৈ যথেষ্ট শকতি ধৰি আছে। কিন্তু ছোৱালীজনীক সি কেনেকৈনো অকলে এৰি থৈ যায়।

বহাগ মাহ। বহাগীৰ ৰেহ্‌ৰূপ কেউপিনে ৰমক্-জমক্। চৰাই-চিৰ্কতিৰ গান-সুহুৰিৰে চাৰিওপিনে ৰজন্‌জন। পৃথিৱীৰ বুকুত নকৈ মলিওৱা ম-ন কেঁচাপতীয়া সেউজীয়া বোল্।

হৰেনৰ মন উচ্‌পিচাই উঠে। গাৱঁৰ প্ৰায় সকলোৱে কান্ধত নাঙল-যুঁৱলি লৈ নিজৰ নিজৰ হালোৱা হালক খেদি পথাৰলৈ যায়।

ঘৰৰ কাঁথিত বহি হৰেনে কেঁচুৱাজনীক কোলাত লৈ নিচুকাই গায়.—“ঘৰক বান্ধিছা ঘৰ মিছা মায়া-বাজী গৌচাই কোন ৰঙ্গে,”—আৰু ভাবে, চিন্তে, গুণে, গুথে,—“মাঠৈৰ মান্‌ছি মাঠৈত্ গেল্। কতলা মান্ ছি। আৰ বেটী, তোৰ মায়াতে মুই ৰলোং। ছাড়িযা গেলে মায়াই ধৰে, মায়াতা পৰিলে নাঙলে ছাড়ে। এলা আমি ছুকাই মৰোং আৰ্ কি। কেম্‌নেতে ছাড়োঁং ৰে ছোনা?”—হতাশাৰ হুমুনিয়াহৰ বা-মাৰলিয়ে তাৰ হিয়া-আমঠু মোহাৰি পেলায়। সি ছট্‌ফটাই উঠে। অথিৰ মনেৰে সি কৈ পেলায়, “নাই-নাই-নাই ইটা নাহয়”। এদিন কেঁচুৱাজনীক বাকোচাত বান্ধি লৈ হৰেনে ঘৰৰপৰা ওলাই গৈ বণ্ডাইগাঁৱৰ কোনোবা এখন গাঁৱৰপৰা শাহুযেকক লৈ আহে। ঘৰ পায়েই বোকোচাৰ গাঁথি খুলি শাহুয়েকৰ কোলাত কেঁচুৱাজনীক সঁপি দি সি কয়,—“শাশুৰী মাই, মোৰ দুঃখৰ কথা আৰ নাকইচ। এই বেটিৰ মাযাত মৰ্ছোং। এই মাযা তোৰ্ হোক্। মোক্ ছাড়িযা দে। এলাই মুই কামত যাং, হাল বাং।” সি কামলৈ ওলায়। কান্ধত তাৰ নাঙল, হাতত এছাৰি আৰু আগে আগে গৈ থাকে এহাল গৰু।··

তাই কেঁচুৱা হৈ আৰু নাথাকে। দিন, মাহ, বছৰ আগুৱাই যোৱাৰ লগে লগে তাইৰ জীৱনো আগুৱাই যায। গিৰিবালা ডাঙৰ হয়। শাহুয়েক গুচি যায।

ৰণ লাগে। পৃথিৱী-ময় ৰণৰ ধুম্‌ধাম্।··ঘৰৰ চোতালৰপৰা দেখা যায ৰণৰ সাজ-সৰঞ্জাম। বিধ বিধ হিলৈ, বন্দুক, কামান,—নানা তৰহৰ লৰী, টেঙ্ক, মোটৰ,—গৰুগুৰ দৰে বৰ বৰ একোটা উৰাজাহাজ।

যুদ্ধৰ হেঁচা গাঁৱৰ ঘৰৰ উধানতো লাগে। সাধাৰণ মানুহৰ অৱস্থা চহকী হয। হৰেনৰ ঘৰত টিংপাত উঠে।··

ছোৱালীজনীয়ে পাঠশালাৰ পঢ়া শেষ কৰে। যুদ্ধ শেষ হয়। মোমায়েকৰ জীৱনো শেষ হয়। এজন মাথোন মোমায়েক, সিও ঢুকায়। হৰেন মোমায়েকৰ বুকুৰ মাণিক আছিল,—মাকৰ ভায়েকে বায়েকৰ

পুতেকক বৰ মৰম কৰিছিল। তাৰ পিছত মামীয়েক অকল। এজনী ছোৱালী আছিল, তাইকো ন মাইল আঁতৰত বিয়া দিয়া হয়। হৰেনে বাৰী-দুখুনী মামীয়েকক নিজৰ ভেটিতে এটা ভাল ঘৰ সাজি আশ্ৰয় দিয়ে,—আৰু তাইৰ খা-খবৰ আল-পৈচান্ নিতৌ লয়। নিজৰ খৰচতে এদিন গয়ালৈ গৈ মোমায়েকৰ অস্থি পেলাই আহে।

মামীয়েকৰ অৱস্থা ভাল,—মা-সম্পত্তি বহুত। খাওঁতা মাথোন এটা জীৱ, তাই নিজেই। মামীয়েকৰ ঘৰৰ কাষতে দুটা ভঁড়াল পৰীয়াৰ দৰে থিয় হৈ থাকে।

হৰেনৰ কেৱল দুটা চিন্তা,—বুকুৰ জীউ, হিয়াৰ আমঠু সেই ছোৱালীজনী—গিৰিবালা দেৱী,—আৰু তাৰ বাৰী-দুখুনী অকল-শৰীয়া মামীয়েকজনী।

হৰেনৰ জ্বৰ হয়। সেই জ্বৰ আৰু নেৰে। এদিন দুদিনকৈ এমাহ হয়,—জ্বৰ আৰু নকমে। তাৰ বলী শকত দেহা শুকাই খীণাই যায়, বিছনাত চেপেটা লাগি থাকে। ওজা আহে,—জাৰে, ফুঁকে। তেওঁ জ্বৰ নকমে। ডাক্তৰ আহে, চিকিৎসা কৰে। টাইফয়ড্ জ্বৰ,—ভীষণ বেমাৰ। তাক তিনিবাৰ ঘৰৰ-বাজলৈ উলিয়াই সাঙি কৰি মৰিশালিলৈ নিয়াৰ ব্যৱস্থা কৰা হয়। সি তিনিবাৰেই বাঁচে। চিকতা জীউ,—হাৰত লুকায়, ওলাই নাযায়। আকৌ তাক আনি সাঙিৰপৰা বিছনালৈ নিয়া হয়। শেহত টাইফয়ড্ বেমাৰ ভাল হয়। কিন্তু বৰ দুৰ্বল। পুনৰ তাক নিউমোনিয়াই হেঁচা মাৰি ধৰে। গিৰিবালাৰ কথা ভাবি ভাবি তাৰ চকুৰপৰা চুকলো সৰে। মূৰত ভৰণ লৈ আৰু ওজাৰ বৰী খাই তাৰ চকুৰপৰা চুকলো সৰে। মূৰত ভৰণ লৈ আৰু ওজাৰ বৰী খাই সেইবাৰও সি বাঁচে। কিন্তু তাৰ সোঁহাতখন ঘূণীয়া হয়, কঁপি থাকে,—এলাগী হৈ পৰে।···

বেমাৰত তাৰ বহু ক্ষতি হয়।

···গিৰিবালা আৰু মামীয়েকৰ যতনত তাৰ গা লাহে লাহে

টনকিয়াল হৈ উঠে। স্কুলত গিৰিবালাৰো এবছৰ ক্ষতি হয়,— মাইনৰ স্কুলত পঢ়াৰ ক্ষতি।

হৰেনে ঘূণীয়া দেহা লৈ বৰকৈ খাটি পৰি যোৱা অৱস্থা আকৌ ফিৰাই আনে, ভাল কৰে।

গিৰিবালা বোৱা-কটাত বৰ পাকৈত,—চিলাইত তাই সদায় প্ৰথম, নিজে কাটে, নিজে বয়, নিজে সিয়ে। তাইৰ পঢ়াশুনাও বেয়া নহয়, —লগৰীইঁতে ভালেই বুলি কয়। পহিলা স্বাধীনতা-উছৱৰ প্ৰদৰ্শনীত তাই প্ৰথম হয়।

তেজৰ মিল নাথাকিলেও হৰেনৰ দূৰ সম্পৰ্কীয় ভতিজা। সি কাম বন নকৰে। যুদ্ধৰ সময়ত পোৱা আমেৰিকান পেণ্ট্, চোলা, কোট্‌, পিন্ধি সি টিঘিল্-ঘিলাই ওফাইদাং মাৰি ফুৰে। বৰ অঘাইতং সি। সি মুখেৰে যি কয়, কামেৰে কৰেও। ভাল কাম নহয়,—বেযা কাম। ঘুমটি নহালৈকে মদ আৰু চিগাৰেট্ অনবৰত তাৰ মুখত আৰু পেটত। ধন নঘটে অথচ সি ক'ৰপৰা যে ধন পায় সিহে জানে। আচৰিত। তাৰ মুখত সদায় চিনেমাৰ গান ফুটি থাকে।

গিৰিবালাই মাইনৰ পাছ কৰে। ৰঙত হৰেনৰ ঠাই নোজাৰা হয়। যাকে লগ পায়, তাকে সি কৈ ফুৰে,—"মোৰ বেটি ছাৱাটা মাইনাৰ পাছ্ কৰ্‌ছে ৰে,—মাইনাৰ পাছ।" উলাহত তাৰ বুকু ফুলি উঠে।

স্বাধীন ভাৰততো যুদ্ধৰ পিছত নানান্ সমস্যাই ৰাইজক বেঢ়ি-ধৰে। ক'লা বজাৰ, ধান-সংগ্ৰহ, বস্তু-বাহানিৰ অগনি-মূল্য, টেক্স, খাজনা-বৃদ্ধি, কাপোৰ কানিৰ নাটনি আদি সমস্যাই ৰাইজক জলা-কলা কৰে। ধান-সংগ্ৰহ আৰু কৃষি-আয়-কৰে ৰাইজৰ খং চুলিৰ আগলৈকে তোলে। এই সমস্যাবোৰ কোনোমতেই সমাধান কৰিব নোৱাৰি তলে তলে পুতল বগাই গৈ থাকে। শেহত সাম্প্ৰদায়িক সংঘৰ্ষই ভীষণ ৰূপ লয়। ধনী আৰু চৰকাৰী কৰ্ম্মচাৰীইঁতৰ পেৰাত সোপাই সোপাই ধন সোমায়, সিইঁতৰ সম্পত্তি বাঢে। দুখীয়া হালোৱা-

হজুৱা-খেতিয়কহঁতৰ একো লাভ নহয়,—কেৱল নাঙল, ভগা জাপি, নাইবা কেঁকোৰা দাহে সিহঁতে লভে, আৰু গোহালিত ভৰি পৰে ভগনীয়াহঁতৰ ম'ত ত'ত আলৈ বিলৈ হৈ ঘূৰি ফুৰা গৰু-গাই, ম'হ-ছাগলী। নেহৰুৰ লিয়াকত আলিৰ চুক্তিৰ মতে ভগনীয়াহঁতে নিজ নিজ ঠাইলৈ উভতি অহাৰ পিছত সেই হোজা গাঁৱলীয়া ৰাইজে নানান্ লাঞ্ছনা ভুঞ্জে। হৰেনও সেই লাঞ্ছনাৰপৰা ৰাইখ্ নাপায়, এমাহ মান ফাটেকত থাকি যায়। সি কৈ ফুৰে,—"সমস্যাৰ গোড়া না বুঝিয়া চুঝিয়া আমিৰা ধৰিয়া লং—এই ইমিৰাই দেছেৰ্ ছত্রু,—এই পাকিস্তানেৰ পেৰা আছা মান্ ছিগিলা।...ওদিগি চিলাইয়া ওঠে, 'আল্লা হো আক্‌বৰ্।'—আমিৰা ডাকাওঁ,—'বন্দেমাতৰম্।—অ মলৌ, অ জাৰৌ,—কাই-কাই আছিচ্, আছিবি।' চবাই আছিয়া জুটিয়া, মিলিয়া জুলিয়া এক্‌লগে চেঁচাং,—'বন্দেমাতৰম্।' যাং বাঙালৰ গ্রামৰ দিগে অন্ধকাৰ ৰাত্রিত। হাতত হাতীয়াৰ অস্ত্র লইযা,—দা, কুঠাৰ, জাঠি, জোং। আগুন জ্বলিযা উঠে। আঃ।

আমিৰা যাং বাঙাল্ খেদাবাৰ্। তামিৰাৰ ঘৰ্ পুৰে। আকাচ লাল্ হয়। ঘৰেৰ খুটা ফুটে—ঠৌ-ঠৌ-ঠৌ। আমিৰা চেঁচাং,—'বন্দেমাতৰম্।' তামিৰা চিলায,—আল্লা হো আকবৰ।' আৰু তিৰী-ছাৱা কান্দিযা উঠে। তাৰ পৰে আৰু কিচ্ছু নাই। তামিৰা পালায়্। হয,—আমাৰ পেট নাভৰে, আগেৰ্ মতন্ খালি খালিযেই থাকি যায। উস্ বাপুৰে।"....

ফাটেকৰপৰা সি গৈ দেখে সমস্যাৰ ওপৰত সমস্যা বাঢ়িহে গৈ আছে,—যেন সমস্যাৰ খেৰণিহে। হাতেৰে উভালিলেও শেষ নহয,—কাঁচিৰে কাটিলেও চফা নহয়। পাছে পাছে গজালি মেলি খেৰণি আৰু বেছিকৈযেহে ঘন হয়, বাঢ়িহে গৈ থাকে। আজিৰ আইনৰ কাঁচিৰে এই সমস্যাৰ খেৰণি পৰিষ্কাৰ কৰিব নোৱাৰি কিয় ?

হৰেনৰ অন্তৰত নতুনকৈ ওপজা সন্দেহে উগুল্-থুগুল্ লগায়, চকুৰ আগত ৰাইজৰ করুণ দৃশ্য দেখি সি শিয়ঁৰি উঠে।

লাল নিচান, কোটি কোটি দুখীয়াৰ বুকুৰ তেজেৰে বোলোৱা ৰাঙলী পতাকা,— সংসাৰৰ বিশ্ব-মানৱৰ চিৰ-সুখ, চিৰ-শান্তি, চিৰ-মুকুতিৰ নিচান—ৰাঙলী পতাকা গুৰুং-তাড়ীৰ স্কুলৰ সন্মুখৰ খেলপথাৰৰ সোঁমাজত বতাহত উৰি ৰাইজৰ অন্তৰত নতুন ভাৱৰ নতুন ঢৌৰ খলকনি তোলে। মানুহৰ ভিৰ। ক্ৰমে ক্ৰমে মানুহে গৈ তাত জমা হয়। সভাত গিৰিবালাৰ গান আৰু বক্তিতাই ৰাইজৰ মনত নতুন ছাব বহুৱায়, তাইৰ আৰু এটা নতুন গুণ বিৰিঙি ওলায়। ৰাইজৰ মুখত তাৰ শলাগনি কুলাই পাচিয়ে নধৰা হয়।··হৰেনৰ মুখত শুনা যায়,—"যেই ছেই ছোৱালী নাহয় ৰে,—তাই মাইনাৰ পাছ।"

'নাঙল যাৰ মাটি তাৰ," "বিপ্লই—সমাজ তান্ত্রিক বিপ্লৱ" ইত্যাদি কথা শুনি শুনি মামীয়েকৰ পীলাই চমকি উঠে। বাৰী দুখুনী তাই, —নিৰুপায় অসহায়। অকাৰণত তাই ভয়ত পেলুৱা লাগি থাকে,··· কাকো বিশ্বাস নকৰে, সকলোকে সন্দেহ কৰে। তাইৰ কথা-বতৰা-ব্যৱহাৰত সকলোৱে তাইৰপৰা আঁতৰি নিলগে নিলগে, আলেঙে আলেঙে থাকে।

লাহে লাহে গিৰিবালা মামীয়েকৰ চকুৰ কুটা হৈ পৰে। হৰেনৰ ভায়েকহঁতে হৰেনক গুপুতে গোপনে হিংসা কৰে,—পেটে পেটে গিৰিবালাক ভাল নাপায়। তাইৰ ওপৰত বাপেকৰ অনবৰত চকু থকাত কোনেও তাইৰ অনিষ্ট সাধিব নোৱাৰে।

গিৰিবালাৰ ৰেহ-ৰূপ মোহিনী-ভেশত নৰৰ চকুত ভাহি উঠে। কাহানিবা গধূলি ৰঙা বেলি বুৰ মাৰিলেই নৰৰ বাঁহী লৈ হৰেনৰ ঘৰৰ কেউপিনে কাষে-পাঁজৰে ঘূৰি ফুৰি মোহন-সুৰৰ উজাৰ তোলে। কৃষ্ণৰ বাঁহীৰ মাত শুনিলেই ৰাধিকাৰ অন্তৰত যৌৱন-ফুলে পাহ মেলিলেও গিৰিবালাৰ নেমেলে। কাহানিবা সন্ধিয়া গান গালেও সেই গান শুনি তাইৰ গাত শিহৰণ-বিজুলীৰ জিলিকে ছাট নামাৰে। সংযম। নিজৰ কামনাৰ ক্ষন্তেকীয়া তৃপ্তিতকৈ ৰাইজৰ মুকুতিৰ বাসনা ডাঙৰ। এয়ে গিৰিবালাৰ ব্ৰত, ধ্যান আৰু তপস্যা। হেজাৰ-বিজাৰ লাখ-বিলাখ

কৌটি কৌটি হালোৱা হজুৱা, বমুৱা আৰু তল-মজলীয়া খলপীয়া দুখীয়া ৰাইজৰ বুকু-ভগা হিয়া-ছিগা আলৈ-আথানিৰ ইননি-বিননিৰ কোলাত সেই বাঁহীৰ সুৰ খীণ হৈ লীন হৈ যায়।

নবৰ খং ওপজে। ··গিৰিবালাৰ বাপেকেই হৈছে ঘাই বাধা হৰেনক নহ'লে নবৰ সোণালী সুযোগ নিমিলে।

ক্ষুধা আৰু কাম মানুহৰ দুৰ্দ্দান্ত প্ৰবৃত্তি। এই দুটাৰ কাৰণেই মানুহৰ জীৱন আৰু সংসাৰ,—ব্যক্তি আৰু সমাজ। অতৃপ্ত বাসনাৰ গৰ্ভতেই লুকাই আছে প্ৰতিহিংসা, প্ৰতিশোধ, সভ্যতাৰ ধ্বংস আৰু বিপ্লৱী সৃজনৰ সৃষ্টিকাৰী বীজ।

ঘুনুক ঘানক্ কৈ ইকাণে সিকাণে বাগৰি গিৰিবালালৈ নবৰ ক'লা হাবিলাষৰ কাহিনী বিযপি পৰে। সুধিলে হৰেনে বাওঁ হাতখন মেলি তৰ্জ্জনী আঙুলিটো থিয় কৰি সোঁহাতখনৰ আঙুলি কেইটা জোকাৰি জোকাৰি কয়,—"ঐ গুণ্ডা নাক্ ডাংৰা চেংৰাটাৰ লগে মোৰ সুন্দৰী বেটিটাক্ মৰিবাৰ নাদিম্ ৰে। · তাই যেন ছেই বেটী নাহয়, মাইনাৰ্ পাছ। বুজিলি?"

বাপেকে হেঙাৰ হৈ উঠে।···

নৱই নানন চেলু বিচাৰে। ··

এদিন দুপৰীয়া, শাওন মাহ। ডাৱৰীয়া।

বাটৰপৰা আহি ভোকত-ভাগৰত কোনোমতে ঘৰ পায়েই গা-পা ধুই খাই বৈ বিছনাত বাগৰ দিওঁতেই হৰেনৰ টোপনি আহে।

কোনো নাই। ভায়েক দুজন পথাৰত,—তিৰোতা কেইজনীও পথাৰত, মামীয়েকে সৈতে ভুঁই ৰোৱাত। ল'ৰা-ছোৱালীহঁত কিছুমান ক'ৰবাত উমলিছে, কিছুমান স্কুললৈ গৈছে। গিৰিবালা পণ্ডিতৰ ঘৰত তাইৰ সখীয়েকৰ তাত।

নিজম—নিমাত।···

চোতালত ঢোঁৰা কাউৰী এটাই কল্ কলাই থাকে।

নব সোমায়ঃ···

আকাশত মেঘে গিৰগিৰায়।··

"খুৰা"।·

সাৰ নাই,—মাত নাই। হৰেন ঘুমটিত লালকাল।

"খুৰা"।···

নিমাত।···

নৰই হৰেনৰ গা জোকাৰে। হৰেনে ধুৰ্মুৰকৈ উঠি বহে, চকু দুয়োটা বাওঁহাতেৰে মোহাৰে। তাৰ কেঁচা ঘুমটি ভাঙে। সোঁহাতৰ আঙুলি কেইটা বৰকৈ কপে। চকুৰ আগত সি দেখে,—তাৰ নৰ ভতিজা,—তাৰ হাতত এখন কেকোৰা দা। হৰেনে সোধে,—"কিয় ভতিজা? কিয় জাগাইছ? কি হইছে?"—"এই দিগে আছিবি,—মোৰ লগত।"—নৰৰ কথা শুনি হৰেন উঠে। নৰই ঘৰৰ বাজ হৈ ওলায়,—তাৰ পাছে পাছে হৰেন।

কিন্কিনীয়া বৰষুণ। পটা-তলী। কেও নাই। দীঘল দীঘল পটাগছৰ আঁৰত দুয়ো,—নৰ আৰু হৰেন।

—"দেখ্ খুৰা,—মামীৰ বাকচটা ইয়াতে অখনেই আন,—নাহলে এই কোকোৰা দা দেখিচ,—জীৱনটা যেন্ ছেচ নাহয়।" নৰৰ কথা, চেহেৰা আৰু কেঁকোৰা দাখন দেখিয়েই হৰেনৰ জীউ উৰি যায়। "খাড়া হৈয়া কি দেখিচ? তুই যদি বাক্সটা নানিচ্ মামীৰ ঘৰেৰ পেৰা, তাহলে তোৰ্ জীৱন্ ছেচ্।" হৰেনে বৰ বিমোৰত পৰে। জীৱন শেষ হোৱাই ভাল নে, থোৱাই ভাল? ভাবি চিন্তি সৰলচিতীয়া হৰেন গুচি যায়, মামীযেকৰ ঘৰৰপৰা বাকচটো আনি নৰৰ সমুখত থয়। নৰই দাৰে বাকচৰ তলা ভাঙি খুলি চায় যে,—এধাৰ সোণৰ হাৰ আৰু দুশ টকা। নৰই মামীৰ হাৰধাৰ হৰেনৰ ডিঙিত পিন্ধাই দিয়ে আৰু দুশ টকা লৈ নিজৰ পকেটত গুজি থৈ কয়,—"দেখ্ খুৰা, তুই কৰিতো এই দা আৰু তোৰ মাথা।" কৈয়েই বৰষুণত তিতি নৰ গুচি যায়।···

জোলোকে জোলোকে বৰষুণ।

হৰেনে তভক লাগি চাই থাকে। তাৰ ডিঙিত মামীৰ হাৰডাল।

মেঘে গাজনি মাৰে। বৰষুণ পৰে। বতাহ বয়। পটাবাৰীৰ পটাগছৰ ওপৰেদি ঢৌ খেলি যায়। মামীৰ হাৰডাল পিন্ধাত হৰেনৰ অন্তৰতো অলপ খলকনি উঠে।...

সন্ধিয়া মামীয়েকৰ ঘৰত হাহাকাৰ লাগে। "চোৰ। চোৰ।!" থানাত খবৰ দিয়া হয়।

পিছদিনা পুৱাই উঠি পঁইতা ভাত খাই হৰেনে হাটলৈ যায়। ডিঙিত তাৰ মামীৰ হাৰ চিক্‌মিকাই থাকে। সকলোৱেই সোধে, —"কাৰ হাৰ ৰে?"—সি গম্ভীৰ ভাৱে উত্তৰ দিয়ে,—"মামীৰ হাৰ"

হাটৰপৰা আহি খাই বৈ হৰেন জিৰায়। জীয়েকে দেখি আচৰিত হয়,—বাপেকৰ ডিঙিত মামীয়েকৰ হাৰ! তাই বাপেকক জগাই সোধে,—"বাপুৰে। হাৰডাল কুটি পাইছ?" ধুৰ্‌মুৰ্‌কৈ উঠি হৰেনে কয়,—"মামীৰ হাৰ। পিন্ধি চখ্‌ কৰিছোঁ।" এই সময়তে পুলিচ-দাৰোগা আহি উপস্থিত হয়। হৰেনৰ আৰু ৰাইখ নাই। তাৰ ডিঙিতে সোণৰ হাৰ চিক মিকাই থাকে।

* * *

এতিয়া সি জেইলত। চাৰিমাহ জেইল।...

সকলোৱেই জোকায়—"শহুৰ।—শ্বশুৰ।। শ্বশুৰাজী।।।" হৰেনে গৰ্ব্ব কৰি কয়,--"এই ৰকম নাকৰি ৰে। মোৰ বেটী মাইনাৰ্‌ পাছ্‌"

কোনোবাই কয়,—"চোৰ ক'ৰবাৰ।"—

হৰেনে অহঙ্কাৰ মাৰি কয়,—"কিছেৰ্‌ চোৰ্‌? মুই কি চোৰ্‌?— মামীৰ বাকচ্‌ ভাঙিয়া হাৰ নিছোঁ—চখ্‌ কৰিয়া গলাত পচ্ছে'াং। আনৰ হাৰ নাহয় ৰে,—মামীৰ হাৰ,—মোৰ মামীৰ হাৰ।" ..

—*—